


OKDISCD

# মাও ছে-তুঙৰ বিয়োগত

যোৱা ৯ চেপ্টেম্বৰ তাৰিখে নিচেই পুৱাতে সমাজতান্ত্রিক চীনৰ জননেতা তথা বিশ্বৰ নিপীড়িত জনগণৰ বাবে মুক্তিৰ পথ প্রদর্শক মাও ছে-তুঙৰ ৮২ বছৰ বয়সত মৃত্যু হ'ল। বহুতেই তেওঁক ৰুছ বিপ্লবৰ পিছৰ যুগৰ পৃথিবীত বিপ্লবৰ অভ্রান্ত শিক্ষক বুলিয়েই জানে। এই কথাও কোনেও অস্বীকাৰ নকৰে যে মাওৰ নেতৃত্বত চীনৰ জনগণৰ জাগৰণ যুদ্ধোত্তৰ পৃথিবীত সবাতোকৈ উল্লেখযোগ্য ঘটনা। 'লং মার্চ'ৰ ঐতিহাসিক দিনৰপৰা শেহতীয়া সর্বহাৰাৰ সাংস্কৃতিক বিপ্লবলৈকে মাওৰ নেতৃত্বৰ দৃঢ়তা, ধৈর্য আৰু ঐতিহাসিক পথ আবিষ্কাৰৰ ক্ষমতাই ইতিহাসত তেওঁক অমৰ কৰি ৰাখিব।

এজন ৰাজনীতিজ্ঞ বা জননেতা হিচাপেই নহয়, এজন গণশিল্পী ৰূপেও মাও ছে-তুং স্মৰণীয়। তেওঁ আছিল এজন কবি। তেওঁৰ কবিতাত চীনৰ প্রাচীন সাংস্কৃতিক ঐতিহ্যৰ লগত যুক্ত হৈছে বিপ্লবী জনগণৰ অফুৰন্ত প্রেৰণা আৰু নতুন জীৱনবোধ। পুৰণি ঠাঁচত নতুন মানুহৰ সংগ্রাম আৰু আশ-আকাংক্ষাৰ গান গাইছে তেওঁ। অর্ধসামন্তবাদী দেশৰ জনগণক ৰাজনৈতিক বিপ্লবৰ মন্ত্রত দীক্ষিত কৰাৰ লগে লগে নতুন সাংস্কৃতিক চেতনাৰে উদ্বুদ্ধ কৰাৰ প্রয়োজন তেওঁ উপলব্ধি কৰিছিল, আৰু এই প্রয়োজন পূৰণ কৰিবৰ বাবে তথাকথিত উচ্চাংগ সংস্কৃতিৰ ঠাইত জনগণৰ সংস্কৃতি প্রবর্তন কৰাৰ নীতি তেৱেঁই পোষণ কৰিছিল একনিষ্ঠভাৱে। এই শিক্ষা তেওঁৰ প্রখ্যাত Talk At The Yennan Forum ভাষণাৰ গীৰ মূল বৈশিষ্ট্য।

সাংস্কৃতিক আলোচনী হিচাপে এই মহান জননেতাৰ বিয়োগত আমি শ্রদ্ধা তর্পণ কৰিছোঁ। +++

"আমি যেনেকৈ ভুল ৰাজনৈতিক দৃষ্টিভংগী থকা শিল্প কর্মৰ বিৰোধিতা কৰোঁ, তেনেকৈ সঠিক ৰাজনৈতিক দৃষ্টিভংগী থাকিলেও শিল্পগুণ-বিবর্জিত 'প্রাচীৰপত্র আৰু শ্ল'গান'ৰ ভংগীত লেখা শিল্প-কর্মৰো বিৰোধিতা কৰোঁ। সাহিত্য আৰু শিল্পৰ ক্ষেত্রত এই দুয়োৰে বিৰুদ্ধেই আমি যুদ্ধ কৰিব লাগিব" —মাও ছে-তুঙ

OKDISCD

# লয়াৰ্ছ বুক ষ্টল

গুৱাহাটী-৭৮১০০১

**আমাৰ বিপণীত থকা আন্তৰ্জাতিক প্ৰগতিশীল সাহিত্যৰ বাছক-বনীয়া গ্ৰন্থসমূহৰ কেইখনমান**

| | | | |
|---|---|---|---|
| Iron in the soul ... Jean Paul Sarte | Rs. | 8·00 |
| Mao tse-tung .. Schram | ,, | 22·25 |
| Red China Today ... Edgar Snow | ,, | 22·25 |
| The penguin book of socialist verse | ,, | 10·70 |
| Linguistic & Educational inspiration under a colonial system ... N. K. Sharma | Rs. | 60·00 |
| Lenin & Gorky : Letters reminscences & Articles | ,, | 5·00 |
| On literature and art ... A. Lunacharsky | ,, | 4·50 |
| On literature Gorky | ,, | 5·00 |
| Stalin .. Deutscher | ,, | 16·00 |
| Myself & the Communist party of India 1920-1929 ... Ahmed | ,, | 20·00 |
| The Philosophy of Arunachal Pradesh ... Elwin | ,, | 35·00 |
| On religion ... Marx : Engles | ,, | 2·00 |
| Lenin & problems of literature | ,, | 6·40 |

মাত্ৰ দহ বছৰীয়া জীৱন কালত ১০০ খনৰো অধিক বৈচিত্ৰপূৰ্ণ গ্ৰন্থ প্ৰকাশ কৰাৰ গৌৰবেৰে

## গুৱাহাটী বুক ষ্টলে

সমূহ পাঠকলৈ শাৰদীয় ওলগ জনাই আগবঢ়াইছে –

ডঃ হীৰেণ গোহাঁইৰ চিন্তা-উদ্ৰেককাৰী প্ৰবন্ধৰ আপুৰুগীয়া সংকলন

**॥ সাহিত্য আৰু চেতনা ॥**

(মূল্য — ১৫·০০ টকা)

মেদিনী চৌধুৰীৰ মাধৱদেৱৰ জীৱনৰ আলমত নতুন আংগিকৰ নবতম উপন্যাস

**॥ বগুৰিকাবেহাৰ ॥**

(মূল্য — ১০·০০ টকা)

ডঃ মহেশ্বৰ নেওগৰ গবেষণামূলক গ্ৰন্থ

**॥ বৰদোৱা গুৰুচৰিত ॥**

(মূল্য — ১০·০০ টকা)

ছয়খন বিশ্ববিখ্যাত গ্ৰন্থৰ আলোচনা— **ৰাম গোস্বামীৰ**

**॥ মন আৰু মন ॥**

(মূল্য — ৮·০০ টকা)

| | |
|---|---|
| অসীমত যাৰ হেৰাল সীমা (উপন্যাস) কাঞ্চন বৰুৱা - | ১৫·০০ |
| মেডিকেল কলেজ (উপন্যাস) প্ৰণবকুমাৰ শৰ্মা - | ৮·০০ |
| মণি-কাঞ্চন (উপন্যাস) সন্তোষকুমাৰ শৰ্মা— | ৬·০০ |
| বহাগতে পাতি যাওঁ বিয়া (ৰম্য ৰচনা) ভদ্ৰ বৰা— | ৬ ০০ |
| শিশুৰ প্ৰতিপালন চন্দ্ৰপ্ৰভা দেৱী – | ৬·০০ |
| ৰাজপথৰ নায়ক (উপন্যাস) কামাখ্যা সভাপণ্ডিত— | ৬·০০ |
| হিমানী-হিল্লোল (উপন্যাস) কুমাৰ কিশোৰ — | ৮·০০ |
| সৃজন আৰু মনন (প্ৰবন্ধ) ইমদাদ উল্লাহ — | ৬ ০০ |
| মহানগৰ (উপন্যাস) মুকুট বৰদলৈ - | ৪·০০ |
| বলম্ (গাঁৱৰ পটভূমিত উপন্যাস) ক্ষিতি বৰা - | ৬·০০ |
| অস্তিত্বৰ শিকলি (গল্প) নগেন শইকীয়া — | ৫·০০ |
| গ্ৰহণান্ত (উপন্যাস) কাঞ্চন বৰুৱা — | ৪·০০ |
| অভিনেত্ৰী (গল্প) ৰোহিণী বৰা — | ৫·০০ |
| হস্তৰেখা আৰু জোতিষ-বিজ্ঞান (যন্ত্ৰস্থ) ভূবন নাথ— | ২৫·০০ |

## গুৱাহাটী বুক ষ্টল

**শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩ ॥ দিছপুৰ, গুৱাহাটী-৭৮১০০৬**


OKDISCD

# সাম্প্ৰতিক সাময়িকী

সাহিত্য-সংস্কৃতি বিষয়ক তিনিমহীয়া আলোচনী
প্ৰথম বছৰ ॥ তৃতীয় সংকলন ॥ অক্টোবৰ, ১৯৭৬

সূচী-পত্ৰ

॥ শ্ৰদ্ধা তৰ্পণ ॥
মাও ছে-তুঙৰ বিয়োগত ॥ ১
॥ সাংস্কৃতিকী ॥
ভূপেন হাজৰিকা ॥ ৫
॥ প্ৰবন্ধ ॥
গবেষণা আৰু কাৰিকৰী সহযোগিতাৰ এটা দিশ॥যতীন্দ্ৰকুমাৰ বৰগোহাঞি ॥ ১৭
প্ৰচলিত বিশ্বাস সম্পৰ্কে দুআষাৰ ॥ উদয়াদিত্য ভৰালী ॥ ৩১
দুখন চুটি ৰচনা ॥ অৰূপকুমাৰ গোস্বামী ॥ ৫৪
চীনদেশত ব্যক্তিস্বাৰ্থ বনাম সাংস্কৃতিক বিপ্লৱ ॥ মূলঃ উইলিয়াম হিনটন ॥
অনু ঃ প্ৰশান্ত আচাৰ্য ॥ ৫৮
ইতিহাসৰ ধাৰণা আৰু মাৰ্ক্সবাদী ব্যাখ্যা ॥ দ্বিজেন দাস ॥ ৬২
মাৰ্ক্সবাদ আৰু জাতিসমস্যা (২) ॥ হীৰেণ গোহাঁই ॥ ৭৩
॥ গল্প ॥
প্ৰতীক্ষাত ॥ মদন শৰ্মা ॥ ২৩
এটা শিশু আৰু বহুতো শিশুৰ বাবে এই পৃথিৱী ॥ মূল ঃ এল. জে. ডাভেন্ট্ৰী ॥
অনু ঃ ৰাণা ভট্ট ॥ ৩৮
আৰু এক বৰষুণ ॥ ইমৰাণ শ্বাহ ॥ ৪৯
আজি ॥ অৰুণ গোস্বামী ॥ ৭০
বাবুলালহঁত ॥ মহেন্দ্ৰ বৰঠাকুৰ ॥ ৪৫
বিপন্ন অস্তিত্ব ॥ তপনকুমাৰ বৰুৱা ॥ ৯০
পৰিধিলৈ ॥ সুশীল গোস্বামী ॥ ৯৯
॥ কবিতা ॥
ৰবীন্দ্ৰ সৰকাৰ/ৰফিকুল হোচেইন/নবীন বৰুৱা/অৰুণকুমাৰশৰ্মা/সবিতা কোঞৰ/
নৰ্মান বেথুন
॥ নাট সমালোচনা ॥
ৰূপতীৰ্থৰ 'নতুন পলস' ॥ হেমন্তকুমাৰ দাস ॥ ৯৬

প্ৰচ্ছদপট ঃ ত্ৰৈলোক্য দত্ত
সম্পাদক ঃ নিত্য বৰা ॥ উপদেষ্টা ঃ নলিনীধৰ ভট্টাচাৰ্য

কাৰ্যালয় ঃ হেদায়েৎপুৰ ॥ গুৱাহাটী-৭৮১০০৩ ॥ ফোন ঃ ৭০২৩

## সাংস্কৃতিকী

## ভূপেন হাজৰিকা ঃ এটি মূল্যায়ন

অসমৰ গীতি-জগতৰ সাম্প্ৰতিক কালটোক বহুতেই 'ভূপেন হাজৰিকাৰ যুগ' বুলি ক'বলৈ বিচাৰে। সেই ভূপেন হাজৰিকাৰেই শিল্পী-জীৱনৰ ক্ৰমবিকাশ— যৌৱনত নৰ কংকালৰ অস্ত্ৰ সাজি শোষণকাৰীক বধি নতুন জগত গঢ়াৰ প্ৰতিজ্ঞা লোৱাৰপৰা সমাজ ৰূপান্তৰৰ সকলো প্ৰচেষ্টা বাদ দি 'জীৱনৰ দুপৰীয়া' জিপ্‌চী ধৰ্মী প্ৰেমৰ চুমাৰ পৰশত দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সঞ্চাৰিত হোৱা শিহৰণৰ কথা কোৱালৈকে, সাগৰ সংগমত সাঁতুৰি প্ৰগতিৰ নতুন দিগন্তৰ বাৰ্তা বহন কৰি অনাৰপৰা অসমীয়াৰ 'মূৰৰ ফুলাম গামোছা খনি-ক'ৰবাৰ শেনে আহি নিলেহি টানি' বুলি আটাহ পৰা দিনলৈকে, পানেই আৰু পোৱাটি নাইবা মাছমৰীয়া ৰংমনৰ মৰ্মস্পৰ্শী কাহিনী শুনোৱাৰপৰা অটো-ৰিক্সা চলোৱা ভাই-ককাই হালৰ কাহিনী শুনাবলৈ লোৱালৈকে— এক দীৰ্ঘ পৰিক্ৰমণ। অসমৰ সাংস্কৃতিক জগতত যোৱা কেই দশক ধৰি জন-প্ৰিয়তাৰ উচ্চ শিখৰত আৰোহণ কৰি অহা আৰু এতিয়াও 'দেশেই আমাৰ নাটঘৰ আৰু ৰাইজেই ভাৱৰীয়া' বুলি জ্যোতিপ্ৰসাদৰ নামত শপত খোৱা ভূপেন হাজৰিকাৰ এই সুদীৰ্ঘ পৰিক্ৰমণৰ সঠিক মূল্যায়ণ বা বিশ্লেষণ আমাৰ সাংস্কৃতিক আন্দোলনৰ বাবে অপৰিহাৰ্য। কিন্তু দুখৰ বিষয় যে, ভূপেন হাজৰিকাৰ ওপৰত তেনে কোনো নিৰ্মোহ মূল্যায়ণ বা বিশ্লেষণ বিশদভাবে কোনো প্ৰগতিশীল সমালোচক বা লেখকে কৰিবলৈ চেষ্টা কৰা আমাৰ চকুত পৰা নাই। তেওঁৰ ওপৰত এতিয়ালৈকে যিমানবোৰ আলোচনা সমালোচনা আদি হৈ গৈছে তাৰ সৰহভাগেই নিৰ্লজ্জ একপক্ষীয়ভাবে হয় তেওঁৰ প্ৰশংসাবিধৌত, নহয় ব্যক্তিগত আক্ৰোশেৰে পূৰ্ণ গালি গালাজ। তেওঁলোকৰ আলোচনাত বিন্দুমাত্ৰও ইতিহাসবোধ আৰু বস্তুনিষ্ঠা নাই। আমি আমাৰ সীমিত পৰিসৰৰ ভিতৰত ইয়াত ভূপেন হাজৰিকাৰ মূল্যায়ণৰ এটা চেষ্টা কৰিম।



OKDISCD

## 'সাগৰ সংগমত কতনা সাঁতুৰিলোঁ........'

[ভূপেন : শৈশৱৰপৰা যৌবনলৈ]

ভূপেন হাজৰিকাৰ স্বাভাবিক ক্ষমতা আৰু অসাধাৰণ সংগীত-প্ৰতিভা সম্পৰ্কে নিশ্চয় কোনো দ্বিমত নাই। তেনেকৈ দ্বিমত নাই তেওঁৰ জনপ্ৰিয়তা সম্পৰ্কেও (বিশেষকৈ মধ্যশ্ৰেণীৰ মাজত।) গায়ক হিচাপেও তেওঁৰ দৰে অপূৰ্ব আৰু সাবলীল পৰিবেশনৰ (presentation) ক্ষমতা থকা গায়ক বিৰল। তেওঁৰ দৰে একেধাৰে উচ্চস্তৰৰ গীতিকাৰ, সুৰকাৰ আৰু গায়ক হোৱা উদাহৰণো কম। ভূপেন হাজৰিকাৰ প্ৰতিভাই শৈশৱৰেপৰা অধ্যৱসায়ৰ উপৰিও সেই সময়ৰ তুলনামূলকভাবে অনুকূল পৰিৱেশৰ মাজেৰে প্ৰস্ফুতিত হ'বলৈ সুবিধা পাইছিল। এই ক্ষেত্ৰত তেওঁৰ উদাৰ পিতৃ-মাতৃৰ অবদানো কম নহয় নিশ্চয়। আৰম্ভণিৰেপৰা জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আদিৰ সক্ৰিয় সংস্পৰ্শ আৰু প্ৰেৰণাই ভূপেনৰ প্ৰতিভাৰ সুদৃঢ় ভেটি গঢ়ি দিছিল। সেই সময়ত জ্যোতি, ৰাভা কমল চৌধুৰী আদিৰ উদ্যমত অসমীয়া আধুনিক গীত মাতৰ প্ৰসাৰ আৰু কৰ্ম তৎপৰতা বৃদ্ধি পাইছিল। সুকণ্ঠৰ অধিকাৰী ভূপেনে শৈশৱৰেপৰা নব উদ্যমেৰে আৰম্ভ হ'ব ধৰা সেই সময়ৰ নাটক-ৰেকৰ্ডিং-ফিল্ম আদিত গীত গোৱাৰ সুবিধা পাইছিল। এনে অনুকূল পৰিবেশত বয়স আৰু অভিজ্ঞতা বঢ়াৰ লগে লগে তেওঁৰ প্ৰতিভাৰ পূৰ্ণ স্ফুৰণ হ'বলৈ ধৰিলে।

ইতিমধ্যে দ্বিতীয় মহাসমৰৰ ঠিক প্ৰাক্‌মুহূৰ্তৰপৰা আৰম্ভ হোৱা ফেছিবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধী আন্দোলন আৰু কৃষক সংগ্ৰামৰপৰা সৃষ্টি হোৱা নতুন সাংস্কৃতিক চেতনাৰ পৰিবেশত 'ভাৰতীয় গণনাট্য সংঘ' গঠিত হয় ১৯৪৩ চনত। অসমতো জ্যোতিপ্ৰসাদ আদিয়ে যুদ্ধোত্তৰ কালত এই গণনাট্য আন্দোলনত সক্ৰিয়ভাবে জঁপিয়াই পৰে। বৃটিছ শাসকে ভাৰতবৰ্ষ ত্যাগ কৰাৰ পিছতো কৃষক-বনুৱা ৰাইজৰ অবস্থাৰ কোনো উন্নতি নোহোৱা দেখি, দেশত দিনে দিনে দুৰ্নীতি, শোষণ, অবিচাৰ বাঢ়ি যোৱা প্ৰত্যক্ষ কৰি তেওঁলোকে অসুন্দৰক খেদি সুন্দৰক প্ৰতিষ্ঠা কৰিবলৈ শিল্প সংস্কৃতিক ব্যবহাৰ কৰাত লাগি যায়। তেওঁলোকে উপলব্ধি কৰিছিল যে, ভাৰতবৰ্ষত দাৰিদ্ৰ্য, বৈষম্য আৰু শোষণ থাকে মানে গণতন্ত্ৰ সফল নহ'ব। তেওঁলোক মাৰ্ক্সবাদৰ প্ৰভাবলৈ আহিবলৈ ধৰিলে। তেওঁলোকৰ দৰেই ভূপেনো গণনাট্য আৰু মাৰ্ক্সবাদৰ প্ৰভাৱলৈ আহিল। সেই সময়ত 'অগ্নিযুগৰ ফিৰিঙতি মই' আদি গীতেৰে ভূপেনে সংগ্ৰামী জনগণৰ হৃদয় জয় কৰি পেলালে। ষাঠিৰ দশকৰ প্ৰথম ভাগলৈকে থকা 'কমিউনিষ্ট' অপবাদটো ভূপেনে এই সময়ৰপৰাই বহন কৰিবলগীয়া হৈছিল। ১৯৪৯ চনৰপৰা তেওঁ দেশ বিদেশৰ বিভিন্ন গীত-মাত সংস্কৃতিৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ আহিবলৈ ধৰে, অৰ্থাৎ নিজৰ ভাষাত তেওঁৰ 'সাগৰ সংগমত' সাতোঁৰা আৰম্ভ হয়। ১৯৪৯ চনত উচ্চ শিক্ষাৰ্থে তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যায় চাৰি বছৰৰ বাবে। তাৰ পিছৰপৰা তেওঁ বিশ্বৰ বিভিন্ন দেশ ভ্ৰমণ কৰে। প'ল ৰ'বচনকে আদি কৰি দেশ বিদেশৰ বিভিন্ন সংগ্ৰামী আৰু প্ৰগতিশীল শিল্পী লেখকসকলৰ সংস্পৰ্শলৈও তেওঁ আহে। এই সকলোবোৰে স্বত্তেও আমি আজি জানো যে ভূপেন হাজৰিকাই প্ৰশান্ত মহাসাগৰৰ অশান্ত উৰ্মিমালাত সাতোঁৰৰ প্ৰয়াস কৰিছিল যদিও প্ৰকৃততে তেওঁ কোনো ঠেক উপসাগৰীয় স্ৰোতেদিহে বৰ্তমান উটি যাব ধৰিছে— নিৰাপদ আৰু নিৰুপদ্ৰৱভাবে।

## 'আজি জীৱন নাটকৰ দৃশ্য দেখুৱা, ৰণৰ অগ্নিক সুৰেৰে নমোৱা'

[গণনাট্য কালত ভূপেন]

চমুকৈ, ষাঠিৰ দশকৰ আৰম্ভণিলৈকে ভূপেন হাজৰিকাৰ শিল্পী-জীৱনক 'গণনাট্য যুগ' বুলি ধৰিব পাৰি। এই সময়খিনিত ভূপেনৰ সৃষ্টিৰ মান আৰু জনপ্ৰিয়তা আছিল উচ্চ-শিখৰত। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ আৰু পাৰ্বতীপ্ৰসাদে আধুনিক অসমীয়া গীত-মাত-সুৰৰ অতিশয় উচ্চমানৰ যি উজ্জ্বল স্বাক্ষৰ ৰাখি থৈ গৈছে, একমাত্ৰ ভূপেন হাজৰিকাৰ বাহিৰে তেওঁলোকৰ পৰিবৰ্তীসকলৰ কোনেও সেই উচ্চ মানৰ কাষ চাপিব পৰা নাই। এইটো ক'বই লাগিব যে গণনাট্য আন্দোলনৰ সক্ৰিয় সংস্পৰ্শই তেওঁৰ এই উচ্চমান পোৱাত যথেষ্ট অৰিহণা যোগাইছিল। মাথোন ভূপেন হাজৰিকাই নহয়, এইকালৰ বহুতো বিখ্যাত সুৰকাৰ, গীতিকাৰ, কবি-লেখক, শিল্পী আদিয়েই সেই সময়ৰ গণনাট্য আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল আৰু গণনাট্যৰ যোগেদিয়েই খ্যাতিৰ জখলাত উঠিছিল। লোকগীতি আৰু লোকসংস্কৃতিৰ প্ৰত্যক্ষ প্ৰভাবে তেওঁলোকৰ কথা আৰু সুৰলৈ আনিছিল বৈচিত্ৰ আৰু প্ৰকাশভংগীলৈ আনিছিল আন্তৰিকতা আৰু সৰলতা। ভূপেনৰ শ্ৰেষ্ঠ সৃষ্টি সমূহ (আনকি তেওঁৰ নিজস্ব প্ৰিয় গীত 'সাগৰ সংগমত কতনা সাঁতুৰিলোঁ') এই সময়ৰেই সৃষ্টি। তেওঁৰ 'পৰহিৰ পুৱাতে/তুলুঙা নাৱতে/ৰংমন মাছলৈ গ'ল' গীত তেতিয়া অসমৰ গাঁৱে-ভূঞে সকলোৰে মুখে মুখে। তেনেকৈ সকলোৰে মুখে মুখে আছিল 'বৰ বৰ মানুহৰ দোলা'। পানেই-পোনাটিৰ মৰ্মস্পৰ্শী গীতে শ্ৰোতাৰ হৃদয় দোলাই দিছিল। সকলোৰে ভাব হৈছিল যেন জুগ্‌নু-বুধুহঁতৰ 'দম্‌ দমা দম্‌' মাদলৰ আৱাজত হেজাৰ 'পিশাচ' পলাই যাব আৰু জানকী-লচ্‌মীহঁতৰ ঝুন্‌কাৰ মধুৰ শব্দত 'সুন্দৰ' নামি আহিব! চীন-বিপ্লব উপলক্ষে ৰচিত, কথাৰ সৰলতা, অনুভূতিৰ গভীৰতা, কথা আৰু সুৰৰ অপূৰ্ব সামঞ্জস্য আৰু বৈচিত্ৰ থকা বিপ্লবী ৰোমাণ্টিকতাৰে উজ্জ্বল 'প্ৰতিধ্বনি শুনো মই' গীতটোৱে তেওঁ শ্ৰোতাৰ মাজত (বিশেষকৈ অসম আৰু বংগৰ) তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল। (উল্লেখযোগ্য যে, পৰবৰ্তী কালৰ গীতসমূহৰ মাজত তেওঁৰ একমাত্ৰ 'বিস্তীৰ্ণ পাৰৰে' গীতটোৱেহে বোধহয় এনে আলোড়নৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে।) 'জিলিকাব লুইতৰে পাৰ'ত সংকলিত কৰা অপূৰ্ব গীতসমূহ এই সময়ৰেই সৃষ্টি। কিঞ্চিৎ আবেগ-প্ৰৱণতা থাকিলেও বা ঠিক বিপ্লবী নহ'লেও তেওঁৰ এই সময়ৰ ছবি 'এৰা

OKD ISCD

বাটৰ সুৰ' আৰু 'মাহুত বন্ধু ৰে'ত মেহনতী মানুহৰ সুখ-দুখ, জীৱন-সংগ্ৰামৰ প্ৰতি প্ৰকাশ পোৱা আন্তৰিকতাখিনিক অস্বীকাৰ কৰা নাযায়।

এই সময়চোৱাত তেওঁ স্থিতাবস্থাৰ প্ৰবক্তা আৰু ৰক্ষণশীল শ্ৰেণীৰ পৰা পদে পদে বাধাও নোপোৱা নহয়। ১৯৪৯ চনত আমেৰিকালৈ উচ্চ-শিক্ষাৰ্থে যোৱাৰ সময়ত 'মুক্তিৰ দেউল' ৰচনা কৰাৰ বাবে তেওঁক প্ৰশ্ন কৰা হৈছিল। আকৌ, 'বিশ্ব শান্তি সন্মিলন'লৈ যাওঁতে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদ ইস্তফা দিহে যাবলগীয়াত পৰিছিল। এই সময়ত তেওঁ সঘনাই ব্যক্তিগত নিন্দা আৰু কুৎসা প্ৰচাৰৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। তৎকালীন বৰ্ণহিন্দু প্ৰধান ৰক্ষণশীল আৰু সম্ভ্ৰান্ত অসমীয়া শ্ৰেণীয়ে তেওঁক উপেক্ষা কৰাৰ বৃথা চেষ্টা কৰি আহিছিল। কিন্তু তেওঁৰ প্ৰতিভা আৰু জনপ্ৰিয়তাৰ যি গতিবেগ আছিল তাত জানো তেওঁক উপেক্ষা কৰা সহজ কথা? জনপ্ৰিয় শিল্পী এজনৰ গাত 'প্ৰগতিশীল' চাপ থকাটো স্থিতাবস্থাৰ প্ৰবক্তাসকলৰ বাবে খুবেই অসুবিধাজনক। ই আৰু বেছি অসুবিধা-জনক হৈ পৰে যেতিয়া বিৰোধীশিবিৰত সেই শিল্পীৰ সমকক্ষ আন কোনো শিল্পী নাথাকে! বিশেষকৈ নিজকে নকৈ প্ৰতিষ্ঠিত কৰাৰ প্ৰচেষ্টাত থকা অসমীয়া মধ্যশ্ৰেণীৰ বাবে এয়া যে খুবেই অসুবিধাজনক পৰিস্থিতি হ'লহেঁতেন এয়া ঠিক। অৱশ্যে তেওঁলোকৰ এই সমস্যা সমাধানৰ বাবে বেছি সময় ৰ'বৰ প্ৰয়োজন নহ'ল। সেই সময়ৰ ভাৰতৰ বাঁওপন্থী ৰাজনীতিৰ বিচ্যুতি, গণনাট্য সংঘৰ আপোচকামী নীতি আৰু লগতে ভূপেন হাজৰিকাৰ শ্ৰেণী চৰিত্ৰজনিত দুৰ্বলতাই এই সমস্যা সমাধানৰ পথ সুগম কৰি দিয়ে।

ভূপেনৰ এই বিপৰীতমুখী পৰিবৰ্তনৰ বাবে বহুতেই মাথোন ভূপেনৰ পেটিবুৰ্জোৱা সুবিধাবাদী মনোভাবকেই দায়ী কৰিবলৈ বিচাৰে। এনে দৃষ্টি-ভংগী নিশ্চয় অবৈজ্ঞানিক। বহুতৰ দৰে ভূপেনৰো নিশ্চয় পেটিবুৰ্জোৱাসুলভ দুৰ্বলতাবোৰ আছে, কিন্তু সেই বুলি ইয়েই পশ্চাৎ অপসৰণৰ একমাত্ৰ প্ৰধান কাৰণ নহয় নিশ্চয়। ভাৰতৰ বাঁওপন্থী ৰাজনীতিৰ সুবিধাবাদী আৰু ক্ষয়ং-কৰী নেতৃত্ব আৰু নীতিয়ে জনগণৰ যি সম্ভাবনাপূৰ্ণ শক্তিৰ অপচয় কৰিলে, যেনেদৰে পৰিবৰ্তনকামী জনগণক বিশ্বাসঘাতকতা কৰিলে তাৰ ইতিহাস সৰ্ব-জনবিদিত। এই ৰাজনীতিৰ কু-প্ৰভাব সাংস্কৃতিক ফ্ৰণ্টতো পৰিল। (এনেয়েতো ভাৰতৰ বাঁওপন্থী নেতৃবৃন্দই সাংস্কৃতিক ফ্ৰণ্টৰ ওপৰত পাৰ্টিৰ পুঁজিৰ টকা তোলাৰ বাহিৰে কোনোদিনে বিশেষ গুৰুত্ব দিয়া নাছিল।) ভাৰতীয় গণ-নাট্য সংঘৰ ইতিহাস মূলতঃ আপোচৰ ইতিহাস। গণনাট্য সংঘই নিজৰ কলেবৰ বঢ়োৱাত ইমানেই ব্যস্ত আছিল যে, শিল্পী-সাহিত্যিকসকলৰ ভুল-ভ্ৰান্তিবোৰ দেখুৱাই দি বন্ধুত্বপূৰ্ণ বিশ্লেষণ আৰু সমালোচনা কৰাৰ কথা কোনো দিনে চিন্তা কৰা নাছিল। ফলত শিল্পী-সাহিত্যিকসকলৰ সৃষ্টিৰপৰা শ্ৰেণী-সংগ্ৰামে বিদায় ললে। পৰৱৰ্তী কালত দেশ আৰু জনগণৰ মাজলৈ অহা গভীৰ ৰাজনৈতিক সংকটৰ সময়তো শিল্পী-সাহিত্যিকসকলৰ মাজত প্ৰকৃত



চেতনাৰ জাগৰণ আনিবলৈ গণনাট্য সংঘৰ নেতৃত্বই কোনো ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰা নাছিল। গণনাট্যসংঘৰ সুবিধাবাদ আৰু অনিষ্টকৰ উদাৰ নৈতিকতাৰ ফলত সলিল চৌধুৰী, হেমন্তকুমাৰ মুখাৰ্জী, বলৰাজ চাহনী, সুভাষ মুখাৰ্জী, কাইফি আজমী, খাজা আহ্মদ আব্বাচ, ভূপেন হাজৰিকা আদি সকলোৱেই একেই পথৰ পথিক হ'ল: মহাসাগৰৰ অশান্ত উৰ্মিমালাত সাঁতোৰাতকৈ এওঁলোকে ঠেক উপসাগৰীয় সোঁতত উটি যোৱাকেই নিৰাপদ বুলি ভাবি ললে। তেওঁলোকে এতিয়া বিমূৰ্ত 'মানবতাবাদ'ৰ আশ্ৰয় ল'লে! তেওঁলোকে এই সুবিধাবাদৰ নাম দিলে Pragmatism! দুই এজনক বাদ দি বাকী প্ৰায়বোৰেই বোম্বেৰ ব্যাৱসায়িক ছিনেমা-শিল্পৰ দুৰ্গন্ধযুক্ত বন্ধ জলাশয়ত আকণ্ঠ নিমজ্জিত হৈ আছে! এক অৰ্থত ভূপেনো এইবোৰৰ ব্যতিক্ৰম নহয়। তথাপিতো আমি ভূপেনৰ মূল্যায়ণত হাত দিয়াৰ আন এটা কাৰণ হ'ল এই যে, ভূপেনে এতিয়াও জনগণৰ (সীমিত অৰ্থত হ'লেও) বাবে কিবা এটা কৰাৰ কথা চিন্তা কৰে, উপসাগৰীয় সোঁতত উটি গ'লেও মহাসাগৰৰ অশান্ত উৰ্মিমালাত সীমিত সাঁতোৰ দিয়া প্ৰচেষ্টা কৰে।

## 'পিশাচী এন্ধাৰ': 'মাৰ্কটোৱেনৰ সমাধিত বহি গ'ৰ্কিৰ গীত গালোঁ।'

[গণনাট্যোত্তৰ কালত ভূপেন]

মাৰ্কটোৱেনৰ সমাধিত বহি গৰ্কিৰ গীত গাবলৈ ঠিক কৰাৰ বহু আগতেই তেওঁৰ সৃষ্টিত শ্ৰেণী সমন্বয়ৰ সুৰ শুনিবলৈ পোৱা গৈছিল। অসমীয়া মধ্য শ্ৰেণীৰ মাজত অতি প্ৰিয় তেওঁৰ 'মানুহে মানুহৰ বাবে' গীতটো শ্ৰেণী সমন্বয়ৰ এটি উদাহৰণ। 'বৰ বৰ মানুহৰ দোলা' গীতটোক ওপৰে ওপৰে চালে শ্ৰেণী-সংগ্ৰামৰ গীত যেন লাগিলেও ই প্ৰকৃততে শ্ৰেণী-সমন্বয়ৰহে গীত। 'দুৰ্বল মানুহ'ক 'জীৱনৰ কোবাল নদী' পাৰ হওঁতে সহায় কৰিবলৈ সবল মানুহবোৰক অনুনয় কৰা আৰু শ্ৰেণী নিৰ্বিশেষে সকলো মানুহৰ কথা ভাবিবলৈ কোৱা প্ৰথম গীতটোত নিৰ্জলা শ্ৰেণী-সমন্বয়ৰ সুৰ স্পষ্ট। তেনেকৈ 'বৰ বৰ মানুহৰ দোলা' গীতটোত দেখা যায় যে, দোলাভাৰী কেইজনে 'আমাৰ কান্ধৰপৰা/পিচলিব লাগিলে, বাগৰি পৰিব দোলা' বুলি উপলব্ধি কৰিও, —ৰজা-মহাৰজা বৰ বৰ মানুহ বহি যোৱা দোলা যাতে বাগৰি নপৰে তাৰবাবে 'ভালকৈ খোজটি মিলা'বলৈহে ঠিক কৰিছে। শ্ৰেণী সংগ্ৰাম মানে যে, শ্ৰেণী বৈষম্যৰ লগতে শ্ৰেণী-ঘৃণাও বুজায় এই কথাত গণনাট্যআন্দোলনৰ নেতৃত্বই গুৰুত্ব দিয়া নাছিল। তেওঁৰ সেইসময়ৰ ছবি 'এৰা বাটৰ সুৰ'তো এই সমন্বয় আৰু হৃদয় পৰিবৰ্তনৰ সুৰ বিদ্যমান। বাগানৰ মেনেজাৰ ৰূপেন বৰুৱাক অত্যাচাৰী হিচাপে দেখুওৱা হৈছে যদিও বাগানৰ মালিক বিশ্ব ফুকনক শ্ৰেণী-সংগ্ৰামৰ দৃষ্টিকোণৰপৰা অংকিত কৰা হোৱা নাই। ৰূপেন বৰুৱাই বনুৱা হাৰাণৰ চাকৰি খাওঁতেও ভূপেনৰ মানস চৰিত্ৰ জয়ন্তই ইয়াৰ প্ৰতিকাৰৰ বাবে মালিক বিশ্ব ফুকনকহে টেলিগ্ৰাম দি জনাইছে আৰু



OKDISCD

বিশ্ব ফুকনো যেন তেওঁৰ বাগানৰ পুৰণি বন্ধুৱা হাৰাণৰ প্ৰতি অন্যায়ত অনুতপ্ত! তদুপৰি সমগ্ৰ ছবিখনত জড়িত হোৱাৰ (involvement ৰ) কোনো উম্‌ঘাম্ নাই— সুৰ বিচাৰি আহি জয়ন্তই বাগানৰ বনুৱাৰ সংগ্ৰামত সোমাই পৰিলেও ঠিক 'জড়িত' হৈ পৰিব পৰা নাই। সকলো সমস্যা জয়ন্ত যি শ্ৰেণীৰপৰা আহিছে সেই শ্ৰেণীৰ দৃষ্টিকোণৰপৰাহে অৰ্থাৎ 'ৰাজ পথ'ৰ পৰাহে চোৱা হৈছে। সেয়ে, জয়ন্তই লোৱা 'পথ'ক 'এৰা' বাটহে কোৱা হৈছে। শ্ৰেণী সংগ্ৰামত বিশ্বাসী কোনোৱেই নিশ্চয় এনে পথক 'এৰা' বাট বুলি নকয়।

## আপোচ কাৰ্য সম্পূৰ্ণ হ'ল:

ষাঠিৰ দশকত ভূপেনৰ আপোচকাৰ্য সম্পূৰ্ণ হয়। সমাজব্যবস্থাৰ আমূল পৰিৱৰ্তনৰ কথা আৰু তেওঁ নোকোৱা হ'ল। অসমীয়া ভাষা আৰু থলুৱাৰ নিয়োজনৰ প্ৰশ্নত তেওঁ তীব্ৰতাৰে অসমীয়া মধ্যশ্ৰেণীৰ হকে ওকালতি কৰিবলৈ আৰম্ভ কৰি দিয়ে। শ্ৰেণী সংগ্ৰাম তেওঁৰ লেখাৰপৰা বাদ পৰিল। উঠি অহা অসমীয়া মধ্যশ্ৰেণীৰ প্ৰতিভূ ভূপেনে চিঞৰি উঠিল: 'আমি অসমীয়া নহওঁ দুখীয়া বুলি শান্তনা লভিলে নহব'! তেওঁৰ লেখা মেলাৰ বিষয় বস্তু হৈ পৰিল 'অসমৰ থলুৱা আজি অসমতে পৰ'! আনকি চাউলমুঠিৰ বাবে অসমত অনাটন-শোষণ অভাবত জৰ্জৰিত জনগণে তীব্ৰ আন্দোলন কৰোঁতেও ভূপেনে তাত গণসংগ্ৰাম দেখা নাপালে; বৰং তেওঁ তেতিয়া সম্পাদকীয় লেখিলে ''এইবাৰ অসমীয়া পুৰুষ হ'ল বুলি !!'' (দ্ৰষ্টব্য, সম্পাদকীয়, 'আমাৰ প্ৰতিনিধি', ভাদ্ৰ ১৮৮৮ শক, ৭ম বছৰ ১ম সংখ্যা)

অসমীয়া মধ্যশ্ৰেণীৰ স্পৃহা অনুসৰি ভূপেনে আঞ্চলিক ছবিৰ উন্নতিৰ বাবে যথেষ্ট চেষ্টা কৰিব ধৰিলে। উন্নতিৰ প্ৰয়োজনীয়তা আমি নুই নকৰোঁ— আৰু এই সম্পৰ্কে ভূপেনৰ আন্তৰিক প্ৰচেষ্টাকো আমি অস্বীকাৰ নকৰোঁ। কিন্তু ই এইটো নুবুজায় যে, এই প্ৰচেষ্টাত নিজৰ সকলো আদৰ্শ আৰু দায়িত্ববোধ জলাঞ্জলি দিব লাগিব। আমি জনাত ভূপেনৰ সেই পশ্চাৎ অপসৰণৰ পিচতো তেওঁ ভাগ্য বিধিত নিজকে সপি দিয়া নাই— অন্ততঃ তেওঁৰ সৃষ্টি বা লেখা-মেলাত ইয়াৰ গোন্ধ নাই। কিন্তু সেই ভূপেনেই অসমীয়া ছিনেমা শিল্পৰ উন্নতি কৰাৰ নামত জঘন্য প্ৰতিক্ৰিয়াশীল হিন্দী ছবি 'তকৃদিৰ'ক অসমীয়ালৈ 'ভাগ্য' বুলি ডাবিং কৰি অসমৰ জনগণৰ মাজত এই 'ভাগ্য' আফিঙৰ মাত্ৰা বঢ়াই দি দায়িত্বহীনতাৰ চৰম নিদৰ্শন দেখুৱালে। আমি কি বিশ্বাস কৰিব লাগিব যে ভূপেনে নিবিড়ভাৱে ভালপোৱা অসমীয়া মানুহ-খিনি যাতে বৰ বেচি 'পুৰুষ' হৈ নপৰে তাৰবাবে এই আফিঙৰ ব্যবস্থা কৰা হৈছিল? পৰীক্ষাৰ নামত (ভূপেনৰ মতে এই ডাবিং কাৰ্য আছিল পৰীক্ষামূলক) এনে দায়িত্বহীন কাৰ্য কৰা উচিতনে? তেনেকৈ তেওঁৰ দায়িত্বহীনতাৰ আন এটি নিদৰ্শন হ'ল আত্মাৰামৰ 'ইয়ে গুলিস্তা হামাৰা' ছবিখন— য'ত নগা জনজাতিৰ সংস্কৃতি আৰু জীৱনযাত্ৰাক পেংলাই কৰি দেখুৱা হৈছিল আৰু নগা যুৱ-শক্তিৰ প্ৰচণ্ড বিক্ষোভৰ ফলত আনকি চৰকাৰেও সেইখন ছবিৰ



প্ৰদৰ্শন সাময়িকভাবে বন্ধ কৰি দিছিল। উল্লেখযোগ্য যে, এই ছবিখনৰ কাৰিকৰী উপদেষ্টা আছিল সেই ভূপেন হাজৰিকা, যি ভূপেন হাজৰিকাই পৰ্বত ভৈয়ামৰ সম্প্ৰীতি আৰু সংহতিৰ বাবে চেষ্টা কৰি আহিছে ইমানদিন ধৰি! কাশ্মিৰী-কুলু-মানালিৰ দৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলকো হিন্দী ছবিৰ পট-ভূমি কৰিবলৈকে কৰা এনে চৰম দায়িত্বহীনতাৰ নিদৰ্শন বিৰল।

১৯৬৭ চনৰ নিৰ্বাচনত ভূপেন অসম বিধান সভালৈ নিৰ্দলীয় সদস্য হিচাবে নিৰ্বাচিত হ'ল। এটা কথা ঠিক যে, প্ৰধানকৈ ৰাইজৰ শুভ-ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰি নিৰ্বাচনী কাৰ্যত ঘূৰাৰ বাবে ভূপেনে পুনৰ বহু দিনৰ মূৰত মেহনতী আৰু সাধাৰণ জনতাৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ অহাৰ সুবিধা পাইছিল। ফলত, ভূপেনৰ নতুন উপলব্ধি— ''নিৰ্বাচনীত নামিহে এইবাৰ অধিকভাবে উপলব্ধি কৰিলোঁ 'দেশেই আমাৰ নাটঘৰ আৰু ৰাইজেই ভাৱৰীয়া!'' অভাব-অনাটন শোষণত জৰ্জৰিত জনগণৰ অবস্থা আৰু সমাজত চলি থকা অবিচাৰ-স্বাৰ্থপৰতা-দুৰ্নীতি আদি প্ৰত্যক্ষ কৰি এই সময়ছোৱাত অবশ্যেই ভূপেনে কিছু সুন্দৰ গীতৰ সৃষ্টি কৰিছিল। উদাহৰণ স্বৰূপে— 'বিক্ষুব্ধ বিশ্বকণ্ঠই অহোৰাত্ৰ চিঞৰে' (১৯৬৭), 'বিস্তীৰ্ণ পাৰৰে' (১৯৬৭), 'শীতৰে সেমেকা ৰাতি' (১৯৭০) ইত্যাদি। অৱশ্যে এইসময়ৰ প্ৰায়বোৰ গীতেই মধ্য-শ্ৰেণীৰ দৃষ্টিভংগীৰপৰা লিখিত গীত (যেনে, আমি উল্লেখ কৰা গীতকেইটাৰ শেষৰ দুটা গীত।) শ্ৰেণী সংগ্ৰামৰ লগে লগে মেহনতী জনতায়ো এই সময়ৰ ভূপেনৰ সৃষ্টিৰপৰা চিৰ বিদায় মাগিলে! দৈৱাৎ কেতিয়াবা শ্ৰমজীৱী জনতা তেওঁৰ গীতলৈ আহিলেও সেয়া নিজৰ পেটিবুৰ্জোৱাসুলভ ৰোমাণ্টিছিজমৰে জনতাৰ 'হকে' কিবা এটা কৰাৰ স্পৃহা প্ৰকাশ কৰাৰ প্ৰয়োজনতহে আহিছে!

## 'মোৰ গীতৰ হেজাৰ শ্ৰোতা তোমাক নমস্কাৰ!'

[অসমৰ সমগ্ৰ মধ্যশ্ৰেণীৰ প্ৰতিভূ ভূপেন]

গণনাট্য কালৰ আৰম্ভণিৰপৰাই ভূপেনে মাছমৰীয়া ৰংমন, দোলাভাৰী, পানেই আদিকে আৰম্ভ কৰি গাইৰথীয়া কাঞ্চীজনীৰ দৰে শ্ৰমজীৱী মানুহৰ গীত গাইছিল যদিও আৰু আংশিকভাবে এই শ্ৰমজীৱী শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিছিল যদিও, সেই সময়ত তেওঁ মূলতঃ নিম্ন মধ্যশ্ৰেণীৰ বাঁওপন্থী অংশৰহে প্ৰতিনিধিত্ব কৰিছিল। কিন্তু তাৰ পিছৰ দীৰ্ঘ পৰিক্ৰমণৰ ফলস্বৰূপে তেওঁ বৰ্তমান সমগ্ৰ মধ্যশ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিব ধৰিছে। আমি দেখিবলৈ পাওঁ যে, সমগ্ৰ মধ্যশ্ৰেণীৰ বিভিন্ন অংশৰ বিভিন্ন আশা আকাংক্ষা বিভিন্ন সময়ত ভূপেনৰ বিভিন্ন গীতৰ মাজেদি প্ৰকাশ পাইছে। কোৱা বাহুল্য যে মধ্য-শ্ৰেণীৰ মাজত থকাৰ দৰেই ভূপেনৰ সৃষ্টিতো পৰস্পৰ বিৰোধী সুৰ বিদ্যমান। অসমৰ এই মধ্যশ্ৰেণীৰ স্বাৰ্থ বৰ্তমান বিভক্ত আৰু ফলত ভূপেনৰ সৃষ্টিতো নানান সামাজিক সুৰৰ সমাবেশ ঘটিছে। সেয়ে, কেতিয়াবা তেওঁক দেখা যায় তীব্ৰ খাদ্য সমস্যাৰ কথা কোৱা— অৰ্থাৎ ইয়াত তেওঁ মধ্যশ্ৰেণীৰ

OKDISCD

নিম্নমধ্য অংশৰ প্ৰতিনিধিত্ব কৰিছে। কেতিয়াবা আকৌ দেখা যায় তেওঁ সামাজিক পৰিবৰ্তনৰ কথা কৈছে — অৰ্থাৎ তেওঁ এই ক্ষেত্ৰত নিম্নমধ্যশ্ৰেণীৰো আকৌ বাঁওপন্থী অংশক প্ৰতিনিধিত্ব কৰিছে। কোনো সময়ত তেওঁ হয়তো উচ্চমধ্যশ্ৰেণী আৰু প্ৰতিযোগিতাত নামিব নোৱৰা বা প্ৰতিযোগিতাত হাৰি যোৱা পেটিবুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থক আগ ঠাই দি উগ্ৰ জাতীয়তাবাদী সুৰ থকা গান গাইছে। আন এসময়ত হয়তো তেওঁ নিম্নমধ্যশ্ৰেণীৰ ইউটোপিয়ান চিন্তাৰ প্ৰকাশ কৰিছে বৃহৎ বুৰ্জোৱাৰ খোৱা কামোৰাৰ মাজত কোনোমতে শ্ৰম কৰি বাচি থাকিবলৈ। পিচ মুহূৰ্ততে হয়তো তেওঁ পেটিবুৰ্জোৱাৰ পলায়নবাদী মনোভাবৰ স্বাক্ষৰ ৰাখিছে কোনো ৰোমাণ্টিক গানৰ মাজেদি। এনেধৰণৰ বহুতো উদাহৰণ দিব পাৰি। এইদৰেই ভূপেনৰ সৃষ্টিত মধ্য-শ্ৰেণীৰ বিভিন্ন অংশৰ আশা-আকাংক্ষা প্ৰতিফলিত হৈছে। অৰ্থাৎ বৰ্তমান যে ভূপেন হাজৰিকাই অসমীয়া মধ্যশ্ৰেণীটোক সামগ্ৰিকভাবে প্ৰতিফলিত কৰিছে এয়া স্পষ্ট। তেওঁ 'বিস্তীৰ্ণ পাৰৰে'ও গায়, আকৌ 'তোমাৰ উশাহ কহুৱা কোমল'ও গায়; 'শীতৰে সেমেকা ৰাতি'ও গায়, আকৌ 'আমি অসমীয়া নহও দুখীয়া'ও গায়; তেওঁ উদীয়মান অসমীয়া ধনীক শ্ৰেণীৰ গুণ গানত পঞ্চমুখো হয়, আকৌ মাটিহীন খেতিয়কক মাটি দিয়াৰো দাবী তোলে!

আংশিকভাবে হ'লেও মেহনতী জনতাক আৰু মূলতঃ নিম্নমধ্যশ্ৰেণীৰ বাওঁপন্থী অংশকে মাথোন প্ৰতিনিধিত্ব কৰা একালৰ ভূপেনৰ এই পৰিবৰ্তন হ'ল কেনেকৈ? সমাজৰ এটা অগ্ৰগামী অংশক প্ৰতিনিধিত্ব কৰা ভূপেনে কিয় পশ্চাৎ অপসৰণ কৰি পিছলৈ অসমৰ সমগ্ৰ মধ্যশ্ৰেণীটোক প্ৰতিনিধিত্ব আৰম্ভ কৰি দিলে? আন্তৰ্জাতিক কমিউনিষ্ট নেতৃত্বত বিভাজন, ভাৰতৰ বাঁওপন্থী ৰাজনীতিৰ সুবিধাবাদী নেতৃত্ব, গণনাট্য সংঘৰ আপোচকামী নীতি আদিৰ উপৰিও আন দুটা প্ৰধান কাৰণ হ'ল— (ক) অসমত নতুন অসমীয়া বুৰ্জোৱা তথা শক্তিশালী মধ্যশ্ৰেণীৰ আবিৰ্ভাৱ, আৰু (খ) অসমত প্ৰকৃত ৰাজনৈতিক আন্দোলনৰ অভাৱ। উল্লেখযোগ্য যে, পঞ্চাশ দশকৰ শেষলৈকে অসমীয়া বুৰ্জোৱা তথা মধ্যশ্ৰেণীটোৱে এটা শ্ৰেণী হিচাপে ঠন ধৰি উঠিব পৰা নাছিল। তেওঁলোকে নিজৰ অস্তিত্ব লৈয়ে ব্যস্ত আছিল। কিন্তু ষাঠিৰ দশকৰ আৰম্ভণিৰ লগে লগে এই শ্ৰেণীয়ে লাহে লাহে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ ধৰিলে, চাকৰি, ব্যৱসায়-বাণিজ্য আদিত এওঁলোক উদ্যোগী আৰু অগ্ৰণী হোৱাৰ প্ৰয়াস কৰিব ধৰিলে। জোৰদাৰ কোনো বাঁওপন্থী ৰাজনৈতিক আন্দোলনৰ অভাব আৰু লগতে গণনাট্য সংঘৰ কাৰ্যকলাপ প্ৰায় বন্ধ হৈ এক শূন্য পৰিবেশৰ সৃষ্টি হ'ল অসমত, আৰু এনে পৰিবেশত বেছিকৈ ইন্ধন জোগাইছিল আন্তৰ্জাতিক কমিউনিষ্ট নেতৃত্বৰ বিভাজন আৰু ভাৰতৰ বাঁওপন্থী নেতৃত্বৰ সুবিধাবাদী নীতিয়ে। এনে শূন্য পৰিবেশত স্বাভাবিকভাবেই ভূপেনে এই উদীয়মান মধ্যশ্ৰেণীটোৰ প্ৰতি আকৃষ্ট হয়। তাৰ উপৰি তেওঁৰ নিজৰ শ্ৰেণীঅবস্থানৰ বাবে এই মধ্যশ্ৰেণীটোৰ লগত তেওঁৰ নিবিড় সম্বন্ধ স্থাপিত



হ'ল। ফলত, এই শ্ৰেণীৰ বিভিন্ন আশা-আকাংক্ষাবোৰ তেওঁৰ সৃষ্টিত প্ৰতিভাত হ'ব ধৰিলে। ভূপেনৰ মানসত যি নিম্নমধ্যশ্ৰেণীৰ আপোচকামী আৰু শ্ৰেণীসমন্বয়ৰ দৰ্শন আছিল আত্মবিশ্লেষণৰ অভাবত ভূপেনে সেই দৰ্শন ত্যাগ কৰিব নোৱাৰিলে। ইয়াৰ উপৰিও তেওঁ লাহে লাহে মেহনতী জনগণৰ পৰাও বিচ্ছিন্ন হৈ পৰিছিল। গতিকেই তেওঁৰ এই পৰিবৰ্তন অবধাৰিত আছিল।

কোৱা বাহুল্য যে, মধ্যশ্ৰেণীৰ আশা আকাংক্ষাবোৰ প্ৰতিভাত কৰা ভূপেনে নিজেও এই শ্ৰেণীৰ দুৰ্বলতাবোৰৰো অধিকাৰী হ'ল। এই শ্ৰেণীৰ বৈশিষ্ট্য হিচাপেই আমি দেখিবলৈ পাওঁ যে, ভূপেন স্ব-নিৰাপত্তা সম্পৰ্কে অতি সচেতন। সমাজ ব্যৱস্থাৰ সমালোচনাও তেওঁ এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত থাকিহে কৰে। কোনো প্ৰতিবাদ বা দাবীৰ সমৰ্থনত মধ্যশ্ৰেণীৰ সংখ্যা যিমানেই বেছি হয় ভূপেনৰ প্ৰতিবাদ বা দাবীও সিমানেই মুখৰ হৈ উঠে; কাৰণ এই শ্ৰেণীৰ স্বাৰ্থৰ লগত যে তেওঁৰ নিৰাপত্তাৰ প্ৰশ্নটো নিবিড় ভাৱে জড়িত! এই দুৰ্বলতাৰ বাবেই ভূপেন প'ল ৰ'বচন্ হ'ব নোৱাৰিব, বিভিন্ন 'জোৱাৰ'ত বাৰে বাৰে উটি যাব।

মধ্যশ্ৰেণীৰ অন্যতম বৈশিষ্ট্য হিচাপে ভূপেন আন এটি দুৰ্বলতাৰ অধিকাৰী আৰু সেয়া হ'ল— প্ৰবলস্ৰোত প্ৰীতি। লক্ষ্য কৰিলে দেখা যাব যে, সদায় ভূপেনে সমাজত প্ৰবাহমান বিভিন্ন স্ৰোতৰ মাজৰ সকলোতকৈ প্ৰবল স্ৰোতেদিহে উটি যাবলৈ পছন্দ কৰে। চল্লিছৰ দশকৰ দ্বিতীয় অৰ্ধৰপৰা এতিয়ালৈকে তেওঁৰ বিভিন্ন কাৰ্যাবলীলৈ চকু ফুৰালেই এই কথা পৰিষ্কাৰ হ'ব। প্ৰথমপিনে জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আদিৰ নেতৃত্বত অসমৰ সংস্কৃতিক পৰিবেশ আছিল প্ৰগতিশীল। আন বহুতৰ দৰে ভূপেনেও এই প্ৰগতিশীলতাৰ প্ৰবল স্ৰোতত ভাঁহি গৈ গণনাট্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। (ইয়াৰ দ্বাৰা আমি ভূপেনৰ গণনাট্যকালৰ প্ৰগতিশীল ভূমিকা নুই কৰিব বিচৰা নাই।) আকৌ তেওঁৰ অসমীয়া প্ৰেমৰ ক্ষেত্ৰতো এই প্ৰবলস্ৰোত প্ৰীতি দেখা যায়। ১৯৭২ চনৰ ভাষা আন্দোলনত তেওঁ 'অদ্ভুত সংযম, প্ৰখৰ বুদ্ধিদীপ্ত অহিংসা আন্দোলনৰ সুপৰিচালনা আৰু ইতিবাচক ভাষা সচেতনতা'ৰ সন্ধান পালে। এইদৰে উদীয়মান অসমীয়া মধ্যশ্ৰেণীৰ বিভিন্ন আন্দোলন আৰু নিম্নমধ্যশ্ৰেণীৰ খাদ্য আন্দোলনৰ স্ৰোতত ভূপেনক উটি যোৱা দেখা যায়। বিভিন্ন প্ৰকাৰৰ 'জাতীয় জোৱাৰ'ৰ ক্ষেত্ৰতো এই কথা সত্য। এই স্ৰোতবোৰৰ প্ৰাবল্য অনুসৰি বিভিন্ন সময়ত বিভিন্ন স্ৰোতেদি ভূপেনক নিৰাপদভাবে উটি যোৱা দেখা যায়। উল্লেখযোগ্য যে, ভূপেনে নিজে কোনো স্ৰোতৰ সৃষ্টি কৰা নাই— মাথোন প্ৰবলতম স্ৰোতত জঁপিয়াই পৰি নিৰাপদভাবে ভাহি যোৱাই তেওঁৰ অন্যতম বৈশিষ্ট্য।

আজি ভূপেনৰ 'গীতৰ হেজাৰ শ্ৰোতা' যে সমগ্ৰ মধ্যশ্ৰেণী এই সম্পৰ্কে সন্দেহ নাই আৰু এই মধ্যশ্ৰেণীৰ লগত তেওঁৰ অস্তিত্ব নিবিড় ভাবে জড়িত বাবে এই শ্ৰেণীৰ শ্ৰোতাক তেওঁ 'নমস্কাৰ' নকৰি কৰিব কাক?



OKDISCD

## ‘ভীষ্ম-ৰূপী অজস্ৰ বীৰক জগাই নোতোলা কিয় ?’

[ভৱিষ্যতত ভূপেনৰ সম্ভাব্য ভূমিকা]

১৯৭৪ চনৰ প্ৰথম ভাগত গুৱাহাটীত বাৰ্টোল্ট ব্ৰেখ্‌টৰ এখন নাটকত ভূপেন হাজৰিকাক সংগীত পৰিচালক হিচাপে লোৱাৰ বাবে কিছু মাৰ্ক্সবাদী সমালোচকে সমালোচনা কৰিছিল। এওঁলোকৰ সমালোচনাৰ সাৰমৰ্ম আছিল —মেহনতী জনগণৰপৰা বিচ্ছিন্ন ভূপেন এতিয়া আৰু প্ৰগতিশীল শিল্পী হৈ থকা নাই। তেওঁ প্ৰতিক্ৰিয়াশীল শক্তি আৰু স্থিতাবস্থাৰ বহতীয়া। প্ৰগতিশীল অনুষ্ঠান এটাই তেওঁক সংগীত পৰিচালক কৰি তেওঁৰ প্ৰগতি-শীলতাৰ image ৰ illusion সৃষ্টি কৰা উচিত হোৱা নাই। এনে সিদ্ধান্তলৈ অহাৰ আগতে বোধকৰোঁ আমি আৰু বেছি গভীৰভাবে এই প্ৰশ্নটো বিবেচনা কৰি চোৱা উচিত হ’ব।

বৰ্তমান ভূপেনে মূলতঃ সমগ্ৰ মধ্যশ্ৰেণীটোৰ প্ৰতিনিধিত্ব কৰিছে। সমাজ ৰূপান্তৰৰ ক্ষেত্ৰত. মধ্যশ্ৰেণীৰো যে এক স্তৰলৈকে গুৰুত্বপূৰ্ণ ভূমিকা আছে সেই কথা অনস্বীকাৰ্য আৰু সেইবাবেই এই শ্ৰেণীৰ প্ৰতিভূ ভূপেনক এক কথাত নাকচ কৰি দিয়াতো অবৈজ্ঞানিক নহ’বনে ? অসমৰ এই মধ্যশ্ৰেণীৰ অস্তিত্বৰ প্ৰশ্নৰ লগত ভূপেনৰ অস্তিত্বৰ প্ৰশ্নও নিবিড়ভাবে জড়িত আৰু সেই সমাজ ৰূপান্তৰৰ ক্ষেত্ৰত এই মধ্যশ্ৰেণী আগুৱাই গ’লে ভূপেনেও আগুৱাই যোৱাৰ সম্ভাৱনা নিশ্চয় আছে। অৱশ্যে বৰ্তমান অৱস্থাত তেওঁ এই মধ্যশ্ৰেণীটোৰ দৰেই ৰাজহাড় শূন্যতাত ভুগিছে ; এই শ্ৰেণীৰ সকলোবোৰ দ্বিধা গ্ৰস্ততা তেওঁৰ মাজত প্ৰতিভাত হৈছে। এই শ্ৰেণীৰ স্বাভাবিক ৰাজনৈতিক অপৰিপক্কতাৰ বাবে তেওঁ শতচ্ছিন্ন সমাজ কাপোৰত মৰা উজ্জ্বল ৰংবিৰঙৰ জোৰা তাপলিৰ চমকত তওঁক লগা দেখা যায়। একালৰ ‘অগ্নিযুগৰ ফিৰিঙতি মই’ৰ শিল্পী ভূপেনৰ এই পশ্চাৎ অপসৰণ ক্ষোভৰ বিষয় যদিও ই আছিল স্বাভাবিক পৰিণতি। এই পৰিণতি নেতিবাচক যদিও ভূপেনৰ সম্ভাব্য ভূমিকা সম্পৰ্কে সম্পূৰ্ণৰূপে নেতিবাচক ধাৰণা লৈ থকাটো যুক্তিযুক্ত হ’বনে ?

নিজৰ সৃষ্ট গীত ‘প্ৰতিধ্বনি শুনো মই’ বা ‘অগ্নিযুগৰ ফিৰিঙতি মই’ নালাগে আনকি ‘বৰ বৰ মানুহৰ দোলা’ও গণনাট্যোত্তৰ কালৰ কোনো ‘গীত সভা’ত গাবলৈ দ্বিধাবোধ কৰি অহা ভূপেনে হঠাৎ ব্ৰেখট্‌ৰ নাটকত সংগীত পৰিচালনা কৰিবলৈ মান্তি হৈছিল কিয় ? এই প্ৰশ্নৰ উত্তৰ এক কথাত দিব নোৱাৰি। ইয়াৰ কাৰণ বহুতো হ’ব পাৰে যেনে, (১) ব্ৰেখটৰ নাটকত সংগীত পৰিচালনা কৰাৰ লগত তেওঁৰ নিৰাপত্তাৰ প্ৰশ্ন জড়িত নাছিল। (২) হয়তো প্ৰবল শ্ৰোত-প্ৰীতিৰ বাবেই সেইসময়ত অসমৰ সাংস্কৃতিক জগতত প্ৰবলভাবে বব ধৰা ‘প্ৰগতিশীল’তাৰ সোঁতত জঁপিয়াই পৰাৰ প্ৰয়াস কৰিছিল (৩) হয়তো এই নাটকৰ মাজেৰে তেওঁ ইমানদিনে যি অংশৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল সেই মধ্যশ্ৰেণীৰ বাঁওপন্থী অংশ আৰু দিন যোৱাৰ লগে লগে সমাজ ৰূপান্তৰৰ বৈজ্ঞানিক চিন্তাৰ প্ৰভাৱলৈ আহিব ধৰা যুৱশক্তিক পুনৰ আঁকোৱালি লোৱাৰ প্ৰয়াস কৰিছিল। এনেধৰণৰ আৰু বহুতো কাৰণ হ’ব পাৰে আৰু সেইবাবেই আমি তেওঁ ব্ৰেখ্‌টৰ নাটকত সংগীত পৰিচালনা কৰাত সিমান গুৰুত্ব দিব বিচৰা নাই। তেওঁ বিক্ষিপ্তভাবে সংগীত পৰিচালনা কৰিবলৈ লোৱা কথাযাৰ যেনেকৈ গুৰুত্বপূৰ্ণ ঘটনা নহয়, ঠিক তেনেকৈ তেওঁৰ সংগীতৰ সহায় লোৱাৰ বাবেই প্ৰগতিশীল নাট্য বা সাংস্কৃতিক-আন্দোলন যে অশুদ্ধ হৈ পৰিছে সেয়াও নহয়। কিন্তু ভূপেনৰ দৰে শিল্পীসকলৰ প্ৰগতি-শীল নাট্য বা সাংস্কৃতিক আন্দোলনত সহায় লোৱাৰ প্ৰশ্নটো নিঃসন্দেহে গুৰুত্বপূৰ্ণ প্ৰশ্ন। এই কথা ঠিক যে, ভূপেনৰ দৰে শিল্পীয়ে এনে নাট্য বা সাংস্কৃতিক আন্দোলনৰ অগ্ৰণী শক্তি হোৱাৰ সামৰ্থ কেতিয়াবাই হেৰুৱাই পেলাইছে ; তথাপিতো এই সাংস্কৃতিক আন্দোলনৰ কাৰ্যত সঠিকভাবে তেওঁলোকৰ সহায় ল’ব পাৰিলে লাভ বিনে ক্ষতি নহয় নিশ্চয়। ভূপেনৰ পৰিৱৰ্তন বিমুখ ভূমিকাবোৰ আমি নিশ্চয় কঠোৰভাবে সমালোচনা কৰা উচিত। কিন্তু লগে লগে আমি এই কথা পাহৰিলেও নচলিব যে, ভূপেনৰ এই অনিষ্টকৰ ভূমিকাবোৰে নিতান্তই মধ্যশ্ৰেণীসুলভ দুৰ্বলতা-জনিত আৰু এই ভূমিকাৰ লগে লগে তেওঁৰ সৃষ্টিত এটা পৰিবৰ্তনমুখী সুৰো আছে। অৱশ্যেই বৰ্তমান মুহূৰ্তত তেওঁৰ এই পৰিবৰ্তনমুখী সুৰ লাহে লাহে ক্ষীণৰ পৰা ক্ষীণতৰ হৈ আহিব ধৰিছে। কিন্তু ইয়াৰ বাবে সেই সমগ্ৰ মধ্যশ্ৰেণীটোকেই দায়ী কৰিব লাগিব, যি মধ্যশ্ৰেণীৰ প্ৰকৃত সমাজ ৰূপান্তৰত উল্লেখযোগ্য ভূমিকা আছে যদিও বৰ্তমান ৰাজহাড় শূন্যতাত ভুগি স্থবিৰ হৈ আছে। আমি আগেয়ে উল্লেখ কৰি আহিছোঁ যে এই মধ্যশ্ৰেণীৰ সমৰ্থন আৰু জংগীপনাৰ (militancyৰ) তাৰতম্যৰ ওপৰত ভূপেনৰ প্ৰতিবাদ বা প্ৰতিৰোধৰ মুখৰতা নিৰ্ভৰশীল।

যিদিনা সমাজ ৰূপান্তৰৰ প্ৰচেষ্টা তীব্ৰ আকাৰ ধাৰণ কৰিব আৰু মধ্য শ্ৰেণীৰ মাজত বিভাজনৰ সৃষ্টি হৈ ইয়াৰ মাজৰ পৰিবৰ্তনকামী অংশ সক্ৰিয় হৈ উঠিব সেইদিনা ভূপেনৰ ভূমিকা কি হ’ব সেয়ে সঁচাকৈ লক্ষণীয় বিষয় হ’ব সন্দেহ নাই। প্ৰাবল্য-প্ৰীতি আৰু নিজৰ নিৰাপত্তাৰ খাটিৰত যি অংশই প্ৰাধান্য লাভ কৰিব সেই পিনেই তেওঁ ঢলি পৰিব। ভূপেনৰ যুক্তি-সত্বা জগাই তুলিবলৈ ‘বুঢ়া লুইত’ৰ ওচৰত দাবী পেচ কৰি বিশেষ লাভ নাই, কাৰণ অসমৰ মধ্যশ্ৰেণীৰ এটা বুজন অংশই সমাজ পৰিবৰ্তনৰ সংগ্ৰামত চামিল নোহোৱালৈকে ভূপেন তেনে হ’ব বুলি আশা কৰাটো বৃথা।

অৱশ্যেই বৰ্তমান যি হাৰত ভূপেনৰ গণ-মুক্তিকামী সত্বা স্তিমিত হ’ব ধৰিছে, সেই হাৰত ই সম্পূৰ্ণ স্তিমিত হ’বলৈ বেছি পৰ নালাগিব ! আৰু হয়তো তেওঁ ‘ভীষ্মৰূপী বীৰ’ৰ দৰে শৰশয্যাত শুই পৰিব আৰু কোনো উত্তৰায়ণৰ মুহূৰ্তত অনন্ত ধামলৈ (এই ক্ষেত্ৰত বোম্বেৰ ফিল্ম-ধাম !) গতি কৰিব ! ++

---

অসমীয়া প্ৰগতিশীল কবিতা সম্পৰ্কত আমালৈ অহা এলানি চিঠি-পত্ৰ পৰবৰ্তী সংখ্যাত প্ৰকাশ কৰা হ’ব। সম্পাদক ॥ সাঃ সাঃ



OKDISCD

WITH VIJAYA GREETINGS FROM :
CAFE MIKADO
(Near Anuradha Cinema)
Gauhati-781021

With best compliments from :
REDI-CURA
Chemists & Druggists
G. S. Road, Shillong-2
Phone : 3186

With best compliments from :
APPICHEM ENTERPRISE
HEMCHANDRA ROAD
UZANBAZAR, GAUHATI-781001
Telephone : 2082
General Merchants, Specialist in :
Scientific Instruments & Chemicals

কম সময়ত
ভাল ছপাকামৰ বাবে
এক নিৰ্ভৰযোগ্য ছপাশাল
যব কাম বা
কিতাপৰ কাম
উভয়তে পাৰ্গত
চৰকাৰী অনুমোদিত প্ৰতিষ্ঠান
হেমকোষ প্ৰিণ্টাৰ্ছ
শিলপুখুৰী ।। গুৱাহাটী—৭৮১০০৩ ।। ফোন : ৬৫২০

OKDISCD

## গৱেষণা আৰু কাৰিকৰী সহযোগিতাৰ এটা দিশ

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

বিত্তীয় কাৰিকৰী সহযোগিতাই অকল যে অনুন্নত দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ ওপৰতে প্ৰভাৱ বিস্তাৰ কৰে, এই কথা সত্য নহয়। বিত্তীয় পুঁজি ( Finance Capital ) ৰ লগত অংগাংগীভাৱে কাৰিকৰী সহযোগিতাই উন্নত পুঁজিৱাদী দেশৰ অৰ্থনৈতিক বিকাশৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে।

এই সম্পৰ্কে আলোচনা কৰাৰ আগতে আমি এটা কথাত পৰিষ্কাৰ হোৱা উচিত হ'ব যে কাৰিকৰী সহযোগিতা কেনে সাংগঠনিক ( Organisational ) আৰু প্ৰশাসনীয় ( Administrative ) ব্যৱস্থাৰ মাজেদি ৰূপায়িত হৈছে তাৰ ওপৰতে নিৰ্ভৰ কৰে কাৰিকৰী সহযোগিতাৰ সুফল আৰু কুফলসমূহ। সাংগঠনিক আৰু প্ৰশাসনিক দুৰ্বলতাৰ বাবে ( অনিবাৰ্যভাৱে এই দুৰ্বলতা সমাজ ব্যৱস্থাৰ লগত জড়িত ) কাৰিকৰী সহযোগিতাৰ সুফলসমূহৰ সামাজিক আৰু অৰ্থনৈতিক মূল্য হ্ৰাস পায় আৰু কোনো কোনো ক্ষেত্ৰত এনে সহযোগিতাই (১) অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত হেঙাৰ সৃষ্টি কৰে (২) সহযোগী দুৰ্বল অৰ্থনীতিৰ সকলো মূলশক্তিৰ পৰিচালনা ক্ৰমাগত সহযোগী শক্তিশালী অৰ্থনীতিৰ হাতলৈ যায়, শিল্পপতি ( দেশী আৰু বিদেশী ) সকলৰ মাজত আৰম্ভ হয় অন্তৰ্দ্বন্দ্ব, ই কেতিয়াবা তীব্ৰ ৰূপো ধাৰণ কৰা সম্ভাৱনা থাকে।

আমাৰ এই আলোচনাৰ কেন্দ্ৰভূমি হ'ল ব্ৰিটিছ অৰ্থনীতি আৰু সহযোগী প্ৰধান শক্তি হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ। অন্যান্য সকলো উন্নত

দেশেই অৰ্থনৈতিকভাবে পিছপৰা দেশলৈ কাৰিকৰী সহযোগিতা আগবঢ়ায়। সেই বিষয়ে আলোচনা কৰাৰ সুকীয়া থল থাকিল ।

কানাডাৰ (১) পিচতেই বৃটিছ অৰ্থনীতিয়েই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰত্যক্ষ বিনিয়োগ ( Direct Investment ) ৰ বৃহৎ অংশীদাৰ। ১৯৬৭ চনৰ শেষত বৃটিছ অৰ্থনীতিৰ মুঠ আমেৰিকান কাৰিকৰী, কাৰিকৰী বিত্তীয় সহযোগিতাৰ সংখ্যা ১,৬০০। আমেৰিকাৰ সৰ্বমুঠ বিনিয়োগ এইক্ষেত্ৰত ৬,১০১ নিযুত ডলাৰ। (২) শেহতীয়াভাবে আমেৰিকান পুঁজি বিনিয়োগৰ হাৰ কমন মাৰ্কেট (Common Market) ৰ অন্তৰ্ভুক্ত দেশসমূহত বৃদ্ধি পাইছে, কিন্তু ইংলেণ্ডেই হ'ল আটাইতকৈ বেছি সাহায্য গ্ৰহণ কৰা ইউৰোপীয় দেশ। আমি তলৰ তালিকাৰ (তালিকা নং ১) ৰ পৰা বৃটিছ আৰু আমেৰিকান সহযোগিতাৰ ফলত বৃটিছ অৰ্থনীতিত আমেৰিকান প্ৰভাৱৰ স্বৰূপ বুজিব পাৰিম ।

১৯৫০ চনৰপৰা ১৯৬৫ আৰু তাৰপিচৰ কালৰপৰা আমেৰিকান বিনিয়োগৰ প্ৰভাৱ ক্ৰমাগত বৃদ্ধি পাইছে। আমেৰিকান বিনিয়োগৰ মুঠ ৮৫ শতাংশ বৃটিছ শিল্পসমূহত, বিশেষকৈ পেট্ৰলিয়াম শোধন আৰু বিতৰণ, ফিল্ম, যন্ত্ৰ শিল্প, গ্ৰন্থ প্ৰকাশ, গেছ উৎঘাটন আদিত। বিনিয়োগৰ ক্ষেত্ৰ অনুসৰি আমেৰিকান সহযোগিতা তালিকা নং ২ ত দেখুৱাৰ দৰে। দেখা যায় শতকৰা হিচাপত ৰাসায়নিক আৰু ৰসায়নভিত্তিক শিল্পত ২১.৩, মেকানিকেল ইঞ্জিনিয়াৰিঙত ২১.৩, মটৰ শিল্পত ৩০.০ আৰু ৰবৰ শিল্পত ১৩.৬ শতাংশ বিনিয়োগ কৰে আমেৰিকান উপপ্ৰতিষ্ঠানসমূহে। অৰ্থাৎ বৃটিছ অৰ্থনীতিৰ কেইটামান প্ৰধান শিল্পৰ ওপৰত আমেৰিকান প্ৰভাৱ অৰ্থনৈতিকভাবে উল্লেখযোগ্য। ইয়াৰ ভিতৰতো আমেৰিকান

---

(১) কানাডাৰ ক্ষেত্ৰত Watkins ৰ Foreign Ownership and the Structure of Canadian Industry (Report of the Task force on the structure of Canadian Industry) Owens Printer, Ottawa, 1968 দ্ৰষ্টব্য ।

২) Survey of Current Business, September 1968 ৰ ওপৰত ভিত্তি কৰি।



প্ৰভাৱ গবেষণামূলক শিল্পতে বেছি স্পষ্ট। তলৰ হিচাপৰপৰা আমি এই কথা স্পষ্টভাৱে বুজিব পাৰিম—১০০ টা প্ৰধান (৬১ ৬৬) আমেৰিকান সাহায্যপ্ৰাপ্ত প্ৰতিষ্ঠানৰ বিনিয়োগৰ ধৰণ এই হিচাপত ভিত্তি:

| | | |
|---|---|---|
| ১। | উচ্চ গবেষণামূলক শিল্প— | ৭২.৬ শতাংশ |
| ২। | মধ্যমীয়া গবেষণামূলক শিল্প— | ২১.৯ " |
| ৩। | কম পৰিমাণে গবেষণাকেন্দ্ৰিক শিল্প আৰু অন্যান্য— | ৫.৫ " |
| | | ১০০.০০ |

উচ্চখাপৰ গবেষণাকেন্দ্ৰিক কোনো শিল্পত আমেৰিকান প্ৰভাৱ ইমানেই বেছি যে সমগ্ৰ বৃটিছ অৰ্থনীতিত ই প্ৰতিক্ৰিয়া কৰে। আমেৰিকান সাহায্যপ্ৰাপ্ত প্ৰতিষ্ঠান আৰু উপপ্ৰতিষ্ঠানে মুঠ মটৰৰ শতকৰা পঞ্চাশ ভাগৰো বেছি; অফিচৰ যন্ত্ৰপাতি,চিলাই কল, ভূমি খন্দন যন্ত্ৰ, ঘৰুৱা বয়লাৰ, জোতা তৈয়াৰ কৰা যন্ত্ৰপাতি, ৰুচিকৰ খাদ্য, প্ৰসাধন সামগ্ৰী, বায়ুশূন্য পৰিষ্কাৰক যন্ত্ৰ কলম আদি লেখা সামগ্ৰী, ক্ষুৰ আৰু ব্লেড আদিৰ শতকৰা ৫০ শতাংশৰ বেছি, ফিল্ম-শিল্পৰ শতকৰা ৫০ ৰো বেছি; পেট্ৰল বিতৰণ আৰু ঔষধ বিক্ৰী শতকৰা প্ৰায় ৫০ শতাংশ, কম্পিউটাৰ (I.B.M) ৪০ শতাংশ যোগান ধৰে আমেৰিকান যুক্তৰাষ্ট্ৰই। ঠিক সেইদৰে টেলিফোন ৰেফ্ৰিজাৰেটৰ, টায়াৰ, ঘড়ী আদি যোগান ধৰে শতকৰা প্ৰায় ৪০ শতাংশ। এই উৎপাদন শিল্পৰ বাহিৰেও আমেৰিকান পুঁজিৰ প্ৰভাৱ আছে বেংকসমূহৰ ওপৰত। বেংকৰ জমা পুঁজিৰ শতকৰা ১৫ ভাগ আমেৰিকান উপপ্ৰতিষ্ঠানসমূহৰ। তদুপৰি আমেৰিকান কম্পেনীসমূহে ফিল্মৰ বজাৰ দখল কৰি আছে। শতকৰা ৫০ ভাগ চিনেমা আমেৰিকান কম্পেনীয়ে প্ৰদৰ্শন কৰে। বিজ্ঞাপনৰ ক্ষেত্ৰত ডাঙৰ ডাঙৰ কিছুমান প্ৰতিষ্ঠান আমেৰিকান, বজাৰ গৱেষণা আৰু পৰামৰ্শকাৰী অনুষ্ঠানসমূহৰ প্ৰধান কেইটাও (উদাহৰণ মেকমিলান আৰু হেৰিছ) আমেৰিকান।

বৃটিছ অৰ্থনীতিত প্ৰভাৱ বিস্তাৰ কৰা মুঠ ১৬৬০ টাতকৈও বেছি উপপ্ৰতিষ্ঠানেই সম্পূৰ্ণ আমেৰিকান। ৫৪১ টা ডাঙৰ প্ৰতিষ্ঠানৰ ৩৬৬ টা সম্পূৰ্ণ আমেৰিকান, ৫২ টাৰ আমেৰিকান পুঁজিৰ অংশ শতকৰা ৫১.৯৯।



OKDISCD

ৰাকীবোৰ প্ৰায়ে বৃটিছ পুঁজিৰ লগত আমেৰিকান সহযোগিতাত গঢ় লোৱা প্ৰতিষ্ঠান।

আমেৰিকান গৱেষণামূলক আৰু কাৰিকৰী সহযোগিতাৰ ফলত বৃটিছ অৰ্থনীতিৰ নতুন উৎপাদিত সামগ্ৰী, উন্নত মানৰ ব্যৱহৃত সামগ্ৰী নতুন পদ্ধতি উদ্ভাৱন সম্ভৱ হৈছে। কিন্তু আমেৰিকান পুঁজিয়ে বৃটিছ অৰ্থনীতিত কাৰিকৰী আৰু গৱেষণামূলক শিল্পত প্ৰভাৱ বিস্তাৰ কৰাৰ যোগেদি যি জটিলতাৰ সৃষ্টি কৰিছে সেয়া উল্লেখযোগ্য আৰু ই কাৰিকৰী গৱেষণামূলক বিদেশী বিনিয়োগৰ স্বৰূপ উদঙাই দিয়ে ( কিন্দেলবাৰ্জাৰ, ১৯৬৯ )। কাৰণ কাৰিকৰী আৰু গৱেষণামূলক শিল্পত আমেৰিকান দখলে (১) প্ৰথমতে গৱেষণা কেন্দ্ৰীভূত কৰে আমেৰিকাৰ স্বাৰ্থৰ অনুকূলে, (২) দ্বিতীয়তে আমেৰিকান উপপ্ৰতিষ্ঠানৰ গৱেষণাৰ লাভসমূহ হয় আমেৰিকান অৰ্থনীতিৰ, (৩) তৃতীয়তে আমেৰিকান গৱেষণাৰ ওপৰত বৃটিছ অৰ্থনীতি নিৰ্ভৰশীল হয়, ফলত আমেৰিকান কাৰিকৰী বিদ্যাতকৈ স্বাভাৱিক কাৰণতে বৃটিছ কাৰিকৰী বিদ্যা পিছ পৰি ৰয় ( ডান্নিং,১৯৭০ ) আৰু (৪) সমগ্ৰ অৰ্থনীতি আমেৰিকান অৰ্থনীতিৰ কবলত পৰে। ( মেকমিলান আৰু হেৰিছ, ১৯৬৮ )। এনে প্ৰক্ৰিয়া অকল বৃটিছ অৰ্থনীতিতে নহয় পৃথিবীৰ যিকোনো উন্নত, অনুন্নত দেশতে হ'ব পাৰে। অনুন্নত দেশত এই প্ৰভাৱ আৰু গভীৰ ধ্বংসকামী হ'ব পাৰে, জাতীয় অৰ্থনীতি সম্পূৰ্ণ কুক্ষিগত কৰিব পাৰে। সেয়া অৱশ্যে এই প্ৰবন্ধৰ আলোচ্য বিষয় নহয়।


**সাম্প্ৰতিক সামযিকী**

**বিজ্ঞাপনৰ শ্ৰেষ্ঠ মাধ্যম**

বিজ্ঞাপন সচিব ॥ সাম্প্ৰতিক সামযিকী ॥ গুৱাহাটী ॥ ৭৮১০০৩




তালিকা নং ১

বৃটিছ আমেৰিকান সহযোগিতা আৰু বৃটিছ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

| বিষয়সমূহ | ১৯৫০ | ১৯৬০ | ১৯৬৫ | ১৯৬৬ |
|---|---|---|---|---|
| ১। বৃটেইনৰ জাতীয় সৰ্বমুঠ উৎপাদনত আমেৰিকান বিনিয়োগৰ উৎপাদনৰ শতকৰা হাৰ। | ২.৬ | ৫.১ | ৫.৯ | ৬.২ |
| ২। বৃটিছ প্ৰতিষ্ঠানসমূহৰ জমা পুঁজিৰ তুলনাত আমেৰিকান বিনিয়োগৰ শতকৰা হাৰ। | | ৬.৪ | ৭.১ | ৭.২ |
| ৩। প্ৰতিষ্ঠানসমূহৰ স্থায়ী পুঁজি গঠনত ( নতুন ) আমেৰিকান পুঁজি বিনিয়োগৰ শতকৰা হাৰ | | ১২ ৯ | ২০.২ | |
| ৪। আমেৰিকান বিনিয়োগৰ সমগ্ৰ বৃটিছ শিল্প উৎপাদনত শতকৰা উৎপাদনৰ-অংশ ( বিক্ৰিৰ ওপৰত ভিত্তি কৰি ) | | ৬.৭ | ৯.৬ | ১০.৭ |
| ৫। বৃটিছ প্ৰতিষ্ঠানসমূহৰ মুঠ লাভৰ তুলনাত আমেৰিকান বিনিয়োগৰ লাভৰ হাৰ | ৩.০ | ৭.৮ | ১০.৭ | |
| ৬। বৃটিছ প্ৰতিষ্ঠানসমূহৰ মুঠ শিল্প উৎপাদন লাভৰ তুলনাত আমেৰিকান বিনিয়োগৰ আয়ৰ শতকৰা হাৰ | ৩.২ | ৭.৭ | ১৩.৭ | |

উৎস (1) National Income Blue Book ( বিভিন্ন সংখ্যা ) (2) Survey of Current Business ( বিভিন্ন সংখ্যা ) আমেৰিকান বাণিজ্য বিভাগ।



OKDISCD

তালিকা নং ২

আমেৰিকান পুঁজিৰ বৃটিছ বিনিয়োগক্ষেত্ৰ আৰু বিনিয়োগৰ ধৰণ

| বিনিয়োগ ক্ষেত্ৰ (১) | প্ৰধান বৃটিছ প্ৰতিষ্ঠানসমূহ (মুঠ পুঁজি) মুঠ হিচাপ নিযুত পাউণ্ড (২) | শতকৰা হিচাপ (৩) | প্ৰধান আমেৰিকান উপপ্ৰতিষ্ঠানসমূহ (মুঠ পুঁজি) মুঠ হিচাপ নিযুত পাউণ্ড (৪) | শতকৰা হিচাপ (৫) | ২ নং শাৰীৰ শতাংশ হিচাপে ৪নং শাৰী |
|---|---|---|---|---|---|
| ১। গৱেষণাভিত্তিক | | | | | |
| শিল্প ৰসায়ন আৰু | ২৪৫৮ | ১৬.০ | ৫২৪,৫ | ৩৫.০ | ২১.৩ |
| অন্যান্য মেকানিকেল | ১৩৪০ | ৯.৫ | ২৮৫.৫ | ১৯.১ | ২১.৩ |
| ইঞ্জিনিয়াৰিং, বিদ্যুৎ | ১৪৬০ | ৮.৭ | ১১২.৯ | ৭.৫ | ৭.৭ |
| ইঞ্জিনিয়াৰিং, মটৰ গাড়ী, | ৮৯৪ | ৫.৮ | ২৭১.৩ | ১৮.১ | ৩০,০ |
| ৰবৰ শিল্প | ৩০০ | ১.৯ | ৪০.৭ | ২.৭ | ১৩.৬ |
| ২। অন্যান্য শিল্প খাদ্য, | | | | | |
| পানীয়, মাদক, ধাতু | ২৮৬০ | ১৮.৬ | ৭৮.২ | ৫.২ | ২.৭ |
| উৎপাদন, সূতা, কাপোৰ, | ১৫৭৮ | ১০.০ | ৬০.২ | ৪.০ | ৩ ৯ |
| জোতা, কাগজ আৰু | ১৫৩৭ | ১০.০ | ২৮,৭ | ১.৯ | ১.৯ |
| কাগজ জাতীয় অন্যান্য | ১১৭৯ | ৭.৭ | ৮০.৩ | ৫.৪ | ৪.৪ |
| মুঠ শিল্প | ১৮১৬ | ১১,৮ | ৮০,৩ | ৫,৪ | ৪ ৪ |
| মুঠ শিল্প বিনিয়োগ | ১৫,৩৯২— | ১০০.০— | ১৪৯২.২— | ১০০-০— | ৯.৭ |

ঙা টোকাঃ (১) জন এইছ ডানিঙৰ হিচাপৰ ওপৰত ভিত্তি।

উৎসঃ (a) US data—Board of Trade Journal and Survey of Current Busines Statistics on Income, prices Employment and Production (b) U.K data Ministry of Labour. Dunning ৰ Studies in Inernational Investment ৰ সহায়ত।

\+ + +



## প্ৰতীক্ষাত/মদন শৰ্মা

অৱশেষত ট্ৰেইনখন চলাৰ লক্ষণ দেখা গ'ল। ঘিটলিং ঘিটলিং থক্ থক্ থক ঘিটলিং। সন্ধ্যা কেতিয়াবাই নামিছে। বাহিৰত আন্ধাৰ। নিশ্চয় দুয়োকাষে এয়া বিস্তীৰ্ণ পথাৰ। মাটিৰ সমস্ত ৰস ৰ'দে শুহি লৈ গৈছে। কাঁইটীয়া জোপোহা কিছুমানত এতিয়া সন্ধ্যাৰ বতাহে ঢৌ তুলিছে। ডবাৰ ভিতৰত ধূসৰ পোহৰ। এটা লাইট নজ্বলে। আনটোৰ ওপৰত অসংখ্য পোকৰ এখন ভ্ৰাম্যমান জাল।

এটা নিৰ্দিষ্ট গতিত চাৰিটা মূৰ লৰিছে। ক্লান্ত, অৱসন্ন, ভ্ৰমণৰ কষ্টই চেপি অনা চাৰিখন মুখ। হয়তো টোপনি আহিছে। নাহিলেও চকুৰ পতা গধুৰ। অধ্যাপক শৰ্মাই জেপৰপৰা ছিগাৰেটৰ পেকেট এটা চকুমুদিয়েই উলিয়ালে। তাৰ পিচত চকু দুটা সামান্য মেলি ওঁঠৰ ফাঁকত ছিগাৰেটটো লৈ আনখন জেপত জুইশলা আছে নেকি খেপিয়াবলৈ ধৰিলে। ছিগাৰেটটো জ্বলাই দীঘলকৈ এহোপা মাৰি লাহে লাহে ধোঁৱাখিনিৰে একোটা আঙঠি সাজিবলৈ ধৰিলে। তেওঁৰ মগজত কিছুমান চিন্তাৰ পোকে কিলবিলাবলৈ ধৰা বুলি তেওঁ গম পালে। চকু দুটা লাহে লাহে মেলি তেওঁ ধোঁৱাৰ মাজেৰে ধূসৰ পোহৰে ঘেৰা ডবাটোলৈ চালে। দুৱাৰ-খিৰিকী বন্ধ। বাহিৰত জোৰে জোৰে বতাহ বলিছে। ৰেলৰ তীব্ৰ গতিয়ে বতাহৰ সতে হু হু শব্দ তুলিছে। বাহিৰৰ সমস্ত শব্দলৈ পিঠি দি তেওঁ একান্তমনে ধোঁৱাৰ আঙঠি বনোৱাত লাগিল। ধোঁৱাৰ আঙঠি দুটামান ক্ৰমশঃ ডাঙৰ হৈ যাবলৈ ধৰিলে; ধোঁৱাখিনি



OKDISCD

প্ৰথমে পাতলহৈ পিচত লাহে লাহে ডাঠ হৈ যাবলৈ ধৰিলে। প্ৰথমে ধোঁৱাৰ নীলাভ অস্পষ্টতাৰ মাজত বহল ক'লা চকু দুটা তিৰ্বিৰাবলৈ ধৰিলে। তাৰপিচত দীঘল চেলাউৰি, বগা কপাল স্পষ্ট হৈ পৰিল। লাহে লাহে সৰু জোঙা নাকৰ পাহি দুটা ফুলি উঠিল আৰু মিহি ওঁঠ দুটা কঁপিবলৈ ধৰিলে। ওঁঠ দুটাৰ ফাঁকেৰে একো শব্দ সৰি নপৰিল। তথাপি তেওঁ বুজিলে ওঁঠৰ কঁপনিৰ ভাষা, আয়ত চকুৰ ইংগিত। চেপা চেপা এক উত্তেজনাই তেওঁক অস্থিৰ কৰিবলৈ ধৰিলে। চহৰৰ ব্যস্ত কোলাহলৰ সতেই, যিবোৰ তেওঁ সদায় অনৰ্থক, অনাহক বুলিয়েই ভাবি আহিছে, তেওঁ এৰি থৈ আহিছে তেওঁৰ মধ্যবিত্ত চিন্তাধাৰাৰ একঘেয়ামি ভাঙি দিব পৰা মধুৰ সকুসুৰা অলেখ ঘটনাৰ স্মৃতি। সন্ধ্যাৰ ছাঁয়াঘন পৰত সংগোপন গুনগুণনিয়ে অতদিনে তেওঁক জীৱনত এতিয়াও মধুৰ কিবা ৰৈ যাব পাৰে বুলি ভবাৰ অৱকাশ দিছিল। প্ৰতিদিনে অনিৰুদ্ধক লগ পালে কিবা এটা কৰিবলৈ তেওঁ দৃঢ়সংকল্প হয়। তেওঁৰ চাৰিওকাষে অন্ন-বস্ত্ৰহীন কংকালবোৰৰ কৰ্কশ চিঞৰ, বিকৃত কান্দোন, ৰক্তহীন দৃষ্টি দেখি শুনি তেওঁ বিস্মিত হৈ উঠে। বাৰে বাৰে তেওঁৰ মধ্যবিত্ত চিন্তাৰ বিলাসে তেওঁক লজ্জিত কৰি তোলে। ধৰ্মপ্ৰাণ পিতৃৰ অনৰ্গল উপদেশ বৰ্ষণত অতীষ্ঠ হৈ পৰে। আত্মা, ব্ৰহ্মৰ তাৎপৰ্য, আৰ্থিক উন্নতি তকৈ যে আধ্যাত্মিক উন্নতি অধিক প্ৰয়োজনীয় সেই সম্পৰ্কে অলেখ শাস্ত্ৰৰ উদ্ধৃতি, পাঁচ হাজাৰ বছৰ আগতে তেওঁৰ পূৰ্বপুৰুষে (তেওঁ এজন আৰ্যসন্তান।) যি লিখি গৈছিল সেয়া যে আজিৰ বৈজ্ঞানিক যুগৰ প্ৰগতিশীল মানুহৰ চিন্তাধাৰাতকৈ বহু ওপৰত সেই বিষয়ে অকাট্য যুক্তি প্ৰদৰ্শন, অসমখন যে প্ৰকৃততে অনাৰ্যজাতিৰ বাসগৃহ আৰু সেইবাবে ইয়াৰ প্ৰায়বোৰ মানুহ অসভ্য, তেওঁৰ পূৰ্বপুৰুষ আৰ্যসকলৰ পদধূলিয়েহে অসমক ধন্য কৰিছিল ইত্যাদি ইত্যাদি। বংশ পৰম্পৰাৰ ফালে চকু নিদিয়াকৈ কোনো মানুহ হ'ব নোৱাৰে। নকৈ অধ্যাপকৰ চাকৰিত সোমোৱা শৰ্মাই এতিয়াও এই কথাটো উপলব্ধি কৰিব পৰা নাই। অন্ততঃ দেউতাকতকৈতো তেওঁৰ অভিজ্ঞতা, জ্ঞান বহুত কম। জ্ঞান মানেতো আৰু কিতাপৰ শব্দ নহয়! এইবোৰ সংস্কাৰত অধ্যাপক শৰ্মাৰ মন আচ্ছন্ন। তেওঁ জীৱনত কিবা এটা বিচাৰে। কি? তেওঁৰোতো কিছুমান নিৰ্দিষ্ট মতাদৰ্শ থকা উচিত। তেওঁৰ চাৰিওফালে ব্যস্ত, বৃহৎ চহৰখনত



তেওঁৰ নিজা উন্নতশীল গাঁওখনত কি ঘটি আছে? তেওঁ উপলব্ধি কৰে, উত্তেজিত হয়, কিতাপবোৰ জপাই অ'ত ত'ত দলিয়াই দিয়ে আৰু হাত দুখন পিঠিৰ পিছফালে নি কিছু সময় ঘূৰা ঘূৰি কৰে আৰু উপলব্ধি কৰে, তেওঁ বন্দী। অনিৰুদ্ধৰ ওচৰ পালে তেওঁ লাজ পায়। সি যেন ইতিমধ্যে এটা সিদ্ধান্তত উপনীত হৈছে। কি কৰা উচিত জনা স্বত্বেও তেওঁ প্ৰত্যয় যাব নোখোজে কিয়? ইমান সংশয়, ইমান অনিশ্চয়তা, কিহৰ বাবে? অলপ পৰিশ্ৰম অলপ একাগ্ৰতা হলেই তেওঁ নিজকে প্ৰতিষ্ঠা কৰিব পাৰে উজ্জ্বল ভৱিষ্যতৰ পথত। তাই কি কৈছিল? যিটো অনিশ্চিত আৰু সুদূৰৰ তাক বাদ দি ওচৰৰ নিশ্চিত লাভকেই খামুচি নধৰা কিয়? অন্ততঃ জীয়াই থাকিবতো লাগিব। নিজকেতো প্ৰথমে বচাই ৰাখিব লাগিব। আৰুতো আন কাৰোবাক ধৰি ৰাখিব খুজিলেও (নিশ্চয় তাইক!) কিবাকিবি লাগে। কি লাগে? অধ্যাপক শৰ্মাই জানিব লাগিব। স্বাৰ্থপৰ! নিজৰ বাহিৰে আনৰ কথা ভাবিবলৈ আহৰি নাই তাইৰ।

অধ্যাপক শৰ্মাৰ হাতৰ ছিগাৰেট পুৰি শেষ হ'ল। ধোঁৱা বিলীয়মান। ৰেলৰ ঘটলং ঘটলং শব্দও গুণগুনা যেন লাগিল। আৰু এটা ছিগাৰেট জ্বলাই তেওঁ নিবিষ্টচিত্তে হুপিবলৈ ধৰিলে। তেওঁ য'ৰপৰা ৰাতিৰ ৰেলত যাত্ৰা কৰিছে তাৰ কথা মনলৈ অনাৰ চেষ্টা চলালে। য'লৈ যাব তাৰ কথা ভাবিবলৈ কি আছে? অনিৰুদ্ধই মাতি আছিল; সময় পালে যাবলৈ ওলাল। তথাপি তেওঁ কিবা ভাবিবলৈ চেষ্টা কৰিলে। তেওঁ দেখা পালে ধোঁৱাৰ মাজতে চিনাকি মিহি ওঁঠ দুটা কঁপিছে। ওঁঠৰ ওপৰেদি হাঁহিৰ সৰু ঢৌ এটা মোহ লগা ধৰণে বাগৰি গ'ল। সৰু সৰু দাঁত দুটামান জিলিকি উঠিল। আৰু লাহে লাহে ওঁঠৰ ফাঁকেৰে সৰি পৰিল মিঠা কণ্ঠস্বৰ — কি বিচাৰোঁ শুধিছা? ইমান ছিৰিয়াছ কথা ভাবিলে আমাৰ লগৰ চববোৰ ছোৱালীৰ মূৰ ঘূৰায়। জীৱনত কি বিচাৰোঁ, কি কৰিব খোজোঁ ভাবি কি লাভ? কিবা এটা কৰিব খুজিলেওতো কৰিব নোৱাৰোঁ। আমি ইমান অসহায়! অসহায়! অধ্যাপক শৰ্মাই খণ্ডতে জোৰকৈ হোপা এটা মাৰিলে। কিয় অসহায়? চব নিৰ্বোধ। তাই কি কৈছিল? ইমান পৰনিৰ্ভৰশীল সিহঁত। পঢ়িবলৈ পঠাইছে দেউতাকে, পঢ়িবলৈ আহিছে। পঢ়ি শুনি উঠি সংসাৰ পাতি



OKDISCD

সুগৃহিণী, সুমাতৃ হোৱাৰ বাহিৰে কৰিবলগীয়া তাইৰ বিশেষ নাই। খুব বেছি কলেজৰ ল'ৰা-ছোৱালীক পঢ়ুৱা অধ্যাপিকা হ'ব পাৰে। তাইৰ মগজুত কিবাকিবি থকা বুলি ভাবি অধ্যাপক শৰ্মাই ইমানদিনে ভুল কৰিছিলনেকি ? জীৱনটোক ছিৰিয়াছলি লবলৈ তাইৰ ভয়। সমাজত কি হৈছে তাই দেখিও নেদেখে। ক'ৰবাত দুটা এটা যক্ষ্মা-ৰোগী, কুষ্ঠৰোগী, ভিক্ষাৰী, বাতৰি কাকতৰ সহজে চকুত নপৰা ঠাইত অনাহাৰত মৃত্যু হোৱা মানুহৰ সংক্ষেপ খবৰ, মূল্যবৃদ্ধি আৰু মানুহবিলাকৰ মুখত চিন্তা ভাৱনাৰ আঁচোৰ দেখি তাই অনুভৱ কৰিব খোজে। কি ? কিবা এটা হোৱা আৱশ্যক। কিন্তু কি তাই ক'ব নোৱাৰে। চিনেমাত দেখাৰ দৰে জীৱনটো হোৱা হলে ! অঁ; অলপ চলপ সমস্যা, গোলমাল; চিন্তা থাকক ; নহলে কিহৰ জীৱন ! কিন্তু এই যে অবিৰাম মানুহৰ কথাবতৰাত নিৰ্বিকাৰ ভংগী, চকুৰ চাৱনিত হতাশ হতাশ ভাব ভৰিৰ খোজত ক্লান্তি আৰু অৱসন্নতা, ঘৰ্মাক্ত দেহমুখ, তীক্ষ্ণ,কৰ্কশ, কণ্ঠস্বৰ —এইবোৰৰ মানে কি ? হঁা অৱশ্যে এইটো ঠিক যে ইগ'ইষ্ট হ'ব নালাগে, চবৰে কথা অলপ চলপ ভাবিব লাগে। তথাপি ! আৰু ছোৱালী-বোৰৰ মন কোমল বুলি অধ্যাপক শৰ্মাইতো জানেই। তদুপৰি সিহঁতৰ দৈহিক-মানসিক গঠনৰ বিশেষত্বৰ কথাও অৱশ্যেই মনলৈ আনিব লাগিব।

অৱশ্যেই তাইক কিছু কনছেশ্যন দিব লাগিব। অধ্যাপক বুলি তেওঁৰ আৰু প্ৰেম পীৰিতি, কামনা বাসনা নাইনে। নিশ্চয় আছে। সেয়েহে তেওঁৰ ভাড়াঘৰৰ বাৰান্দাত বহি সুন্দৰী ছাত্ৰী দুগৰাকী পঢ়াবলৈ লওঁতে তেওঁৰো কিছু খোকোজা লগা স্বাভাৱিক। তেওঁৰ ঘৰৰ সমুখৰে লহ-পহকৈ বাঢ়ি অহা ন-গাভৰু ছোৱালীজনীয়ে চোতাল সাৰি থাকোঁতে পিৰালি মচি, উঢ়ালত ধান খুন্দি থাকোঁতে তেওঁ যে নাচাব তাৰো অৰ্থ নাই। আফ্‌টাৰ অল তেওঁতো মানুহ, ডেকা, ল'ৰাতাতে সাহিত্যৰ অধ্যাপক, সমাজৰ কথা, দহৰ কথা চিন্তা কৰিলেই যে এইবোৰলৈ পিঠি দি বৈৰাগী হ'ব লাগিব তাৰতো কোনো মানে নাই। এই খিনিতে তেওঁ বস্তুবাদৰ সতে তেওঁৰ মত মিলা যেন পায়। অ, সিহঁত ঠিক মানুহ অনিৰুদ্ধহঁত। পিছে—অলপ ভায়লেণ্ট। বিক্ষুব্ধ ? আৰে বাবা, অধ্যাপক শৰ্মা কিমান বছৰ ধৰি বিক্ষুব্ধ, তেওঁৰ উচ্চশিক্ষিতা প্ৰেয়সী যোৱা কেইমাহমান ধৰি কিমান বিক্ষুব্ধ—সেই বুলিয়ে জানো.............................।



অধ্যাপক শৰ্মাই বাংকত দীঘল দি শুই পেপাৰ বেক্ এখন উলিয়াই পঢ়িবলৈ ধৰিলে ; জীৱনত বহুতো কিতাপ পঢ়িলে তেওঁ,। পঢ়ি জীৱনৰ বিষয়ে বহুত কথাই বুজিলে। মস্কিল হ'ল তেওঁৰ নিজৰ জীৱনৰ বিষয়ে আৰু তেওঁৰ চাৰিওফালৰ মানুহবোৰৰ জীৱন সম্পৰ্কে কিতাপত বিশেষ নিৰ্দেশিকা নাই।

কিতাপখন অধ্যাপকৰ বুকুত উবুৰি খাই পৰিল। তেওঁ টোপনি যাব খুজিছে ? নহয় তেওঁ একান্তমনে ওপৰৰ লাইটটোৰ চাৰিওপিনে আগুৰি ধৰা ভ্ৰাম্যমান পোকৰ জালখনত দৃষ্টিনিবদ্ধ কৰিছে। কি দেখিছে তেওঁ ? এহাল চকু এখন মুখ আকৌ ? নহয়, এয়া তেওঁৰ একালৰ সহপাঠী বৰ্তমানে এখন ভিতৰুৱা গাঁৱৰ স্কুল মাষ্টৰ অনিৰুদ্ধৰহে মুখ। কি কৈছে সি ? তই নিজৰ কথাই ভাবিবি অধ্যাপক ? তোৰ উন্নত গাঁৱৰ মানুহবোৰ কিয় অনুন্নত ? ছাৰ্ভে কৰিবলৈ গৈ কি দেখিলি—কাঁহী নাই ; কলপাত, কচুপাতত ভাত খায় ! —ভাত ? সিহঁতে বহিবলৈ পীৰা এডুখৰিও দিব নোৱাৰিলে ! তামোল এখন যাচিব নোৱাৰিলে !

আস্ অধ্যাপক, তোকো সিহঁতে চব কথা নকলে, বিশ্বাস নকৰিলে। অধ্যাপক, তোৰ অন্তৰখন কোমল, দুখ লগা স্বাভাৱিক। আমাৰ লগলৈ আহ, আমাৰ পৰ্যায়লৈ নামি আহ। নামি আহ।.................. অধ্যাপকে চকুহাল জপাই দিলে। তেওঁ ক্ৰুদ্ধ হ'ল—যেন অধ্যাপক হৈ থাকিলে মানুহৰ দুখ বুজিবই নোৱাৰি ! এয়া কি বস্তুবাদৰ নমুনা—আৰে, দুখেই যদি নাথাকে সুখ থাকিব ক'ত ? তাই ঠিকেই কৈছিল, চিন্তা তৰল হ'ব পাৰে কিন্তু কৈছিল ঠিকেই। ছোৱালীহলেই যে উপলব্ধি একেবাৰে সঠিক নহব এনে কথাতো হবই নোৱাৰে। তাতে উচ্চশিক্ষিত, সং-স্কৃতিবান ঘৰৰ সন্তান ! অধ্যাপক শৰ্মাই অনিচ্ছাসত্বেও চকুহাল মেলি পুনৰ পোকৰ জালখনত দৃষ্টি নিবদ্ধ কৰিলে। তেওঁ চমকি উঠিল। জালখনৰ মাজৰপৰা ক্লান্ত, ৰুগ্ন, এখন মুখৰ অৱয়ব স্পষ্ট হৈ উঠি আহিল। চিনাকি যেন লাগিছে অ' মাহীদেউ, অনিৰুদ্ধৰ মাক। তেওঁ চকুপানী টুকিছে। আস্, এই বুঢ়ী মানুহবোৰ—জীৱনত কি দুখেই আছে ! আৰু এখন মুখে জুমি চোৱা দেখা গ'ল—অনিৰুদ্ধৰ গাভৰু ভনীয়েক জোনা। জোনাৰ আয়ত চকুত কেৱল দিষাদৰেই ছাঁ থাকে নেকি ? অধ্যাপক শৰ্মা অলপ সংকুচিত হৈ পৰিল। তেওঁ মুৰটো জোকাৰি দিলে। অসহায়



OKDISCD

ভাৱে আকৌ জালখনলৈ চাই থৰ হৈ গ'ল। মজিয়াত চিয়াহীৰ দোৱাতৰ চাকি এটা ঢিমিকি ঢিমিকি জ্বলিছে। পীৰা তুখনত ওচৰা ওচৰিকৈ অনিৰুদ্ধৰ দুই ভায়েক দীপু আৰু নিপু আঠুত মূৰ থৈ বহি আছে। সমুখত কলপাত দুখিলাত কিবা সিজোৱা বস্তু বোধকৰোঁ—কচুৰ ঠাৰি জাতীয় কিবা আৰু ডুচামোচমান ভাত, ভাতৰ ওচৰত অলপ নিমখ, তেল নাই। কিছুদূৰলৈ সিহঁতৰ মাক। আস্ আকৌ চাদৰৰ আচলেৰে চকু মচিছে। অধ্যাপক শৰ্মাই ছেন্টিমেণ্টেল মানুহক দেখিবই নোৱাৰে। গতিকে তেওঁ চকুহাল জপাই কেইমিনিটমান ৰৈ থাকিল। কিন্তু তেওঁৰ বিবেক সজাগ– যথেষ্ট সজাগ। হঠাতে যে ৰেলৰ গুমগুমনি তলপেলাই অনিৰুদ্ধৰ মাত ভাহি আহিল—সমস্যাবোৰ অস্বীকাৰ কৰি তইঁতে জীৱনৰপৰা পলোৱাৰ চেষ্টা কৰ। কিন্তু কেতিয়াও নোৱাৰ। তোৰ ঘৰৰ কাষৰ খেতিয়ককেইঘৰৰ ল'ৰা-ছোৱালী কিয় অকালত ঢুকাল, কিয় সিহতৰ ঘৰ সদায় আন্ধাৰত ডুবি থাকে; কিয় চব্বিশ ঘণ্টাই কেৱল কান্দোন আৰু হা হুমুনিয়াহেই শুনা পাৱ নভবাকৈ থাকিব নোৱাৰিবি। অমৰ সাহিত্যৰ ৰসত তই আপ্লুত, উচ্চসংস্কৃতি আমদানি কৰাত তই ব্যগ্ৰ,আস্ তই সচাঁকৈ অধ্যাপক হ'বৰ লায়ক। জীৱনটো কিতাপেৰেই বুজিবি, উপলব্ধি কৰিবি, জীৱনৰ অনাবিল সৌন্দৰ্য পান কৰিবি আৰু লাগে কি ?

অধ্যাপক শৰ্মা উত্তেজিত হৈ উঠিল। তেওঁ ভোৰ ভোৰাব ধৰিলে, তই ভাব নেকি অনিৰুদ্ধ যে মোৰ বিবেক নাই, মানৱ জীৱনৰ নিঃসংগতা .........! তেওঁ ৰৈ গ'ল ; চাৰিওপিনে চালে। সহযাত্ৰী দুজন ইতিমধ্যে নামি পৰিছে। দুজন শুই পৰিছে। তেওঁ ভালেই পালে। তেৰেঁ৷ ঘূৰ্ণীয়মান পোকৰ জালখনলৈ চাই চাই টোপনি যাবৰ চেষ্টা কৰিলে। বৃথা চেষ্টা। বিৰক্ত হৈ তেওঁ চিগাৰেট এটা জ্বলালে আৰু নিবিষ্টচিত্তে ধোঁৱাৰ আঙঠি বনোৱাত লাগি গ'ল। ধোঁৱাৰ আঙঠি তীব্ৰ গতিত গৈ লাহে লাহে বহল হ'ল আৰু পোকবোৰে গোঁথা জালখনৰ মাজলৈ সোমাই গ'ল। অধ্যাপক শৰ্মাই ব্যগ্ৰ হৈ চাই ৰ'ল আৰু তেওঁ আশা কৰামতেই ধোঁৱাৰ অস্পষ্টতাৰ মাজেৰে দৃষ্টি গোচৰ হ'ল স্থিৰ চকুৰ তাৰকা, বগা কপাল আৰু মুখ। অস, এয়া জোনাহে। কি লাগে তাইক ? তাইক ইমান ৰুক্ষ, শুকান, নিস্তেজ যেন লাগিছে। কি হৈছে তাইৰ ? তাই



হাঁহিছে—ইমানদিনে খবৰ ল'বৰ সময়ে পোৱা নাছিল, নহয় দাদা। অ', এৰা সময়, সময় ঠিক নহয়। তাই আকৌ হাঁহিলে—চকুৰ মণিত যেন বিষাদৰ ছায়াঁ খেলি গ'ল—আগতেতো খুব সময় পাইছিল আহিবলৈ। মনত আছে মোক যে ফুৰাবলৈ লৈ গৈছিল ? মনত আছে কি যে সুন্দৰ কথাবোৰ কৈছিল মোক মনত আছে ? মনত আছে ?? জানা জোনা, কিছুমান কথা মনত নথকাই ভাল।—তাই কৈ উঠিল—যেনে ধৰক আপুনিযে কৈছিল তোমাক মই জীৱনৰ কাৰণে—ইত্যাদি ইত্যাদি......... কৈ তাই হাঁহিলে।

অধ্যাপক শৰ্মাই গম্ভীৰ, বিষাদময় আৰু গভীৰ উপলব্ধিৰ সুৰত ক'লে, জীৱনটো যে কিমান জটিল, তুমি নুবুজিবা।

হয়নেকি, জোনাই কৈছে, সেই কাৰণে চাগৈ মোৰ দায়িত্ব ল'বলৈ ভয় কৰে।

ভয় ? কিন্তু দায়িত্ব লম বুলি জানো মই কৈছিলোঁ।-মইতো ভাবিবই নোৱাৰোঁ। অধ্যাপক শৰ্মা চিন্তিত হৈ পৰিল। নিঃশব্দে হাঁহি হাঁহি জোনা অদৃশ্য হৈ গ'ল। ৰেলখন ৰৈ যোৱা বুলি তেওঁ গম পালে। খিৰিকী খুলি বাহিৰৰ পিনে এক মুহূৰ্ত চাই হাতৰ ঘড়ীটোলৈ চালে আৰু বেগটো লৈ লৰালৰিকৈ নামি পৰিল। সৰু ষ্টেচনটো প্ৰায় নিজম হৈ আছে। ষ্টেচনৰ চৰিওপিনে ঘন আন্ধাৰ। এতিয়া এই ৰাতি তেওঁ ছমাইল আন্ধাৰৰ মাজেৰে খোজকাঢ়ি যাব লাগিব। যদিও তেওঁৰ জন্ম গাঁৱতে, তথাপি বহুদিন চহৰত থাকি তেওঁ এতিয়া গাঁৱৰ এন্ধাৰত অসহায় অচিনাকি বোধ কৰে।

গাঁৱৰ নিঃসাৰ ঘৰবোৰ পাৰহৈ যাওঁতে তেওঁ ভাবি গ'ল অনিৰুদ্ধই তেওঁক কি কি প্ৰশ্ন কৰিব পাৰে। তেওঁৰ অহাৰ উদ্দেশ্য ? স্পষ্ট—বন্ধ আছে ক্লাছ, সময় পাইছে, আহিছে। তাৰপিচত, তেওঁ বোলে প্ৰেমত পৰিছে। নিশ্চয়-একোতো অপৰাধ কৰা নাই। তেওঁৰ বোলে সম্প্ৰতি ভয়ৰ মাত্ৰা বাঢ়ি গৈছে, তেওঁ ছাত্ৰ-ছাত্ৰীৰ লগতো ৰৰকৈ কথা-বতৰা নহয়। মিছা কথা। মুখ খুলিবৰ সময় হলে তেওঁ খুলিব। নহলে মিছামিছি......... । তেওঁ কিবা কৰিব বোলে ? কি ? কাৰ কাৰণে ? —কি, তেওঁ নাজানে, কাৰ কাৰণে জানে, মানুহৰ কাৰণে। কিন্তু জনসাধাৰণে ঢুকি পোৱাৰ বাহিৰত থাকি জানো.........অধ্যাপক শৰ্মাই

জানে এই প্ৰশ্ন আহিব । গতিকে তেওঁ বেলেগ কথা ভাবিবলৈ চেষ্টা কৰিলে । জোনাই বাৰু এতিয়া কি কৰিছে ! বিয়া হৈ যোৱা নাই, তেওঁ জানে । তাই যদি প্ৰশ্ন কৰে তেওঁ কি ক'ব ! অধ্যাপক শৰ্মাই ভাবিলে সময়ত চববোৰ প্ৰশ্নৰে মুখামুখি হোৱা যাব, এতিয়া ভাবি চিন্তি লাভ নাই । কিন্তু অভাৱ অনাটনত জুৰুলা হৈও অনিৰুদ্ধই সঁচাকৈ কিবা এটা কৰিব খুজিছে । সি জানো তাৰ মতাদৰ্শত অচল অটল হৈ থাকিব পাৰিব ! বহুত দ্বিধা আৰু সংশয়ে অধ্যাপকৰ মন খেলি মেলি লগাই দিছে । গতিকেই তেওঁ পুনৰ ছিগাৰেটৰ পেকেট বাহিৰ কৰি ছিগাৰেট এটা জ্বলালে । প্ৰতিবাৰেই ধোঁৱাখিনি নাকে মুখে এৰি দিয়াৰ পিচত তেওঁ আকুলভাৱে বিলীয়মান ধোঁৱাখিনি চাই থাকে । ধোঁৱাৰ মাজৰ পৰা মাজে মাজে বিশাল আয়ত চকুৰ চঞ্চল তাৰকাই তেওঁৰ হৃদয় ভেদ কৰি যায় । যদিও অধ্যাপকে আবেগ প্ৰৱণ মানুহক দেখিব নোৱাৰে, তথাপি তেওঁৰ বুকুখন মাজে মাজে মোচৰ খাই উঠা যেন লাগে । কিবা এটা বিষাদে তেওঁক অসহায় কৰি তোলে ।

অৱশেষত যথেষ্ট অসহায় চিন্তা পাগুলি পাগুলি অধ্যাপক শৰ্মা ভাগৰি জুগৰি এটা খেৰী ঘৰৰ নঙলামুখত ৰলহি । ঘৰখনত নীৰৱতা বিৰাজমান। বাহিঁৰ খিৰিকীৰে কোনোবা এটা কোঠাৰপৰা অনুজ্জ্বল পোহৰ চোতালত পৰিছেহি । ধীৰে ধীৰে তেওঁ নঙলাখুলি সোমাই গ'ল । কাৰো সাৰ-সুৰ নাই । তেওঁ লাহে লাহে পোহৰ অহা ঘৰটোৰ পিৰালিত ৰ'লগৈ। ভিতৰৰপৰা কাৰোবাৰ উচুপনি ভাহি আহিছে । লগে লগে অস্পষ্ট কিছু-মান শব্দ—হয়তো দুখ অথবা ক্ষোভত কিবা কিবি কৈছে। মাজে মাজে উচুপনি ডাঙৰ হৈছে । অধ্যাপক শৰ্মা থৰ লাগি কিছুসময় ৰৈ থাকিল। তাৰপিছত যথেষ্ট সাহসেৰে সৈতে মাত দিলে—অনিৰুদ্ধ । ভিতৰৰপৰা একো উত্তৰ শুনা নগ'ল । তেওঁ আগতকৈ কিছু জোৰে মাতিলে—অনিৰুদ্ধ আছ নেকি " কাৰো সঁহাৰি পোৱা নগ'ল । কেৱল নিৰবচ্ছিন্ন ভাৱে উচুপনিৰ শব্দ আহি থাকিল । শেষত অধ্যাপক শৰ্মা ভয় আৰু শংকাৰে আগুৱাই গ'ল আধামেলা দুৱাৰৰ ওচৰতে বেগটো থৈ ভিতৰলৈ চালে আৰু স্তম্ভিত হৈ ৰৈ গ'ল । মজিয়াত ওচৰা-ওচৰিকৈ দুখন পীৰাত বহি অনিৰুদ্ধৰ দুই ভায়েক দীপু নিপুৱে আঠুত মূৰ থৈ

( শেষ অংশ ৩২ পৃষ্ঠাত )



# প্ৰচলিত বিশ্বাস সম্পৰ্কে দু আষাৰ

উদয়াদিত্য ভৰালী

সত্যৰ অণ্বেষণত অন্বেষণকাৰীৰ মনত যি ৰহস্য উদ্ঘাটন কৰিবলৈ যোৱা হৈছে, সেই সম্পৰ্কে এটা আগতীয়া ধাৰণা তথা মতাদৰ্শগত বিশ্বাস থকাটো উচিতনে অনুচিত এই বিষয়ত বিভিন্নজনৰ মত বিভিন্ন। অধিক প্ৰচলিত মত হ'ল যে, সত্য অন্বেষণৰ ক্ষেত্ৰত অন্বেষণকাৰীৰ মনত কোনো আগতীয়া ধাৰণা থকা অনুচিত। কিন্তু বাস্তৱ দৃষ্টিভংগীৰপৰা লক্ষ্য কৰিলে এই মত কিমানদূৰ সত্য বুজা টান। কাৰণ এই কথা সঁচা যে এজন গৱেষকে কিবা এটা বিষয়ত গৱেষণা কৰিব খুজিলে তেওঁৰ সেই বিষয়-বস্তুটোৰ ওপৰত সম্পূৰ্ণ আগতীয়া বিশ্বাস ( conviction ) থাকিব লাগিব। কলম্বাছে তেওঁৰ পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ আবিষ্কাৰৰ অভিযানটো চলোৱাৰ আগেয়েই তেওঁৰ মনত পশ্চিমৰ জলপথেদি ভাৰতলৈ আহিব পাৰি বুলি এক বদ্ধমূল ধাৰণা আছিল ; নহ'লে তেওঁৰ পক্ষে উদ্দেশ্যহীন-ভাৱে সেই অভিযান চলোৱা সম্ভৱ ন'হলহেঁতেন। অৱশ্যে এই কথা ঠিক যে; অন্বেষণকাৰীৰ অন্বেষণৰ ফলাফলে তেওঁৰ আগতীয়া বিশ্বাসক ভুল বুলি প্ৰমাণিত কৰিব পাৰে। আনহাতে তেওঁৰ বিশ্বাস যদি সঠিক হয় তেন্তে ইয়াৰ সত্যতা আৰু দৃঢ়ভাৱে প্ৰতিপন্ন হ'ব। এটা বিশ্বাস ভুল নে শুদ্ধ তাক মাথো বাস্তৱ অভিজ্ঞতাৰেহে জুখিব পাৰি। লক্ষ্য সম্পৰ্কীয় এই ধাৰণাকে 'আগতীয়া বিশ্বাস' ( conviction ) বুলি কোৱা হয়।

সকলো ধৰণৰ গৱেষণা এই নীতিৰ দ্বাৰা নিয়ন্ত্ৰিত। বৈদ্যুতিক শক্তি

OKDISCD

যে দুই বিধৰ এই বিষয়ে এটা আগতীয়াধাৰণা নোহোৱাকৈ বৈজ্ঞামিন ফ্ৰেংকলিনৰ পক্ষে ইয়াক আৱিষ্কাৰ কৰাতো সম্ভৱ নইলহেতেন ? যদিও ইয়াৰ আগতে এই সম্পৰ্কে মানুহৰ কোনো জ্ঞান নাছিল। কিন্তু যেতিয়া ফ্ৰেংকলিনে এই সত্যক উদ্ঘাটন কৰিলে ই এক প্ৰচলিত বিশ্বাস (Paradigm) লৈ ৰূপান্তৰিত হ'ল। মানুহে সত্য বুলি ভাবি যি বিশ্বাস সম'হ মানি চলে তাকে প্ৰচলিত বিশ্বাস বুলি কোৱা হয়। তেতিয়াৰ-পৰা বৈদ্যুতিক শক্তি সম্পৰ্কে কৰা সকলো গবেষণাই এই তথ্যক মানি

---

( ৩০ পৃষ্ঠাৰ পিচৰ পৰা )

নিশ্চল হৈ বহি আছে। সমুখত চিয়াঁহীৰ দোৱাতৰ চাকি এটা জ্বলি আছে। তাৰ কাষত বাঁহৰ চাংখনত অনিৰুদ্ধৰ মাক বহি বহি কান্দি আছে। তেওঁৰ কাষত কোনোবা এজন শুই আছে সম্ভৱতঃ জোনা। তাইৰ কি হৈছে ? অনিৰুদ্ধ ক'ত ? অধ্যাপকে লাহে লাহে ভিতৰলৈ সোমাই গ'ল।

গোটেই ৰাতি জোনাই চটফটাই পৰি থাকিল। তাইৰ চকুত ঘনায়মান মৃত্যুৰ ছাঁ। তাই তেওঁক চিনি পাইছেনে ? অনিৰুদ্ধৰ মাকৰ অবিৰত কান্দোন আৰু ভায়েকহঁতৰ চকুৰ নিশ্চল চাৱনিয়ে অধ্যাপক শৰ্মাক বিব্ৰত, চিন্তাগ্ৰস্ত কৰি তুলিলে। জোনা যদি মৰে, সঁচাকৈয়ে তেওঁ দোষী অনুভৱ কৰিব নেকি ? নাই নাই হ'ব নোৱাৰে। দেশত কিমান মানুহ এনেকৈ মৰিছে সেই সকলোবোৰৰ মৃত্যুৰ বাবে তেন্তে তেওঁৱেই দোষী হ'ব লাগিব ! আৰু সেইটো হ বই নোৱাৰে। তাই মৰাৰ আগতে অনিৰুদ্ধ আহি পাব জানো ! সি আহিলে তাৰ মুখামুখি হ'বৰ সাহস তেওঁৰ থাকিব জানো। অধ্যাপক শৰ্মাৰ ভয় লাগিল। এক গভীৰ হতাশাই তেওঁৰ মন আচ্ছন্ন কৰি আনিলে। অনিৰুদ্ধৰ ভায়েকহঁত অশান্তিৰেই শুইছে। দুখ আৰু ক্লান্তিত ভাঙি পৰা মাকৰো হয়তো টোপনি আহিব খুজিছে। জোনাৰ জ্বৰ কমা নাই। চটফটনি বাঢ়িহে গৈছে। তাই বৰ কষ্ট পাইছে। জীৱনজুৰি তাই হয়তো কষ্টই পাইছে। অধ্যাপক শৰ্মাই ছেন্টিমেন্টেল কাণ্ডকাৰখানা ভাল নাপায়। গতিকেই তেওঁ বাহিৰলৈ ওলাই আহিল। নঙলামুখত ৰৈ ছিগাৰেট হুপি ভাবিলে জোনা নমৰিবওতো পাৰে। অনিৰুদ্ধক লগ পাবই লাগিব ; ক'ব লাগিব তেওঁ এতিয়া এটা সিদ্ধান্তলৈ আহিব খোজে। অনিৰুদ্ধৰ প্ৰতীক্ষাত তেওঁ ৰৈ থাকিল।

\+ + +



চলিবলৈ বাধ্য হ'ল। ইয়াতে এটা প্ৰশ্ন উঠিব পাৰে যে, এনে ধৰণৰ প্ৰচলিত বিশ্বাসে বিদ্যুৎ বিজ্ঞানক এক ঠেক গণ্ডীৰ ভিতৰলৈ ঠেলি দি ইয়াৰ বিকাশত বাধা জন্মাইছে। কিন্তু বাস্তৱ ক্ষেত্ৰত ফ্ৰেংকলিনৰ সূত্ৰেই ভৱিষ্যতৰ বিদ্যুৎ বিজ্ঞানৰ সত্য অন্বেষণকাৰীসকলৰ সুবিধাৰ্থে এটা পথৰহে সূচনা কৰিলে আৰু লগে লগে বিভিন্ন ক্ষেত্ৰত এই নিয়ম কিমানদূৰ প্ৰযোজ্য তাক চিন্তা কৰিবলৈ সুবিধা দিলে। তেওঁলোকৰ প্ৰচেষ্টাসমূহে এই নীতিৰ সত্যতাক আৰু দৃঢ়-ভাবে প্ৰমাণিত কৰি প্ৰচলিত বিশ্বাসৰ ভিতৰতে আন এটা বিশ্বাসৰ জন্ম দিছে। বিভিন্ন ক্ষেত্ৰত আকৌ এই নীতি প্ৰযোজ্য নহয় বুলি প্ৰমাণ কৰি বৈজ্ঞানিক গবেষণাৰ দ্বাৰা এটা নতুন সত্যৰ সন্ধান দিছে। এতেকে দেখা যায় যে, প্ৰচলিত বিশ্বাসসমূহ সত্য অনুসন্ধানৰ আৰম্ভ বিন্দু (Starting Point) আৰু আগতীয়া বিশ্বাস (Conviction) ইয়াৰ লক্ষ্যস্থল (goal)। আগতীয়া বিশ্বাস সদায় সম্ভাব্য লক্ষ্যৰ ওপৰতেই প্ৰতিষ্ঠিত।

সামাজিক প্ৰচলিত বিশ্বাসসমূহো সেই একেই নীতিৰ দ্বাৰাই নিয়ন্ত্ৰিত। প্ৰাক্-ঐতিহাসিক যুগৰপৰা বৰ্তমান দিনলৈকে সামাজিক বিশ্বাসসমূহ পাৰিপাৰ্শ্বিক অৱস্থাৰ ৰূপান্তৰৰ সৈতে ৰূপান্তৰিত হৈছে। সামাজিক মূল্যবোধ (Social sense of value) ব্যক্তিমূল্যবোধ (Individual sense of value) ৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে ব্যক্তিমূল্যবোধ সামাজিক পাৰিপাৰ্শ্বিক অৱস্থাৰ দাস। সেয়েহে সামাজিক মূল্যবোধক সদায় পাৰিপাৰ্শ্বিক অৱস্থাই গঢ় দিয়ে। সামন্তবাদ, পুঁজিবাদ, সমাজবাদ আদি ভিন ভিন ধৰণৰ সমাজ-সমূহ এই ব্যৱস্থাবোৰৰ ভিতৰত বসবাস কৰা ৰাইজৰ মূল্যবোধৰ ফল। প্ৰত্যেকটো ব্যৱস্থাত এক বিশেষ পাৰিপাৰ্শ্বিক অৱস্থা থাকে, আৰু এই অৱস্থা-সমূহে বিশেষ ব্যক্তি মূল্যবোধৰ সৃষ্টি কৰে, আৰু ইয়াক ভিত্তি কৰিয়েই প্ৰচলিত বিশ্বাসসমূহৰ জন্ম হয়। পাৰিপাৰ্শ্বিক অৱস্থা সলনি হোৱাৰ লগে লগে এই প্ৰচলিত বিশ্বাসসমূহৰ সত্যতা সম্পৰ্কে এটা নতুন বৈজ্ঞানিক অনুসন্ধান চলে, যাৰ ফলত তাতকৈ উন্নতৰ এক ব্যৱস্থা আৱিষ্কৃত হয়। এই বিষয়ত গবেষণা চলাওঁতে গবেষকসকলে এক উন্নত ব্যৱস্থা সম্পৰ্কীয় আগতীয়া ধাৰণা ল'ব লগাত পৰে। এনে ধৰণৰ উন্নত ব্যৱস্থা সম্পৰ্কীয় আগতীয়া বিশ্বাসেৰে যি চিন্তা চৰ্চা কৰা হয় তাকেই প্ৰগতিবাদ বোলা হয়।

সামাজিক প্ৰচলিত বিশ্বাস আৰু বিজ্ঞানৰ প্ৰচলিত বিশ্বাসসমূহৰ মাজত পাৰ্থক্য হ'ল— বিজ্ঞানৰ বিশ্বাসসমূহ অতি নিকপকপীয়া। কিন্তু সামাজিক বিশ্বাসসমূহ কিছু পৰিমাণে লেহুকা। ইয়াৰ কাৰণ বিজ্ঞানৰ বিশ্বাসসমূহ সকলোৰে বাবে একে ; কিন্তু সামাজিক বিশ্বাসসমূহৰ অৰ্থ লোক ভিনে বিভিন্ন।

বৈজ্ঞানিক গবেষণাৰ দৰে সামাজিক গবেষণাৰ ক্ষেত্ৰতো গবেষকজনৰ মতাদৰ্শগত আৰু লক্ষ্য সম্পৰ্কীয় এক আগতীয়া দৃঢ়বিশ্বাস থাকিব লাগিব। কাৰণ এই আগতীয়া বিশ্বাস নাথাকিলে গবেষকজন পথ-ভ্ৰষ্ট হ'ব। যিহেতু তেওঁ মানি চলিবলৈ কোনো এটা পথ নাই আৰু উপনীত হ'বলৈ কোনো



OKDISCD

এটা নিৰ্দিষ্ট লক্ষ্য নাই, এতেকে ই তেওঁৰ মনত এক ভীষণ বৌদ্ধিক অৰাজকতাৰ সৃষ্টি কৰিব পাৰে। এজন গবেষকে যদি প্ৰমাণ কৰিব খোজে যে পুঁজিবাদী উৎপাদন ব্যৱস্থা সামন্তবাদী উৎপাদন ব্যৱস্থাতকৈ উন্নত বা সমাজবাদী উৎপাদন ব্যৱস্থা পুঁজিবাদী উৎপাদন ব্যৱস্থাতকৈ উন্নত, তেন্তে তেওঁৰ মনত সাম্ভাব্য উন্নত ব্যবস্থাটো সম্পৰ্কে এটা আগতীয়া মতাদৰ্শগত বিশ্বাস থাকিব লাগিব।

এই সম্পৰ্কে সমালোচকসকলে ক'ব খোজে যে, যদিহে গবেষকজনৰ মনত এক আগতীয়া বিশ্বাস থাকে তেন্তে গবেষণা কৰি তেওঁ যি নতুন তথ্য উদঘাটন কৰিব তাক তেওঁৰ আগতীয়া ধাৰণাৰ সপক্ষে বিশ্লেষণ কৰিব। কিন্তু যদি গবেষণা বিজ্ঞানসম্মত হয় তেন্তে তথ্যসমূহক কোনো আগতীয়া ধাৰণাৰ পক্ষপাতিত্ব কৰোৱাটো অসম্ভৱ। কাৰণ বিজ্ঞানে পক্ষপাতিত্ব কৰিব নাজানে। তথ্যৰ সত্যতা সদায় এক। ধৰা হওক, কোনোবা এজনে 'অসমত বৃটিছ ৰাজত্ব কালত থলুৱা লোক সকলৰ মাজত বিভেদৰ সৃষ্টি কৰা নীতিক কেনেকৈ প্ৰৱৰ্তন কৰিছিল এই সত্যক উদঘাটন কৰিবলৈ গবেষণা আৰম্ভ কৰিছে। এতিয়া যদি গবেষকজনৰ মনত, ইংৰাজে সিঁহতৰ সাম্ৰাজ্যৰ আন অঞ্চলত কৰাৰ দৰে অসমতো থলুৱা লোকসকলৰ মাজত বিভেদৰ সৃষ্টি কৰি সাম্ৰাজ্যবাদী শোষণ নীতিৰ প্ৰৱৰ্তন কৰিছিল - এই বিষয়ে এক আগতীয়া ধাৰণা বা বিশ্বাস নাথাকে তেন্তে তেওঁৰ পক্ষে এই বিষয়ে চিন্তা কৰাটো জানো সম্ভৱ হ'ব ? এই গবেষণাত, বৃটিছৰ ব্ৰহ্মদেশ অধিকাৰ, এই তথ্যক গবেষকজনে নিজ ইচ্ছা অনুযায়ী অসমত প্ৰচলিত কৰা বিভেদৰ নীতিৰ এটা অংগ বুলি দেখুৱাও বুলিলেও দেখুৱাব পাৰিবনে ? অথবা ইংৰাজহঁতে শাসনৰ আৰম্ভণিতে বাহিৰৰ পৰা মানুহ আনি খাজানা বৃদ্ধি আৰু চাহ বাগিচাৰ উন্নতি সাধনৰ অজুহাত দেখুৱাই অসমত প্ৰতিষ্ঠিত কৰোৱা, বা দেশীয় ৰাজ্যৰ পুৰণা আমোলাতন্ত্ৰক শাসনৰ অনুপযুক্ত বুলি কৈ তাক ধ্বংস কৰি এচাম নতুন বহতীয়া আমোলাৰ জন্ম দিওৱা, বা অসমত এক অনা অসমীয়া ভাষাক চৰকাৰী ভাষালৈ ৰূপান্তৰিত কৰা ইত্যাদি তথ্যসমূহক বিভেদৰ নীতিৰ বাবে কৰা হোৱা নাছিল বুলি গবেষকজনে দেখুৱাৰ পাৰিবনে ? গবেষণা আৰু তথ্যৰ বিশ্লেষণ বিজ্ঞানসম্মত হ'লে আগতীয়া বিশ্বাস সত্য আবিষ্কাৰৰ পথত কেতিয়াও অন্তৰায় হ'ব নোৱাৰে।

এই আগতীয়া ধাৰণা বৈজ্ঞানিক গবেষণাৰে সত্য বুলি প্ৰমাণিত হলেই ই হৈ পৰে প্ৰচলিত বিশ্বাস। নতুন বাতাবৰণৰ জন্ম দি ৰাইজৰ মনত এক নতুন মূল্যবোধৰ সৃষ্টি কৰে। কিন্তু প্ৰচলিত বিশ্বাসলৈ ৰূপান্তৰিত হোৱাৰ লগে লগে এই তথ্যৰ ওপৰত থকা মৌলিক ধাৰণা (Objective understanding) বিষয়ীগত ধাৰণালৈ (Subjective understanding) ৰূপান্তৰিত হয়। কাৰণ প্ৰচলিত বিশ্বাসসমূহ এবাৰ প্ৰতিষ্ঠিত হলেই ৰাইজে সাধাৰণতে যুক্তিৰ ওপৰত ভিত্তি নকৰাকৈয়েই ই শুদ্ধ বুলি মানি চলিবলৈ আৰম্ভ কৰে। এইটোৱেই মানুহৰ চিৰাচৰিত ৰক্ষণশীলতাৰ কাৰণ। ৰাইজে এটা নতুন



চিন্তাক হঠাৎ আদৰি ল'ব নোখোজে। কাৰণ এটা নতুন চিন্তাক বা বিশ্বাসক আদৰৰ অৰ্থ হ'ল, সেই বিষয়ৰ পুৰণি প্ৰচলিত বিশ্বাস যাৰ, ব্যূহ বন্ধনীৰ সংৰক্ষণত ৰাইজ বসবাস কৰিছে তাৰপৰা ওলাই আহি এক অচিনাকি নতুনক সাৱটি লোৱা। ৰাইজে তৎপৰে ইয়াক কৰাত অনিচ্ছুক। কিন্তু সময়ৰ লগে লগে এই নতুন চিন্তাই ইয়াৰ সত্যতাক প্ৰমাণিত কৰি লাহে লাহে ৰাইজৰ মনত সোমায়। ই তেতিয়াই প্ৰচলিত বিশ্বাসৰ ৰূপ লৈ ৰাইজৰ গ্ৰহণযোগ্য হয়। এতেকে দেখা যায় যে, আগতীয়া ধাৰণা বা মতাদৰ্শগত বিশ্বাসসমূহ সদায় মৌলিক যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে, প্ৰচলিত বিশ্বাসৰ মূল ভেটি মানুহৰ এইবিলাকৰ প্ৰতি থকা বিষয়ীগত ধাৰণা। পৃথিবীৰ চিৰাচৰিত প্ৰগতিৰ গতি এই নীতিয়ে নিয়ন্ত্ৰণ কৰিছে। প্ৰগতিবাদী কিছু লোকে এক মতাদৰ্শগত আগতীয়া বিশ্বাসেৰে নতুন উন্নত ৰূপৰ চিন্তা কৰি বৈজ্ঞানিক গবেষণাৰে ইয়াৰ সত্যতাক প্ৰমাণিত কৰে, আৰু ৰাইজে প্ৰথমে অনিচ্ছা প্ৰকাশ কৰি শেষত এই সত্যক গ্ৰহণ কৰে।

এতিয়া এটা প্ৰশ্ন উঠিব পাৰে যে, যদি সকলো প্ৰচলিত বিশ্বাস এক বিজ্ঞানভিত্তিক গবেষণাৰ ফল, তেন্তে ইয়াৰ উন্নত ৰূপ জানো সম্ভৱ ? কিন্তু এই যুক্তিও অযুক্তিকৰ। কাৰণ এক পাৰিপাৰ্শ্বিক অৱস্থাৰ বাবে যিটো নীতি এক বিজ্ঞানসম্মত সত্য, সি আন পাৰিপাৰ্শ্বিক অৱস্থাত নহ'বও পাৰে। নিউটনৰ সময়ৰ পদাৰ্থ বিজ্ঞানৰ নীতি আৰু আইনষ্টাইনৰ সময়ৰ পদাৰ্থ বিজ্ঞানৰ নীতিসমূহ হুবহু একে নহয়, যদিও দুয়োটাই বৈজ্ঞানিক গবেষণাৰে ফল। মধ্য যুগৰ বাবে সামন্তবাদী উৎপাদন ব্যৱস্থাই সকলোতকৈ বিজ্ঞানসম্মত আছিল। কিন্তু শিল্পবিপ্লবৰ লগে লগে এনে কিছুমান বাণিজ্যিক আৰু অৰ্থনৈতিক অৱস্থাৰ সৃষ্টি হ'ল যে তাৰ বাবে পুঁজিবাদী উৎপাদন ব্যৱস্থাহে বিজ্ঞানসম্মত। পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ ফলত এনে কিছুমান শ্ৰম সমস্যাই দেখা দিলে যে, এই পাৰিপাৰ্শ্বিকতাত সমাজবাদী উৎপাদন ব্যৱস্থা আৰু শ্ৰমৰ সম্পৰ্কহে বেছি বিজ্ঞানসম্মত। এতেকে দেখা যায় যে মানব সভ্যতাৰ বিবৰ্তনৰ লগে লগে বিজ্ঞানসম্মত প্ৰচলিত বিশ্বাসসমূহৰো বিবৰ্তন অপাৰিহাৰ্য। পাৰিপাৰ্শ্বিক অৱস্থাৰ খাতিৰতহে নতুন চিন্তাৰ জন্ম হয়। জ্ঞানেহে জ্ঞানৰ পৰিবৰ্ধন ঘটায়। বৈদিক যুগত উৰাজাহাজৰ কথা চিন্তা নকৰাৰ বাবে সেই যুগৰ মানুহবোৰ দোষত নপৰে। কাৰণ বসবাসৰ অৱস্থালৈ চাই তেওঁলোকৰ বাবে ঘোঁৰা বা গৰুগাড়ীৰ প্ৰয়োজনীয়তাহে বেছি।

প্ৰচলিত বিশ্বাসৰ আন এটা বৈশিষ্ট্য হ'ল যে এটা বিষয়বস্তুৰ ওপৰত গবেষণা যিমানেই পুৰঠ হৈ আহিব, তাৰ দোষ ত্ৰুটি সিমানেই কমি আহিব। কাৰণ একেটা বিষয়বস্তুৰ বিভিন্ন দিশৰ সত্যতাৰ সন্দৰ্ভত চলোৱা বৈজ্ঞানিক গবেষণাসমূহে এই বিষয়বস্তুৰ সকলো সত্যতাক উদঘাটন কৰি অন্ত কৰিব। ৰসায়ণ বিজ্ঞান সম্পৰ্কীয় মূল (Fundamental) আবিষ্কাৰসমূহ কৰিবলৈ আগতে যিমান থল আছিল বৰ্তমান সিমান নাই। কাৰণ ৰসায়ণ বিজ্ঞান



OKDISCD

পুৰঠ হৈ আহিছে। সামাজিক বিশ্বাসসমূহৰ ক্ষেত্ৰতো সেই একে নিয়মেই প্ৰযোজ্য। সামাজিক ক্ৰমবিকাশৰ লগে লগে এক বিজ্ঞানসম্মত সমাজৰ চিত্ৰখন বেছি প্ৰকট হৈ আহিছে। সামন্ততান্ত্ৰিক প্ৰচলিত বিশ্বাসসমূহৰ অশুদ্ধতাক পুঁজিবাদী প্ৰচলিত বিশ্বাসসমূহে প্ৰতিপন্ন কৰিলে। এক বিজ্ঞান-সম্মত চিন্তাধাৰাৰে সমাজবাদী আগতীয়া বিশ্বাসসমূহে পুঁজিবাদী প্ৰচলিত বিশ্বাসসমূহৰ অশুদ্ধতাক প্ৰতিপন্ন কৰি এখন সৰ্বোন্নত সমাজ ব্যৱস্থাৰ চিত্ৰ লাহে লাহে দাঙি ধৰিবলৈ আৰম্ভ কৰিছে। মানৱ জাতি লাহে লাহে শোষণ-হীন শ্ৰেণীবিহীন শান্তিময় বিশ্ব চৰকাৰ গঠনৰ পথত আগবাঢ়িছে। অৱশ্যে ইয়াৰ দ্বাৰা ইয়াক বুজাব খোজা হোৱা নাই যে ই সামাজিক ক্ৰমোন্নতিৰ পথ ৰুদ্ধ কৰিব। কাৰণ বিজ্ঞানৰ মুখ্য লক্ষ্য হ'ল এটা সত্য সম্পৰ্কে থকা সন্দেহবোৰ কিমান কমাই আনি তাৰ প্ৰকৃত স্বৰূপ দাঙি ধৰিব পাৰি। সৌন্দৰ্য বৰ্ধন আৰু পৰিপুষ্টতাৰ সীমা নাই। মাথোঁ নতুন মূল আবিষ্কাৰ (Fun amen-tal discovery/invention)ৰ কথাহে ইয়াত কোৱা হৈছে।

সামাজিক নতুন আবিষ্কাৰসমূহ বিজ্ঞানৰ নতুন আবিষ্কাৰসমূহতকৈ কঠিন। কাৰণ, প্ৰথমটোৱে এখন সমাজত বসবাস কৰা সকলোৰে ব্যক্তি-মূল্যবোধক আক্ৰান্ত কৰে, কিন্তু দ্বিতীয়টোৱে প্ৰথমতে কেইজনমানৰ ধাৰণাতহে আলোড়ন তোলে। আনহাতে বিজ্ঞান বিষয়ক নতুন তত্ত্বসমূহ লগে লগে প্ৰমাণিত কৰি দিয়া যায়। কিন্তু সামাজিক নতুন তত্ত্বসমূহ প্ৰমাণ কৰিবলৈ অনেক সময়ৰ প্ৰয়োজন। কাৰণ সামাজিক প্ৰচলিত বিশ্বাসসমূহৰ অতি গভীৰ সাংস্কৃতিক, ঐতিহাসিক আৰু অৰ্থনৈতিক শিপা আছে। এতেকে ইয়াক গুচাবলৈ এক অতি ভীষণ আলোড়নৰ প্ৰয়োজন হয়। মেকিয়াভেলীয়ে কৈছিল যে যদি এজন মানুহৰ দেউতাকক হত্যা কৰি সা-সম্পত্তিখিনি কাঢ়ি লৈ যোৱা হয়, তেন্তে পুতেকে হয়তো দেউতাকক হত্যা কৰাৰ কথা পাহৰি যাব পাৰে; কিন্তু সা-সম্পত্তিখিনিৰ কথা নাপাহৰে। কাৰণ, মানুহৰ জীৱন সংগ্ৰামত অৰ্থনৈতিক দিশটোৰ প্ৰাধান্যই সকলোতকৈ বেছি। এতেকে অৰ্থনৈতিক শিপা উঘলাৰ কামটো বলপূৰ্বকভাৱেই কৰিব লগা হয়। ইতিহাসে তাকেই কয়। আকৌ বিজ্ঞানৰ নতুন তত্ত্বসমূহ যিমান সহজে মানি ল'ব পাৰি সামাজিক নতুন তত্ত্বসমূহ সিমান সহজে নোৱাৰি। বিজ্ঞান অনুযায়ী অতি সহজেই গেলা-পঁচা বস্তুৰপৰা এক শোধন পদ্ধতিৰ সহায়ত পুষ্টিকৰ খাদ্য তৈয়াৰ কৰা যায়। কিন্তু মানুহক মানসিকভাৱে এই খাদ্য গ্ৰহণ কৰিবলৈ প্ৰস্তুত কৰোৱাটো সিমান সহজসাধ্য নহয়। এতেকে নতুন সামাজিক মূল্য-বোধ আনিবলৈ যি শক্তিৰ প্ৰয়োজন সি পুৰণি প্ৰচলিত বিশ্বাসৰ বান্ধোনতকৈ শক্তিশালী হ'ব লাগিব। সেইবাবেই নতুন তত্ত্বসমূহ সদায় বেছি বিস্তৃত আৰু যুক্তিপূৰ্ণ। নতুন সামাজিক বিশ্বাসৰ আমদানী মানেই পুৰণা শক্তিশালী বিশ্বাসৰ শৃংখলাক এক তাতোকৈ শক্তিশালী বিশ্বাসৰ শৃংখলাৰে ধ্বংস কৰা। এতেকে আগৰটোৰ ধ্বংস আৰু পিচৰটোৰ প্ৰতিষ্ঠাৰ মাজৰ সময়চোৱা এক ভয়ংকৰ বিশৃংখলভাৱে পৰিপূৰ্ণ। + +



সাম্প্ৰতিক সাময়িকীৰ সমূহ পাঠকলৈ পূজাৰ ওলগ জনাইছোঁ।

গ্ৰন্থপীঠ

পাণ বজাৰ ॥ গুৱাহাটী-৭৮১০০১

Gram : SWISSCO    Phone : 6158

Swiss Watch Corporation

S. S. ROAD, GAUHATI-781001

HES

TIMESTAR WATCHES

**Distributors of :** 'HES' Alarm Time-pieces & Clocks, 'Timestar' wrist watches and 'Scientific' wallclocks for Assam, Meghalaya, Manipur, Tripura, Nagaland, Arunachal Pradesh & Mizoram

AND

**Dealers in :** All kinds of Watch Spare parts, Straps, Bracelets, Tools and Steel watch bands.

Trial Solicited

OKDISCD

# এটি শিশু আৰু বহুতো শিশুৰ বাবে এই পৃথিৱী

এল. জে. ডাভেন্ট্ৰী

দুঃস্বপ্নৰপৰা তাৰ টোপনি ভাগিল। যুদ্ধ কৰাত বোলে বিৰাট সন্মান। সাহস দেখুৱা, মৰা আৰু গোটোৱা শুকান হাততালি। বচ। সপোনৰ কথা ভাবি সি হাঁহিলে, অনিচ্ছা সত্বেও বিছনা এৰিলে। ঘড়ীটোৰ টিক্ টিক শব্দই তাক ঘুৰাই আনিলে দুঃস্বপ্নৰ ৰাজ্যৰপৰা বাস্তৱ পৃথিৱীলৈ।

বাহিৰত ঠাণ্ডা। ঘন বৰফ মিশ্ৰিত কুঁৱলীয়ে ফুটপাথবোৰ ঢাকি পেলাইছে। ঘনচিৰিকাজাক ঘৰৰ চালৰ মাজত লুকাইছে, সিহঁতে অপেক্ষা কৰিছে সূৰ্যলৈ।

কালি তাৰ ঘৈণীয়েক গুচি গৈছে হস্পিটাললৈ। ঘৈণীয়েকৰ কথা ভাবি সি আকৌ হাঁহিলে। মনত পৰিল কালি গধূলিৰ কথা। তাৰ ঘৈণী-য়েকে কৈছিল, জানা কালি ৰাতি মই সপোন দেখিছিলোঁ?

—হয় নেকি?

- হু, পিছে কি যে দেখিছিলোঁ মনত পেলাব পৰা নাই পাই। কেৱল মনত হৈছিল আমি ভীষণ সুখী, আৰু আমাৰ দুচিন্তা কৰিবলৈ একো নাই, এই পৃথিৱীখন সঁচাকৈ কিমান সুন্দৰ। চকুৰ ওপৰত পৰা চুলিকোছা পাছফালে ঠেলি দি আনন্দোজ্জ্বল চকুহাল মেলি ছোৱালীজনী তাৰ পাছত নিশ্চুপ হৈ গৈছিল।

কিন্তু আজি যে ট্ৰাইবুনাল, ইয়াৰ পাছতো এই পৃথিৱীৰ সকলোবোৰ ঠিক ঠাক চলিছে সেইটো জানো কোৱা যায়? জহন্নামে যাওক, সকলো বস্তু সহজভাবে গ্ৰহণ কৰাটোৱেই ভাল। কাপোৰ কানি পিন্ধি সি ৰাস্তালৈ ওলাই আহিলে।

বাহিৰৰ ৰাস্তা সেমেকা। আশে পাশে থকা ঘৰবোৰ যেন মৃতদেহৰ দৰে শুই পৰিছে। বেৰশূন্য ৰিক্ত উদ্যানবোৰ বসন্তৰ প্ৰতীক্ষাত উন্মুখ। সকলোবোৰেই কিবা যেন বিষণ্ণ, অসহ্য।

মুখৰ ছিগাৰেটটো জ্বলাই লৈ ৰাস্তাত টেলিফোন কৰাৰ উদ্দেশ্যে সি ৰ'ল। এই মুহূৰ্তত হস্পিটালত যন্ত্ৰণাত কষ্ট পাইছে তাৰ ঘৈণীয়েকে, পিছে সদায় গধূলিৰ দৰে যেতিয়া হস্পিটাললৈ যাব তেতিয়া সি এটি শিশুৰ সৈতে ঘৈণীয়েকক দেখা পাব এই আশ্বাসো তাক দিয়া হৈছে।

সপোনৰ মাজত যেন সি আগুৱাই গৈছে। আশ্চৰ্য, নতুন এটি শিশুৰ জন্ম হ'ব এই সুসভ্য পৃথিৱীত! কিন্তু ভালে আছেতো তাৰ ঘৈণীয়েক! আশংকাত, উত্তেজনাত হাত দুখন সি মুঠি মাৰে, আকৌ খোলে। সন্মুখত এখন দোকান। দোকানৰ খিৰিকীত থিয় কৰোৱা আছে এখন পেৰাম্বুলেটৰ। আচৰিত, এই বস্তুটোৱেই এই মুহূৰ্তত সি বিচাৰিছিলে নেকি! বিস্ময়ত সি ৰ'ল, তাৰপিছত দোকানলৈ সোমাই গ'ল।



— সুপ্ৰভাত ছাৰ। কি লাগে আপোনাক?

— মানে এখন পেৰাম্বুলেটৰ লাগে। কিমান দাম হ'ব?

— দহ পাউণ্ডৰ পৰা আৰম্ভ কৰি, যিমানলৈকে বিচাৰে। আগ্ৰহেৰে বুঢ়া দোকানীয়ে কলে। কিন্তু এখন পেৰাম্বুলেটৰ কিনাৰ সাধ্য ক'ত; সাধ্য ক'ত সৰু ল'ৰা-ছোৱালীৰ সেই দোলনা কিনাৰ।

ক্ৰেতাৰ অৱস্থা বুজি বিক্ৰেতা অসন্তুষ্ট হ'ল, তাৰ মনঃপুত দামৰ বস্তু কিনাৰ বাবে সস্তা দোকানৰ শৰণাপন্ন হোৱাৰ কথাই তাক ক'লে।

ঠিকেই কৈছে। মোৰ কেঁচুৱাৰ বাবে যি কোনো পুৰণি বস্তু হলেই চলি যাব, মনে মনে সি ভাবিলে। দোকানৰ পৰা ওলাই আহি ষ্টেচনৰ ফালে আগুৱালে।

কোৰ্টৰুমৰ কাষৰ বহা কোঠাটো সি আহি পালেহি। অলপ পাছত তাৰ নাম মতা হ'ল, ট্ৰাইব্যুনালৰ সন্মুখত সি হাঁহি মুখে আহি থিয় হ'ল।

তিনিজন প্ৰৌঢ় ভদ্ৰলোক আৰু দুগৰাকী মহিলা। প্ৰৌঢ়সকলৰ মাজত এজনৰ কান্ধ সন্মুখৰ ফালে হাউলি আছে, এজনৰ ভোটা নাক। তৃতীয় ভদ্ৰলোক হয়তো এওঁলোকৰ মাজত প্ৰধান, কুঁজা শৰীৰ, জোঙা জোঙা গোঁফ।

তৃতীয় ভদ্ৰলোকে ক'লে, হু, তেনেহলে মানুহক হত্যা কৰিবলৈ আপোনাৰ বিবেকত লাগে, নহয়?

ঠিকেই কৈছে, তৃপ্ত কণ্ঠৰে সি ক'লে।

সংগীসকলৰ পিনে চালে বিচাৰকে, সংগীসকলে ঘূৰি চালে তাৰ ফালে।

প্ৰধান বিচাৰকে ধীৰে ধীৰে কলে, নিজৰ দেশৰ বাবে যুদ্ধ কৰাত আপো-নাৰ বিশ্বাস নাই শুনিলোঁ। কেলেই কওকচোন।

—মোৰ দেশ বা যি কোনো দেশ, গোটেই পৃথিৱীৰ এটা নগণ্য অংশ মাত্ৰ।

— বুজাই কওক, বিচাৰকৰ ক্লান্ত ভংগী।

—ইয়াত আকৌ বুজাই কোৱাৰ কি আছে! মানুহ অকল এখন দেশত বাস নকৰে, বাস কৰে এই পৃথিৱীত। নিজৰ দৰে এজন মানুহৰ লগত যুদ্ধ কৰাৰ অৰ্থ তাৰ নিজৰ অস্তিত্বক অস্বীকাৰ কৰা।

— হু, ধৰ্ম-টৰ্ম কৰে বোধকৰোঁ? পাদ্ৰী বিচাৰকে ক'লে।

—ওহোঁ, বিশেষ কোনো অৰ্থত নহয়।

- তেনেহলে আপুনি ক'ব খোজে যে আপোনাৰ এই সিদ্ধান্ত কোনো বৈজ্ঞানিক বা দাৰ্শনিক তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত?

—শুনক, কোনো সিদ্ধান্ত মই ভাবিচিন্তি থিয় কৰিছোঁ এই ধৰণৰ কথা ভাবি মোক ভুল নুবুজিব। মই এই সিদ্ধান্তলৈ আহিছোঁ, কিয়নো মই জীয়াই আছোঁ, মই জীয়াই থাকিব বিচাৰোঁ, কাৰণ মই এই জীৱনক ভাল পাওঁ।

প্ৰধান বিচাৰক নিজৰ আসনত অসন্তুষ্ট ভংগীত লৰি চৰি বহিল। তেওঁ মিঠা মাতেৰে ক'লে, তেনেহলে আমি বুজিম যে যুদ্ধ আপুনি পছন্দ নকৰে, কাৰণ আপোনাৰ মতে যুদ্ধ কৰা ভুল। যুদ্ধৰ কোনো কামতে আপুনি অংশ গ্ৰহণ কৰিব নোখোজে।



OKDISCD

এগৰাকী ভদ্রমহিলাই উত্তেজিত হৈ কৈ উঠিল, আচ্ছা, আপুনি কি
কেতিয়াবা ভাবিছে যদি কোনো জাৰ্মানে আপোনাৰ মা বা স্ত্রীৰ গাত হাত
দিয়ে, তেতিয়া আপুনি কি কৰিব ?

—আশ্চৰ্য ! ইয়াৰ কি উত্তৰ দিম ? সেই চয়তানক মই খুন কৰিম ।
বৈ যায় সি, তাৰপাচত ক'লে, পিছে সি যিয়েই নহওক, ইংৰাজেই হওক
বা অন্য কোনোবাই হওক । লিখি লব পাৰে মোৰ কথাকেইটা ।

ভোতা নাকৰ বিচাৰকে এইবাৰ কৈ উঠিল, এইমাত্র আপুনি কৈছে
এজন মানুহক হত্যা কৰাটো অন্যায়, আকৌ নিদ্বিধায় স্বীকাৰ কৰিছে
যে কোনো বিশেষ ঘটনাৰ চাপত আপুনি হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে ।
এই দুইটা বিপৰীত বক্তব্য আপুনি মিলাব কি দৰে ?

আকৌ সি অন্যমনস্ক হৈ যায়, ঘৈণীয়েকৰ কথা ভাবি । এতিয়া তাই
কেনে আছে ! প্রশ্নটো শুনাৰ অলপ সময় পিছত সি ক'লে, শুনক মই
মনুষ্যত্বত বিশ্বাস কৰোঁ । অন্য জন্তুইকৈ মানুহক মাত্র এটা বস্তুৱে ডাঙৰ
কৰি তুলিছে, আৰু সেই বস্তুটো হ'ল যুক্তিবোধ । যৌক্তিকতাৰপৰা মানুহে
তাৰ ঐতিহ্য সৃষ্টি কৰিছে, সৃষ্টি কৰিছে তাৰ সংস্কৃতি । যুদ্ধ হ'ল এই
যৌক্তিকতাৰ ভাঙন, যুদ্ধ মানে সমূহীয়া হত্যা । যুদ্ধ কৰাৰ অৰ্থ সমগ্র
মানৱ সমাজৰ দায়িত্বক অৱহেলা কৰা । মোৰ নিজৰ কথাকেই কওঁ ।
মোৰ যুক্তিবোধে এই হত্যাক কেতিয়াও অনুমোদন নকৰে । অকল মই
কেলেই, মানুহে কেতিয়াও যুদ্ধ বিচৰা নাই, যুদ্ধ নিবিচাৰে ।

সি আকৌ অন্যমনস্ক হৈ যায় । কেনে আছে তাই হস্পিটালত ?
তাৰ অন্যমনস্কতা ভাঙিল প্রধান বিচাৰপতিৰ কথাত ।

—আপোনাৰ যুক্তিবোৰ অৰ্থহীন । যুদ্ধৰ বাহিৰে কোনো উপায় নাই,
আচলতে আপুনি পলাই বাচিব খোজে । সামৰিক জীৱনেই আপোনাৰ
বেমাৰৰ একমাত্র ঔষধ । ঘূৰি আহক এবাৰ । আৰু শুনক, মিলিটাৰীত
নাম ভৰ্তি নকৰাৰ যি অজুহাত দেখুৱাইছে সেইটো আমি গ্রাহ্য কৰিব
নোৱাৰিলোঁ । যাওক ।

প্রধান বিচাৰকে যেতিয়া কথা কোৱা শেষ কৰিলে, সি হুমুনিয়াহ কাঢ়িলে ।
হঠাৎ নিজকে তাৰ কিবা অসুখী যেন লাগিল ।
ৰাস্তালৈ ওলাই আহি সি টেলিফোন কৰিলে । খুবেই দুঃখিত মই, আপোনা-
লোকক আকৌ আমনি দিছোঁ, মোৰ স্ত্রী এতিয়া কেনে আছে ক'ব পাৰেনে ?
টেলিফোনত হাঁহিৰ শব্দ ভাহি আহিল । নাৰ্চজনীয়ে ক'লে, আপোনাৰ
স্ত্রীৰ এটি ছোৱালী হৈছে । দুয়ো ভালেই আছে ।

আচ্ছন্নৰ দৰে সি টেলিফোন থৈ ওলাই আহিল । ৰাস্তাৰে গৈ থাকোঁতে
সি বিৰবিৰাই যায়, মোৰ ছোৱালী হৈছে । এই পৃথিবীত নতুন এটি প্রাণৰ
জন্ম হৈছে । জন্ম লৈছে সুন্দৰ এটি শিশু । কালি যিয়েই নহওক লাগিলে,
আজি পৃথিবীৰ উৎসৱ, আজি উৎসৱ মোৰ নিজৰো । এতিয়া এই মুহূৰ্তত
কিবা পান কৰি তাইৰ উদ্দেশ্যে মই উৎসৱ কৰিম । × ×

অনুঃ ৰাণা ভট্ট

**জন্ম**/ৰবীন্দ্র সৰকাৰ
(অৰুণদালৈ)

ভালপোৱাৰ গভীৰতেই
জন্ম লয় জুইৰ দৰে
প্রবল মানুহ ।

নক্ষত্রৰ দৰে
উজ্জ্বল বাট কাটি,
সমুদ্রৰ ঢৌ ভাঙি, ভাঙি ভাঙি
গঢ়ি তোলে আৰু এক নতুন জীৱন ।

অগ্নিস্তম্ভ সেই মানুহেই
বতাহৰ উন্মত্ততা ভৰিৰে গচকি
বজ্র আৰু বিদ্যুতেৰে লিখি যায়
কালৰ কবিতা ।

হৃদয়ৰ গভীৰত তাৰ
জলছবিৰ দৰে
স্বদেশ আৰু ভালপোৱা
ভালপোৱা আৰু স্বদেশ ।

ভালপোৱাৰ গভীৰতেই
জন্ম লয় জুইৰ দৰে
প্রবল মানুহ ।

+++

**ধূলিময় অস্থিৰ লগত**/ৰফিকুল হোচেইন

অথবা আকৌ এবাৰ নক্ষত্র খচিত আকাশৰ বুকুলৈ
থিয় হৈ মেলি ধৰোঁ শিল যেন কাঙাল দুহাত
অথবা আকৌ এবাৰ আত্মহাৰা হৈ গুণ গুণাওঁ
আইৰ সুৰীয়া কণ্ঠৰ গানঃ 'কোন বণিকে কাঢ়ি নিলে ঐ
মোৰে ময়নাৰ ডিঙিৰে ডুগডুগি অ' ।



OKDISCD

মাটিৰ মায়াময় কোলাত মুখ গুজি ক্লান্ত পৰত কেতিয়াবা
সোঁৱৰোঁ অতীত। ল'ৰালি দিনৰে সেই নদীৰ ঘাটৰ
আধা সজা বালিঘৰৰ ভগ্ন সপোন সোঁৱৰণ।

আচলতে তোমাৰ মোৰ একেটাই সপোন
সময়ত ফুল যেন,
সময়ত তীথা যেন একেটাই সপোনত নিমগ্ন আমি

চিৰকালৰ বাবে মোৰ বুলি পৃথিবীৰ কুমাৰী মাটিক
বুকুৰ মাজত এবাৰ সাৱটি ধৰাৰ আকণ্ঠ প্ৰয়াসত— ক্ষণে
ক্ষণে হৈ পৰোঁ যেন, হৈ পৰোঁ উন্মত্ত বাঘিনীৰ সন্তান

বেগবান অশ্বৰ তেজস্বিতাৰে,
ধূলিময় অস্থিৰ লগ্নত— প্ৰোথিত
দুঃখৰ, ক্ষোভৰ ধাৰাল অস্ত্ৰ লৈ দেও দি ভাঙি যাওঁ
প্ৰাচীৰৰ পিছত, প্ৰাচীৰৰ পিছত, প্ৰাচীৰ...............

++

## এটা কবিতা/নবীন বৰুৱা

তেওঁলোকক দেখিলোঁ এদিন
হঠাৎ চোলাটো সলাই পেলালে
বাৰে বাৰে মোক তেওঁলোকে ক'লে
তোমাৰ চোলাটো সলনি নকৰা কিয়?

এদিন দেখিলোঁ
স্কুলৰ শেষ পৰীক্ষা দি পুৰণি ইউনিফৰ্মটো
পেলাই দিয়া ল'ৰা-ছোৱালীবোৰৰ দৰে
তেওঁলোকে সেই চোলাটো সলনি কৰিব ধৰিলে

মই মোৰ চোলাৰ ৰংটোলৈ কোনোদিন চিন্তা কৰা নাই
কাৰণ মোৰ চোলাটোত লাগি থকা গাৰ ঘামৰ গোন্ধটো
মই বৰ ভালদৰে চিনি পাওঁ,
মোৰ কাষলৈ বহু বন্ধু আহিল আৰু গ'ল

তেওঁলোকে পিন্ধি অহা চোলাটোৰ ৰংটোৰ কথা
মই কোনোদিন চিন্তা কৰা নাই।
কাৰণ তেওঁলোকৰ চোলাত লাগিৰোৱা ঘামৰ গোন্ধটো
মোৰ বৰ চিনাকি।
তেওঁলোক অহা আৰু যোৱালৈ মই কোনো দিন
চিন্তা কৰা নাই
তেওঁলোকৰ চোলাৰ ৰংটোৰে মোৰ মনত কোনোদিন
দোলা দি যোৱা নাই

বাটে-ঘাটে, বাছে-ৰেলে মই ঘূৰি ফুৰোঁতে
কেতিয়াবা একোজন অচিনাকি মানুহ পাওঁ
যাৰ চোলাৰ ঘামৰ গোন্ধটোৰ মাজত মই মোক বিচাৰি পাওঁ
সেই মানুহজন হেৰাই যায়
তেওঁ পিন্ধি অহা চোলাৰ ৰংটো কি আছিল মই পাহৰি যাওঁ
তথাপি মই ৰৈ আছোঁ তেওঁৰে অপেক্ষাত
কাৰণ মই জানো
তেওঁৰ গাৰ ঘামৰপৰাই মই তেওঁক বিচাৰি পাম।

+++

## মৃত্যুহীন প্ৰাণ/নৰ্মান বেথুন

আৰু আজিও সেই শেঁতা জোন
শান্ত পৰিচ্ছন্নভাৱে উঠি আছে--
পাণ্ডুৰ যন্ত্ৰণাক্লীষ্ট আমাৰ দৃষ্টিৰ দাপোণত,
উঠি আছে কানাডাৰ হিমেল আকাশত।

যোৱা নিশা স্পেনৰ আকাশত
বিধ্বস্ত পাহাৰ চুই হিংস্ৰ লালিমাত
সেই জোন উঠিছিল –
মৃতকৰ তেজসনা মুখ আঁকি ৰূপালী থালত।

(সেই) শেঁতা জোনৰ প্ৰতি উত্তোলিত ক্ৰুদ্ধ মুঠি
কঠিন. এই প্ৰতিজ্ঞা মোৰ




OKDISCD

সেইসকল মৃতকৰ প্ৰতি
এয়া মোৰ পুনৰাংগীকাৰ

যিসকল কমৰেডে আজি হৃত প্ৰাণেৰে সক্ৰোধে অকলে
গাই গ'ল জীৱনৰ গান
মোৰ সত্বাৰ সতে — মোৰ হৃদয়ত ৰ'ব
সিহঁতৰ মৃত্যুহীন প্ৰাণ ।

+++

## মুয়েন ভ্যান ত্ৰয়ৰ স্মৃতিত/অৰুণকুমাৰ শৰ্মা

তোমাৰ সতে চিনাকি হ'বৰ পৰা
সকলো মোৰ আপোন হৈ পৰিছে
মুয়েন ভ্যান ত্ৰয়,
তুমিয়েইতো মোক শিকালা
কেনেকৈ দেশক ভাল পাব লাগে—
এই নিলীম আকাশ, এই সেউজী পাহাৰ,
উপত্যকা, নৈ জান-জুৰি,
এই মানুহবোৰ
সকলো মোৰ আপোন হৈ পৰিছে
মুয়েন ভ্যান ত্ৰয় !

স্বাধীনতাতকৈ মূল্যবান একো নাই
মুক্তিৰ আনন্দৰ দৰে কোনো আনন্দ নাই

বিচাৰৰ কাঠগড়াত থিয় হৈ
জহ্লাদৰ প্ৰশ্নৰ উত্তৰত
তুমি কৈছিলা—
'মই কোনো অপৰাধ কৰা নাই !
পিতৃভূমিক ভাল পাই
মই কোনো অপৰাধ কৰা নাই !!'



কথাকেইষাৰ আজিও মোৰ বুকুত
বাজি আছে, মুয়েন ভ্যান ত্ৰয় !

+++

## অনিৰ্বচনীয়/কুমাৰী সবিতা কোঞ্ৱৰ

মোৰ ঘাম আৰু
চকুলোৰে তিয়াই
পেলোৱা কাঁচলিখন
উদঙাই বুকুখন চালোঁ
চেকুৰাচেকুৰ তেজৰ
দাগ সুস্পষ্ট হৈ
জিলিকি আছে

তললৈ নামি থকা
হাত দুখন মোৰ
অনিৰ্বচনীয় প্ৰত্যয়ৰ
স্বাক্ষৰ লৈ
পলকতে মুষ্টিবদ্ধ
হৈ পৰিল ।

+++

সাম্প্ৰতিক সাময়িকীৰ সমূহ পাঠকলৈ
শাৰদীয় ওলগ জনাইছোঁ।

নিউ বুক ষ্টল

পাণ বজাৰ ॥ গুৱাহাটী-৭৮১০০১

OKDISCD

॥ ছপাখানাৰ যাবতীয় সামগ্ৰী আমি যোগান ধৰোঁ।॥

'গ্ৰোভাৰ' ব্ৰেণ্ড ফ্লেট-বে'ড প্ৰিণ্টিং মেছিন, 'এফ-ই-ছি' ব্ৰেণ্ড ট্ৰেডল প্ৰিণ্টিং-কাটিং মেছিন আৰু 'জে-বি-এ' প্ৰিণ্টিং ইংকৰ

আমিয়েই পূৰ্বাঞ্চলৰ একমাত্ৰ পৰিবেশক

'লিটল টাইপ ফাউণ্ড্ৰীৰ' টাইপ আমি যোগান ধৰোঁ।

# অসম প্ৰিণ্টাৰ্ছ হাউছ

কমাৰপট্টি ৰোড ॥ ফাঁচী বজাৰ
গুৱাহাটী—৭৮১০০১

---

# MODERN WATCH CO.

**ON TIME ALL THE TIME**

*WATCH MAKERS & DEALERS*

**SPECIALIST IN :**

## REPAIRING WORKS

KAMARPATTY ROAD : GAUHATI-781001
PHONE : 4593

---

*With best compliments of :*

Gram : CANDIDDRUG

Phone : 7401

# CANDID DRUG DISTRIBUTORS

**PANBAZAR : GAUHATI-781001 (Assam)**

*DISTRIBUTORS FOR :*

CADILA DISTRIBUTORS, AHMEDABAD-5
G. W. CARRICK CO, (P) LTD., BOMBAY
DIAMOND DRUGS AND CHEMICAL WORKS, CALCUTTA
ARISTO PHARMACEUTICAL PVT. LTD., BOMBAY
TREATMENT HOME PRODUCTS, CALCUTTA-14
SERUM INSTITUTE OF INDIA
QUALITY PHARMACEUTICALS PVT. LTD.

*STOCKISTS FOR :*

MULLER & PHIPPS INDIA (P) LTD.
SARABHAI CHEMICALS
SUHRID GEIGY LTD.
WARNER HINDUSTAN LTD.
RICHARDSON HINDUSTAN LTD.
ORGANON (INDIA) LTD,
MARTIN & HARRIS (P) LTD.

OKDISCD

*With best compliments from :*

# M/S TECHNICO

*ENGINEERS CONTRACTORS & SUPPLIERS*

F. C. ROAD, GAUHATI-781 001

*DISTRIBUTOR :*

INDANE, U.M.S. CALCULATORS, MINI DRAFTER, WATER GAYSER, AMMONIA PAPER, AMMONIA LIQUID, AMMONIA PRINTING MACHINE, GATEWAY TRACING PAPER AND ALLIED DRAWING & STATIONERS ARTICLES, SUPSTICK CELLOTAPES ETC.

*AUTHORIZED DEALER :*

WRITING, PRINTING & DUPLICATING PAPER

উৎকৃষ্ট মানৰ
ব্লক, ডিজাইন আৰু ৰঙীন বেটুপাত মুদ্রনৰ বাবে
শৰাইঘাট গ্রাফিক আর্টচ, এম, টি, ৰোড, গুৱাহাটী - ৩
সৰ্ববাধুনিক অংগসজ্জাৰে কিতাপ, আলোচনী আৰু
সকলো ধৰণৰ ছপা কামৰ বাবে
শৰাইঘাট প্রিন্টার্চ, এম, টি, ৰোড, গুৱাহাটী - ৩
ফোন ৬৩৯৫ (অফিচ) ৬৯৫৫ (ঘৰ)
একৰঙী আৰু বহুৰঙী অফচেটৰ
ছপা কামৰ বাবে
শৰাইঘাট অফচেট প্রেচ
বামুনীময়দান, ইণ্ডাষ্ট্রিয়েল ইষ্টেট,
গুৱাহাটী - ২১ ফোন ৬৭৪২ ত খবৰ কৰক

# আৰু এক বৰষুণ

ইমৰান শ্বাহ

বৰষুণজাক ইমান মিঠা।

সুবৃহৎ ঘৰটোত ৰুণজুন অকলে। ঠিক অকলে নহয়। তেওঁৰ বুকুৰ যিমান পাৰে সিমান ওচৰ চাপি উপলৰ গভীৰ টোপনি। উপলেই তেওঁৰ বুকুৰ যিমান পাৰে সিমান ওচৰ চাপি শুইছিল নে তেওঁৱেঁই তাক যিমান পাৰে সিমান ওচৰ চপাই লৈছিল ৰুণজুনৰ মনত নাই। এতিয়া মাথোন উপল তেওঁৰ বুকুৰ অন্তৰংগ নৈকট্যত। এতিয়া ৰুণজুন নিলৰ। দুয়োৰে বুকুৰ ধুকুধুকু এক হৈ বাজিছে।

বাহিৰত মিঠা বৰষুণৰ জিৰ্ জিৰ্ জিৰ্। ৰুণজুনৰ মনৰ মাজেদি এতিয়া এটা মিঠা উপলব্ধিৰ সুৰ বৈ গৈছে। যেন এখন নদী। চিৰ্ চিৰ্ চিৰ্।

এটা তিতা দিনৰ চিন্তা বিড়ম্বনা আৰু নাই। এটা ক্ষণজন্মা উপলব্ধিয়ে হঠাৎ যেন এই গাভৰু মানুহজনীৰ বয়স বহুতো বঢ়াই দিলে। দেহৰ নহয় মনৰ বয়স। তেওঁ যেন এক অবিশ্বাস্য সুপ্ৰাচীন তপস্যাৰ অন্তত প্ৰবুদ্ধ হৈ ওলাই আহিল। ৰুণজুনে একো ভবা নাছিল। এতিয়া আচলতে ভাবিবলৈ তেওঁৰ একোৱেই নাই। এতিয়া মাথোন উপলব্ধিৰ অচিন্তানীয় সোঁতত উটি যোৱাৰ সময়। তথাপিতো তেওঁৰ মনৰ পটত এখন এখনকৈ অসংখ্য চিত্ৰ ভাহি গৈছিল, ছায়াছবিৰ ফ্ৰেজৰ দৰে।

ৰুণজুনে এম. এ পাছ কৰিছিল। ইংৰাজীত এম-এ। সৰুৰেপৰাই ভাল অৱস্থাত ডাঙৰ হোৱা ছোৱালী তাই। ঠিক মুখত সোণৰ চামুচলৈ জন্ম হোৱা ছোৱালী ৰুণজুন নহয়। কিন্তু এজন ডাক্তৰৰ জীয়েক হিচাপে

ৰুণজুনে প্ৰাচুৰ্যৰ মাজতে ডাঙৰ দীঘল হৈছিল। অৱশ্যে প্ৰাচুৰ্যই সাধাৰণতে কৰাৰ দৰে ৰুণজুনৰ মূৰটো নষ্ট কৰি পেলোৱা নাছিল। তাই ভাবিব জানিছিল। মগজুৰে কাম কৰিছিল। সামান্য কামনাই তাইক নাকীত ধৰি ঘূৰাই ফুৰোৱা নাছিল। আৰু শেষত ৰুণজুনে এম্ এ পাছ কৰিছিল। মাত্ৰ বাপেকৰপৰা পোৱা এটা বিশেষ শিক্ষাই জীৱনৰ গোটেই বাটছোৱা ৰুণজুনক এক বিশেষ যন্ত্ৰণা দি আহিছিল। বস্তুটোৰ নাম বোধহয় প্ৰচলিত ভাষাত অভিজাত্য। নে ই সে এটা মাত্ৰ অকাৰণ প্ৰহেলিকাময় গৰ্ববোধ সি বিচাৰৰ বিষয়। কিন্তু বস্তুটো তাইৰ আশৈশৱ কৰ্ষণৰ ফলত মজ্জাত সোমাই পৰিছিল। ৰুণজুনে বুজিছিল, হয় সকলো মানুহেই মানুহ। সকলোৰে অধিকাৰ তুমি স্বীকাৰ নকৰাটো তোমাৰ চিন্তাবৈকল্য। কিন্তু সকলো মানুহ মানুহ হ'লেও, মানুহ হিচাপে সমান হলেও একে নহয়। একে হ'ব নোৱাৰে। গতিকেই মানুহৰ মাজত কিছুমান বেৰ, কিছুমান সীমাৰেখা নাথাকিলে নচলে। উদাৰতা ৰুণজুনহঁতৰ পাৰিবাৰিক লক্ষণ। সংকীৰ্ণতা হয়তো আন এটা পৰিয়ালৰ চাৰিত্ৰিক লক্ষণ। নিজৰ উদাৰতা ৰক্ষাৰ বাবে নিজক সেই সংকীৰ্ণ পৰিয়ালৰ সংক্ৰমণৰ পৰা আতঁৰাই ৰখাৰ বাহিৰে আন উপায় ৰুণজুনে দেখা নাই। অথচ এনে বিছিন্নকৰণক তাই সৰ্বান্তঃকৰণে স্বীকাৰ কৰি লোৱাত কিবা এক অপ্ৰকাশ্য বৌদ্ধিক বাধা অনুভৱ কৰে। আৰু তাই যন্ত্ৰণ পায়।

আজি নতুনকৈ তাই সেই সমস্যাটোৰ সন্মুখ হ'ল আৰু সম্পূৰ্ণ এটা দিন অসীম যন্ত্ৰণাৰ মাজত পাৰ কৰি দিব লগা হ'ল। গোটেই দিন তাই অকুণ্ঠ মনোযোগ দিব লগা ভালেমান কামত একেবাৰে মন দিব নোৱাৰিলে।

আকস্মিকভাৱে যেতিয়া বিজ্ঞিতৰ মৃত্যু হ'ল তেতিয়া সকলোৱে ভাবিছিল এইবাৰ মনজিনা চাহ বাগিছা কোনোবা ব্যৱসায়ীৰ হাতলৈ গুচি যাব। কিন্তু নগ'ল। এম. এ লৈকে পঢ়ি খুববেছি এখন কলেজৰ শিক্ষয়িত্ৰী হ'বলৈ প্ৰস্তুত হোৱা ৰুণজুন আচৰিত ধৰণে ঘৰৰপৰা ওলাই আহিল। আৰু ঠিক বিজিতৰ দৰে বৰং হয়তো বিজিততকৈয়ো ভালকৈহে চাহৰ উৎপাদন আৰু ব্যৱসায় চলাই যাব ধৰিলে। এজনী শিক্ষিতা গাভৰুৰ এই সাহসে অনেকক বিমল আনন্দ দিলে।

বিজিত তাৰ বাপেকৰ একমাত্ৰ সন্তান। বিজ্ঞিতৰ বাপেক আছিল তাৰ ককাকৰ একমাত্ৰ সন্তান। এনেকৈ চাৰিপুৰুষ এক এক সন্তানৰ সুত্ৰত চলি অহাৰ ফলত আত্মীয় স্বজন বুলিবলৈ বিজিতৰ তেনে কোনো নাই।



বিজিতৰ মৃত্যুৰ পিচৰপৰা সেয়ে ৰুণজুনে দুটা দায়িত্ব পালন কৰি আহিছিল। বিজিতৰ স্বাধীন চাহ ব্যৱসায়ক জাতীয় স্বাৰ্থৰ অনুকূলে পৰিচালনা কৰাৰ সকলো ব্যৱস্থা লৈছিল আৰু উপলক বিজিতহঁতৰ পৰিয়ালৰ আভিজাত্যৰ আদৰ্শত গঢ়িতোলাৰ চেষ্টা কৰিছিল।

সকলো ঠিকেই চলিছিল। কথাই বতৰাই চাৰিবছৰীয়া উপল এটা প্ৰতিশ্ৰুতিসম্পন্ন ল'ৰা হৈ উঠিছিল! পঢ়াশুনাও আৰম্ভ কৰিছিল আৰু পঢ়া শুনাতো যথেষ্ট বুদ্ধিৰ চিনাকি দিছিল।

কিন্তু এদিন গোটেই দিনটো জটিল কিছুমান কামত ব্যস্ত থাকি উপলৰ মধুৰ সন্নিধ্যলৈ আবেলি প্ৰায় দৌৰি অহাৰ দৰে আহি ঘৰ পাই ৰুণজুন উচপ খাই ৰৈ যাব লগা হ'ল। বাৰাণ্ডাৰ এখন চকীত উপলৰ মেডামে দুয়ো গালত হাত দি আকাশ পাতাল ভাবি আছে। আৰু চোতালত মাটি ... ৰুণজুনে চকুহাল মোহাৰি আকৌ চালে, হয়, মাটিত লেপেটা কাঢ়ি বহি আছে উপল। তাৰ মুখামুখিকৈ সিফালে বহি আছে সেইটো শুভনা। আঠ বছৰ বয়স, নাঙঠ, গাত পৃথিৱীৰ ধূলি। উপলৰ হাত ভৰি জোতাতো ধূলি। দুয়োটাৰে মাঞ্জত দহোটা সৰু সৰু গাঁত। তাত অসংখ্য কাঁইটনে হেলেচৰ ৰঙা ৰঙা গুটি। একান্ত মনেৰে সিহঁতে কেয়া বোটলা খেলিছে। ৰুণজুনৰ উপস্থিতিৰ কথা শুভনায়ো নাজানে, উপলেও গম পোৱা নাই। ৰুণজুন খটখটিয়েদি উঠি আহিল। সচকিত হৈ উপলৰ মেডাম ঠিয় দিলে। ৰুণজুনে দেখিলে তেওঁৰ ওচৰত এখন সৰু ছাইড্ টেবুলত প্ৰায় তেৰশ টকা দি বিশেষভাৱে কৰাই অনা বাগেতলি বোৰ্ডখন উবুৰি হৈ পৰি আছে। ৰুণজুনে খন্তেক মেডামলৈ চাই ৰ'ল। মেডামেও একেথিৰে ৰুণজুনৰ চকুলৈ চাই ৰল, তাৰ পিচত দুয়ো অগাপিচাকৈ বহা কোঠালৈ সোমাই গ'ল।

শুভনা বয়সত উপলতকৈ চাৰিবছৰে ডাঙৰ! কিন্তু এইখন ঘৰৰ চৌহদতে মানুহ। বিজ্ঞিতৰ দেউতাকৰ ব্যক্তিগত লগুৱা আছিল কাৰ্তিকা। কাৰ্তিকাৰ পুতেক অপূৰচন্দ বিজিতৰ ব্যক্তিগত বিশ্বস্ত লগুৱা আছিল। বিজ্ঞিতৰ মৃত্যুৰ পিচত অপূৰচন্দ বাগানৰ কামলৈ গ'ল যদিও সিহঁতৰ থকা মেলা ৰুণজুনহঁতৰ ঘৰৰ চৌহদৰ লগুৱাৰ বহাতে থাকিল। শুভনাৰ মাকে বিৰাট ঘৰটোৰ সৰা-মোচা আদি কৰে। সেই মৰ্মে সৰুৰেপৰাই শুভনাই উপলৰ লগত খেলা-ধূলা কৰিছিল। আগতে আয়া আৰু এতিয়া আয়াৰ লগত মেডাম সংযোজিত হ'লত শুভনা উপলৰ লগ নিতান্তই সীমিত আছিল। গতিকে কোনেও সেই লৈ চিন্তা কৰাৰ অৱকাশো পোৱা নাছিল।



OKDISCD

কিন্তু সেইদিনা ৰহাকোঠাত বহি মেডামৰ মুখত ঋণজুনে যিখিনি কথা শুনিলে তাৰপিচত আৰু ভাই নিশ্চেষ্ট হৈ বহি থকা অসম্ভৱ হৈ উঠিল। উপলে ধূলিত বহি কেয়া বোটলা খেলাৰ পটভূমিত মেডামে যিখন চিত্ৰ ডাঙি ধৰিলে সেইখনে যেন বিজিতহঁতৰ পুৰণি আভিজাত্যকে ব্যংগ কৰি উঠিল। মেডামৰ সকলো চেষ্টা স্বত্বেও উপলে যেন সদায় আভিজাত্যৰ পৰিসীমাৰপৰা সাধাৰণৰ সাধাৰণতালৈ ওলাই যাব খোজে। তাৰ বাবে সি কেতিয়াবা প্ৰতিবাদো কৰি উঠে। আজিয়েই সি মেডামে দিয়া অভিজাত বাগেতলিখন ঠেকেচি থৈ চোতাললৈ নামি গৈছিল। মেডামৰ শাসন, অনুনয় বিনয় একোৱেই কাম কৰা নাছিল।

ঋণজুনে মাত্ৰ এটা কামেই কৰিলে। অপূৰ্বচন্দ্ৰ আৰু তাৰ ঘৈণীয়েকক মাতি আনি ক'লে, শুভনাক যেন কেতিয়াও উপলৰ লগত আৰু খেলিবলৈ দিয়া নহয়। সিহঁতক লাইনলৈ পঠাই দিয়াৰ কথা ভাবিলেও সেয়া নকৰিলে। বিজিত, বিজিতৰ দেউতাকৰ কথা ভাবি তাৰপৰা বিৰত থাকিল।

তাৰপিচৰ কেইদিন তেওঁৰ চকুত অৱশ্যে নপৰাকৈ নেথাকিল যে উপলৰ মনটো যেন কিবা উদাস উদাস। কাঠৰ ঘোৰাত উঠিছে, মিনিকাৰ চলাইছে। কিন্তু মনটো যেন সেইবোৰত নাই। আৰু তেওঁ দেখিছিল বাগানৰ পুখুৰীত বৰশী এটা পেলাই শুভনা জুপুকা মাৰি বহি থকা।

তাৰ পিচত। আজি নিশা প্ৰায় ন-বজা। উপলৰ বিচনাখন ঠিক কৰি মেডামে এখন চকীত বহি এখন উপন্যাসত চকু ফুৰাইছিল ঋণজুনে বিৰাট অফিচ টেবুলখনত এদম কাগজপত্ৰ মেলি লৈছিল। উপলে শোৱাৰ আগতে বাথৰুমলৈ গৈছিল। হঠাৎ এক তীক্ষ্ণ চিঞৰত সকলো সচকিত হৈ উঠিল। চিঞৰটো বাথৰুমৰ পৰা আহিছে। দুয়ো প্ৰায় লগে লগে দৌৰ মাৰিলে। গৈ যি দেখিলে ঋণজুনৰ মূৰত আকাশ ভাগি পৰিল।

সুবৃহৎ কোঠাটোৰ মাজত উপল বৈ আছে। তাৰ পৰা দুহাতমান দূৰত ভীষণ ফণা তুলি এটা সাপ! কি কৰা উচিত ভবাৰ সামৰ্থ্যও মানুহ দুজনীয়ে হেৰুৱাই পেলাই সৰগ পৰা মানুহৰ দৰে বৈ থাকিল। উপলে একেথিৰে সাপটোলৈ চাই আছে। সাপটোৰ ফণাটো অলপ অলপ লৰিছে। কিন্তু পিচ মুহূৰ্ততে নাটকীয়ভাবে দৃশ্যান্তৰ ঘটিল। তেওঁলোকে দেখিলে সাপটোৰ ঠিক পিচফালে শূণ্যৰ পৰা ওলোৱাৰ দৰে আবিৰ্ভাৱ হৈছে এটা খীণ ক'লা কিন্তু অদ্ভুত দৃঢ় শিশু। পিচ মুহূৰ্ততে লৰাটোৱে দুয়োহাতেৰে সাপটোৰ ডিঙিত বজ্ৰ মুঠিৰে খামুচি ধৰিলে আৰু এক প্ৰলয় কাণ্ড আৰম্ভ হ'ল। সাপটোৱে চটফটাই নেজেৰে কোবাব ধৰিলে। লৰাটো মাটিত পৰি গ'ল। কিন্তু মুঠি নেৰিলে।

ঋণজুনৰ বাস্তৱ বুদ্ধি জাগ্ৰত হ'ল। তৎক্ষণাৎ বিজিতৰ হকী ষ্টিক এডাল আনি ল'ৰাটোক বচাই সাপটোক মৰিয়াব ধৰিলে। সাপটো যেতিয়া মৰে শুভনা তেতিয়া অচেতন।

বৰষু জাক মিঠা। ঋণজুনে একো ভৰা নাই। ভাবিবলৈতো একো নাই। মেডামক মাত্ৰ ক'ব লাগিব— খেলাই নহয় শুভনাই উপলৰ লগত ...পাঢ়বও। আৰু... আৰু... সাপ গছকা মানুহৰ দৰে ঋণজুন জিকাৰ মাৰি উঠি কপিবলৈ ধৰিলে। সেই দৃশ— সেই দৃশ্য! ফনা তোলা ফেটী সাপৰ ডিঙিত বজ্ৰ মুঠিৰে ধৰা সেই ক'লা ক'লা সৰু হাত দুখন ডাঙৰ হৈ গৈ গৈ ক্ৰমে ক্ৰমে আগুৱাই আহি থাকে আহি থাকে। শুভনাহঁতৰ সন্মুখত ফনা তুলি থিয় হৈ থকা ফেটীসাপৰ ডিঙিলৈ যদি সেই দুখন হাত হাজাৰ খন হৈ প্ৰসাৰিত হয়! যদি সেই দুখন হাত ঋণজুনৰ···আস্!

ঋণজুনৰ সন্মুখত যেন যেন! ঋণজুন কপিবলৈ ধৰিলে। কপাই অকল নহয় ঋণজুনৰ ডিঙি শুকাই গৈছিল।+++

- কঠোৰ অথচ গঠণমূলক সমালোচনাই সাম্প্ৰতিক সাময়িকীৰ মান উন্নত কৰাত সহায় কৰে।
- পাঠকৰ মতামত, আলোচনা সমালোচনা আমি সাদৰেৰে গ্ৰহণ কৰোঁ।
- ব্যক্তিগত যোগা-যোগ সকলো সময়তে সম্ভৱ নহয়।

সম্পাদক
সাঃ সাঃ

OKDISCD

# দুখন চুটি ৰচনা

অৰূপকুমাৰ গোস্বামী

[ এক ]

ছাত্ৰ ঃ আপুনি ঈশ্বৰৰ কথা কৈছে হয়, ঈশ্বৰ আছে বুলি প্ৰমাণ কৰি দিব পাৰিব জানো ? মই আপোনাৰ কথা কেনেকৈ বিশ্বাস কৰিম ?

শিক্ষক ঃ ( ক্ৰুদ্ধ হৈ, আৰু ভাবুকিৰ সুৰত ) ঃ তই বিজ্ঞানৰ ছাত্ৰ. বিদ্যুৎ আছে বুলি বিশ্বাস কৰ । কিন্তু বিদ্যুৎ কোনটো বা কিটো দেখুৱাই দিব পাৰিবি ? ছাত্ৰজনে ভয় খালে আৰু মনে মনে থাকিল । তাৰ মনত বিস্বাদ সৃষ্টি হ'ল !

সম্প্ৰতি আলোচ্য কথাটো হ'ল শিক্ষকজনে আগবঢ়োৱা, ওপৰত উল্লেখ কৰি অহা ক্ৰুদ্ধ তুলনাভিত্তিক যুক্তিটো ( analogy ) ।

বিদ্যুৎ দেখিব নোৱাৰি, কিন্তু বিদ্যুৎ আছে । অনুৰূপে, ঈশ্বৰ দেখিব নোৱাৰি, কিন্তু ঈশ্বৰ আছে ।

প্ৰয়োজনীয় প্ৰশ্নটো ঃ বিদ্যুৎ জানো দেখিব নোৱাৰি ? বিদ্যুতক দেখিব পাৰি, যেনেকৈ বতাহক দেখিব পাৰি ঃ বতাহৰ কাৰণে গছ লৰে ( দুলি থকা গছ দেখোঁ, অৰ্থাৎ বতাহ দেখোঁ ) ; বিদ্যুতৰ কাৰণে বাতি জ্বলে (জ্বলি থকা বাতি দেখোঁ., অৰ্থাৎ বিদ্যুৎ দেখোঁ ) । বতাহে আমাৰ দেহ স্পৰ্শ কৰে ( আমি শীত অনুভৱ কৰোঁ, অৰ্থাৎ বতাহ অনুভৱ কৰোঁ, অৰ্থাৎ বতাহৰ সত্যতা গম পাওঁ ), যেনেকৈ বিদ্যুতে আমাৰ দেহ স্পৰ্শ কৰে [ আমি বিদ্যুতৰ চমক অনুভৱ কৰোঁ, অৰ্থাৎ বিদ্যুৎ অনুভৱ কৰোঁ, অৰ্থাৎ বিদ্যুতৰ সত্যতা গম পাওঁ ) অতএব, স্পৰ্শ আৰু দৰ্শনৰ পৰা আমি নিশ্চিত যে বিদ্যুৎ সত্য । অনুৰূপভাৱে, ঈশ্বৰক স্পৰ্শ আৰু দৰ্শনৰ দ্বাৰা জানিব পাৰি জানো ? ঈশ্বৰ দৰাচলতে এক কল্পনা ।



ঈশ্বৰ এক কল্পনা, অৰ্থাৎ ঈশ্বৰ কল্পনাতে আছে— এই শিক্ষা ওপৰত উল্লেখ কৰি অহা শিক্ষকজনৰ কাৰণে অস্বস্তিকৰ । কিন্তু দৰাচলতেই ঈশ্বৰ বিদ্যুতৰ দৰে স্পৰ্শগ্ৰাহ্য, দৰ্শনগ্ৰাহ্য ঘটনা নহয়, হয় মাত্ৰ কল্পনা । এই কল্পনাৰ আঁতিগুৰি, ঐতিহাসিক অনিবাৰ্যতা ইত্যাদিৰ সম্পৰ্কত শিক্ষাদান সম্ভৱ । শিক্ষকজনে কথাটো বুজা হলে শিক্ষকজনো ক্ৰুদ্ধ হ'বলগীয়া নহ'ল হেঁতেন [ তেতিয়া তেখেতৰ অৱশ্যে দায়িত্ব বাঢ়িব ], ল'ৰাটোৰ মনতো বিস্বাদ নহ'ল হয় ; এটা ফলদায়ক আলোচনা সম্ভৱ হ'ল হয় ।++

[ দুই ]

হঠাৎ ৰূপালী পৰ্দাত ভিৰ কৰিব ল'ৰা-ছোৱালী, কিশোৰকিশোৰী .. বগাচোলা, ৰঙা-ক'লা জোতা-পেন্ট্ স্বাস্থ্যবান—বহুত ! আৰম্ভ হ'ব বাদ্যযন্ত্ৰৰ সুন্দৰ সমলয়িত বাদন । [ ভাব হয় ঃ কোনে আৱিষ্কাৰ কৰিলে ইমানবোৰ বাদ্য ! কাৰ নিপুণ হাতে সম্ভৱ কৰে সমলয় !] বাদ্যযন্ত্ৰৰ আবহ সমলয় ভেদ কৰি বৈ যাব [ যেন শ্যামল দুপাৰৰ মাজেৰে কোনো নদী ! ] শ্ৰেষ্ঠ একক গায়কৰ ( soprano ) অশ্ৰুসিক্ত কণ্ঠ ।

সংগীতৰ মৰ্ম ঃ এইযে সুন্দৰ চেহেৰাৰ ল'ৰা-ছোৱালী আৰু কিশোৰ কিশোৰী .. নাচিছে-বাগিছে, উজ্জ্বল ... ইহঁতো শেষ হ'ব ... সকলো দেহা মাটিৰ মম, গলি নাইকীয়া হ'ব । তাকে মই অগ্ৰজ (senior) গায়ক আৰু মোৰ অনুজ [ junior ] এই শিশু আৰু কিশোৰ-কিশোৰী গায়ক সকলোৰে মিলি গাওঁ ঃ

লা .. লা ... লাল্লাল্লা ... ।

ক্ষণস্থায়িত্বৰ— ভংগুৰতাৰ [evanescence] কথাটোৱেই আমাৰ অশ্ৰু-সিক্ত সংগীতৰ মৰ্মবস্তু .. আমাৰ সংগীতৰ প্ৰভাৱ মূলতঃ সান্ত্বনাৰ প্ৰভাৱ

যি বোলছবি গীতৰ আভাস ওপৰত দিবলৈ চেষ্টা কৰিলোঁ । (নাটকীয়তাখিনি অনুমিত ), সেই সংগীত চহৰত ( য'ৰ বোলছবি গৃহত সাম্প্ৰতিকে ভাৰতীয় সংগীতে ঘৰ ল'লে ) আটাইতকৈ প্ৰিয় বুলি ক'ব নোৱাৰি । মোৰ বোধেৰে যুৱকযুৱতীসকলৰ মাজত ( যুৱকযুৱতীয়েইতো স্বাভাৱিকতে সংগীত আটাইতকৈ ভাল পায় ) আটাইতকৈ প্ৰিয় সংগীত সেইটোয়েই, যিটোৱে বিভিন্ন কায়দা কৌশলেৰে, যন্ত্ৰ কণ্ঠৰ সহায়ত বন্দী কৰিছে ইতৰ প্ৰাকৃতিকতাক । ( সভ্য মানুহৰ এই কীৰ্তি ইতৰ প্ৰাণীৰ কাৰণে অসম্ভৱ ] কিন্তু ওপৰত আভাস দিয়া নাটকীয় (dramatised) বোল-



OKDISCD

ছবি সংগীত মোৰ বোধেৰে সেই বিস্ময়সঞ্চাৰী ঐতিহ্যৰ শেহতীয়া উত্তৰাধিকাৰী, যাৰ মহান নাম ভাৰতীয় ধ্ৰুপদী সংগীত। এই লেখক সেই সংগীতৰ পণ্ডিত বা বিশেষজ্ঞ নহওঁ। হিন্দী বোলছবিৰ সেইবোৰ গীতৰ আবেদন ওচৰত, যিবোৰ গীত ভাৰতীয় ধ্ৰুপদী সংগীতৰ ঐতিহ্যৰ বাহক বুলি বিখ্যাত, সচেতন শ্ৰোতাৰ দৰে, কলাৰ ছাত্ৰৰ দৰে নিজকে সঁপি দি, বুদ্ধিযুক্ত (critical) সহাৰিৰ দ্বাৰা, বহুদিন গমিপিতি এই লেখকে এক সাধাৰণ সিদ্ধান্ত কৰিছোঁ যে ভাৰতীয় ধ্ৰুপদী সংগীত আৰু তাৰ সাম্প্ৰতিক উত্তৰাধিকাৰী হিন্দী বোলছবি সংগীতৰ আলোচ্য ধাৰাৰ উদ্দেশ্য নিশ্চয় সান্ত্বনা।

ওপৰত যি ঐতিহ্যবাহী বোলছবি গীতটিৰ আভাস দিলোঁ, তাৰ পৰিকল্পনা কৰা হৈছে বোম্বেৰ সন্মানী চিত্ৰনিৰ্মাতা এজনাৰ ৰুচি অনুসৰি —এই সন্মানী চিত্ৰনিৰ্মাতাজনা ভাৰতৰ শ্ৰেষ্ঠ বুদ্ধিজীৱীসকলৰ বন্ধু। এই চিত্ৰনিৰ্মাতাৰ প্ৰভাৱ সাম্যবাদী ৰুছদেশৰ দৰ্শকৰ মাজত প্ৰবল।

এই চিত্ৰনিৰ্মাতাৰ (যাক কোৱা হয়) standard of life কি, সঠিকভাৱে এই লেখকে ক'ব নোৱাৰিম। কিন্তু এওঁৰ বোলছবিয়ে বোলে "সাংঘাতিক" টকা কৰে। বোলছবিৰ পৰ্দাৰ পৰা যি বুজা যায়, এই বৃদ্ধাবয়সৰ চিত্ৰপৰিচালকজনাৰ স্বাস্থ্য এতিয়াও এই লেখা পঢ়ি থকা বহুতকৈ বহুগুণে ভাল। তেওঁৰ সন্তানৰ (পৰ্দাত, বোলছবি আলোচনীত, এওঁলোককো দেখা যায়) চেহেৰাও অভাৱনীয়, জুইযেন। তথাপিতো, এই চিত্ৰনিৰ্মাতাই গান কৰিছে ভংগুৰতাৰ। কেনে তেওঁলোকৰ নৃত্যসমন্বিত গীতৰ পৰিকল্পনা!

বগাচোলা, ৰঙা-ক'লা জোতা পিন্ধা, সুন্দৰ বহুত ল'ৰা-ছোৱালী আৰু কিশোৰ-কিশোৰী (আমাৰ ভাৰতৰ ল'ৰাছোৱালী আৰু কিশোৰ-কিশোৰীৰ প্ৰতিনিধি?) হঠাৎ পৰ্দাত। লগে লগে আৰম্ভ দেশী-বিদেশী অনেক বাদ্যৰ সমলয়। (ভাব হয়: কোনে বজায় ইমান বাদ্য! কোনে আবিষ্কাৰ কৰিলে ইমান বাদ্য!) লাহেকৈ নগৰি ব ব ধৰে একক গায়কৰ (soprano) অশ্ৰুসিক্ত কণ্ঠ (পৰ্দাত পৃথক অভিনেতা কিন্তু! — পশ্চিমীয়া বোলছবিৰ গুৰুসকলৰ ঢঙৰ actor singer বোম্বেত আছে জানো?), যেন শ্যামল দুপাৰৰ মাজেৰে ক্ষীণ কিন্তু স্বচ্ছ পানীৰ কোনো জুৰি।

গীতৰ মৰ্ম: এইযে সুন্দৰ চেহেৰাৰ ল'ৰা-ছোৱালী আৰু কিশোৰ কিশোৰী, নাচিছে-বাগিছে, উজ্জ্বল.. ইহঁতো শেষ হ'ব... প্ৰতিটো দেহা মাটিৰ মম. নিৰলে গলি নাইকীয়া হ'ব।



সম্প্ৰতি জীৱনকালত এই বিষণ্ণ, সুৰীয়া জ্ঞানেই মাথোন শান্ত্বনা। অপ্ৰতিৰোধ্য বুলি নকওঁ; চহৰত শান্ত্বনাদায়িনী এইবিধতকৈ পূৰ্বে ইংগিত দি অহা আনবিধ হিন্দী বোলছবি গীতহে বেছি প্ৰিয়। কিন্তু এই যে আমাক শান্ত্বনা দিয়াৰ উদ্যোগটি, সি লক্ষণীয়। এই লেখক অসমীয়া; বঙালী সংগীত সম্পৰ্কে তেওঁৰ পাণ্ডিত্য নাই। কিন্তু ৰবীন্দ্ৰ সংগীত তেওঁ বিচাৰবুদ্ধি সহকাৰে শ্ৰৱণ কৰিছে আৰু যি বুজিছে ৰবীন্দ্ৰসংগীতৰো মূল উদ্যোগ ভাৰতীয় ৰাইজক সান্ত্বনা দিয়া।

কিন্তু এটা কথা: জোতা মোজা পিন্ধা, আমি বিজ্ঞাপনৰ লগত ছবিতহে দেখাৰ নিচিনা বিশিষ্ট সুন্দৰ ল'ৰা-ছোৱালী আৰু কিশোৰ-কিশোৰীসকলে ভংগুৰতাৰ (evanescence) বিষয়ে আপোনাৰ দৰে বয়স্ক আৰু অভিজ্ঞ এজনক ধৰ্মজ্ঞান দিব ওলাইছে, ভাবি ভাল লাগেনে? তদুপৰি, শান্ত্বনা বস্তুটোও অলপ অধৰ্মীয় আৰু ভেজাল হৈ নাযায়নে, যেতিয়া গানটোৰ মাজতে থাকে ... লা ... লা ... লাল্লাল্লা?

গায়কটোকো বোকা যেন নালাগেনে? + + +

## এটি ঘোষণা

● বহুতো পাঠকে প্ৰথম সংখ্যা (এপ্ৰিল '৭৬) "সাম্প্ৰতিক সাময়িকী'ৰ কপি বিচাৰি আমালৈ চিঠি লেখিছে। তেখেত সকলক দুখেৰে জনাওঁ যে আমাৰ আলোচনীৰ প্ৰথম সংখ্যাৰ এটা কপিও আমাৰ হাতত নাই। ২য় সংখ্যা (জুলাই '৭৬) আলোচনীৰ কপিও আমাৰ হাতত নাই। গতিকে পুৰণি সংখ্যা বিচাৰি আমালৈ যেন কোনেও চিঠি নেলেখে। ব্যক্তিগত যোগাযোগ সকলো সময়তে সম্ভৱ নহয়।

চাৰ্কুলেচন মেনেজাৰ
সাঃ সাঃ



OKDISCD

# চীন দেশত ব্যক্তিস্বাৰ্থ বনাম সাংস্কৃতিক বিপ্লৱ

উইলিয়াম হিনটন

সাংস্কৃতিক বিপ্লৱৰ পিচৰপৰাই চীনত ব্যক্তিকেন্দ্ৰীক মনোভাৱ ক্ৰমান্বয়ে হ্ৰাস পাবলৈ আৰম্ভ কৰিছে। তাৰ পৰিবৰ্তে সমাজমুখী চিন্তাৰ প্ৰভাৱ সকলোতে পৰিলক্ষিত হৈছে। এই কালছোৱাত চীনদেশৰ জনসাধাৰণে আত্মসন্ধান কৰিবলৈ শিকিলে আৰু সৃষ্টিমুখী কৰ্মত একেলগে নিজকে নিয়োজিত কৰিবলৈ সমৰ্থ হ'ল। সমাজ আৰু ইয়াৰ অনুষ্ঠানবোৰৰ শুধৰাণ আৰু পুনৰ গঠনৰ গুৰিতেই হ'ল ব্যক্তিগত পৰ্যায়ত সকলোধৰণৰ স্বাৰ্থপৰতাৰ বিৰোধিতা কৰবলৈ কৰা প্ৰচাৰ, যিটো চীন তথা পৃথিবীৰপৰাই পশ্চাদগামী (Revisionist) সকলক মষিমূৰ কৰিবলৈ লোৱা প্ৰথম খোজ আৰু যিটোত চীনৰ জনগণে অসাধাৰণ ভাবে সফলতা লাভ কৰিলে। সাংস্কৃতিক বিপ্লৱত অংশ গ্ৰহণ কৰা এজন আমেৰিকানৰ ব্যক্তিস্বাৰ্থ সম্পৰ্কে দিয়া উক্তিৰ তলত উদ্ধৃতি দিয়া হ'ল।

সকলো ঘটনাই কেতিয়াও পোনবাটে যাব নোৱাৰে। 'বাঁও' আৰু সোঁমুখী বিচ্যুতি ঘটনাপ্ৰবাহত সদায় বিৰাজমান আৰু ইহঁতৰ বিপক্ষে কৰা যুদ্ধৰ ফলতেই মানুহৰ চেতনা আন এটা উন্নত স্তৰত উপনীত হয়। এই দ্বন্দ্ব বৃহৎ অৰ্থত বিপ্লৱত ফুটি উঠাৰ উপৰিও আমাৰ নিজা চিন্তাজগততো ই প্ৰভাৱ বিস্তাৰ কৰে। বিপ্লৱৰ প্ৰতিটো কেঁকুৰিতে এই চিন্তাই আঠাৰ দৰে লাগি আমাৰ কৰ্মপদ্ধতি নিৰূপণ কৰে। সৰ্বহাৰাসকলে পৃথিৱীখন নকৈ গঢ় দিব বিচাৰে আৰু বুৰ্জোৱাই পশ্চাদগামীৰ ভাৱত অৱতীৰ্ণ হয়। বুৰ্জোৱাই নিজ স্বাৰ্থৰ খাতিৰত সৰ্বহাৰাৰ বিৰোধিতা কৰাটো স্বাভাৱিক। এই আঠাৰপৰা মুক্ত হ'বৰ কাৰণে সৰ্বহাৰাৰ প্ৰতিটো জোকাৰণিয়েই তেওঁলোকক এখোজ আগবঢ়াই নিয়ে। শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠা নোহোৱালৈকে এই জোকাৰণি অবিৰতভাবে চলি থাকিবলৈ বাধ্য। পুৰণি দ্বন্দ্বৰ তেতিয়াই অন্ত পৰি আকৌ নতুনৰ সৃষ্টি হ'ব।



বুৰ্জোৱাৰ ধ্যান ধাৰণাৰ বিপক্ষে আমাৰ মগজত চলা যুদ্ধই হ'ল 'ব্যক্তিৰ' বিৰুদ্ধে চলা যুদ্ধ। আমাৰ মাজত থকা 'ব্যক্তি' এ অতি স্বাভাৱিক এক আঠাৰ দৰে আমাৰ প্ৰতিটো চিন্তাকেই ইয়াৰ উপযোগীকৈ ভাঁজ দিবলৈ চেষ্টা কৰে। এই মাৰাত্মক আঠাৰ চাতুৰিৰ বিৰুদ্ধে কৰা দীঘলীয়া সংগ্ৰাম আৰু সতৰ্কতাইহে আমাক বিপ্লৱৰ পথেদি আগবঢ়াই নিব পাৰে। শত্ৰুৱে ভালদৰেই জানে যে আমাৰ মাজত থকা ব্যক্তিগত স্বাৰ্থই আমাৰ আটাইতকৈ দুৰ্বল স্থান আক ইয়াৰ যোগেদি সিহঁতে যি কোনো উপায়েৰে আমাক বিভ্ৰান্ত কৰিবলৈ অহৰহ চেষ্টা চলায়। কিন্তু ব্যক্তিস্বাৰ্থক কেৱল অকল শত্ৰুৱেই ব্যৱহাৰ নকৰে... আমি নিজেও নিজৰ বিৰুদ্ধে ইয়াক প্ৰয়োগ কৰোঁ, যাৰ ফলত আমাৰ অলক্ষিতেই আমাৰ চকুত ক'লা চামনি পৰি আমাক অন্ধ কৰে। আমাৰ সকলোবোৰ স্ব-চিন্তা যেতিয়া ব্যক্তিগত স্বাৰ্থক কেন্দ্ৰ কৰি গঢ় লয় তেতিয়াও আমি বাস্তৱ বস্তুনিষ্ঠ পৃথিৱীৰ প্ৰতি উদাসীন হওঁ। ব্যক্তিস্বাৰ্থই হ'ল পথৰ আটাইতকৈ ডাঙৰ বাধা, যি বস্তুগত পৃথিৱীৰ সূত্ৰসমূহ নিৰূপণ কৰাত অভিজ্ঞতাৰপৰা পাব পৰা জ্ঞানক বিকৃত কৰে। বুৰ্জোৱা বিজ্ঞানীয়ে যদিও প্ৰকৃতিৰ কিছুমান সত্য উদঘাটন কৰিবলৈ সমৰ্থ হৈছে তথাপিতো বহুতো বাকী আছে। তেওঁলোকে ব্যক্তিগত স্বাৰ্থত আঘাট নকৰা সূত্ৰসমূহহে সঠিককৈ নিৰূপণ কৰিব পাৰিছে। যেতিয়াই তেওঁলোকৰ ব্যক্তিৰ আত্মাক স্পৰ্শ কৰা হয়, তেতিয়াই তেওঁলোক অন্ধ হৈ পৰে।

তা'চাইৰ খেতিয়কসকল কৃষিৰ ক্ষেত্ৰত বৈপ্লবিক শ্ৰেণী-শক্তি প্ৰয়োগৰ বাটকটীয়া। তেওঁলোকে সকলোধৰণৰ হীন স্বাৰ্থপৰতা পৰিত্যাগ কৰি ব্যক্তিগত আৰু সমূহীয়া সমালোচনাৰে সমূহীয়া সম্পত্তি, সমূহীয়া উৎপাদন আৰু সমূহীয়া সামাজিক কামক ৰক্ষণাবেক্ষণ দিছে। প্ৰথমতে এই দেশৰ ক'অপাৰেটিভ আৰু কমিউনসমূহ ছোভিয়েট ৰুছিয়াৰ আদৰ্শত গঢ়ি উঠিছিল। প্ৰতিজন কমিউন শ্ৰমিকৰ উপাৰ্জন শ্ৰমমূল্য (work point)ৰ দ্বাৰা নিৰ্ধাৰিত কৰা হৈছিল। সুবিধাৰ কাৰণে শ্ৰমিকজনৰ বুদ্ধিমত্তা, কামৰ-বোজা আদিলৈ চাই প্ৰতিটো কামৰ কাৰণেই শ্ৰম মূল্য নিৰ্ধাৰণৰ নিয়ম প্ৰৱৰ্তিত আছিল। কোনো শ্ৰমিকে নিতৌ কিমান পৰিমাণৰ আৰু কিমান উচ্চস্তৰৰ কাম কৰিলে তাৰ বিশদ টোকা ৰাখিব লাগিছিল। এনে ব্যৱস্থাৰ ফলত অনেক খেলি মেলিয়ে দেখা দিলে। সমূহীয়া কামৰ পৰিবৰ্তে শ্ৰমিকসকলে শ্ৰম মূল্যৰ ফালে বেছি মনোযোগ দিলে আৰু



OKDISCD

অধিক পাৰিশ্ৰমিকৰ কাৰণে সহজে শ্ৰম মূল্য পোৱা কাম বিচাৰিবলৈ ধৰিলে। ইয়াৰ ফলত দেৰিকৈ উপস্থিত আৰু সোনকালে বিদায় লোৱাৰ নিয়মহে প্ৰবৰ্ত্তিত হ'ল। ফলত অনেক কেৰাণী-মহৰীৰ সৃষ্টি হ'ল, যিসকলে শ্ৰমিকসকলৰ কামত সহায় কৰাৰ পৰিবৰ্তে কোনে কিমান কাম কৰিছে তাৰহে খতিয়ান ৰাখিব লগা হ'ব। ইয়াৰ ফলত খেতিয়ক আৰু কেডাৰ-সকলৰ মাজত, খেতিয়কসকলৰ নিজৰ মাজত আৰু খেতিয়কসকল আৰু দেশৰ মাজত সংঘাটৰ সৃষ্টি হ'ল।

তা'চাইত এই সকলোবোৰ গোলমলীয়া পদ্ধতিৰ অন্ত পেলাই প্ৰতিজন শ্ৰমিকৰ দৈনিক কাম কাজৰ ৰেকৰ্ড ৰখাৰ সলনি শ্ৰমিক হিচাপে এজনৰ যোগ্যতা একোটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে বিচাৰ কৰাৰ দিহা কৰা হ'ল। এই ন ব্যৱস্থাৰ মূল সূত্ৰটো হ'ল— 'সৰ্বান্তঃকৰণে জনসাধাৰণৰ সপক্ষে কাম কৰা, নিজৰ শ্ৰম মূল্য নিজেই বিচাৰ কৰি জনসাধাৰণৰ সমৰ্থন লাভ কৰা। একোটা কষ্টকৰ কামৰ সাফল্যৰ অন্তত দলৰ একোটা বৈঠক বহে আৰু তাতেই প্ৰতিজন সভ্যই দহৰ ভিতৰত কিমান শ্ৰম মূল্য তেওঁৰ প্ৰাপ্য নিজেই সমজুৱাকৈ কয়। দলৰ বাকীসকল সভ্যই সমূহীয়া আলোচনা বিলোচনাৰ মাজেদি সেই শ্ৰম মূল্য যদি উপযুক্ত হয় তেন্তে অনুমোদন কৰে। এইটো যদি বৰ উচ্চ বা নিম্ন হয় তেন্তে ইয়াৰ বিষয়ে সকলোৱে আলোচনা কৰি সৰ্বসন্মত এটা সিদ্ধান্তলৈ আহে।

প্ৰথমতে এজন শ্ৰমিকৰ শ্ৰমমূল্য নিৰ্ধাৰণৰ কাৰণে প্ৰয়োজন হোৱা এটা আদৰ্শ শ্ৰম মানৰ কাৰণে তা'চাইৰ ৰাইজে কেইজনমান মডেল বাছি লৈছিল— যিসকলৰ প্ৰগতিশীল আদৰ্শ, শক্তিশালী কৰ্মক্ষমতা, বুদ্ধিমত্তা আৰু লগে লগে উৎপাদন ক্ষমতা বাকীসকলৰ কাৰণে আদৰ্শ আছিল। এই মডেলসমূহৰ লগত তুলনা কৰি যি সকলৰ উপাৰ্জন দৈনিক ১০ নম্বৰৰ সমান আছিল, বাকী সকলে নিজৰ নিজৰ শ্ৰম মূল্য নিৰ্ধাৰণ কৰি লৈছিল। পিচলৈ যেতিয়া ৰাজনৈতিক সচেতনতা বাঢ়িল আৰু সমূহীয়া কামৰ কাৰণে উদ্যম আৰু উৎসাহ যেতিয়া সাধাৰণ হৈ পৰিল, তেতিয়া বহুবোৰ মানুহ মডেলৰ শাৰিলৈ উন্নীত হ'ল আৰু আদৰ্শ শ্ৰম মানৰ কাৰণে বেলেগ এককৰ প্ৰয়োজন হ'ল। তেতিয়া আদৰ্শ শ্ৰম মানে টান কামত সম্পূৰ্ণ এদিনকেই বুজোৱা হ'ল। ইয়াৰ লগত খাপখুৱাই খেতিয়কসকলে নিজৰ শ্ৰমমূল্য নিৰ্ধাৰণ কৰিবলৈ ধৰিলে। কিন্তু ইয়াৰ ফলতো যেতিয়া বিস্তৃত ৰেকৰ্ড ৰখাৰ প্ৰয়োজন হ'ল তেতিয়া এই ব্যৱস্থাতো উঠাই দিয়া হ'ল আৰু তাৰ



পৰিবৰ্তে বছৰটোৰ শেষত সকলোবোৰ শস্য চপোৱাৰ মূৰতহে একোটা আদৰ্শ শ্ৰম দিনৰ মান গণনা কৰা নিয়ম প্ৰবৰ্ত্তিত হ'ল।

এনেধৰণৰ আদৰ্শ কৰ্মদিনৰ ব্যৱস্থাই বহুটো অসুবিধাজনক অৱস্থাৰ অন্ত পেলালে। শ্ৰম মূল্যৰ কাৰণে সৃষ্টি হোৱা বিশৃংখলতা নাইকীয়া কৰাৰ উপৰিও এনে ব্যৱস্থাই সুবিধাবাদী এচাম মানুহৰ অন্ত পেলালে। পৰিদৰ্শন ব্যৱস্থাৰো অন্ত পৰিল। সকলোধৰণৰ বাধাৰ পৰা কেডাৰ সকল উৎপাদন মুখী শ্ৰমৰ কাৰণে মুক্ত হ'ল। এই ব্যৱস্থাৰ সুফলৰ গুৰিতেই হ'ল ৰাজনৈতিক সচেতনতা, আৰু সমবায়ৰ প্ৰতিটো কঠিন কামৰ কাৰণে উৎসাহ। ইয়াৰ লগতে ব্যক্তিগত লাভ লোকচানৰ তৰ্ক-বিতৰ্কৰো ওৰ পৰিল।

এইদৰে কোটি-কোটি মানুহে যেতিয়া ব্যক্তিস্বাৰ্থৰ বিৰুদ্ধে যুদ্ধ কৰি পশ্চাদগামী মনোভাৱক বাধা দিবলৈ ধৰিলে জনগণৰ চেতনাই উন্নতিৰ পথত এক অসাধাৰণ জঁাপ মাৰিলে, যাৰ ফল চীন দেশৰ জীৱন আৰু সংস্কৃতিৰ প্ৰতিটো শাখাতেই উজ্বল হৈ জিলিকি উঠিল। এইটো কথা স্থিৰ নিশ্চিত যে ভৱিষ্যতে চীনত পুঁজিবাদী-শক্তিয়ে মূৰ ডাঙিবলৈ যথেষ্ট কষ্ট কৰিব লাগিব। +++

অনু—প্ৰশান্ত আচাৰ্য

---

পাদটীকা ঃ

(1) ইয়াৰ "বাঁও" শব্দৰ দ্বাৰা অতি-বাঁওমুখী (ultra leftism) বিচ্যুতিক বুজোৱা হৈছে।

—অনুবাদক।



OKDISCD

অধিক পাৰিশ্ৰমিকৰ কাৰণে সহজে শ্ৰম মূল্য পোৱা কাম বিচাৰিবলৈ ধৰিলে। ইয়াৰ ফলত দেৰিকৈ উপস্থিত আৰু সোনকালে বিদায় লোৱাৰ নিয়মহে প্ৰবৰ্তিত হ'ল। ফলত অনেক কেৰাণী-মহৰীৰ সৃষ্টি হ'ল, যিসকলে শ্ৰমিকসকলৰ কামত সহায় কৰাৰ পৰিবৰ্তে কোনে কিমান কাম কৰিছে তাৰহে খতিয়ান ৰাখিব লগা হ'ব। ইয়াৰ ফলত খেতিয়ক আৰু কেডাৰ-সকলৰ মাজত, খেতিয়কসকলৰ নিজৰ মাজত আৰু খেতিয়কসকল আৰু দেশৰ মাজত সংঘাটৰ সৃষ্টি হ'ল।

তা'চাইত এই সকলোবোৰ গোলমলীয়া পদ্ধতিৰ অন্ত পেলাই প্ৰতিজন শ্ৰমিকৰ দৈনিক কাম কাজৰ ৰেকৰ্ড ৰখাৰ সলনি শ্ৰমিক হিচাপে এজনৰ যোগ্যতা একোটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে বিচাৰ কৰাৰ দিহা কৰা হ'ল। এই ন ব্যৱস্থাৰ মূল সূত্ৰটো হ'ল— 'সৰ্বান্তঃকৰণে জনসাধাৰণৰ সপক্ষে কাম কৰা, নিজৰ শ্ৰম মূল্য নিজেই বিচাৰ কৰি জনসাধাৰণৰ সমৰ্থন লাভ কৰা। একোটা কষ্টকৰ কামৰ সাফল্যৰ অন্তত দলৰ একোটা বৈঠক বহে আৰু তাতেই প্ৰতিজন সভ্যই দহৰ ভিতৰত কিমান শ্ৰম মূল্য তেওঁৰ প্ৰাপ্য নিজেই সমজুৱাকৈ কয়। দলৰ বাকীসকল সভ্যই সমূহীয়া আলোচনা বিলোচনাৰ মাজেদি সেই শ্ৰম মূল্য যদি উপযুক্ত হয় তেন্তে অনুমোদন কৰে। এইটো যদি ৰৰ উচ্চ বা নিম্ন হয় তেন্তে ইয়াৰ বিষয়ে সকলোৱে আলোচনা কৰি সৰ্বসন্মত এটা সিদ্ধান্তলৈ আহে।

প্ৰথমতে এজন শ্ৰমিকৰ শ্ৰমমূল্য নিৰ্ধাৰণৰ কাৰণে প্ৰয়োজন হোৱা এটা আদৰ্শ শ্ৰম মানৰ কাৰণে তা'চাইৰ ৰাইজে কেইজনমান মডেল বাছি লৈছিল— যিসকলৰ প্ৰগতিশীল আদৰ্শ, শক্তিশালী কৰ্মক্ষমতা, বুদ্ধিমত্তা আৰু লগে লগে উৎপাদন ক্ষমতা বাকীসকলৰ কাৰণে আদৰ্শ আছিল। এই মডেলসমূহৰ লগত তুলনা কৰি যি সকলৰ উপাৰ্জন দৈনিক ১০ নম্বৰৰ সমান আছিল, বাকী সকলে নিজৰ নিজৰ শ্ৰম মূল্য নিৰ্ধাৰণ কৰি লৈছিল। পিচলৈ যেতিয়া ৰাজনৈতিক সচেতনতা বাঢ়িল আৰু সমূহীয়া কামৰ কাৰণে উদ্যম আৰু উৎসাহ যেতিয়া সাধাৰণ হৈ পৰিল, তেতিয়া বহুবোৰ মানুহ মডেলৰ শাৰিলৈ উন্নীত হ'ল আৰু আদৰ্শ শ্ৰম মানৰ কাৰণে বেলেগ এককৰ প্ৰয়োজন হ'ল। তেতিয়া আদৰ্শ শ্ৰম মানে টান কামত সম্পূৰ্ণ এদিনকেই বুজোৱা হ'ল। ইয়াৰ লগত খাপখুৱাই খেতিয়কসকলে নিজৰ শ্ৰমমূল্য নিৰ্ধাৰণ কৰিবলৈ ধৰিলে। কিন্তু ইয়াৰ ফলতো যেতিয়া বিস্তৃত ৰেকৰ্ড ৰখাৰ প্ৰয়োজন হ'ল তেতিয়া এই ব্যৱস্থাতো উঠাই দিয়া হ'ল আৰু তাৰ



পৰিবৰ্তে বছৰটোৰ শেষত সকলোবোৰ শস্য চপোৱাৰ মূৰতহে একোটা আদৰ্শ শ্ৰম দিনৰ মান গণনা কৰা নিয়ম প্ৰবৰ্তিত হ'ল।

এনেধৰণৰ আদৰ্শ কৰ্মদিনৰ ব্যৱস্থাই বহুটো অসুবিধাজনক অৱস্থাৰ অন্ত পেলালে। শ্ৰম মূল্যৰ কাৰণে সৃষ্টি হোৱা বিশৃংখলতা নাইকীয়া কৰাৰ উপৰিও এনে ব্যৱস্থাই সুবিধাবাদী এচাম মানুহৰ অন্ত পেলালে। পৰিদৰ্শন ব্যৱস্থাৰো অন্ত পৰিল। সকলোধৰণৰ বাধাৰ পৰা কেডাৰ সকল উৎপাদন মুখী শ্ৰমৰ কাৰণে মুক্ত হ'ল। এই ব্যৱস্থাৰ সুফলৰ গুৰিতেই হ'ল ৰাজ-নৈতিক সচেতনতা, আৰু সমবায়ৰ প্ৰতিটো কঠিন কামৰ কাৰণে উৎসাহ। ইয়াৰ লগতে ব্যক্তিগত লাভ লোকচানৰ তৰ্ক-বিতৰ্কৰো ওৰ পৰিল।

এইদৰে কোটি-কোটি মানুহে যেতিয়া ব্যক্তিস্বাৰ্থৰ বিৰুদ্ধে যুদ্ধ কৰি পশ্চাদগামী মনোভাৱক বাধা দিবলৈ ধৰিলে জনগণৰ চেতনাই উন্নতিৰ পথত এক অসাধাৰণ জঁপ মাৰিলে, যাৰ ফল চীন দেশৰ জীৱন আৰু সংস্কৃতিৰ প্ৰতিটো শাখাতেই উজ্বল হৈ জিলিকি উঠিল। এইটো কথা স্থিৰ নিশ্চিত যে ভৱিষ্যতে চীনত পুঁজিবাদী-শক্তিয়ে মূৰ ডাঙিবলৈ যথেষ্ট কষ্ট কৰিব লাগিব। +++

অনু—প্ৰশান্ত আচাৰ্য

---

পাদটীকা ঃ

(1) ইয়াৰ "বাঁও" শব্দৰ দ্বাৰা অতি-বাঁওমুখী (ultra leftism) বিচ্যুতিক বুজোৱা হৈছে। —অনুবাদক।



OKDISCD

দ্বিজেন দাস

# ইতিহাসৰ ধাৰণা আৰু মাৰ্ক্সবাদী ব্যাখ্যা

কুৰি শতিকাৰ এই শেহ ভাগতো ভাৰতবৰ্ষ বিশেষকৈ অসমত বৈজ্ঞানিক ইতিহাস চিন্তা-চৰ্চাৰ বাট মুকলি নোহোৱাৰ অন্যতম কাৰণ হ'ল ইতিহাসৰ যথাৰ্থ অৰ্থ বুজাৰ অপাৰগতা, সমাজত বস্তুনিষ্ঠ চিন্তাৰ অভাৱ। আমাৰ প্ৰচলিত ইতিহাসৰ ধাৰাই মানুহৰ মনত এটা ভ্ৰান্ত ধাৰণা সৃষ্টি কৰিছে যে ইতিহাস হ'ল অতীতৰ ৰজা মহাৰজাৰ যুদ্ধ-বিগ্ৰহ আমোদ-প্ৰমোদ আৰু ঘটনাৱলীৰ অৰ্থহীন দিনলিপি, একশ্ৰেণী মানুহৰ নিৰ্বুদ্ধিতাৰ তালিকা। সন্দেহ নাই, ইতিহাসৰ বিষয়বস্তু হ'ল অতীত। কিন্তু সেই অতীত নিৰ্জীৱ জড় নহয়। অতীতৰ বুকুত জীয়াই থাকে বৰ্তমান। অতীতৰ সা-সজুলীৰ ওপৰত নিৰ্ভৰ কৰিয়েই মানৱ সভ্যতাৰ উত্তৰণ ঘটি আছে— প্ৰাচীন সাম্যবাদী সমাজৰ পৰা বৈজ্ঞানীক সমাজবাদলৈ। সেইবুলি অতীত প্ৰীতিৰ আতিশয্যই ঐতিহাসিকক বিভ্ৰান্ত কৰাৰ যথেষ্ট থল থাকে। অতীতৰ প্ৰতি nostalgic romantic ধাৰণাই বৰ্তমান আৰু ভবিষ্যতৰ সমাজৰ ওপৰত ক্ষতিকাৰক প্ৰতিক্ৰিয়া সৃষ্টি কৰে। এই ধাৰণাৰ আবেগত উটি যোৱাৰ বাবে প্ৰায় ক্ষেত্ৰত আমাৰ ঐতিহাসিকে ইতিহাসৰ প্ৰতি বৈজ্ঞানীক কৌতুহল আৰু দৃষ্টি নিক্ষেপ কৰিব পৰা নাই। ফলস্বৰূপে তেওঁলোক যিমান কল্পনাপ্ৰৱণ সিমান কিন্তু সত্যনিষ্ঠ নহয়। ৰামায়ণ, মহাভাৰত বা শাস্ত্ৰ বচন সমূহক বৈজ্ঞানীক দৃষ্টিত পৰীক্ষা নিৰীক্ষা কৰাৰ পৰিৱৰ্তে অবৈজ্ঞানীক বিশ্বাসৰ ওপৰত জোৰ দিয়ে— বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ— তৰ্ক নাই, যুক্তি নাই মাত্ৰ অন্ধবিশ্বাস— আত্মসমৰ্পণ তত্ত্ব। এই ধাৰণাৰ কাৰণ হ'ল ঐতিহাসিকৰ বাস্তৱ জীৱন সম্বন্ধে আগ্ৰহ বা বোধৰ অভাৱ। আন এটা কথা এই ক্ষেত্ৰত মন কৰিবলগীয়া যে অতীতৰ প্ৰতি nostalgic romanticism য়ে উগ্ৰ জাতীয়তাবাদক সাৰ পানীৰে পৰিপুষ্ট কৰে। যি যুক্তি মানুহৰ বাস্তৱ জীৱনৰ দ্বাৰাই পৰিক্ষীত নহয় সেই যুক্তি বা তত্ত্বকলৈ কোনো ধৰণৰ বৈজ্ঞানীক আলোচনা হ'ব নোৱাৰে। যি যুক্তি বা তত্ত্ব অনুমানসাপেক্ষ তাৰ দ্বাৰা কেতিয়াও ইতিহাস চৰ্চা হ'ব নোৱাৰে। জ্ঞানৰ ভিত্তি হ'ল মানুহৰ বাস্তৱ কৰ্মতৎপৰতা আৰু মানুহে জ্ঞান অৰ্জন কৰে বাস্তৱ ফল লাভৰ আশাত। আচলতে ইতিহাস চৰ্চাৰ কেন্দ্ৰ বিন্দু হ'ল মানুহ। মানুহে জৈৱীক তাগিদাত সুখ সম্পদৰ বাবে কৰা সংগ্ৰামেই হ'ল প্ৰকৃত ইতিহাস। আৰু সেই সংগ্ৰামৰ মাজেদি মানৱ সভ্যতাই বিভিন্ন স্তৰ অতিক্ৰম কৰি বৰ্তমানৰ স্তৰত উপনীত হৈছে। ইতিহাসক কলা হিচাপে ধৰিলেও ইতিহাসৰ এটা নিজস্ব চৰিত্ৰ আৰু বৈশিষ্ট্য আছে। ইতিহাস হ'ল নৈৰ্ব্যক্তিক। এইখিনিতে আন আন কলাৰ লগত ইতিহাসৰ পাৰ্থক্য। সামাজিক বিকাশৰ ধাৰা সৰল নহয়। কাৰণ সমাজ জীৱন পৰিৱৰ্তনত যিটো শক্তিয়ে সবলভাৱে ক্ৰিয়া কৰে, সেইটো হ'ল মানুহৰ ক্ৰিয়া সচেতন কৰ্মতৎপৰতা— চালিকা শক্তি। সামাজিক পৰিবৰ্তনৰ চালিকা শক্তিকলৈ বিভিন্ন মনীষীয়ে বিভিন্ন ব্যাখ্যা দাঙি ধৰিবৰ চেষ্টা কৰিছে। কিন্তু বেছি ভাগ ক্ষেত্ৰত বাস্তৱ জীৱন উপেক্ষা কৰাৰ বাবে তেওঁলোকৰ ব্যাখ্যা হৈছে পৰস্পৰ বিৰোধী। আমাৰ এই আলোচ্য প্ৰবন্ধত ইতিহাসৰ ধাৰণা সম্বন্ধে বিভিন্নজনৰ বক্তব্য আৰু মাৰ্ক্সৰ বস্তুবাদী ব্যাখ্যাৰ এটা সাধাৰণ আলোচনা দাঙি ধৰাৰ চেষ্টা কৰা হ'ব।

সাধাৰণতে গ্ৰীক ঐতিহাসিক হেৰো ডোটাছক আধুনিক ইতিহাসৰ জনক বুলি অভিহিত কৰা হয়। হেৰো ডোটাচৰ নেতৃত্বত, গ্ৰীকসকলে ইতিহাসক বিজ্ঞান আৰু মানুহৰ বাস্তৱ কৰ্মৰ অংগ হিচাবে স্বীকাৰ কৰে। গ্ৰীকৰ ইতিহাস পৌৰাণিক বা অনন্ত সময়ৰ বিৱৰণী নহয়, অতীতত ঘটা ঘটনাৰ অনুসন্ধান। খৃঃ পূঃ ৫ম আৰু ৬ষ্ঠ শতিকাত গ্ৰীকত বাগ্মিতা এটা বিশিষ্ট কলা হিচাপে গণ্য কৰা হৈছিল। হেৰোডোটাছ এই কলাত বিশেষ পাৰদৰ্শী আছিল। এথেন্স বাসীৰ মনত এটা বিশেষ আদৰ্শ জগাই তোলাৰ কাৰণে তেওঁ ইতিহাসত বীৰত্ব, ভয়, ভাগ্যবিপৰ্যয়, আদি অৱতাৰণা কৰিছিল। ৰোমান ঐতিহাসিক লিভিয়ে ইতিহাসৰ দ্বাৰাই মানুহক নৈতিক শিক্ষা দিব বিচাৰিছিল। গ্ৰীক ৰোমান ঐতিহাসিকৰ মতে ইতিহাসৰ অগ্ৰগতি নিৰ্ভৰ কৰে ভবিষ্যতৰ ওপৰত আৰু মানুহ আকস্মিক আৰু নিষ্ঠুৰ ভাগ্যৰ সন্মুখত অসহায় বলি। গতিকে মানুহৰ নিয়তী বা ভাগ্যৰ ওচৰত আত্মসমৰ্পন কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাই।



OKDISCD

গ্ৰীকৰোমান ঐতিহাসিকক প্ৰত্যাহ্বান জনায় মধ্যযুগীয় খ্ৰীষ্টান ঐতি-হাসিকসকলে। এই ধাৰাৰ সমৰ্থকসকলৰ মতে খ্ৰীষ্ট পূৰ্ব্বৰ মানুহৰ সমগ্ৰ ইতিহাস হ'ল খ্ৰীষ্ট আবিৰ্ভাৱৰ প্ৰস্তুতি পথ আৰু পৰৱৰ্তী ইতিহাস ত'ব প্ৰলয়ৰ। খ্ৰীষ্টান নীতিৰ ওপৰত লিখিত যিকোনো ইতিহাস হ'ল প্ৰয়োজনীয়ভাৱে বিশ্বজনীন, (Universal) দৈবাধীন, (Providentical) দৈবী প্ৰকাশযুক্ত (apocalyptic) আৰু যুগ বিভক্ত (Periodized)। এই ধাৰাৰ পৃষ্ঠপোষক যাজকসকল। খ্ৰীষ্টান ইতিহাসে অলৌকিক ঐশ্বৰীক বা দৈবাধীন ঘটনাৰ ওপৰত আত্ম-সমৰ্পণেই মানুহৰ মুক্তিৰ দিশ বুলি নিৰ্ণয় কৰিছে। অথচ মানুহৰ সাধাৰণজ্ঞান আৰু অভিজ্ঞতাৰে খোকোজা লগা কথাক শাস্ত্ৰৰ গুপুত ৰহস্য বুলি ঢাকি ৰাখিলে। ইউৰোপৰ মধ্যযুগীয় ঐতিহাসিকৰ মতে ইতিহাসত এটা বিষয়ীগত পৰিকল্পনা (Objective plan) আছে আৰু সেই কথা লাভ কৰিব পাৰি প্ৰত্যাদেশৰ দ্বাৰা। ঈশ্বৰে খ্ৰীষ্টৰ মাধ্যমত যি প্ৰত্যাদেশ দিছে, ইতিহাস তাৰেই অংশ। এইদৰে সৃষ্টিৰ পাতনিৰ পৰা ধ্বংস পৰ্যন্ত সমগ্ৰ মানৱ ইতিহাস খ্ৰীষ্টান ঐতি-হাসিকৰ চকুত ধৰা পৰে। ইতিহাস ৰচনাৰ ক্ষেত্ৰত মধ্যযুগীয় ঐতিহাসিকে দৃষ্টি নিক্ষেপ কৰে শেষ বিন্দুৰ পিনে যিটো বিন্দু ঈশ্বৰৰ দ্বাৰাই পূৰ্বজ্ঞাত। 'মধ্যযুগীয় চিন্তাধাৰাত ঈশ্বৰৰ বিষয় উদ্দেশ্য ( Objective purpose ) আৰু মানুহৰ বিষয় মুখী উদ্দেশ্য (Subjective purpose) বিৰোধীতা এনে ধৰণে ধাৰণা কৰা হয় যে ঈশ্বৰৰ উদ্দেশ্য ইতিহাসৰ বুকুত এক নিৰ্দিষ্ট বিষয়ী মুখী পৰিকল্পনা হিচাপে প্ৰতিভাত হয়। তাৰপৰা এইটো ধাৰণা হয় যে মানুহৰ উদ্দেশ্যাই ইতিহাসৰ গতিপথত কোনো পাৰ্থক্য সৃষ্টি নকৰে। আন হাতে যি একমাত্ৰ শক্তিয়ে ইতিহাসৰ গতি নিৰ্ণয় কৰে, সিও হৈছে দৈব্য প্ৰকৃতি।' (ইতিহাসৰ ধাৰণা—কলিংউড ভাবানুবাদ ,পৃঃ-৫৫) মধ্য যুগীয় ঐতিহাসিকৰ ধাৰণাত মানবৰ সজ্ঞান কৰ্মতৎপৰতাৰ বিবৰণৰ কোনো গুৰুত্ব নাই। অতীতৰ ঘটনা উদ্ধাৰ প্ৰাথমিক কৰ্তব্যৰ প্ৰতিও তেওঁলোকৰ অনিচ্ছা। সেয়েহে মধ্যযুগীয় ইতিহাসৰ আলোচনা পদ্ধতি বৰ দুৰ্বল। এই দুৰ্বলতা আকস্মিক নহ । ইতিহাসৰ নিখুত বৰ্ণনা তেওঁলোকৰ বাবে কৰ্তব্য নহয়। মাত্ৰ কথা হ'ল দৈবী গুণৰ নিখুত বৰ্ণনা।

বিংশ শতাব্দীৰ এই ধাৰাৰ সমৰ্থক হ'ল টয়নবী। মাৰ্ক্সৰ ইতিহাস ব্যাখ্যাৰ প্ৰত্যুত্তৰ দাত হিচাপে বুৰ্জোৱা ভাব জগতত টয়নবীৰ আদৰৰ



OKDISCD

নাই। তেওঁ 'ইতিহাসৰ অধ্যয়ন'ত দাঙি ধৰিছে যে মানব সভ্যতা গঢ়ি উঠিছে পাঁচোটা মানব গোষ্ঠীৰ দ্বাৰা, খ্ৰীষ্টান ধৰ্ম (Western Christendom) পূৰ্ব খ্ৰীষ্টান (Eastern or Byzantine Christendom), ইছলাম ধৰ্ম, হিন্দু ধৰ্ম, আৰু সুদূৰ প্ৰাচ্য। টয়নবীৰ মতে ইতিহাসৰ বিশেষ বিশেষ পৰ্যায়ত বিশেষ বিশেষ সমাজ প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু সেই প্ৰত্যাহ্বানৰ সঠিক উত্তৰ দিব পাৰিলে সভ্যতাৰ উৎপত্তি হয়। এনেকুৱা প্ৰত্যাহ্বানৰ সন্মুখ হৈছিল নীল নদীৰ এদল চিকাৰী। ফলত নীল নদীৰ সভ্যতাৰ উৎ-পত্তি হৈছিল। আচলতে উৎপাদিকা শক্তিৰ বিকাশৰ ফলতেই নীলনদীৰ সভ্যতাৰ উৎপত্তি। কাৰণ মানব সমাজৰ পৰিবৰ্তনৰ মূল কাৰণ হ'ল উৎ-পাদিকা শক্তিৰ বিকাশ। বিশ্বৰ প্ৰতিটি সভ্যতাৰ উৎপত্তিৰ মূলতেই হ'ল উৎপাদিকা শক্তিৰ বিকাশৰ ফলশ্ৰুতি। টয়নবীৰ ইতিহাস আলোচনা পদ্ধতি ত্ৰুটিপূৰ্ণ। তেওঁ ইতিহাসক নিষ্ক্ৰিয় বুদ্ধিমান দৰ্শক বুলি গণ্য কৰে। প্ৰখ্যাত বৃটিছ ঐতিহাসিক কলিংউডে টয়নবীৰ ইতিহাস পদ্ধতি সম্পৰ্কে মন্তব্য কৰিছে— 'তেওঁ (টয়নবী) ইতিহাসক মাথো এটা দৃশ্য হিচাপে কল্পনা কৰে। এই দৃশ্যৰ (বুৰঞ্জীবিদজনৰ) দ্বাৰা পৰ্যবেক্ষিত আৰু তালিকাবদ্ধ ঘটনাৰ সমাবেশ। এই ঘটনাবিলাক অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি পৰ্য-বেক্ষণ কৰাৰ পৰিবৰ্তে তেওঁ উপকূৱাকৈহে পৰ্যবেক্ষণ কৰে।' (ঐ—পৃঃ-১৬৩, ভাবানুবাদ) কিন্তু দুৰ্ভাগ্যবশতঃ কলিংউডে নিজেই ইতিহাসক 'ভাবৰ ইতিহাস' বুলি মানি লৈছে।

১৪—১৬ শতিকাৰ ৰেনেচাঁৰ প্ৰভাৱত য়ুৰোপীয় ঐতিহাসিকৰ চিন্তাত নতুন দিগন্ত উদ্ভাসিত হয় আৰু মধ্যযুগীয় বৈৰাগ্যবাদ, সংসাৰ বিদ্বেষী পৰোলোকবাদ, অন্ধবিশ্বাসৰ প্ৰতিক্ৰিয়াত মানবতাবাদৰ সৃষ্টি হয়। এই মত-বাদৰ প্ৰভাৱত প্ৰাচীন ইতিহাসক নতুন আলোকত বিশ্লেষণ কৰাৰ চেষ্টা কৰা হ'ল। মধ্যযুগীয় নিৰস যুক্তিহীন ধৰ্মতত্ত্বৰ বিপৰীতে কবিত্বময় হৃদয়-ব্যক্তি প্ৰধান ৰস ইতিহাস আলোচনা প্ৰসংগত প্ৰয়োগ কৰিলে ৰেনেচাঁৰ ঐতিহাসিকে। ৰেনেচাঁৰ ইতিহাসৰ কেন্দ্ৰ বিন্দু হ'ল মানুহ—আবেগ, অনু-ভূতিৰে পৰিপুষ্ট ৰক্ত মাংসৰে গঢ়া সজ্ঞান মানুহ।

ৰোমান্টিক ধাৰাৰ প্ৰবক্তাসকলৰ মতে মানুহৰ সাংস্কৃতিক জীৱন পৰি-বৰ্তন হয় ধীৰ গতিত আৰু মানুহৰ অজ্ঞাতসাৰে। তেওঁলোকৰ মতে এই

পৰিবৰ্তন শক্তি মানুহৰ বুদ্ধিৰ অগোচৰ এক অজ্ঞাত ৰহস্য আৰু ই এক অনিৰ্বচনীয় শক্তিৰ প্ৰভাৱাধীন, যাক time spirit, absolute idea বুলি কোৱা হয়। হেগেলৰ মতে মানুহৰ আচাৰ ব্যৱহাৰ আৰু নিয়ম পৰস্পৰৰ ওপৰত ক্ৰিয়াশীল আৰু এটা তৃতীয় শক্তিৰ প্ৰভাৱাধীন। এই তৃতীয় শক্তিটো হ'ল ভাব বা ধাৰণা। প্ৰত্যেক জাতি একোটা নিজস্ব ভাব বা ধাৰণাৰ অধিকাৰী আৰু সেই ভাব বা ধাৰণাক বাস্তৱভাবে কাৰ্যকৰী কৰে। গতিকে ইতিহাসৰ বিশেষ যুগ এটা বিশ্লেষণ কৰিব পাৰিলে, পৰম ভাবৰ (absolute) লগত এটা সুসামঞ্জস্য আনিব লাগিব। বিংশ শতাব্দীত বুৰ্জোৱা সমাজ দাৰ্শনিক স্পেংগলাৰে (Spengler) হেগেলৰ মতৰ প্ৰতিধ্বনি তুলিছে এটা বেলেগ সুৰত। তেওঁৰ মতে ইতিহাস হ'ল স্বয়ং সম্পূৰ্ণ ব্যক্তি (self contained individual), যাক তেওঁ সংস্কৃতি বুলি কৈছে। প্ৰত্যেক সংস্কৃতি এটা স্বকীয় চৰিত্ৰ আৰু বৈশিষ্ট্যৰ অধিকাৰী আৰু প্ৰতেকটিয়েই সেই চৰিত্ৰ আৰু বৈশিষ্ট্য বিস্তাৰিতভাবে প্ৰকাশ কৰে। প্ৰত্যেকটি জীৱদেহৰ দৰে এটা জীৱনীচক্ৰৰ (life Cycle) অধীন। আদিম বৰ্বৰ যুগৰ পৰা সূচনা কৰি ধ্ৰুপদী যুগত চূড়ান্ত বিকাশ লাভ কৰে। তাৰপিছত ক্ৰমে অৱক্ষয় আৰু পতন আৰম্ভ হয় আৰু সকলো হৈ পৰে বিকৃত (Vulgarized) আৰু বাণিজ্যিক (commercialized)। সেই মৃত সংস্কৃতিৰ কবৰৰ ওপৰত নতুন সংস্কৃতিয়ে বিকাশ লাভ কৰে। স্পেংগলাৰৰ মতে সকলো সংস্কৃতি স্বাভাৱিক প্ৰক্ৰিয়াত গঢ়ি উঠে। আমি আগতে উল্লেখ কৰা টয়নবীৰ ধাৰাৰ লগত স্পেংগলাৰৰ ধাৰাৰ পাৰ্থক্য হ'ল— টয়নবীৰ মতে বাহ্যিকভাবে হলেও এটা সংস্কৃতিৰ লগত আন এটা সংস্কৃতিৰ সম্পৰ্ক আছে আৰু সেই সম্পৰ্ক সভ্যতাৰ অংশ স্বৰূপ। স্পেংগলাৰৰ মতে সংস্কৃতিৰ সম্পৰ্ক মাথোন ঐতিহাসিকৰ নিৰ্লিপ্ত দৃষ্টিত ধৰা পৰে।

মনঃসমীক্ষণবাদ ফ্ৰয়েডৰ প্ৰভাৱত বুৰ্জোৱা ঐতিহাসিকে মনোবিজ্ঞানৰ দ্বাৰা ইতিহাস তথা সমাজৰ পৰিবৰ্তনৰ ধাৰা বিশ্লেষণ কৰিবলৈ যত্ন কৰিছে। আমেৰিকা আৰু কিছুমান পশ্চিমীয়া দেশত এই বিজ্ঞানক (?) লৈ হৈ চৈ আৰম্ভ হৈছে। এই ধামখুমিয়া ধাৰামতে ইতিহাস তথা সমাজৰ প্ৰত্যেকটি পৰিবৰ্তনৰ লগত সংযুক্ত আছে মানুহৰ অবদমিত যৌন কামনা। এই ধাৰাৰ সমৰ্থক সকলৰ মতে মানুহৰ সজ্ঞান বাস্তব কৰ্মতৎপৰতা এটা উপকৰা বস্তু মাত্ৰ! মানুহৰ জীৱন সম্পূৰ্ণভাবে প্ৰবৃত্তিৰ অধীন। অৱশ্যে মানুহৰ প্ৰবৃত্তিৰ দাবী অস্বীকাৰ কৰিব নোৱাৰি আৰু সেই দাবীৰ নিৰ্ধাৰণ কৰি দিয়াটোৱেই



মানব সভ্যতা। প্ৰবৃত্তি নহয়, প্ৰমূল্যহে মানুহৰ পূৰ্ণাংগ জীৱনৰ নিয়ামক। যৌন বিজ্ঞান বুৰ্জোৱা ভাব জগতৰ আন এটা কাদাকাৰ ৰূপ। আমি জনা উচিত মনঃসমীক্ষাৰ দ্বাৰা ইতিহাসৰ পৰিবৰ্তনৰ ধাৰা নিৰ্ধাৰণ কৰিব নোৱাৰি। কাৰণ মনৰ সৃষ্টি হয় সমাজৰ বাস্তব অৱস্থাৰ পৰা।

ভাববাদৰ গভীৰ অৰণ্যত দিশহাৰা ঐতিহাসিকসকলে ইতিহাস তথা সমাজৰ পৰিবৰ্তনৰ মৌলিক কাৰণ বৈজ্ঞানীক ভাবে বিশ্লেষণ কৰিব নোৱাৰিলে। মাৰ্ক্সে কিন্তু ইতিহাসক কেতিয়াও ভাবৰ চকুৰে চোৱা নাছিল। তেওঁ বস্তুবাদী বিশ্লেষণৰ দ্বাৰাই ইতিহাসৰ পৰিবৰ্তনৰ কাৰণ বিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত কৰে। মাৰ্ক্সৰ মতে এটা নিৰ্দিষ্ট কাল আৰু সমাজত মানুহৰ উৎপাদন আৰু উৎপাদন ব্যৱস্থাৰ মাধ্যমত স্থাপিত হোৱা সম্পৰ্কই হ'ল সেই যুগৰ, সেই সমাজৰ ইতিহাস। মাৰ্ক্সৰ বস্তুবাদী দৰ্শনে মানব সমাজ কি ভাবে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ উত্তীৰ্ণ, বিকশিত হৈছে তাক বিশ্লেষণ কৰে। এই নিয়মৰ দ্বাৰাই তেওঁ সমস্ত মানব সমাজৰ বিকাশৰ ধাৰাৰ মৌলিক নিয়মটি আবিষ্কাৰ কৰিছে। তেওঁৰ মতে এখন নিৰ্দিষ্ট সমাজৰ বিকাশৰ ধাৰা সেই সমাজৰ অন্তৰ্গত উৎপাদন শক্তি (Production force) আৰু উৎপাদন সম্পৰ্কৰ (Production relation) দ্বন্দ্বৰ ওপৰত নিৰ্ভৰশীল। সমাজৰ প্ৰতিটি সৰল আৰু জটিল ৰাজনৈতিক সংগ্ৰামৰ একমাত্ৰ কেন্দ্ৰবিন্দু শ্ৰেণী সমূহৰ সামাজিক আৰু ৰাজনৈতিক শাসন। প্ৰাচীন শ্ৰেণীৰ দ্বাৰাই পুৰণা শাসন শোষণ বজাই ৰখাৰ কৌশল আৰু নতুন শ্ৰেণীৰ দ্বাৰাই তাক উচ্ছেদৰ প্ৰচেষ্টা। আৰু এই সংগ্ৰাম বা ঐতিহাসিক ঘটনাৰ মৌলিক কাৰণ ভাবৰ পৰিবৰ্তন অৰ্থাৎ মানুহৰ মস্তিকৰ বাবে নহয়, মাত্ৰ উৎপাদন আৰু বিনিময় পৰিবৰ্তনৰ বাবেহে। মানুহে সংগ্ৰাম কৰে জীয়াই থকাৰ বাবে। তাৰ পিচতহে ধৰ্ম, দৰ্শন, অধিপত্য, সাহিত্য, কলা আদিৰ চৰ্চা কৰে—অৰ্থাৎ সমাজৰ উপৰিসৌধ (superstructure) গঠন হয়। বস্তুবাদী ব্যাখ্যা মতে সমাজৰ পৰিবৰ্তনৰ ব্যাখ্যা একমাত্ৰ মানুহে জীয়াই থকা সংগ্ৰামৰ মাজতহে পাব পাৰি।

সেয়ে সমাজ তথা ইতিহাসৰ চালিকা শক্তি হ'ল জনগণ। য'তেই জনগণ তাতেই ইতিহাস, তাতেই গুৰুত্বপূৰ্ণ ৰাজনীতিৰ আৰম্ভণি।

প্ৰত্যেক সমাজত শাসক আৰু শাসিত, শোষক আৰু শোষিত শ্ৰেণীৰ মাজত দ্বন্দ্ব আছে। সমাজৰ সংখ্যা গৰিষ্ঠ দলে হাড়-ভগা পৰিশ্ৰমেৰে বাহি কৰা উৎপাদনখিনি সামাজিক যন্ত্ৰৰ দ্বাৰাই আত্মসাৎ কৰা মানুহখিনিৰ চিন্তা চৰ্চাই ইতিহাস হ'ব নোৱাৰে। উৎপাদনৰ বান্ধোনেই হল সমাজখনৰ



OKDISCD

ধৰণী। এই বান্ধোন গঢ়ি উঠে উৎপাদনৰ ক্ৰিয়া আৰু পৰস্পৰিক বিনিময়ৰ যোগেদি। সমাজত শ্ৰেণী সংগ্ৰামৰ উৎপত্তি হয় উৎপাদন ব্যৱস্থা (Productive force) আৰু ব্যক্তিগত সম্পত্তিৰ (Private property) মাজত থকা বিৰোধৰ বাবে।

এই খিনিতে উল্লেখ কৰিলে ভাল হ'ব যে সম্পত্তি হ'ল সামাজিক ভাগ দখল কৰাৰ নীতি আৰু ব্যক্তিগত সম্প্যত্তি গোষ্ঠিগত শ্ৰমৰ ফলশ্ৰুতি হলেও ব্যক্তিগতভাবে ভোগ কৰাটোৰেই ইয়াৰ মূল বৈশিষ্ট্য।

উৎপাদনৰ সামাজিক সম্বন্ধ (Production relation) আৰু শ্ৰেণী সংগ্ৰামে এটা নিৰ্দিষ্ট সামাজিক চেতনা বা সাময়িক মনস্তত্বৰ– ধৰ্ম, দৰ্শন, সাহিত্য, ৰাজনীতি আইন শিল্পকলা বিকাশত সহায় কৰে। এই মনস্তত্ব সামাজিক উপৰি-সৌধৰ প্ৰতিফলন আৰু মনস্তাত্বক নিয়ন্ত্ৰণ কৰে অৰ্থনীতিয়ে। আদৰ্শবাদীৰ দৰে মাৰ্ক্সে মনস্তত্বৰ পৃথক অস্তিত্ব স্বীকাৰ নকৰে। তেওঁৰ মতে দুয়োটা এটা ঘটনাৰ দুটা দিশ, মানুহৰ চৈতন্যক মূলতঃ তেওঁলোকৰ অস্তিত্বই স্বীকাৰ নকৰে বৰং মানুহৰ সামাজিক অস্তিত্বইহে চৈতন্য নিৰ্ণয় কৰে। চৈতন্য সামাজিক উৎপত্তি অৰ্থাৎ বৈষয়িক জীৱনৰ উৎপাদন পদ্ধতিয়ে সাধাৰণভাবে মানুহৰ সামাজিক, ৰাজনৈতিক আৰু বুদ্ধি বৃত্তি জীবন ধাৰণক নিয়ন্ত্ৰণ কৰে।

মানুহে জীয়াই থকা সংগ্ৰামৰ পৰাই অৰ্থনীতিৰ সৃষ্টি আৰু সেই অৰ্থনীতিৰ ভিত্তিতেই সামাজিক মনস্তত্ব গঢ়ি উঠে। ইতিহাসৰ এটা বিশেষ স্তৰত উৎপাদন ব্যৱস্থাৰ পৰিবৰ্তন হয় আৰু লগতে সামাজিক ব্যৱস্থাৰো পৰিৱৰ্তন দেখা দিয়ে। এইদৰে আদিম সাম্যবাদৰ ঠাইত সামান্তবাদ, সামান্তবাদৰ ঠাইত পুঁজিবাদ আৰু পুঁজিবাদৰ ঠাইত বৈজ্ঞানিক সমাজবাদৰ বিকাশ ঘটিছে। উৎপাদিকা শক্তিৰ প্ৰতিটো ক্ৰান্তিকাৰী পদক্ষেপত মানুহৰ দৈনন্দিন জীবনত নতুন নতুন সম্বন্ধৰ সৃষ্টি হয় আৰু মানুহৰ মনত দেখা দিয়ে গভীৰ পৰিবৰ্তন মানুহৰ চেতনা সৃষ্টি হয় উৎপাদন ব্যৱহাৰত থকা পৰস্পৰ বিৰোধী ধাৰণা অনুসাৰে। কাৰণ এইটো সম্পূৰ্ণভাবে নিৰ্ভৰ কৰে নিৰ্দিষ্ট সমাজ ব্যৱস্থাৰ আৰু উৎপাদন ব্যৱস্থাৰ ওপৰত। উপৰিসৌধৰ গঠনৰ প্ৰক্ৰিয়া জটিল আৰু প্ৰত্যক্ষভাবে মানুহৰ উৎপাদন আৰু উৎপাদিকা কাৰ্যৰ লগত যুক্ত নহয়; মাত্ৰ পৰোক্ষভাবে ভিত্তিৰ লগত সংযুক্ত। ভিত্তিৰ পৰিবৰ্তনৰ লগত উপৰিসৌধৰ পৰিবৰ্তন হয়। সামন্তবাদী আইনত ভূমিদাসসকল সামন্ত সকলৰ কবলৰ পৰা পলায়ন কৰাতো আছিল আমোঘ অপৰাধ। কিন্তু পুঁজিবাদী যুগত ব্যক্তিৰ স্বাধীনতা খৰ্ব কৰা দোৰ্ঘোৰ অন্যায়। মুনাফাৰ



কাৰণে কিন্তু মানুহক শোষণ কৰা পুজিবাদী ধাৰণাত মানুহৰ অপৰিহাৰ্য স্বত্ব। কিন্তু সমাজবাদী ব্যৱস্থাত এনে কাৰ্য কোনোপধ্যে সহ্য কৰা নহয়। যিহেতুকে উৎপাদন শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজত দ্বন্দ্ব আছে, গতিকে সেই দ্বন্দ্বৰ প্ৰতিফলন উপৰিসৌধৰ ওপৰত পৰিবলৈ বাধ্য। পুঁজিবাদী ব্যৱস্থাত ৰাষ্ট্ৰ, আইন, ভাবাদৰ্শ আদিয়ে মালিক শ্ৰেণী স্বাৰ্থৰ বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু এক শ্ৰেণীৰ ভেৰোণীয়া বুদ্ধিজীবিয়ে এই ব্যৱস্থাৰ সমৰ্থনত প্ৰচাৰকাৰ্য চলাই যায়।

আমি বুজা উচিত যে মাৰ্ক্সে বস্তুবাদী ব্যাখ্যাৰ দ্বাৰা মাত্ৰ মানব জাতিৰ দীৰ্ঘ ইতিহাস বুজাৰ মূল সূত্ৰটি আবিষ্কাৰ কৰিছে। সেই সূত্ৰ অনুযায়ী মানব জাতিৰ বৈজ্ঞানীক ইতিহাস ৰচনা আধুনিক ঐতিহাসিকৰ আদৰ্শ। মানুহ ইতিহাস স্ৰষ্টা। এটা নিৰ্দিষ্ট পৰিবেশৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ মানুহে ইতিহাস সৃষ্টি কৰে। পৰিবেশ গঠন হয় প্ৰচলিত বাস্তব সম্বন্ধৰ ভিত্তিত। মাৰ্ক্সৰ তত্ত্বানুসাৰে মানব জাতিৰ ঐতিহাসিক বিকাশ নিয়ন্ত্ৰিত হয় উৎপাদিকা শক্তিৰ পৰিবৰ্তনৰ ফলত। সেয়ে ঐতিহাসিকৰ কৰ্তব্য হ'ল কোনো এখন দেশৰ, কোনো এটা যুগৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰও উৎপাদিকা শক্তি আৰু অৰ্থনৈতিক সম্বন্ধক বিশ্লেষণ কৰা আৰু সামাজিক ৰাজনৈতিক ৰূপৰ দ্বাৰা ইতিহাসক জীবন্ত কৰি তোলা। মাৰ্ক্সবাদে অৰ্থনৈতিক প্ৰয়োজনক মানুহৰ আয়ত্বলৈ অনাৰ পথ দেখুৱায়। ফলস্বৰূপে ইতিহাসৰ ধাৰণাত নিয়তিবাদ, যান্ত্ৰিক বস্তুবাদ আদি সম্পূৰ্ণ বিতাৰিত হ'ল। মানুহে নিয়মৰ লৌহ কঠিন বন্ধনৰ পৰা মুক্ত হোৱা পথৰ আলোক দেখিলে। কাৰণ যি পৰ্যন্ত আমি অজ্ঞানতাৰ আন্ধাৰত ডুবি থাকো সেই পৰ্যন্ত আমি নিঃসহায়। যিমুহূৰ্তত আমি শক্তি সম্পৰ্কে জ্ঞাত হ'ম, তেতিয়াই আমি আমাৰ ভাগ্য নিয়ন্তা, আমি সৰ্বশক্তিমান ঈশ্বৰ। মাৰ্ক্সৰ মতে যুক্তি ইতিহাস স্ৰষ্টা হ'ব নোৱাৰে। কাৰণ যুক্তি নিজে ইতিহাসৰ সৃষ্টি। মানুহৰ বাস্তব অভিজ্ঞতাৰ সচেতন আৰু সংহত চেতনাই হ'ল যুক্তি আৰু সেই দৃষ্টি ভংগীৰ পৰাহে যুক্তিৰ ঐতিহাসিক ব্যাখ্যা কৰিব পাৰি। মুঠ কথাত যিমান দ্ৰুত গতিত উৎপাদকৰ আত্মচৈতন্য বিকশিত হ'ব সিমান দ্ৰুততৰে তেওঁলোকে যুক্তিৰ ৰাজ্যত প্ৰবেশ কৰিব। জনগণ ঐতিহাসিক ঘটনাৰ বীৰত্বপূৰ্ণ ভূমিকাত অবতীৰ্ণ হৈ সচেতনভাবে ইতিহাস সৃষ্টি কৰিব। + + +

( অহা সংখ্যাত ঃ ভাৰতীয় ইতিহাসৰ প্ৰসংগ )

OKDISCD

# আজি/অৰুণ গোস্বামী

প্ৰকৃতপক্ষে কবলৈ গ লে এখন মেলা বুলিয়েই ক'ব পাৰি। এখন ডাঙৰ মেলা। মেডিকেল কলেজৰ ছাৰ্জিকেল ওৱাৰ্ডৰ বাহিৰে ভিতৰে মানুহ। মানুহেই মানুহ। দেখিলে কোনে নক'ব যে ৰোগীজন সকলো স্তৰৰে মানুহৰ এজন সবাতোকৈ জনপ্ৰিয় নেতা, প্ৰাণকৰ্তা দেৱতা। নগৰৰ প্ৰধান বিচাৰপতিৰ পৰা আৰম্ভ কৰি বাগানৰ বনুৱালৈকে দলে বলে সকলোৱেই আহি ব্যক্তিগতভাৱে ৰোগীৰ খা-খবৰ লৈছে। পৰা হলে সকলোৱেই চিকুটি চিকুটি ৰোগীৰ গাৰ পৰা অসুখটো একুৱাই নিজৰ কৰি লবলৈয়ো কোনো কুণ্ঠিত নহলহেঁতেন। সেয়ে মেডিকেল কলেজত লোকৰ ভীৰ। কৰবাৰ পৰা জনতা নিয়ন্ত্ৰণৰ কাৰণে তৎকালেই পুলিচো আহিল কেইজমান। সঁচাকৈয়ে হয়, এনে মহামুৰ্খ নাই যে তেওঁ এই দৃশ্য দেখি নক'ব যে মানুহজন এজন অতিশয় জনপ্ৰিয় নেতা নহয় বুলি। যদি কোনোবাই তেতিয়াও নকয়, কোনো সন্দেহ নাই, তেওঁ এজন প্ৰতিক্ৰিয়াশীল। প্ৰতিক্ৰিয়াশীল ব্যক্তি কাক কয়? কোনো কথা নাই সেই স্বীকাৰ নকৰা ব্যক্তিজনলৈ (যদিহে সঁচাকৈয়ে কোনোবা ওলায়) আঙুলিয়াই দিলেই হ'ব। ৰাজপথবোৰ গাড়ীৰে গৰ্ভৱতী। গাড়ী অট'ৰিক্সা, মটৰ-চাইকেল, স্কুটাৰ, চাইকেল। পথযাত্ৰীও অলেখ। অগণন প্ৰজা। এনে জনসমাবেশৰ মাজত, এনে জনতাৰ মৰমৰ মাজত মৰিবলৈ বাৰু কোনোবাই বেয়া পাবনে? মৰিবলৈয়ো ভাল লাগিব। পিচে এনে সমাবেশৰ মাজত মানুহ নমৰে। যম পলাব। সন্ধ্যা সাত বজাত ৰোগীক চিকিৎসালয়লৈ অনা হৈছে। এতিয়া ৰাতি ন বাজিছে। মানুহৰ আহ-যাহ কমা নাই। বিজয়া-দশমীৰ মেলালৈ অহাদি মানুহ আহিয়েই আছে। ক'ৰপৰা আহিছে ইমান মানুহ? কিম্বা আহিছেনো কিয়? বেচেৰা কম ভাগ্যবান নহয় দেই। বেচেৰা শব্দটো ভুল হৈছে— মহাপুৰুষ। ৱাৰ্ডটোত ছীট দিয়াৰ পৰা সাত বজালৈকে অনবৰতে ধৰ-ধৰ মাৰ-মাৰ লগাই থকা ৰোগী জনো তাপ মাৰি আছে।

ভাল ভাল ছাৰ্জন আটাইকেইজন আহিছে। তেওঁলোকো ব্যস্ত। প্ৰতিক্ৰিয়াশীল সকলে নিশ্চয় ক'ব যে, ৰোগীজন প্ৰতিপত্তিশালী ধনী মানুহ



অথবা পুঁজিপতি বাবেহে সকলো ব্যস্ত হৈছে। ক'ব পাৰে। ক'লেই হবনে? ৰোগী ৰোগীয়েই। অঁ—পেয়িং কেবিন খালী নাছিল কাৰণে সম্প্ৰতি সাময়িকভাবে জেনেৰেল ওৱাৰ্ডতে ৰখাটো সঁচা। সেয়া মানুহেতো কোৱা-কুই কৰিছেই বোলে ইমান ডাঙৰ মানুহ, জেনেৰেল ওৱাৰ্ডতে আছেহি চোৱাঁ। অৱশ্যে দুঘণ্টামানৰ পিছত কটেজ এটাৰ ব্যৱস্থা হৈছেই। —পিচে দুঘণ্টাও বহুত সময়।

ৰোগীজন অহা গাড়ীখন প্ৰকাণ্ড। ৰঙা গাড়ী। নামটো গাড়ীখনৰ কবলৈ দিগদাৰ। সন্দেহো হয়— মানুহে গাড়ী চাবলৈ আহিছেনে ৰোগী চাবলৈ আহিছে। সেইবোৰ মানুহ! সেইবোৰ দেখোন বনুৱা জাতীয় মানুহ। দেখিলেই ক'ব পাৰি। সিহঁতৰ জাৰ লগা নাইনে? নে সিহঁতৰ আতাইতকৈ মৰমৰ লোকজনৰ সংকটাপন্ন অৱস্থা দেখি জাৰবতাহ পাহৰি গৈছে? জানুৱাৰীৰ ছয় তাৰিখৰ জাৰেও সিহঁতৰ গাত থিতাপি লবহি পৰা নাই? ভবাও ভুলহে হৈছে। বাপেকৰ মৃতদেহ চোতালত, পেলোৱাৰ পিচত পুতেকহঁতৰ জাৰ বতাহৰ খবৰ থাকেনে! আও, মানুহজন ইমান জনপ্ৰিয়নে? তেওঁ সকলো শ্ৰেণীৰ মানুহৰ বাবে ইমান দৰদীনে বাৰু? শ্ৰেণী-বৰ্ণ-নিৰ্বিশেষ শব্দটো এই খিনিতে লগাব পাৰি। তেওঁনো কি কৰিছে? তেওঁনো মানুহবোৰৰ বাবে কি এনে এটা কৰিলে যে মানুহে তেওঁৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে? এতিয়া সকলোৱে গোট খাই ৰামধুন গাবলৈ আৰম্ভ কৰিলেহে ভালটো হ'ব! আছে। তেওঁৰ কেইবাখনো মদৰ মহল আছে। তেওঁৰ ডাঙৰ ডাঙৰ কাপোৰৰ দোকান আছে। তেওঁৰ চাৰিখন চাহ বাগিছা আছে। তাৰ বাহিৰেও চাৰিখন চাহবাগিছা—! বাপৰে! কিমান টকা আছে? বহুত টকানে? অংকটো কিমান ডাঙৰ হ'ব? শূণ্য কেইটা দৰকাৰ হ'ব?

কেজুৱেলিটিৰ টেলিফোনটোৱে ৰক্ষা পোৱা নাই। চাৰিওফালৰ পৰাই একেটাই প্ৰশ্ন— আলি চাংাব কেনে আছে? গোট খোৱা মানুহবোৰে বিৰ্‌বিৰ্‌কৈ ঈশ্বৰৰ ওচৰত যেনেদৰে প্ৰাৰ্থনা কৰিছে সেইবোৰ শব্দলৈ ৰূপান্তৰ কৰিলে এই প্ৰকাণ্ড মেডিকেল কলেজখন এটা ভয়ংকৰ শব্দৰ আকৰ হ'ব। অখণ্ড হৰি কীৰ্ত্তন হ'ব। ডাঙৰীয়া ধৰ্মনিৰপেক্ষ মহান ব্যক্তি আছিল। তেওঁৰ দানেৰে বহুত নামঘৰ হ'ল, পূজাঘৰ হ'ল, মছজিদ হ'ল, গীৰ্জা হ'ল ইত্যাদি ইত্যাদি। কিন্তু—কিন্তু ডাঙৰীয়াৰ অৱস্থা ভাল নহয়। খোলাখোলিকৈ ক'বলৈ গলে অৱস্থা ভাল নহয় বুলি কোৱা নাযায়, অৱস্থা নায়েই বুলিহে ক'ব পাৰি। হৰি হৰি! এনে মানুহৰ কিবা এটা হলে দেশৰ কম অপূৰণীয় ক্ষতি হ'বনে?



OKDISCD

তেখেত আনন্দত অধীৰ হৈ পৰিছিল। তেখেতৰ বাসস্থানৰ বৰ্ণনা কৰিবলৈ এক দিস্তামান কাগজৰ সৈতে এজন কলাকৈবল্যবাদী সুদক্ষ সাহিত্যিকক এমাহমান বহুৱাই ৰাখিব লাগিব। তেনে বাসস্থানৰ অতি বহল [য'ত দুশ মানুহে একেলগে বহি ভোজন কৰিব পাৰে] কোঠা এটাত দহজন ভদ্ৰলোকে উচ্চস্বৰে হাঁহি হাঁহি আনন্দ কৰিছিল। তেখেতৰ সুন্দৰী [চুকুৰি সাত বছৰেও যাৰ দেহত আঁক পেলাব পৰা নাই] পত্নীয়ে খাদ্য বস্তু নিজে পৰিবেশন কৰিছিল। পত্নীয়ে মাজে মাজে সাৱধান বাণী শুনাইছিল—তোমাৰ ইমান উত্তেজনা ভাল হোৱা নাই। তুমি অলপ কন্ট্ৰল কৰা, আৰু খাব নালাগে ··· । ডাঙৰীয়াই হাঁহি হাঁহিয়েই সেই অনুৰোধ প্ৰত্যাখ্যান কৰিছিল। নকৰে কেনেকৈ? গোটখোৱা দহোজন ব্যক্তি য়ই অতি ৰসিক ব্যক্তি। ক'লা ধন ওলাই চোঁচ পৰি গলেও তেখেতসকলৰ ৰসৰ ভাণ্ডাৰ চোঁচ নপৰে। গণ্য মান্য ব্যক্তি. ৰুচিপূৰ্ণ হাস্য কৌতুক। তাৰ মাজতে ককটেল। দামী দামী [যাৰ দামৰ অনুমান কৰা নাযায়] মদৰ বটল, মাংস, বহুত বহুত আইটেম। অৱশ্যে বেচি দেৰী নহয়—দুঘণ্টামান চলিল।

তেখেতৰ এই আনন্দৰ কাৰণ আছে। লিগেল এডভাইছাৰ জন বৰ দক্ষ আৰু চোকা মানুহ। চাৰি বছৰৰ বাকী থকা বোনাছৰ পৰা মালিকক ৰেহাই দিয়াব পাৰিলে। কেইবা লাখ টকাৰ অংক এটা। সেই অৱস্থাত তেখেতৰ উপৰি পুৰুষ উত্তৰপুৰুষেও হাঁহিব। টিকিৰ মূৰ্তিয়েও হাঁহিব। তেখেতৰ দানেৰে নিৰ্মিত হোৱা নামঘৰ, মচজিদ বিলাকতো প্ৰাৰ্থনা, আজান আপোনা-আপুনি ধ্বনিত হ'ব। ককটেল চলি আছে। এবাৰ উচ্চস্বৰে হাঁহাৰ পাচত তেখেত বাগৰি পৰিল। ধৰ ধৰ মাৰ মাৰ। উনত্ৰিশ মাইল অতিক্ৰম কৰি আহি মেডিকেল কলেজ। লোকৰ ভীৰ।

শোকৰ ক'লা ডাৱৰ নামি আহিল বুলি যে কয়, সেয়াই হ'ল। ডাঙৰীয়াৰ ডাঙৰ মানুহৰ বেমাৰ আছিল। উচ্চ ৰক্তচাপ। মদৰ পৰিমাণ বেছি হ'ল। উত্তেজনা বেছি হ'ল। পৰিশ্ৰমো বেছি হ'ল। ডাঙৰীয়া স্বৰ্গী হ'ল। ডাঙৰীয়াৰ আত্মাই স্বৰ্গলৈ গমণ কৰিলে, অথবা বৈকুণ্ঠলৈ, কিম্বা বেহেস্তলৈ। ডাঙৰীয়া ধৰ্ম নিৰপেক্ষ ব্যক্তি।

পৰিশ্ৰম বেছি হ'ল হয়। চেৰিব্ৰেল হেম'ৰেজ হ'ল। সেইদিনাই বিয়লি ডাঙৰীয়াই মদ নিবাৰণী সপ্তাহৰ উদ্বোধনী দিৱসত বিৰাট ৰাজহুৱা সভাত উদ্বোধনী ভাষণ দিছিল। প্ৰায় দেড়ঘণ্টা বক্তৃতা, তাৰপাচত বোনাছৰ পৰা ৰেহাইৰ খবৰ, তাৰপাচত ককটেল পাৰ্টি।

এই আতাইবোৰ উত্তেজনাই ডাঙৰীয়াক বৈকুণ্ঠী কৰিলে। + + +



# মাৰ্ক্সবাদ আৰু জাতিসমস্যা (২)

ঃ লেনিন আৰু তেওঁৰ অনুগামীসকল
হীৰেণ গোহাঁই

The several demands of democracy, including self-determination, are not an absolute, but only a small part of the general-democratic ( now : general-socialist) world movment In individual concrete cases, the part may contradict the whole ; if so, it must be rejected.

: LENIN, THE DISCUSSION OF SELF-DETERMINATION SUMMED UP

* * *

The awakening of nationalism among the oppressed nations, which became so pronounced after 1905 .. will inevitably lead to greater nationalism among the Great-Russian petty bourgeoisie in town and countryside. The slower the democratisation of Russia, the more persistent, brutal and bitter will be the national persecution and bickering among the bourgeoisie of the various nations

In this situation, the proletariat of Russia is faced with a twofold or, rather, a two sided task ; to combat nationalism of every kind, to recognise, not only equal



OKDISCD

rights for all nations in general, but also the right of nations to self-determination, to secession. And at the same time, it is their task, in the interests of a successful struggle against all and every kind of nationalism among all nations, to preserve the unity of the proletarian struggle. (LENIN, THE SOCIALIS REVOLUTION AND THE RIGHT OF NATIONS)

## পূৰ্বানুবৃত্তি

যোৱা সংখ্যাত মাৰ্ক্স'বাদৰ প্ৰতিষ্ঠাতাদ্বয় মাৰ্ক্স' আৰু এংগেল্‌ছৰ ৰচনা- ৱলীৰ পৰা জাতি সমস্যা সম্পৰ্কে তেওঁলোকৰ দৃষ্টিভংগী আৰু সাধাৰণ নীতি আহৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। আমাৰ সিদ্ধান্ত আছিল এয়ে যে লে'নিন-স্তালিনৰ ৰচনাত জাতিসমস্যা সম্পৰ্কে যিবোৰ মূল নীতি সূত্ৰ স্পস্ট আৰু বলিষ্ঠভাবে ব্যক্ত হয় মাৰ্ক্স'বাদৰ আদিগুৰুসকলৰ ৰচনাত সেই সকলোবোৰৰেই আভাস পোৱা যায়। অৱশ্যে বিশ্ব ইতিহাসৰ পৰিৱৰ্তনৰ ফলত জাতিসমস্যা সমাধানৰ নতুন নতুন নিৰ্দিষ্ট কৌশলৰ উদ্ভাৱন হৈছিল, কিন্তু মূলনীতিৰ পৰিৱৰ্তন হোৱা নাছিল। অস্ট্ৰিয়াৰ বাওৱাৰ, পোলেণ্ডৰ [পিছলৈ জৰ্মনিৰ] ৰ'জা লুক্সেমবুৰ্গ প্ৰভৃতি তাত্ত্বিকৰ ৰচনাত মাৰ্ক্স'ৰ মূল নীতিৰ ভ্ৰান্ত আৰু বিকৃত ব্যাখ্যা চলিছিল। ইহুদী বুণ্ড [Bund] ছশ্যালিস্ট বিলাকে তেনেধৰণে জাতিসমস্যাৰ কুটিল সমাধান ডাঙি ধৰিছিল। কিন্তু তেওঁবিলাকৰ মতামত ইতিহাসে অবাস্তৱ আৰু ভ্ৰান্ত বুলি প্ৰমাণ কৰিলে। এই সমস্যা সম্পৰ্কে মাৰ্ক্সীয় বিচাৰৰ মূল সূত্ৰডাল লে'নিন-স্তালিনৰ চিন্তাতেই সতেজ হৈ থাকে।

মাৰ্ক্সীয় বিচাৰ আৰু সমাধানৰ মূল সূত্ৰডালনো কেনে ধৰণৰ? সৰ্ব- হাৰা শ্ৰেণীৰ বিপ্লবী দৃষ্টিকোণৰ পৰাই মাৰ্ক্স'-এংগেল্‌ছে জাতিসমস্যাৰ বিচাৰ কৰিছিল। :বপ্লবৰ স্বৰূপ তেওঁলোকৰ বাবে সংকীৰ্ণ জাতীয়তাবাদী নাছিল। 'কমিউনিষ্ট মেনিফে'ষ্টোৰ' এটা প্ৰধান আহ্বান আছিলঃ "Working men of all countries—uinte!" সৰ্বহাৰা বিপ্লৱ যেহেতু আন্তৰ্জাতিক ঘটনা, সেয়ে জাতীয়তাবাদী দৃষ্টিকোণ মাৰ্ক্স'বাদে সমৰ্থন নকৰে। সকলো জাতি আৰু ভাষাৰ মাজত মাৰ্ক্স'বাদে সম্পূৰ্ণ সমতা আৰু গণতান্ত্ৰিক বুজাপৰা বিচাৰে। কোনো জাতিয়ে আন কোনো জাতিৰ বিৰুদ্ধে বৈষম্য আচৰণ কৰা বা বলপ্ৰয়োগ কৰা মাৰ্ক্স'বাদৰ মূল নীতিৰ



বিৰোধী। আনহাতে মাৰ্ক্স'বাদে কোনো বিশেষ ঘটনা বা পৰিস্থিতিকে বাহ্যিকভাবে গ্ৰহণ নকৰে। ঐতিহাসিক দৃষ্টিকোণৰপৰা তাৰ অৰ্থনৈতিক আৰু সামাজিক উপাদান তন্ন তন্নকৈ বিশ্লেষণ কৰিহে তাক বুজিবলৈ চেষ্টা কৰে। তাৰ পিছতহে সেই ঘটনা বা পৰিস্থিতি সৰ্বহাৰা বিপ্লৱৰ বাবে কিমানদূৰ উপকাৰী বা ক্ষতিকৰ সেই সিদ্ধান্ত লয় আৰু তাক সমৰ্থন কৰে বা তাৰ বিৰোধিতা কৰে। সেয়ে আয়াৰ্লেণ্ডৰ জাতীয় মুক্তি দাবী কৰা মাৰ্ক্স' আৰু এংগেল্‌ছে চেক্‌জাতিৰ জাতীয় মুক্তি আন্দোলনৰ বিৰোধিতা কৰিছিল। বহু নতুন তথ্য আৰু তত্ত্ব যোগ হোৱা সত্ত্বেও লে'নিনৰ মতা- মত এই মূল নীতি আৰু দৃষ্টিকোণৰপৰা আঁতৰি যোৱা নাছিল।

## ৰাজনীতিৰ গুৰুত্ব ঃ

এইখিনিতে মাৰ্ক্স'বাদ সম্পৰ্কে এটা ভ্ৰান্ত ধাৰণা দূৰ কৰা প্ৰয়োজন। মোৰ বিশেষ শ্ৰদ্ধাৰ পাত্ৰ এজন তীক্ষ্ণবুদ্ধিসম্পন্ন মাৰ্ক্স'বাদী বন্ধুৱে ক'ব খোজে যে ভাৰতত জাতিসমস্যা লৈ যিবোৰ বিক্ষোভ বা সংঘৰ্ষ হয়, সেইবোৰ আচলতে অৰ্থনৈতিক সমস্যাৰ উদ্গীৰণ। ন্যস্ত স্বাৰ্থই সেইবোৰ অৰ্থনৈতিক সমস্যাৰপৰা জনগণৰ দৃষ্টি আঁতৰাই ৰাখিবলৈকে জাতিসমূহৰ মাজত খৰিয়াল লগাই দিয়ে। গতিকে সেইবোৰ সমস্যাৰ ৰাজনৈতিক সমাধান আগবঢ়াই বিশেষ লাভ নাই। বৰং প্ৰকৃত মাৰ্ক্স'বাদীৰ কৰ্তব্য হ'ব সেই- বোৰ সমস্যাৰ অন্তৰালত থকা প্ৰকৃত অৰ্থনৈতিক সমস্যাটো ফঁহিয়াই দেখুৱা। শ্ৰদ্ধেয় বন্ধুগৰাকীৰ মূল সূত্ৰটো মানি লৈও আমি কব খোজোঁ যে মাৰ্ক্স'বাদীসকলৰ কৰ্মসূচীৰ ভিতৰত জাতিসমস্যাৰ সমাধানকল্পে আশু ৰাজনৈতিক ব্যৱস্থা থকা প্ৰয়োজন।

লেনিনে তেওঁৰ The Socialist Revolution and the Right of Nations পুস্তিকাত কৈছে যে সাম্ৰাজ্যবাদী আমোলত জাতীয় মুক্তিৰ দাবী অসম্ভৱ বা অবাস্তৱ বুলি ভবাটো ভুল। এইকথা ঠিক যে ৰাজনীতিৰ ক্ষেত্ৰত গণতন্ত্ৰৰ (আৰু জাতীয় মুক্তিৰ) প্ৰবৰ্তনে সাম্ৰাজ্যবাদী পুঁজিৰ প্ৰতি- পত্তি আৰু প্ৰভাৱ কমাব নোৱাৰে। তথাপি এই কথাও অস্বীকাৰ কৰা ভুল হ'ব যে শ্ৰেণীগত দমন আৰু শ্ৰেণীসংগ্ৰামৰ ৰূপ গণতান্ত্ৰিক ৰাষ্ট্ৰ- ব্যৱস্থাত (জাতীয় মুক্তি আৰু সমতা যাৰ বৈশিষ্ট্য) সৰ্বাধিক ব্যাপক, স্পষ্ট আৰু পৰিষ্কাৰ হৈ উঠে, আৰু সেইবাবেই ৰাজনৈতিক গণতন্ত্ৰৰ বাবে কৰা সংগ্ৰামো অসাৰ্থক নহয়। (Selection from V. I. Lenin and J. V. Stalin, Calcutta, 1970, p 32) লে'নিনে পুনৰ আন এখন পুস্তিকাত



OKDISCD

কৈছে যে অৰ্থনীতিবাদীবিলাকে মাৰ্ক্সবাদত 'কেৱল অৰ্থনৈতিক' বস্তুৰহে গুৰুত্ব আছে বুলি মাৰ্ক্সৰ অপব্যাখ্যা কৰে। সমাজবাদৰ বিজয়ী পৰ্যায়ত বিভিন্ন দেশৰ সীমা লুপ্ত নহয়, বৰং জনগণৰ ইচ্ছা আৰু সহানুভূতি অনুযায়ী সেইবোৰৰ সীমা নিৰ্ধাৰিত হ'ব। পুঁজিবাদেহে জনগণৰ ইচ্ছা আৰু অনুভূতি দমন কৰি জাতিসমূহৰ সমতা আৰু ঐক্যৰ বাটত বাধাৰ সৃষ্টি কৰে। (The Discussion on Self-determination Summed up in op cit. p 41) কমিন্টাৰ্নৰ দ্বিতীয় সমাৰোহত (Congress) দিয়া প্ৰতিবেদনত লে'নিনে আঙুলিয়াই দিয়ে যে সাম্ৰাজ্যবাদৰ প্ৰভাৱত থকা অনগ্ৰসৰ দেশবোৰত বিপুল কৃষক শ্ৰেণীয়ে জাতীয়তাবাদী আন্দোলনৰ পথ ল'ব আৰু সেই দেশবোৰত কমিউনিষ্ট দলবোৰে এই জাতীয় বিপ্লৱত সমৰ্থন দিব লাগিব। (আনহাতে সেইবোৰ দেশৰ বুৰ্জোৱাশ্ৰেণী সাম্ৰাজ্যবাদৰ দালালত পৰিণত হোৱাৰ সম্ভাৱনা।) লে'নিনৰ এনেবোৰ মন্তব্যত স্পষ্ট হৈ আছে যে যদিও জাতীয় মুক্তি আন্দোলনৰ লক্ষ্য সাম্ৰাজ্যবাদী অৰ্থনীতিত পুৰণ হোৱা অসম্ভৱ, তথাপি কেৱল ৰাজনৈতিক অৰ্থতো জাতীয় মুক্তি আন্দোলন সমৰ্থন কৰিবলৈ তেওঁ প্ৰস্তুত আছিল। (অৰ্থাৎ স্বাধীন জাতি-ৰাষ্ট্ৰ গঠন কৰিবলৈ কোনো জাতিৰ আন্দোলনক তেওঁ নীতিগত সমৰ্থন দিছিল।)

### পুঁজিবাদৰ বিভিন্ন পৰ্যায়ত জাতিসমস্যা :

লে'নিনে কৈছে যে সমগ্ৰ পৃথিবীতে সামন্তবাদী সমাজৰ পতন আৰু পুঁজিবাদৰ চূড়ান্ত বিজয়ৰ সময়ত জাতীয় আন্দোলন প্ৰবল হৈ উঠে। পুঁজিবাদৰ এই চূড়ান্ত বিজয়ৰ বাবে বুৰ্জোৱা শ্ৰেণীয়ে সমগ্ৰ দেশৰ বজাৰ দখল কৰিব পাৰিব লাগিব, দেশৰ সকলো অঞ্চলত এটা ভাষাৰ প্ৰচলন হ'ব লাগিব। এনে গভীৰ আৰু প্ৰবল আৰ্থিক চালিকাশক্তিৰ জোৰতে জাতীয় আন্দোলনৰ বেগ দুৰ্বাৰ হৈ উঠে, জনগণৰ মনত তাৰ প্ৰভাৱ হয় সুগভীৰ। কিন্তু ১৭৮৯ৰ পৰা ১৮৭১ চনৰ ভিতৰতে পশ্চিম য়ুৰোপৰ আগবঢ়া দেশ কেইখনত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ সমাধা হৈছিল আৰু সেইবোৰত জাতীয় ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হৈছিল। কিন্তু পূৰ্ব য়ুৰোপ আৰু এছিয়াত তাৰ বহুকাল পিছলৈকে বুৰ্জোৱা গণতন্ত্ৰ আৰু জাতি ভিত্তিক ৰাষ্ট্ৰ (Nation-state) স্থাপিত হোৱা নাছিল। ইতিমধ্যে পুঁজিবাদৰ প্ৰগতিশীল ভূমিকা শেষ হৈ সি সাম্ৰাজ্যবাদী ভূমিকা লৈছিল আৰু বহু দুৰ্বল জাতিকে হেঁচা মাৰি ধৰি সেইবোৰৰ বিকাশ ৰুদ্ধ কৰি ৰাখিছিল। সাম্ৰাজ্যবাদৰ যুগত



গৈয়ে জাতিসমস্যাৰ উপাদানসমূহৰ কিছু সাল-সলনি ঘটে। তাৰ সমাধানৰ পথো অনুৰূপভাৱে সলনি হয়।

প্ৰখ্যাত মাৰ্ক্সবাদী তাত্ত্বিক ৰ'জা লুক্সেমবুৰ্গে এই নতুন পৰিস্থিতিৰ পৰা এক সম্পূৰ্ণ নতুন, অদ্ভুত সিদ্ধান্তত উপনীত হয়। তেওঁ প্ৰমাণ কৰিবলৈ বিচাৰে যে যিহেতু সকলো দুৰ্বল জাতি আৰু অঞ্চল বিশাল বিত্ত-পুঁজিৰ কবলত, সেয়ে সেইবোৰ জাতিৰ জাতীয় মুক্তিৰ আন্দোলন অবান্তৰ। ৰ'জা লুক্সেমবুৰ্গৰ যুক্তি খণ্ডন কৰি লে'নিনে আঙুলিয়াই দিয়ে যে এছিয়াৰ বৃহৎ অংশ জুৰি সাম্ৰাজ্যবাদী শক্তিসমূহৰ উপনিবেশ আৰু দুৰ্বল, পৰাধীন জাতি-ৰাষ্ট্ৰ বিস্তৃত — অথচ সেইবোৰ দেশ আৰু অঞ্চলতে প্ৰবল জাতীয় আন্দোলন গঢ়ি উঠিছে। জাতীয় আন্দোলনবোৰে পুঁজিবাদ স্থাপিত হোৱাৰ বাটেই প্ৰশস্ত কৰে। সেয়ে সাম্ৰাজ্যবাদৰ বিকাশৰ ফলত জাতীয় আন্দোলন তথা জাতি-ৰাষ্ট্ৰৰ ভিত্তি দুৰ্বল হোৱা নাই। জাতীয় আন্দোলনবোৰৰ ৰাজনৈতিক গুৰুত্ব এতিয়াও আছে। (The Right of Nation to Self-determination, in op. cit. pp 14-16)

সমাজবাদ কেৱল অৰ্থনীতিৰ বস্তু নহয়। সমাজবাদী অৰ্থনীতিয়ে নিশ্চয় জাতীয় নিষ্পেষণৰ বাট বন্ধ কৰে। কিন্তু সমাজবাদী উৎপাদন-ব্যৱস্থা কেৱল ভিত্তিহে — তাৰ ওপৰত গণতান্ত্ৰিকভাৱে সংগঠিত ৰাষ্ট্ৰ আৰু গণতান্ত্ৰিক সৈন্যবাহিনী প্ৰভৃতি গঢ় লৈ নুঠিলে জাতিয়ে জাতিৰ ওপৰত চলোৱা দমন-পীড়ন বন্ধ কৰিব নোৱাৰি। আৰু এই গণতন্ত্ৰৰ অংগ হিচাপে জাতিগত ভিত্তিত গঢ় লোৱা ৰাষ্ট্ৰও নিশ্চয় পৰিব। সেয়ে পুঁজিবাদৰ শ্মশানত সমাজবাদ গঢ়িবলৈ যাওঁতে জাতীয় আন্দোলনৰ দাবীসমূহ অগ্ৰাহ্য কৰিবলৈ যোৱাটো চৰম মূৰ্খামি হ'ব। এনেধৰণৰ জাতীয় নিষ্পেষণ বিলুপ্ত হলেহে বিভিন্ন জাতিৰ মিলন আৰু মিশ্ৰণ সম্ভৱ হ'ব। (The Discussion on Self-determination Summed up op. cit. p. 42)

মাৰ্ক্স-এংগেলছে পুঁজিবাদৰ সাম্ৰাজ্যবাদী পৰ্যায় দেখা নাপালে। লে'নিনৰ সমসাময়িক পুঁজিবাদ হ'ল এমুঠি সাম্ৰাজ্যবাদী বৃহৎ শক্তিৰ দ্বাৰা বহু জাতিৰ ওপৰত শোষণ আৰু নিষ্পেষণৰ ব্যৱস্থা। এই নিষ্পেষণৰ ফলত এহাতে পুঁজিবাদৰ অনিবাৰ্য পতনৰ ক্ষণ পিছুৱাই গৈছে আৰু আনহাতে সাম্ৰাজ্যবাদী দেশবোৰত 'সমাজবাদী' সুবিধাবাদ আৰু উগ্ৰ-দেশপ্ৰেম প্ৰবল হৈছে।

OKDISCD

এই পৰিৱৰ্তিত পৰিস্থিতিত সাম্ৰাজ্যবাদী বুৰ্জোৱা আৰু সিহঁতৰ তাবেদাৰ সামাজিক সাম্ৰাজ্যবাদীহঁতৰ ( Social Imperialist ) ঐক্যবদ্ধ বাহিনীৰ বিৰুদ্ধে থিয় দিব বিশ্বৰ বিপ্লবী সৰ্বহাৰা শ্ৰেণী। সমাজবাদী বিপ্লৱৰ উদ্দেশ্যৰে আজি সকলো জাতীয় আন্দোলনকে ব্যৱহাৰ কৰিব লাগিব। ( The Discussion on Self-determination Summed up Op. Cit. p. 44 )

বিপ্লবী সৰ্বহাৰাই আজি এই সত্যকে ডাঙি ধৰিব লাগিব যে আন জাতিক নিষ্পেষণ কৰা কোনো জাতিয়েই দৰাচলতে 'স্বাধীন' হ'ব নোৱাৰে। সৰু-ডাঙৰ সকলো জাতিকেই শিকাব লাগিব যে জাতীয় দম্ভ, জাতীয় বৈষম্য, জাতীয় নিষ্পেষণ জনগণৰ প্ৰধান শত্ৰুবিলাকৰ প্ৰধান অস্ত্ৰ। এইবোৰত মতলীয়া হোৱা মানে নিজৰ ভৰিত নিজেই কুঠাৰ মৰা।

সামন্তবাদৰ পতনৰ যুগত বুৰ্জোৱাৰ নেতৃত্বত একোটা জাতিয়ে স্বাধীন জাতি-ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব পাৰিছিল। কিন্তু সাম্ৰাজ্যবাদী পুঁজিৰ প্ৰতিপত্তিৰ কালত পৰাধীন জাতিসমূহৰ বুৰ্জোৱা সচৰাচৰ সাম্ৰাজ্যবাদী পুঁজিৰ বহুতীয়া হৈ পৰে। সেয়ে সকলো নিপীড়িত আৰু শৃংখলিত জাতিৰ স্বাধীন জাতি-ৰাষ্ট্ৰ হোৱাৰ ভৰসা দিব পাৰে মাত্ৰ সংগ্ৰামী সৰ্বহাৰাই। আনহাতে সেইবোৰ নিপীড়িত আৰু অবদমিত জাতিৰ সহায় অবিহনে সৰ্বহাৰাই সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চৰম আঘাত হানিব নোৱাৰে। সেয়ে সৰ্বহাৰাই তেওঁলোকৰ বাবে ডাঙি ধৰিব লাগিব জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ secede কৰি হলেও স্বাধীন জাতি ৰাষ্ট্ৰ গঢ়ি তোলাৰ অধিকাৰ।

## সৰ্বহাৰাৰ দৃষ্টিকোণঃ

লে'নিনে সেয়ে সাধাৰণ নীতি হিচাপে শ্ৰেণীসচেতন সৰ্বহাৰাৰ আন্তৰ্জাতিকতাকে ডাঙি ধৰিছে। বুৰ্জোৱা গণতন্ত্ৰৰ বাৰেবৰণীয়া কাৰ্যসূচীৰ ফাকি নেওচা দি শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰৰ আদৰ্শ আঁকোৱালি লবলৈ তেওঁ জনগণক আহ্বান কৰিছে। শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰ জাতীয় মুক্তি আৰু স্বাধীন জাতীয় ৰাষ্ট্ৰৰ সপক্ষে হ'লেও বুৰ্জোৱা গণতান্ত্ৰিক পৰ্যায়ৰ উগ্ৰ জাতীয়তাবাদ আৰু জাতিদম্ভৰ বিৰুদ্ধে। আজিৰ দিনত উগ্ৰ বুৰ্জোৱা জাতীয়তাবাদ প্ৰচাৰৰ অভিপ্ৰায় হ'ল শ্ৰমিক শ্ৰেণীৰ ঐক্য ছিন্নভিন্ন কৰি তেওঁলোকক ডিঙিত ফাঁচ লগোৱা ( Critical Remarks On the National Question, Op. cit. p. 5 )

সৰ্বহাৰাৰ বাবে লে'নিনে জাতীয়তাবাদৰ নেতিবাচক ভূমিকাৰ ওপৰত



জোৰ দিছে। সামন্তবাদী দমন-পীড়ন, এটা জাতিৰ ওপৰত আন এটা জাতিৰ নিষ্পেষণ, আৰু কোনো জাতি বা ভাষাৰ 'privileged' অৱস্থাৰ— এনেবোৰ লক্ষণৰ বিৰোধিতা কৰাই সৰ্বহাৰা গণতন্ত্ৰৰ দায়িত্ব। জাতীয়তাবাদী আন্দোলনৰ এই প্ৰগতিশীল ভূমিকা মাৰ্ক্সবাদে স্বীকাৰ কৰে। কিন্তু কোনোৱে যদি তাতকৈ এখোজ আগুৱাই গৈ বুৰ্জোৱা জাতীয়তাবাদৰ সপক্ষে ওকালতি কৰিব খোজে, তেওঁ মাৰ্ক্সবাদৰ পৰা বিচ্যুত হয়। বুৰ্জোৱা জাতীয়তাবাদৰ আপোনপেটীয়া, বিচ্ছিন্নতাকামী মনোভাব আৰু আন জাতিৰ প্ৰতি ঔদাসিন্য এটা প্ৰতিক্ৰিয়াশীল বৈশিষ্ট্য। শ্ৰমিক শ্ৰেণীয়ে সদায় এই প্ৰতিক্ৰিয়াশীল লক্ষণৰ লগত সংগ্ৰাম কৰিব। এই প্ৰসংগতে লে'নিনে কৈছে: 'Marxism cannot be reconciled with nationalism, be it even of the 'most just', 'purest', most refined and civilised brand. In place of all forms of nationalism Marxism advances internationalism, the amalgamation of all nations in the higher unity, a unity that is growing before our eyes... (Critical Remarks on the National Question Op. cit. p. 9 )

## সমন্বয়ৰ সপক্ষেঃ

বিভিন্ন জাতিৰ মিলন মিশ্ৰণ তথা একাত্মীভৱন ( assimilation ) এই আন্তৰ্জাতিকতাৰ সোপান স্বৰূপ। অসম তথা ভাৰতত এই assimilation লৈ বহু তৰ্কবিতৰ্ক হৈছে। কেতিয়াবা এটা শক্তিশালী জাতিৰ মুখপাত্ৰই লে'নিনৰ উদ্ধৃতি দিও দুৰ্বল জাতিবোৰক assimilation ৰ সপক্ষে সন্মত কৰিবলৈ বিচাৰিছে। অৱদমিত জাতিবোৰৰ প্ৰতিনিধিয়েও assimilation ৰ বিৰোধিতা কৰিছে। এই ক্ষেত্ৰত লে'নিনৰ পৰামৰ্শ কেনেধৰণৰ আছিল?

লে'নিনে জাতিবোৰক পৃথক কৰি ৰখা সংকীৰ্ণ দেৱালবোৰ আৰু জাতীয় বৈশিষ্ট্যবোৰ চূৰমাৰ কৰি একাত্মীভূত কৰা প্ৰক্ৰিয়াটোক পুঁজিবাদৰ এটা কল্যাণকৰ পৰিণাম বুলি কৈছে আৰু সমাজবাদ তাৰ ফলত উপকৃত হোৱা বুলি ঘোষণা কৰিছে ( Op. cit. p. 6 )

উদাহৰণস্বৰূপে, উক্ৰাইনৰ পুঁজিবাদী পাম, খনি আৰু চহৰবোৰত উক্ৰাইনৰ থলুৱা মানুহৰ লগত ৰুছিয়াৰ পৰা অহা হাজাৰে বিজাৰে কৃষক আৰু শ্ৰমিকৰ মিলন-মিশ্ৰণ ( assimilation ) ঘটিছে। ফলত সংকীৰ্ণ মনোভাবৰ ৰুছ খেতিয়ক আৰু উক্ৰাইনীয় খেতিয়কৰ ঠাইত গঢ় লৈছে এটা গতিশীল সৰ্বহাৰা শ্ৰেণী। উক্ৰাইন আৰু ৰুছিয়া যিমানেই স্বাধীন হ'ব, সিমানেই



OKDISCD

এই পৰিৱৰ্তিত পৰিস্থিতিত সাম্ৰাজ্যবাদী বুৰ্জোৱা আৰু সিহঁতৰ তাবেদাৰ সামাজিক সাম্ৰাজ্যবাদীহঁতৰ ( Social Imperialist ) ঐক্যবদ্ধ বাহিনীৰ বিৰুদ্ধে থিয় দিব বিশ্বৰ বিপ্লবী সৰ্বহাৰা শ্ৰেণী । সমাজবাদী বিপ্লবৰ উদ্দেশ্যৰে আজি সকলো জাতীয় আন্দোলনকে ব্যৱহাৰ কৰিব লাগিব। ( The Discussion on Self-determination Summed up Op. Cit. p. 44 )

বিপ্লবী সৰ্বহাৰাই আজি এই সত্যকে ডাঙি ধৰিব লাগিব যে আন জাতিক নিষ্পেষণ কৰা কোনো জাতিয়েই দৰাচলতে 'স্বাধীন' হ'ব নোৱাৰে। সৰু-ডাঙৰ সকলো জাতিকেই শিকাব লাগিব যে জাতীয় দম্ভ, জাতীয় বৈষম্য, জাতীয় নিষ্পেষণ জনগণৰ প্ৰধান শত্ৰুবিলাকৰ প্ৰধান অস্ত্ৰ। এই-বোৰত মতলীয়া হোৱা মানে নিজৰ ভৰিত নিজেই কুঠাৰ মৰা।

সামন্তবাদৰ পতনৰ যুগত বুৰ্জোৱাৰ নেতৃত্বত একোটা জাতিয়ে স্বাধীন জাতি-ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব পাৰিছিল। কিন্তু সাম্ৰাজ্যবাদী পুঁজিৰ প্ৰতিপত্তিৰ কালত পৰাধীন জাতিসমূহৰ বুৰ্জোৱা সচৰাচৰ সাম্ৰাজ্যবাদী পুঁজিৰ বহুতীয়া হৈ পৰে। সেয়ে সকলো নিপীড়িত আক শৃংখলিত জাতিৰ স্বাধীন জাতি-ৰাষ্ট্ৰ হোৱাৰ ভৰসা দিব পাৰে মাত্ৰ সংগ্ৰামী সৰ্বহাৰাই। আনহাতে সেইবোৰ নিপীড়িত আৰু অবদমিত জাতিৰ সহায় অবিহনে সৰ্বহাৰাই সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চৰম আঘাত হানিব নোৱাৰে। সেয়ে সৰ্বহাৰাই তেওঁলোকৰ বাবে ডাঙি ধৰিব লাগিব জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ secede কৰি হলেও স্বাধীন জাতি ৰাষ্ট্ৰ গঢ়ি তোলাৰ অধিকাৰ।

## সৰ্বহাৰাৰ দৃষ্টিকোণ ঃ

লে'নিনে সেয়ে সাধাৰণ নীতি হিচাপে শ্ৰেণীসচেতন সৰ্বহাৰাৰ আন্তৰ্জাতিকতাকে ডাঙি ধৰিছে। বুৰ্জোৱা গণতন্ত্ৰৰ বাৰেবৰণীয়া কাৰ্যসূচীৰ ফাকি নেওচা দি শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰৰ আদৰ্শ আঁকোৱালি লবলৈ তেওঁ জনগণক আহ্বান কৰিছে। শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰ জাতীয় মুক্তি আৰু স্বাধীন জাতীয় ৰাষ্ট্ৰৰ সপক্ষে হ'লেও বুৰ্জোৱা গণতান্ত্ৰিক পৰ্যায়ৰ উগ্ৰ জাতীয়তাবাদ আৰু জাতিদম্ভৰ বিৰুদ্ধে। আজিৰ দিনত উগ্ৰ বুৰ্জোৱা জাতীয়তাবাদ প্ৰচাৰৰ অভিপ্ৰায় হ'ল শ্ৰমিক শ্ৰেণীৰ ঐক্য ছিন্নভিন্ন কৰি তেওঁলোকক ডিঙিত ফাঁচ লগোৱা ( Critical Remarks On the National Question, Op. cit. p. 5 )

সৰ্বহাৰাৰ বাবে লে'নিনে জাতীয়তাবাদৰ নেতিবাচক ভূমিকাৰ ওপৰত



জোৰ দিছে। সামন্তবাদী দমন-পীড়ন, এটা জাতিৰ ওপৰত আন এটা জাতিৰ নিষ্পেষণ, আৰু কোনো জাতি বা ভাষাৰ 'privileged' অৱস্থাৰ— এনেবোৰ লক্ষণৰ বিৰোধিতা কৰাই সৰ্বহাৰা গণতন্ত্ৰৰ দায়িত্ব। জাতীয়তাবাদী আন্দোলনৰ এই প্ৰগতিশীল ভূমিকা মাৰ্ক্সবাদে স্বীকাৰ কৰে। কিন্তু কোনোৱে যদি তাতকৈ এখোজ আগুৱাই গৈ বুৰ্জোৱা জাতীয়তাবাদৰ সপক্ষে ওকালতি কৰিব খোজে, তেওঁ মাৰ্ক্সবাদৰ পৰা বিচ্যুত হয়। বুৰ্জোৱা জাতীয়তাবাদৰ আপোনপেটীয়া, বিচ্ছিন্নতাকামী মনোভাব আৰু আন জাতিৰ প্ৰতি ঔদাসিন্য এটা প্ৰতিক্ৰিয়াশীল বৈশিষ্ট্য। শ্ৰমিক শ্ৰেণীয়ে সদায় এই প্ৰতিক্ৰিয়াশীল লক্ষণৰ লগত সংগ্ৰাম কৰিব। এই প্ৰসংগতে লে'নিনে কৈছে ঃ 'Marxism cannot be reconciled with nationalism, be it even of the 'most just', 'purest', most refined and civilised brand. In place of all forms of nationalism Marxism advances internationalism, the amalgamation of all nations in the higher unity, a unity that is growing before our eyes... (Critical Remarks on the National Question Op. cit. p. 9 )

## সমন্বয়ৰ সপক্ষে ঃ

বিভিন্ন জাতিৰ মিলন মিশ্ৰণ তথা একাত্মীভৱন ( assimilation ) এই আন্তৰ্জাতিকতাৰ সোপান স্বৰূপ। অসম তথা ভাৰতত এই assimilation লৈ বহু তৰ্কবিতৰ্ক হৈছে। কেতিয়াবা এটা শক্তিশালী জাতিৰ মুখপাত্ৰই লে'নিনৰ উদ্ধৃতি দিও দুৰ্বল জাতিবোৰক assimilation ৰ সপক্ষে সন্মত কৰিবলৈ বিচাৰিছে। অৱদমিত জাতিবোৰৰ প্ৰতিনিধিয়েও assimilation ৰ বিৰোধিতা কৰিছে। এই ক্ষেত্ৰত লে'নিনৰ পৰামৰ্শ কেনেধৰণৰ আছিল ?

লে'নিনে জাতিবোৰক পৃথক কৰি ৰখা সংকীৰ্ণ দেৱালবোৰ আৰু জাতীয় বৈশিষ্ট্যবোৰ চূৰমাৰ কৰি একাত্মীভূত কৰা প্ৰক্ৰিয়াটোক পুঁজিবাদৰ এটা কল্যাণকৰ পৰিণাম বুলি কৈছে আৰু সমাজবাদ তাৰ ফলত উপকৃত হোৱা বুলি ঘোষণা কৰিছে ( Op. cit. p. 6 )

উদাহৰণস্বৰূপে, উক্ৰাইনৰ পুঁজিবাদী পাম, খনি আৰু চহৰবোৰত উক্ৰাইনৰ থলুৱা মানুহৰ লগত ৰুছিয়াৰ পৰা অহা হাজাৰে বিজাৰে কৃষক আৰু শ্ৰমিকৰ মিলন-মিশ্ৰণ ( assimilation ) ঘটিছে। ফলত সংকীৰ্ণ মনোভাবৰ ৰুছ খেতিয়ক আৰু উক্ৰাইনীয় খেতিয়কৰ ঠাইত গঢ় লৈছে এটা গতিশীল সৰ্বহাৰা শ্ৰেণী। উক্ৰাইন আৰু ৰুছিয়া যিমানেই স্বাধীন হ'ব, সিমানেই



OKDISCD

এই মিলন হ'ব দ্রুত আৰু অবাধ। এনে এটা প্ৰক্ৰিয়াৰ ফলত মাৰ্কিন যুক্তৰাষ্ট্ৰত বিভিন্ন জাতিৰ জাতীয় খোলাবোৰ ভাঙিছিঙি চূৰমাৰ হৈ সেই-বোৰ জাতি এক হৈ গৈছে। এই প্ৰক্ৰিয়াটোত মাৰ্ক্সবাদীৰ আপত্তি কৰিবলৈ একো নাই (Op. cit. p. 8)

### সাংস্কৃতিক জাতীয়তাবাদৰ সম্পৰ্কত ঃ

এনে সংমিশ্ৰণ ৰোধ কৰিবলৈ যেয়ে ' Cultural national Autonomy'ৰ কথা কয়, তেৱেঁই মাৰ্ক্সবাদক বিশ্বাসঘাতকতা কৰে। অষ্ট্ৰিয়াৰ মাৰ্ক্সবাদী অটো বাওৱাৰ, ৰুডল্ফ্ স্প্ৰিংগাৰ প্ৰভৃতিয়ে তাহানিৰ অষ্ট্ৰিয়ান সাম্ৰাজ্যৰ বহুজাতিক জনসংখ্যাৰ বাবে মাৰ্ক্সীয় সমাধান বিচাৰি সংমিশ্ৰণহীন সহ-অৱস্থানৰ এই তত্ত্ব প্ৰবৰ্তন কৰে। এই তত্ত্বৰ মতে বিভিন্ন জাতিয়ে একে ৰাষ্ট্ৰৰ শাসন মানি লোৱাত বাধা নাই, যদিহে সেইবোৰ জাতিৰ সাংস্কৃতিক চৰিত্ৰ অক্ষুন্ন ৰাখিব পৰা যায়। তাৰ বাবেই তেওঁলোকৰ মতে প্ৰয়োজন 'Cultural national autonomy'ৰ। ১৮৯৯ চনত ব্ৰয়ন (Briinn) সমাৰোহত অষ্ট্ৰিয়াৰ সমাজবাদীসকলে এই প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ মতে প্ৰতিটো জাতিৰ স্কুল-কলেজ আদৰ ভাষা, পাঠ্যক্ৰম, পৰিচালনা বেলেগ হৈ থকাৰ সুবিধা ৰাষ্ট্ৰই দিব লাগে। আৰু অন্যান্য উপায়েও প্ৰতিটো জাতিৰ সাংস্কৃতিৰ সুকীয়া বৈশিষ্ট্য ৰক্ষা কৰিব লাগে। ৰুছিয়াৰ ইহুদী সমাজবাদী দল এটায়ো (Bund Socialists) লগে লগে এই প্ৰস্তাৱ গ্ৰহণ কৰি ৰুছিয়াৰ ইহুদী জনসংখ্যাৰ বাবে 'Cultural national autonomy' বিচাৰিলে।

লেনিনে আঙুলীয়াই দিলে যে এই তথাকথিত 'জাতীয় সাংস্কৃতিক আত্মাধিকাৰ'ৰ ফলত অতি ক্ষুদ্ৰ সম্প্ৰদায়বোৰৰ মাজতো উগ্ৰজাতীয়তাবাদৰ বিষ সংক্ৰমিত হ'ব। তদুপৰি প্ৰতি জাতিৰে মাজত প্ৰাচীনপন্থী যাজক শ্ৰেণীৰ প্ৰভাৱ ই বৃদ্ধি কৰিব। (it would tend to increase clericalism) দুয়োটা পৰিণামেই সৰ্বহাৰাৰ শ্ৰেণী সংগ্ৰামৰ বাবে অনিষ্টকৰ হ'ব। পুঁজিবাদ য'ত প্ৰগতিশীল, তাৰ ঠাইত প্ৰাচীন সনাতনপন্থী প্ৰভাৱহে শক্তিশালী হৈ পৰিব। (Op. cit. p. 10)

### কি ধৰণৰ সমন্বয় ঃ

সমন্বয়ৰ (assimilation বা সংমিশ্ৰণৰ) সমৰ্থন কৰা বাবে আৰু জাতীয়-সংস্কৃতিক আত্মনিয়ন্ত্ৰৰ বিৰোধিতা কৰা বাবে অসম তথা ভাৰতৰ এচাম বুৰ্জোৱা বুদ্ধিজীৱীয়ে লেনিনক বুৰ্জোৱা জাতীয়তাবাদৰ প্ৰৱক্তাত



পৰিণত কৰিছে। জোৰ-জবৰদস্তি কৰি একোখন ৰাজ্যত তাত থকা বহু জাতিৰ সমন্বয় সাধন কৰিব খোজাটো বুৰ্জোৱা জাতীয়তাবাদৰেই লক্ষণ। একোটা অঞ্চলৰ অধিক শক্তিশালী বুৰ্জোৱাই এনে বলপূৰ্বক 'সমন্বয়'ৰ পথ লয়। লে'নিনে কোৱা শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰৰ লগত তাৰ আকাশ-পাতাল প্ৰভেদ!

এই বিষয়ত জনগণক আপোন ইচ্ছাৰে সিদ্ধান্ত ল'বলৈ নিদি বলপূৰ্বক কোনো সিদ্ধান্ত জাপি দিয়াটো লে'নিনে সমৰ্থন কৰিছিলনে? লেনিনে কৈছিল ঃ 'What we do not want is the element of coercion. We do not want to have people driven into paradise with a cudgel' (আমি নিবিচাৰোঁ বলপ্ৰয়োগৰ ব্যৱস্থা। আমি নিবিচাৰোঁ যে মানুহক স্বৰ্গলৈ টাঙোনেৰে মৰিয়াই খেদি নিয়া হওক। Op, cit. p, 4) তেওঁৰ মতে বিভিন্ন ৰাষ্ট্ৰৰ সীমা আৰু বিস্তৃতি স্থানীয় জনগণৰ ইচ্ছানুযায়ী হ'ব লাগে, কোনো ওপৰতে বক্তৃতা মৰা নেতাৰ কথামতে নহয়। (Op. cit. p. 13, p 41) তেওঁ পুনৰ কৈছে ঃ 'To be an internationalist Social Democrat one must not think only of one's own nation, but place above it the interests of all nations, their common liberty and equality.') আন্তৰ্জাতিকতাত বিশ্বাসী সমাজবাদী হবলৈ হলে কোনো লোকে কেৱল নিজৰ জাতিৰ কথা ভাবিলেই নচলিব, বৰং সকলো জাতিৰ স্বাৰ্থক, সকলো জাতিৰ স্বাধীনতা আৰু সমতাক নিজৰ জাতিৰ ওপৰত স্থান দিব লাগিব। 'The Discussion on Self-determination Summed up, p 46) শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰৰ দাবী হ'ব ঃ কোনো জাতি বা কোনো ভাষাৰ বাবেই বিশেষ মৰ্যদা নাথাকিব। (Critical Remark on the National Question Op. cit, p, 2)

লে'নিনে ছুইজাৰলেণ্ডৰ উদাহৰণ দি বাৰে বাৰে এই গণতন্ত্ৰৰ অৰ্থ ব্যক্ত কৰিছে। তেওঁ আঙুলিয়াই দিছে যে ছুইজাৰলেণ্ডৰ চৰকাৰী ভাষা তিনিটা, কিন্তু গণভোটৰ বাবে দিয়া প্ৰস্তাৱবোৰ এই তিনিটা ভাষাৰ উপৰিও আৰু দুটা উপভাষাত ছপা কৰা হয়। (Critical Remarks, Op, cit P. 10)। ৰুছদেশত যদিও তেওঁ অৱশেষত ৰুছভাষাই ব্যাপকভাৱে ব্যৱহৃত হ'ব বুলি বুজিছিল, তথাপি বিভিন্ন অনা-ৰুছ জাতিৰ ভাবাৱেগলৈ চকু দি ৰুছদেশত কোনো বাধ্যতামূলক চৰকাৰী ভাষা হ'ব নালাগে বুলি মত প্ৰকাশ কৰিছিল। (Critical Remarks p. 3)



OKDISCD

লে'নিনে আনকি এইক্ষেত্রত 'assimilation' (সংমিশ্রণ, সমন্বয়) শব্দটোৰে প্ৰয়োগ ভাল নাপাইছিল, কাৰণ এই শব্দটোত এটা দমন বা বলপ্ৰয়োগৰ গোন্ধ আছে ঃ

'The word 'assimilation' here does not fit at all, because all Marxists... have quite definitely and unambiguously condemned the slightest violence against, and oppression and inequality of, nations.'

এটা ৰাষ্ট্ৰৰ শাসনত থকা সংখ্যালঘু সম্প্ৰদায় এটাৰ সকলো অধিকাৰ ৰক্ষা কৰাটোও এই সৰ্বাংগিন সমতাৰ অংগ। (Op. cit. p. i0) একে জাতিৰ জনসংখ্যাৰ দ্বাৰা অধ্যুষিত ক্ষুদ্ৰতম অঞ্চলবোৰতো স্বায়ত্তশাসনৰ (autonomy) অধিকাৰ দিবলৈ তেওঁ সাজু আছিল। (Op. cit. p. 12). যিসকল সমাজবাদীয়ে সংমিশ্ৰণ আৰু সমন্বয় (amalgamation) বিচাৰে, তেওঁলোকে যেন পাহৰি নাযায় যে তেওঁলোকৰ নিজৰ নিজৰ দেশত জোৰ-জুলুমেৰে amalgamation বিচৰা শাসকশ্ৰেণীৰ নেতাও আছে। দমনকাৰী জাতিৰ দমননীতিৰ বিৰুদ্ধে থিয় নিদিয়া, সেই জাতিৰ সমাজবাদী প্ৰকৃততে বুৰ্জোৱাৰ দালাল। (Op. cit. p. 46) আনকি নিপীড়িত, অৱদমিত জাতি এটাৰ বুৰ্জোৱা জাতীয়তাবাদৰো নিপীড়নবিৰোধী গণতান্ত্ৰিক উপাদান এটা নথকা নহয়। (Op. cit p. 20)

কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় সমাৰোহত লে'নিনে দুই ধৰণৰ জাতীয়তাবাদী বিচ্যুতিৰ বিৰুদ্ধে সতৰ্কবাণী শুনায়। প্ৰথটো হ'ল সাম্ৰাজ্য-বাদী দেশবোৰত তথাকথিত সমাজবাদী বিলাকে সাম্ৰাজ্যবাদৰ দালাল হিচাপে লোৱা নিৰ্লজ্জ উগ্ৰ জাতীয়তাবাদী ভূমিকা। এই ভূমিকাই আনকি সৰ্বহাৰাৰ ঐক্যকো অস্বীকাৰ কৰিব খোজে। আনটো হ'ল ক্ষুদ্ৰ দুৰ্বল, নিষ্পেষিত জাতিৰ মাজত দীৰ্ঘকালীন দমনীতিৰ ফলত গঢ় লোৱা সংকীৰ্ণমনা আচুটিয়া, আত্মকেন্দ্ৰিক মনোভাৱ। দুয়োটা বিচ্যুতিয়েই জাতিসমস্যাৰ সমাধানত তীব্ৰ খেলিমেলি লগাব। কিন্তু প্ৰকৃত সৰ্বহাৰাৰ গণতন্ত্ৰত বিশ্বাসী লোকে এই দুই বিচ্যুতিৰ বিৰুদ্ধে যুঁজিবও লাগিব।

## জাতীয়-সাংস্কৃতিক স্বনিয়ন্ত্ৰণৰ প্ৰশ্নতঃ

শ্ৰমিক শ্ৰেণীৰ গণতন্ত্ৰই 'জাতীয় সংস্কৃতিত'কৈ গণতন্ত্ৰ আৰু বিশ্বব্যাপি শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ 'আন্তৰ্জাতিক সংস্কৃতি'ক বেছি মূল্য দিয়ে। (Critical Remarks etc. p. 2.) এইটো এটা ওপৰৰ পৰা জাপি দিয়া



বস্তু নহয়। প্ৰতি জাতিতেই যেহেতু শোষিত আৰু শ্ৰমজীৱী জনগণ আছে, অতএব প্ৰতি জাতিৰ মাজতেই গণতন্ত্ৰ আৰু সমাজবাদৰ উপাদান আছে। কিন্তু এই আন্তৰ্জাতিক উপাদান দমন কৰি ৰাখে প্ৰতি জাতিৰ জমিদাৰ বুৰ্জোৱা আৰু পুৰোহিত শ্ৰেণীয়ে (p 4.) মাৰ্ক্সবাদীৰ বাবে এইবোৰ শ্ৰেণীয়ে প্ৰচলন কৰা বুৰ্জোৱা জাতীয়তাবাদ হ'ল পৰম শত্ৰু। ৰুছদেশৰ মাৰ্ক্সবাদীসকলে এহাতে দুৰ্বল, অৱদমিত জাতিবোৰৰ অধিকাৰৰ সপক্ষে আৰু আনহাতে সামন্তশ্ৰেণী আৰু বুৰ্জোৱা শ্ৰেণীয়ে প্ৰবৰ্তন কৰা উগ্ৰ ৰুছ জাতীয়তাবাদৰ বিৰুদ্ধে যুঁজিব লাগিব (p. 5)

ৰুছ দেশত বহু সংখ্যক ইহুদী বাস কৰে। ৰুছ দেশ আৰু গে'লিছিয়াতে পৃথিবীৰ আধাতকৈও বেছি ইহুদী বাস কৰে। ৰুছদেশ আৰু গে'লিছিয়া যেহেতু 'অনুন্নত অৰ্ধ-সভ্য' দেশ, সেয়ে ইহুদীবিলাকক তাত সমাজৰ বাহিৰত এটা আচুটিয়া সম্প্ৰদায় (caste) হিচাপে থাকিবলৈ দিয়া হৈছে। পৃথিবীৰ উন্নত, সভ্য, আধুনিক দেশবোৰত ইহুদী জনসংখ্যা কিন্তু সাধাৰণ জনগণৰ লগত মিলি গৈছে। সেইবোৰ দেশত ইহুদীসকলৰ আন্তৰ্জাতিক মনোবৃত্তি স্পষ্ট হৈছে। কিন্তু ৰুছিয়া আৰু গে'লিছিয়াৰ অস্বাভাৱিক অস্বাস্থ্যকৰ ব্যৱস্থা বচাই ৰাখিব খুজিছে বুণ্ড্ ছশ্যালিষ্ট দলে। সিহঁতে অষ্ট্ৰিয়ান মাৰ্ক্সবাদৰ 'জাতীয় সাংস্কৃতিক স্বনিয়ন্ত্ৰণ'ৰ সূত্ৰটো ধাৰ কৰিছে। (p p 9-10)

কেৱল বিমূৰ্ত সূত্ৰহিচাপেই লে'নিনে 'জাতীয় সাংস্কৃতিক স্বনিয়ন্ত্ৰণ'ৰ বিৰোধিতা কৰা নাই। (যিটো আমাৰ কোনো কোনো তত্ত্ববাগীশৰ ক্ষেত্ৰত দেখা যায়!!) বৰং তথ্যনিৰ্ভৰ অৰ্থনৈতিক আৰু সামাজিক বিশ্লেষণৰে তেওঁ প্ৰমাণ কৰিছে ইহুদী বিলাকে বেলেগ স্কুল কলেজ আৰু সাংস্কৃতিক অনুষ্ঠান বিচৰাটো অবাস্তৱ আৰু ক্ষতিকৰ। প্ৰাচীনপন্থী ৰক্ষণশীল যাজক শ্ৰেণীৰ কুপ্ৰভাৱৰ পৰা ইহুদীসকলক মুক্তি দিবলৈ হলে তেওঁলোকৰ বিচ্ছিন্নতা প্ৰথমে দূৰ কৰা প্ৰয়োজন। সেয়ে ইহুদীবিলাকৰ জাতীয় সাংস্কৃতিক স্বনিয়-ন্ত্ৰণৰ দাবী তেওঁ অগ্ৰাহ্য কৰিছিল। তদুপৰি ছেণ্ট পিটাৰ্ছবাৰ্গৰ প্ৰাইমাৰী স্কুলৰ ৪৮,০৭৬ জন ছাত্ৰছাত্ৰীৰ মাজত ইহুদী আছিল মাত্ৰ ৩৯৬ জন, ১%তকৈ কম। সেয়ে তেওঁলোকৰ বাবে সুকীয়া স্কুল খোলাৰ দাবী অবাস্তৱ। আনহাতে যুটীয়া স্কুলত যাতে ইহুদী ভাষা (Yiddish) আৰু ইহুদী বুৰঞ্জী আদি শিকাবলৈ বেলেগ শিক্ষক থাকে, লে'নিনে তাৰ ব্যৱস্থা লবলৈকো ৰাজী আছিল।



OKDISCD

এনে ধৰণৰ অৰ্থনৈতিক আৰু সামাজিক বিশ্লেষণ অবিহনে বিমূৰ্ত্ত সূত্ৰৰ প্ৰয়োগ বিপজ্জনক! দুখৰ বিষয় অসম তথা ভাৰতত সেয়ে সঘনে হৈছে আৰু ফলত মাক্স'বাদৰ শোচনীয় অধঃপতন ঘটিছে। মাক্স'বাদৰ সামগ্ৰিক দৃষ্টিকোণ আৰু মূল্যবোধ (লে'নিনে যাক শ্ৰমিক শ্ৰেণীৰ সমাজ-বাদী 'সংস্কৃতি' বুলি কৈছে) অবিহনে যেতিয়া বুৰ্জোৱা জাতীয়তাবাদীয়ে মাক্স'বাদী সূত্ৰৰ প্ৰয়োগ কৰিবলৈ বিচাৰে তেতিয়া তাৰ ফল আৰু মাক্স'-বাদী হৈ নাথাকে। বৰং বুৰ্জোৱা জাতিদম্ভ, দুৰ্বল জাতিবোৰৰ ওপৰত উৎপীড়ন আৰু দমন, আৰু বৈষম্যৰ ঢাকোন হিচাপেই তেতিয়া মাক্স'বাদৰ প্ৰয়োগ হয়।

আমি ইতিপূৰ্বেই উল্লেখ কৰিছোঁ যে বুৰ্জোৱা জাতীয়তাবাদৰ সহায়ত আমাৰ জাতিসমস্যা সমাধান কৰিবলৈ গৈ আমি নানা বিপৰ্যয়ৰ সন্মুখীন হৈছোঁ। কিন্তু বুৰ্জোৱা জাতীয়তাবাদ বৰ্জন কৰা বুলি যিসকলে ভাবিছে তেওঁলোকৰ কলিজাৰ আঁহে আঁহে বুৰ্জোৱা জাতীয়তাবাদ সোমাই আছে। তাৰ বিৰুদ্ধে অবিৰত সজাগ সংগ্ৰাম অবিহনে মাক্স'বাদৰ নামত দক্ষযজ্ঞ চলি থাকিব। লে'নিনে আমাক সতৰ্ক কৰি গৈছে যে এই সংগ্ৰাম সহজ নহয় ++।+ (অহা সংখ্যাত : স্তালিনৰ অৱদান)

---

**লেখকসকললৈ নিবেদন :** জন-গণ বিৰোধী কোনো লেখা এই আলোচনীত ছপা নহয়। লেখাৰ ভাষা সাধাৰণ পাঠকৰ বোধ-গম্য হ'ব লাগিব। ইংৰাজী উদ্ধৃতি যথা-সম্ভৱ বাদ দিব এনে উদ্ধৃতি থাকিলেও লগত অসমীয়া অনুবাদ দিব লাগিব। প্ৰকাশৰ অযোগ্য প্ৰবন্ধ-পাতি লগে লগে নষ্ট কৰি পেলোৱা হয়। লেখকৰ লগত ব্যক্তিগত যোগাযোগ সকলো সময়তে সম্ভৱ নহয়।

**গ্ৰাহকসকললৈ নিবেদন :** ডাক মাচুল সহ বছেৰেকীয়া বৰঙণি ৮'০০ টকা। এবছৰৰ বৰঙণি পঠালে যিকোনো সময়তে গ্ৰাহকভুক্ত হ'ব পাৰি।

**এজেণ্টসকললৈ নিবেদন :** ১০ কপিৰ কমে এজেন্সি দিয়া নহয়। আলোচনী ভি, পি, কৰিহে পঠোৱা হয়। ভি, পি, খৰছ আমাৰ। এজেণ্ট সকলক ২৫% কমিছন দিয়া হয়।

ঠিকনা :

।। সাম্প্ৰতিক সাময়িকী ।। হেদায়েৎপুৰ ।। গুৱাহাটী—৭৮১০০৩

ফোন : ৭০২৩



## বাবুলালহঁত/মহেন্দ্ৰ বৰঠাকুৰ

বাবুলালৰ কথা শুনি মাজে মাজে মোৰ মূৰ গৰম হৈ যায়। ফুটনি ফুটনি কথা। 'দুনিয়াত' তাৰ হেনো ভয় কৰিবলৈ একো কাৰণ নাই। শৰীৰত শক্তি থাকিলেই মানুহ ইমান অহংকাৰী হয়নেকি জানো! তথাপি তাক মই বুজাব খোজোঁ— ইমান উদ্ধত হোৱা ভাল নহয়। কেতিয়াবা বিপদ হ'ব। সি জিভা উলিয়াই দিয়ে— বিপদ? ধুইত। বিপদ কাক বোলে তাকেই মই নাজানো। চালা বিপদ মানে যদি কিবা দুৰ্ঘটনা হয় তেতিয়াহলেতো মোৰ জন্মটোৱেই বিপদ। চাফা কথা কৈছো বুজিছ— বাবাৰ ফুৰ্তি লাগি মাক বিয়া কৰাইছিল আৰু ফুৰ্তি লাগিয়েই মোক জন্ম দিছিল। তাৰ পিচত কি কৰিব? বাবা এদিন এক্সিডেণ্ট হৈ মৰি থাকিল, তিনি বছৰ বিধবা হৈ থাকি মা এদিন আকৌ মা হ'ব খুজিলে— লাগি গ'ল গোলমাল। সেই যে গোলমাল লাগিল— চালা লাগিয়েই থাকিল। মা আপোনঘাটী হ'ল। মোৰ কথা আৰু কোনে ভাবে, এতিয়া মোৰ বয়স কিমান জান? এই বুলি সি ঢেক ঢেককৈ হাঁহি ললে একুৰি সাত। তোতকৈ মই বেছি সৰু নহয়। দুই-তিনি বছৰ! তই যিটো বুজ, ময়ো সেইটোৱেই বুজো।

বাবুলাল দপ্‌দপ্‌কৈ ওলাই গ'ল। মোক একো ক'বলৈকে সুবিধা নিদিলে। এবাৰ মাতিবলৈ লৈয়ো মাতিব নোৱাৰিলো। অবাকো হোৱা নাই। কাৰণ মোৰ বাবে বাবুলালৰ এইটো নতুন ৰূপ নহয়। মাজে মাজে সি এনেকুৱাকৈ অভঙালি কৰে। ক'ৰবাত অঘটন ঘটাই হয়তো এদিন দুদিন— কেতিয়াবা এমাহ ডেড়মাহলৈকে নাইকিয়া হয়। কলৈ যায় বুলি সুধিলেই মোক ভেকাহি মাৰি দিয়ে— তোক কেলেই? নোসোধো। আচলতে বাবুলালৰ লগত মোৰ সম্বন্ধ কি মই বৰকৈ বুজি নাপাওঁ। বন্ধু? কিন্তু বাবুলালৰ লগত মোৰ মিলেই বা ক'ত? মই বি-এ পাছ কৰি শি[illegible]তা কৰি আছো, বাবুলালে মোৰ সমান পঢ়া-শুনা কৰিবলৈ নহ'ল। মই [illegible]ভাবে জীয়াই থাকিবলৈ বিচাৰো। বাবুলালে জটিলতা নিজেই



OKDISCD

সৃষ্টি কৰি লয়। কিবা এটা কৰিবলৈ হলে— মই দহবাৰ চিন্তা কৰি লৈহে কৰোঁ। বাবুলালে যেতিয়াই যিহকে মন যায় তাকেই কৰে। জীৱন যাত্ৰাৰ সহজ পথত কেতিয়াবা উজুটি খোৱাৰ সম্ভাৱনা দেখিলে মই বিব্ৰত হৈ পৰোঁ। বাবুলালে 'সহজ জীৱন'ৰ অৰ্থই নাজানে হেনো। আমাৰ গতিৰ ৰেখা কোনো বিন্দুতেই লগ নালাগে, অথচ বাবুলালৰ লগত মোৰ কিবা এটা সম্বন্ধ আছে। মাথোন তিনিবছৰ আগতে বাবুলাল এইখন নগৰলৈ আহিছিল। কোনোবা এখন চাহদোকানতে সম্ভৱ বাবুলালৰ লগত মোৰ চিনাকী হৈছিল। আমি সঘনে ইটোৱে সিটোক লগ পাইছিলোঁ। এদিন সি আহি ক'লেহি— মই চাকৰি পাইছোঁ।

— চাকৰি? ক'ত?
— ঠিকাদাৰৰ লগত।
— কি কাম?
— যি কাম দিয়ে সেয়েই।

পোন্ধৰ দিনমানৰ পিচত আহি ক'লেহি— মই সেই চাকৰি এৰিলো।
— চাকৰি এৰিলি! হ'ল কি?
— বজ্জাত বুজিছ। ধুইত, মোৰ চকুৰ আগত বেইমানী কৰি থাকিলে মই চাই থাকিব পাৰো নেকি? ভাল নালাগিল। মনটো এতিয়াহে খোলোচা খোলোচা লাগিছে।

বাবুলালক লৈ যে মোৰ বিপদ আছে— এই কথা সেইদিনাই বুজি-ছিলো। কিন্তু কিয় নাজানো তাৰ ওচৰৰ পৰা একেবাৰে আঁতৰি অহাৰ কথা মই ভাবিব নোৱাৰিছিলো। বৰং সি বন্দবস্ত কৰি দিয়া ভাড়া ঘৰ-লৈহে মই গৈছিলো। আৰু একেটা ঘৰৰ দুটা কোঠাত আমি ওচৰা-ওচৰিকৈ থাকিবলৈ ললো। মোৰ বহুত খিনি কাম বাবুলালেই কৰি দিয়ে। কিন্তু অলপ কথাতে তাৰ মেজাজ গৰম হয়, যাকে তাকে গালি পাৰে, প্ৰয়োজন হলে হাতো ডাঙে। গালি পাৰিছিল— যজ্ঞ মহাশয়ক। যজ্ঞ মহাশয়— পুৰণি মানুহ, স্কুলত সংস্কৃত পঢ়ায়। কপালত দুটা চন্দনৰ ফোঁট আৰু টিকনিত খৰিকা জাই ফুল সদাই থাকেই। জোতা নিপিন্ধে। গেৰুৱা ৰঙৰ পাঞ্জাবী আৰু আঠু মূৰলৈকে চুৰীয়া। বাবুলাল এদিন মোৰ লগতে গৈছিল যজ্ঞ মহাশয়ৰ ঘৰলৈ। এটি সৰু জুপুৰি। চাল প্ৰায় উৰাঁলিছে, বেৰকেইখনৰ ইকৰাবোৰো ঘূণে খোৱা। বাবুলালে বোলে— ছাৰ, সামান্য বতাহ এজাক আহিলেই ঘৰ উৰি যাব, কিবা এটা কৰক।



— কি কৰিবা হে। মাষ্টৰীয়ে নাটানেগৈ। তাতে সংস্কৃত মাষ্টৰ! গহীনকৈ যজ্ঞ মহাশয়ে কথাষাৰ কৈ নিজেই অকনমান হাঁহিলে। বাবু-লালে বোলে— এইখন কৰি থকাতকৈ ছাৰ মাটি চাটি আছে যদি নিজে খেতি কৰক। হালোৱা গৰু এহাল ললেই হ'ল।
মহাশয়ৰ মুখ ৰঙা পৰি গ'ল— যজ্ঞ শৰ্মাক হালবাবলৈ কয়! মহাশয়ে লাহেকৈ ক'লে— তুমি কি কৈছা বাবুলাল নিজেই এবাৰ ভাবি চোৱাঁচোন। মোক কোন বুলি ভাবিছা?— লগে লগে বাবুলালেও বোলে— মইনো কি বেয়া কথাটো কৈছো ছাৰ। বালেই যেনিবা হালখন—তাৰ বাবদ আপোনাৰ নাম সলনি হৈ যাব নেকি?
— কি ক'লা?
— ঠিকেই কৈছো।
ইয়াৰ পিচত যজ্ঞ মহাশয়ে বাবুলালক চুইহে নিকিলালে। বাবুলালেও সমানে মুখ চলালে। মই বিব্ৰত। বাবুলালৰ হৈ মহাশয়ৰ ওচৰত মই ক্ষমা বিচাৰিলো। মহাশয় শান্ত হ'ল— কিন্তু দুষ্ট সংগ পৰিত্যাগ কৰিবলৈ পৰামৰ্শ দিলে। ঘৰলৈ আহি মই বাবুলালক মতা নাছিলো। বাবুলালেও কিছুদিনৰ পিচত— প্ৰায় এসপ্তাহৰ পিচত— বাবুলালে ক'লেহি— মই চাকৰি এটা পাইছো। এইবাৰ অফিচত। মোৰ লগত আজি চাহ একাপ খাবলৈ যাব লাগিব কিন্তু কৈ দিছো। গৈছিলো। ভাল ৰেষ্টুৰেণ্টত বহিছিলোগৈ। যজ্ঞ মহাশয়ৰ প্ৰসংগ একো নোলাল। ভাবিছিলো সি কিবা ক'ব, নকলে।
এইবাৰ ডেড়মাহৰ পিচত আহি ক'লেহি— চাকৰি এৰিলো। নোৱাৰি।
— কিয়?
— ফাকি দিব লাগে, নিমখহাৰামি কৰিব লাগে। ভাল নালাগে। বুজিলে।— বাবুলালৰ আৰু চাকৰি কৰা নহ'বগৈ; কিন্তু কুৰিদিনমানৰ পিচতে আক' খবৰ দিলেহি— এইবাৰ চাকৰি হৈছে কেছাৰীত।
মই অবাক! তেনেহলে আমাৰ দেশত নিবনুৱা সমস্যা আছে বুলি এনেয়েহে কোৱা হয়। বাবুলালে নহলে এনেকৈ কিয় চাকৰি পাব!
কিন্তু এইবাৰ মাথোন দহ দিনৰ পিচতে বাবুলালে ক'লেহি—চাকৰি এৰি দিলো ভাই। নোৱাৰি।
— কিয়?
— খেল আৰু কিমান চাবি। ধুইত। বাবুলালক পাগল বুলি কোৱাৰ [illegible] মোৰ অন্য কিবা ক'ব লগা নাছিল।



OKDISCD

— কিন্তু কিবা এটাতো তই কৰিব লাগিব ?
—কিবা এটাতো কৰিমেই। চালা চব মানুহকে দেখিলো— পইচা লাগে,
ঘৰ লাগে, আৰাম কৰি থাকিব পাৰিব লাগে! মোৰতো একোৱেই নাই
জান— ঘৰ নাই, সংসাৰ নাই, আপোন নাই। মোৰ কিহৰ চিন্তা।
— তোৰ মূৰত কি আছে বাবুলাল। চাকৰি এটা যোগাৰ কৰা বৰ
সাধাৰণ কথা বুলি ভাবিছনেকি? তোৰ ভাগ্য যে তই চাকৰি পাৱ—
কিন্তু ৰাখিব নোৱাৰ।

বাবুলালে ঢেক্‌ঢেককৈ হাঁহিলে। ক'লে— তোকতো কৈছোৱেই
বজ্জাতি মই কৰিব নোৱাৰো। বচ, চাকৰিও মই কৰিব নোৱাৰো। এই-
বাৰ বিজিনেছ কৰিম, কাৰবাৰ।

— কি কাৰবাৰ কৰিবি ? — যি মন যায়।

বাবুলালে বিজিনেছো কৰিলে। ৰা খোৱাৰ টেক্সীখন ললে দিনে
পঞ্চাশ টকা ভাড়াত। পঞ্চাশ টকা দি বাকী সমস্ত উপাৰ্জন বাবুলালৰ।
এমাহমানৰ পিচত এদিন সি ভোঁ ভোঁকৈ সোমাই আহি ক'লেহি—এটাক
ঠাণ্ডা কৰি দিছো।

—কি হ'ল ?

— কি হ'ব আৰু, মোৰ টেক্সীত চোৰাই মাল নিছিল। একে ঘোচাই
বগৰাই দিলো। চালা গাৱঁৰ ছোৱালী বুজিছ, ৰাতি ৰাতি যাব আৰু
ৰাতিপুৱাৰ আগতেই গুচি আহিব। মই চব কথা শুনি আছিলো। মাথা
গৰম হৈ গ'ল। টেক্সী ৰখালো। বদ্‌মাছটোক ধৰিলো, দুই ঘোচা
লগালো আৰু ছোৱালীটো যি ঠাইত উঠিছিল— তাতেই নমাই দিলোহি।
চালা তাইকো দুই থাপৰমান লগাবলৈ মন গৈছিলে। বাচ্চা ছোৱালী
বৰ জোৰ— পোন্ধৰ-ষোল বছৰ হৈছে।

— মানুহ কিয় এনেকুৱা হয় বাবুলাল ?— মই সুধিলো

— বজ্জাত।

— সেই ছোৱালী জনীয়ে তাইৰ বিপদৰ কথা নাজানে নেকি ? সেই মানুহ-
টোৱে, যিটোৱে ছোৱালীজনীক ফুচুলাই নিছে সিয়ো কি মানুহ নহয় ? বেয়া
— সেইচব আল্টু-ফাল্টু কথা তইঁতে ভাবিবি, মোৰ দৰকাৰ নাই।
দেখিছো— চাফ চাফ দুই ঘোচা লগাই দিছো। খতম।
— চাকৰি কৰিবলৈ গৈ আপোন-পেটীয়া স্বাৰ্থপৰ মানুহবোৰ দেখি তই
খঙতে ইটোৰ পিচত সিটোকৈ চাকৰি এৰি দিলি, বিজিনেছ কৰিবলৈ
গৈয়ো আকৌ বেয়া মানুহকে লগ পালি, তাৰ মানে দুনিয়াৰ সকলো মানুহ
বেয়া আৰু তই অকলে ভাল ?



এইবাৰ বাবুলালে মোলৈ চালে— হয়তো মোৰ কথাৰ উত্তৰ কি বুলি দিব
তাকে ভাবিলে। তাৰপিচত আগৰ দৰেই সহজ হৈ ক'লে— শুন, মই
নিমখহাৰাম নহয়। বেইমানি কৰাত মই নাই আৰু সেই কাৰণে সেইচব
মই সহ্যও নকৰোঁ।

—মানুহে বেইমানি কৰে কিয় ?

— চা এই, তইঁত কিতাপ পঢ়া মানুহ, চাৰাদিন কিতাপ পঢ়িবি আৰু
দুনিয়াৰ কথা ভাবি থাকিবি। তইঁত ভবা মানুহ, আমি হাতেৰে কাম
কৰা মানুহ। কোন মানুহ কিয় বেয়া হৈছে— সেই চব কথা বহি বহি
তইঁতি ভাবি থাক, মোৰ দৰকাৰ নাই। কাৰোবাক বেয়া পালে দুই-
ঘোচা লগাই দিম। খতম।

— কিন্তু ঘুচিয়াই কেইটাক তই ঠাণ্ডা কৰিবি ?

— যেইতাক পাৰো।

বুজিলো— বাবুলালক মই একো বুজাব নোৱাৰিম। বাবুলালক
মই আচলতে বুজাব খুজিছো যে— মানুহবোৰ আচলতে ব্যক্তিগতভাবে
কোনোৱেই বেয়া নহয়। চাকৰি কৰিবলৈ গৈ— সি যিবোৰ স্বাৰ্থপৰ ঘোচ-
খোৰ দেখিলে— মূলতঃ সেইবোৰো বেয়া নহয়, ব্যৱসায় কৰিবলৈ গৈ
যিবোৰ 'দগবাজ' লগ পালে— সিহঁতো বেয়া নহয়। আমি এনে পৰিবেশ
সৃষ্টি কৰি লৈছো— যি পৰিবেশত 'মোৰ' বাবে ময়েই সত্য। কিন্তু সহজ-
ভাবে বাবুলালক মই ইমানবোৰ কথা বুজাব নোৱাৰো। এটা বাবুলালৰ
দুখন হাতে সকলোকে ঠাণ্ডা কৰিব নোৱাৰে। এই কথাষাৰ তাক মই
বুজাব খুজিছিলো। ৰঙা চকুযোৰ সি এইবাৰ মোকো দেখুৱালে।

পৃথিবীৰ প্ৰতি বাবুলাৰ ঘৃণা ? ক'ব নোৱাৰো। তাৰ কেচুৱাতে
বাপেক ঢুকাল। গাভৰু মাকে কিছুদিন কান্দি কাটি আছিল। পেটৰ
জ্বালাতেই হওঁক বা দেহৰ জ্বালাতেই হওক— এদিন সেই গাভৰু মানুহ-
জনীয়ে আৰু এজন পুৰুষক বিচাৰিলে। কিন্তু দেহৰ উত্তেজনা উপশমৰ
পিচত সেই মানুহজনে সামাজিক নিয়ম মানিব খুজিলে। বাবুলালৰ মাক
আকৌ অকলশৰীয়া হ'ল। কিন্তু গিৰিয়েক নোহোৱা মানুহজনীক মাক
হ'বলৈ কোনে দিব ? বাবুলালক অকলশৰীয়া কৰি এদিন মাকজনীও নাই-
কিয়া হ'ল। ইয়াৰ পিচত বাবুলালে স্বাভাবিকতেই স্বাভাবিকতা হেৰুৱালে।
কিন্তু বাবুলাল জানো ব্যতিক্ৰম ? মই দেখিছোঁ বাবুলালেই নিয়ম—।
... 'মোৰ', 'মই' আৰু মোৰ পৰিয়াল, বিলাস, ঐশ্বৰ্য আহৰণৰ বাই
+ + +



OKDISCD

# বিপন্ন অস্তিত্ব

তপন কুমাৰ বৰুৱা

গালত ৰেজৰেৰে টান এটা মাৰিয়েই ঘন হাজৰিকাই যন্ত্ৰণাত মুখখন বিকতাই উঠিল। ব্লেডত ধাৰ নাই। অথচ এবাৰ মাত্ৰ দাড়ি খুৰাইছে এইখন ব্লেডেৰে। তাৰ মানে পুতেক অকণ নাইবা জীয়েক মামণিয়ে এই খন ব্লেডেৰে সিহঁতৰ কাঠ পেনচিল জোঙা কৰিছে। গালৰ যন্ত্ৰণা আৰু নতুন ব্লেড **নষ্ট** কৰাৰ বেদনা দুয়োটা মিলি তেওঁৰ প্ৰচণ্ড খঙ উঠিল। মাজৰ ঘৰটোত ডাঙৰ ডাঙৰকৈ পদ্য মুখস্থ কৰি থকা পুতেক জীয়েক হালক মাতি আনি চৰ দুপাতমান সোধাই দিবলৈ মন গ'ল হাজৰিকাৰ। কিন্তু আজিলৈকে তেওঁৰ যিমানবাৰ খং উঠিছে সেই খং পত্নী মনোৰমাৰ আগত প্ৰকাশ কৰাৰ বাহিৰে আন কাৰোবাক আনকি টান কথা এষাৰো কৈ পোৱা নাই। আজিও হাজৰিকাই পিচফালৰ বাৰান্দাৰ পৰাই ঘৈণীয়েকক চিঞৰিলে, হেৰা, শুনিছানে? হেৰা...

মনোৰমাই তেতিয়া চৌকাৰ তলৰ জুই কুৰা চুঙা এটাৰে ফুৱাই আছিল। দাড়ি খুৰাই উঠাৰ পিছতে তপত চাহ একাপ নাপালে গিৰিয়েকে কুৰুক্ষেত্ৰ খন লগাব। তাৰপিছৰ পৰাই আকৌ অফিচলৈ পলম হ'ল বুলি অনবৰত ভাত হৈছেনে খবৰ লৈ লৈ মনোৰমাৰ তত নাইকিয়া কৰিব। জুইকুৰা ফুৱাই ফুৱাই মনোৰমাৰ চকুৰপানী ওলোৱাৰ উপক্ৰম হৈছিল। কেঁচাখৰি সোপা অনবৰত ধোৱাঁই আছে। অতীষ্ঠহৈ মনোৰমাই যেতিয়া কেৰাচিনৰ টিঙটো উলিয়াই আনি তলিত পৰি থকা তেলকণ খৰিৰ ওপৰত ঢালি দিওঁ নে ।নদিওঁকৈ আছিল, তেতিয়াই কাণত পৰিলহি গিৰিয়েকৰ অসহিষ্ণু কণ্ঠস্বৰ, হেৰা, শুনিছানে? হেৰা......

কেঁচাখৰিৰ ওপৰত উঠা খংটো মনোৰমাৰ গিৰিয়েকৰ ওপৰতে উঠিলগৈ। খঙৰ ভকমতে গোটেইখিনি কেৰাচিন ধোঁৱাই থকা খৰিৰ ওপৰত ঢালি দিলে। ভমক্কৈ জুইকুৰা জ্বলি উঠিল। কে... পানীত চেঁ চেঁকৈ শব্দ উঠিল। খৰিকিডাল ভালকৈ লৰাই দি...



চাদৰৰ আগটোৰে মচি মচি মনোৰমা পাকঘৰৰ পৰা ওলাই আহিল। মুখখন গোমোৰা কৰি সুধিলে, কি হ'ল? ৰাতিপুৱাতে এইদৰে চিঞৰিছে কিয়?

ঘন হাজৰিকাৰ খং দুগুণে চৰিল, তুমি কাণেৰে অলপ কম শুনা নেকিহে আজিকালি? ইহঁত দুটাক একেবাৰে মূৰত তুলিছা। পেনচিল কাটিবলৈ পৃথিবীত অইন বস্তু একো নাপালেনেকি? মোৰ নতুন ব্লেডখন তেনেই নষ্ট কৰিলে।

—পেনচিল কটা মেছিন এটা আনি দিবলৈ সিহঁতে দেখোন বাৰে বাৰে পেঘেনিয়াই থাকে। আনি নিদিয়ে কিয়?

—অ, ভাল কথা শিকাবলৈ আহিছা! মেছিন নহলে আৰু অইন বস্তু নাই পৃথিবীত? কিয় পুৰণা ব্লেডেৰে কাটিব নোৱাৰে নেকি?

—পুৰণা নে নতুন সিহঁতে গম পাব কেনেকৈ? সিহঁতে কিবা দাড়ি কাটে নেকি?

– হেৰা, চুপতি নকৰিবা বুইছা? ব্লেডৰ দাম কিমান জানানে আজিকালি? ঘৰৰ চুকত বহি লেকচাৰ জাৰিলে নহয়। মোৰ ব্লেড সিহঁতে নোচোৱে যেন আজিৰ পৰা। বচ্।

—বাকচত তলা মাৰি থৈ যক। মনোৰমাই উচাট মাৰি আকৌ পাকঘৰৰ সোমালগৈ।

চকু ঘোপা কৰি এবাৰ সেইফালে চাই ঘন হাজৰিকাই প্ৰায় শেষ হৈ অহা ইৰাছমিক ছেভিং ছোপৰ পিঠাটোৰ ওপৰত জোৰে জোৰে ব্ৰাছ ঘঁহিবলৈ ধৰিলে। গালত চাবোনৰ ফেন ঘঁহি ঘঁহি নিজে নিজে ভোৰ ভোৰালে, মহাৰাণীৰ মেজাজ দেখুৱাবলৈ আহিছে! পৃথিবী কেনি ঘুৰিছে গম পোৱা নাই তো! তিনিশ' টকীয়া কেৰাণীৰ চাকৰিটো আছে বুলি কোনোমতে চলি আছো দুমুঠি খাই। ৰেজৰেৰে ভয়ে ভয়ে গালত টান দিবলৈ ধৰিলে হাজৰিকাই। একোবাৰৰ যন্ত্ৰণাত মুখ বিকতাই দিয়ে। আকৌ চাবোন অলপ লগাই ৰেজৰ তুলি লয়। এনেকৈ কচৰৎ কৰি কৰি প্ৰায় পোন্ধৰ মিনিটৰ ভিতৰত হাজৰিকাৰ দাড়ি কটা হ'ল। লৰালৰিকৈ মুখখন ধুই গামোচাৰে মছি সৰু আয়নাখনত মুখখন চাই হাজৰিকাই সন্তোষজনক হাঁহি এটা মাৰিলে। গালত হাতফুৰাই চাই বেছ নিমজ যেনেই পালে। একালত ...কাৰ বেছ চখ আছিল! বহুদিনৰ মূৰত আজি আকৌ অলপ ক্ৰিম ... মন গ'ল হাজৰিকাৰ। সৰু সুৰা বস্তু থোৱা ৰেক খনত খুচৰি



OKDISCD

বৰোলিনৰ টিউবটো পাই দেখিলে সেইটো চেপেটা লাগি আছে। তথাপিও মূৰৰ ফালে চেপা মাৰি ধৰাত যথেষ্ট ক্ৰিম ওলাই আহিল।

আয়নাত নিজৰ মুখখন চাই চাই হাজৰিকাৰ মনটো বেছ প্ৰফুল্লিত হৈ উঠিছিল। পাকঘৰৰ পৰা চাহৰ কাপ হাতত লৈ মনোৰমাক ওলাই অহা দেখি তেওঁ মুখখন আকৌ গোমোৰা কৰি তুলিলে। মনোৰমাই কাপটো দাড়ি কটা সৰঞ্জামৰ কাষতে টেবুলৰ ওপৰত নমাই থৈ নীৰবে আকৌ পাকঘৰলৈ সোমাই গ'ল।

চাহৰ কাপটোত শোহা মাৰিয়েই হাজৰিকাৰ অলপ আগৰ প্ৰফুল্লতাখিনি নাইকিয়া হৈ গ'ল। চেনি প্ৰায় দিয়াই নাই বুলিব পাৰি। নিশ্চয় চেনি ঢুকাইছে, নাইবা ঢুকাবৰ উপক্ৰম হৈছে— মাহৰ শেষত নতুনকৈ অনাৰ সামৰ্থ্য নহ'ব বুলিয়েই মনোৰমাই কমকৈ দিছে, যাতে বাকী কেইদিন টানি-আজুৰি চলি যায়।

স্বাদহীন চাহ খাই খাই হাজৰিকাই ভাবিলে, তেওঁ ভালপোৱা চব বস্তুৰেই দিনে দিনে হেৰাই যাব লাগিছে। মনোৰমাও আজিকালি যেন এক বিশেষ দূৰত্বৰ ব্যৱধানত অৱস্থান কৰে! প্ৰায়ে মনোৰমাক আজিকালি অচিনাকী অচিনাকী লাগে হাজৰিকাৰ। ৰাংঢালি প্ৰাণবন্ত মনোৰমাজনী বহুদিন আগতেই হেৰাই গৈছে। এতিয়াৰ মনোৰমা যেন এটি আবেগ ভালপোৱাহীন অচল যন্ত্ৰ। প্ৰতিটো সংলাপ প্ৰয়োজনৰ তুলাচনীত ওজন কৰা। প্ৰথম যৌবনৰ স্বপ্নৰচা দিনবোৰ অস্তিত্ব ৰক্ষাৰ কঠোৰ সংগ্ৰামত দ্ৰুত হেৰাই গ'ল জীবনৰ পৰা! দৃষ্টিৰ পৰা দুয়োপাৰ আজি অন্তৰ্হিত। অতল পানীত ডুব যোৱাৰ পৰা নিজকে ৰক্ষা কৰাৰ প্ৰাণান্তকৰ সংঘাতত কোমল অনুভূতিসমূহ হেৰাই গৈ গৈ সমস্ত সম্পৰ্ক এক যান্ত্ৰিক প্ৰয়োজনৰ সম্পৰ্কত পৰিণত হৈছে। অৱক্ষয়ৰ চিৰি নামি গৈ আছে তললৈ, আৰু তললৈ। চেনি নিদিয়া চাহৰ দৰেই জীৱনৰ প্ৰতি এক তিক্ত বিস্বাদ অনুভৱ কৰিলে হাজৰিকাই।

—বজাৰ কৰিব নালাগিব নেকি আজি? পিছত আকৌ অফিচ অফিচ কৰি হুলস্থুল লগাব।

মনোৰমাৰ তীক্ষ্ণ কণ্ঠস্বৰত হাজৰিকাৰ ভাবনাৰ স্ৰোত বিচ্ছিন্ন হৈ গ'ল। বজাৰলৈ যাবৰ হলেই! লৰালৰিকৈ হাজৰিকা ওলাই গ'ল।

ইটো সিটো কিনাৰ পিছত অনিচ্ছাসত্বেও হাজৰিকা মাছৰ বজাৰ[illegible] সোমালগৈ। বিভিন্ন মাছৰ দাম সুধি সুধি দুবাৰমান পাক মাৰিলে [illegible]



বজাৰখন। ৰৌ, চিতলৰ দাম মৎস্যকুলৰ গৌৰৱ বৃদ্ধি কৰি আকাশ চুইছেগৈ। ইহঁতে সাম্ৰাজ্যবাদীৰ দৰে বজাৰখনত আধিপত্য বিস্তাৰ কৰি আছে। অপেক্ষাকৃত তলৰ স্তৰৰ পাভ, কাৱৈ আদিয়েও বংশ গৌৰৱ বৃদ্ধিৰ প্ৰচেষ্টাত ঘন হাজৰিকাৰ দৰে কেৰাণীৰ ক্ষমতাৰ বাহিৰত ভৰি দিছেগৈ। বাকী অবহেলিত পুঠি, খলিহা, মোৱা আদি দুৰ্বল মাছবোৰ পৰ্যুদস্ত হৈ বজাৰৰ পৰাই অন্তৰ্ধান হৈছে। সস্তা মাছ বিচাৰি ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰোতে সহকৰ্মী ক্ষীৰদা শইকীয়াৰ লগত ভেটা-ভেটি হৈ গ'ল।

—কিহে হাজৰিকা? মাছ কিনে নেকি?

—কিনো বুলিছিলো, পিছে যিহে দাম দেখিছো, কিনা নহ'বই যেন পাইছো।

—হয়হে! দিনে দিনে মাছৰ দাম চৰিছে। ইফালে আকৌ শুনিব, চব বস্তুৰে হেনো দাম কমি গৈছে। সেইবোৰ কোন বজাৰৰ বস্তুহে হাজৰিকা?

—কি ক'ব আৰু। আমাৰ ডি, এ বোলে আৰু কমিল। আপুনি শুনিছেনে কিবা?

—শুনিছো। এই দুৰ্দিনত ডি, এ কমি গ'লে লৰা ছোৱালী লৈ চলাই টান হ'ব।

—হয়! বৰ দুৰ্দিন আহি পৰিল।

—মোৰতো আৰু এটা চিন্তা। পঞ্চাশ বছৰত অৱসৰ দিয়ালে মোৰ আৰু দুবছৰমানহে আছেগৈ। আপোনাৰ অৱশ্যে বয়স কম। কিমান আপোনাৰ ছাৰ্ভিছ এজ?

—আপোনাতকৈ অলপ কম হ'ব।

—বেছ কিছুদিনলৈ নিচিন্ত। হেৰা, কাৱৈ কিমানকৈ হে?

—টকাত তিনিটা। মৰাবোৰ নিলে চাৰিটাকৈ নিব পাৰিব।

—জীয়াবোৰ চাৰিটাকৈ দিয়ানা তেনেই সৰু মাছ।

—নহ'ব। কিনা দামেই নহয়।

—ময়ো অথনিৰে পৰা ঘূৰি ফুৰিছো। সস্তা দামৰ মাছেই নাই বজাৰত।

—পিছে ঘূৰি ফুৰিবলৈও আৰু সময় নাই। অফিচত পলম হ'লে চাকৰিলৈ টন-টনি হ'ব। মই যাওঁৱেই।

মাছ কিনি শইকীয়া লৰালৰিকৈ গুচি গ'ল। অফিচ পলম হোৱাৰ কথা শুনি হাজৰিকাৰ বুকু চিৰিঙকৈ গ'ল। মাছ কিনাৰ আশা ত্যাগ কৰি তেওঁ কোবা কুবিকৈ ঘৰৰ ফালে খোজ দিলে। নাকে মুখে ভাত [illegible]জি হাজৰিকা যেতিয়া অফিচলৈ বুলি ওলাল, তেতিয়া ন' বাজি ত্ৰিশ [illegible]ট গৈছে। তেওঁ বেগাবেগিকৈ বাছ ষ্টপেজৰ ফালে খোজ দিলে।



OKDISCD

বাছ ষ্টপেজত দীঘ'ল কিউ। ঘন হাজৰিকা গৈ একেবাৰে শেষত থিয় দিলেগৈ। অস্থিৰভাবে বাৰে বাৰে হাতৰ ঘড়ীটোলৈ চায় আৰু বাছ অহা ৰাস্তাৰ মূৰলৈ বেঙা মেলি মেলি চায়। বহুপৰৰ মূৰে মূৰে একোখন যাত্ৰী বোজাই বাছ আহে। মাত্ৰ এজন বা দুজন তুলি লৈ গুচি যায়। প্ৰতি মুহূৰ্ততে হাজৰিকাৰ অস্বস্তি বাঢ়ি আহে। কিউ ভংগ কৰি কোনোবা ফাকেঁদি বাছত উঠি যাবৰ মন যায়। কিন্তু সেইকণ সাহসো গোটাব পৰা নাই। নৈতিকতাবোধৰ এটা বাধাই যেন বাৰে বাৰে পথ আগচি ধৰে। সময়ৰ লগে লগে হাজৰিকাৰ দুশ্চিন্তা ক্ৰমশঃ বাঢ়ি গৈ থাকে। প্ৰতিটো মূহূৰ্ত একো একোটা দু:সহনীয় যুগ যেন লাগে।

কিউত ৰৈ থকা আন মানুহবোৰো তেওঁৰ দৰেই দুচিন্তাগ্ৰস্ত। সকলোৰে মনত আতংক। সময়মতে অফিচ পাবগৈ নোৱাৰিলে চাকৰি লৈ টনাটনি হ'ব। চাকৰিৰ দুশ্চিন্তাৰ লগে লগে জীৱনৰ ক্ৰমবৰ্ধমান জটিলতাৰ কথাও মানুহবোৰৰ কথা বতৰাত ঠাই পাইছে। প্ৰতি জন মানুহে প্ৰতি মুহূৰ্ততে অনুভব কৰিছে— এই যেন সকলো গ'ল। হাজৰিকাৰ চকুৰ আগত ৰেজিষ্টাৰ বহীৰ ৰঙা এল (L) আখৰটো প্ৰতি মুহূৰ্ততে বৃহত্তৰ হৈ আহিছে আয়তনত। ইয়াৰ বৰণ প্ৰতি মুহূৰ্ততে আৰু ভয়ংকৰ তেজাল হৈ উঠিছে। কিউত ৰৈ থকা মানুহবোৰৰ মুখৰ পৰা ওলোৱা ডি, এ, বোনাছ আদি শব্দবোৰে স্নায়ুতন্ত্ৰত কঠিন আঘাটৰ সৃষ্টি কৰিছে। সশব্দে পাৰ হৈ যোৱা বাছবোৰ যেন বুকুৰ ওপৰেদি চলি গৈছে। এতিয়াও হাজৰিকা বহুত পিছত আছে।

অৱশেষত দুখন বাছ অগাপিচাকৈ একেলগে অহাত হাজৰিকাই উঠিবলৈ সুযোগ পালে। ওপৰৰ ৰড ডালত খামুচি ধৰি হাজৰিকাই আকৌ এবাৰ হাতৰ ঘড়ীটোলৈ চালে। স্বস্তিৰ সলনি দুশ্চিন্তা আৰু বাঢ়িহে গ'ল। তথাপিও হাজৰিকাই এবাৰ শেষ চেষ্টা দিয়াৰ কাৰণে মনে মনে নিজকে সাজু কৰি ল'লে।

নিৰ্দিষ্ট ষ্টপেজত বাছ ৰোৱাৰ লগে লগেই তিনিজন মানুহক খুন্দিয়াই, দুবাৰ নিজে উজুটি খাই হাজৰিকা জপিয়াই বাছৰ পৰা নামিল। নামিয়েই উধাতু খাই অফিচৰ ফালে চেকুৰ মাৰিলে। বাকী যাত্ৰীসকলৰো একে অৱস্থা। যি যাৰ অফিচৰ ফালে চেকুৰিছে। ঠাইখনে এখন দৌৰাদৌৰি প্ৰতিযোগিতাৰ পথাৰৰ ৰূপ ল'লে।



অফিচ পাই হাজৰিকাই দেখিলে লিফট ওপৰলৈ গৈ আছে। তেওঁৰ কোঠা চাৰি তলাত। লিফ্টৰ বাবে ৰৈ নাথাকি তেওঁ চিৰিয়েদি ঢাপলি মেলিলে। উত্তেজনাত প্ৰতিবাৰতে দুটাকৈ চিৰি অতিক্ৰম কৰি যাবলৈ ধৰিলে।

নিজৰ কোঠাৰ দুৱাৰমুখ পাই হাজৰিকাই দেখিলে পিয়নে ৰেজিষ্টাৰ লৈ গৈছে অফিচাৰৰ চেম্বাৰলৈ। চিলনীয়ে ছোঁ মৰাৰ দৰে প্ৰায় উৰি গৈ তেওঁ ৰেজিষ্টাৰখন পিয়নৰ হাতৰ পৰা থাপ মাৰি ল'লে। লৰালৰিকৈ কলমটো উলিয়াই কঁপা কঁপা হাতেৰে চহী মাৰিলে।

হতভম্ব পিয়নজনৰ হাতত ৰেজিষ্টাৰখন ঘূৰাই দি হাজৰিকাই ক'লে, উহ! ভাল ৰক্ষা পৰিলো আজি!

ইয়াৰ পিচত নিজৰ চকীখনৰ ফালে আগুৱাই গৈছিল হাজৰিকা। কিন্তু দুখোজমান গৈয়ে হঠাৎ বাওঁহাতেৰে বুকুত হেঁচা মাৰি ধৰিলে, প্ৰচণ্ড যন্ত্ৰণাত মুখখন বিকৃত হৈ গ'ল। পিচ মুহূৰ্ততে কলগছ পৰাদি মজিয়াত ধাঁচকৈ পৰি গ'ল। সহকৰ্মীসকল দৌৰি আহিল। কিন্তু সিমান পৰে হাজৰিকাৰ হৃদ-পিণ্ডৰ ক্ৰিয়া চিৰকাললৈ বন্ধ হৈ গৈছে।

সেইদিনাই আবেলি পতা শোকসভাত অফিচৰ বৰমূৰীয়াসকলে ঘন হাজৰিকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ গভীৰ নিষ্ঠা আৰু আন্তৰিকতাৰ ভূয়সী প্ৰশংসা কৰিলে আৰু সকলো কৰ্মচাৰীকে তেওঁৰ আদৰ্শৰ অনুগামী হ'বলৈ আহ্বান জনালে। + + +

## বিজ্ঞপ্তি

ইয়াৰ দ্বাৰা জনোৱা যায় যে অনিবাৰ্য কাৰণবশতঃ 'পদাতিক' বাৰ্তালোচনীৰ প্ৰকাশ সাময়িকভাবে বন্ধ কৰি দিয়া হৈছে। যিসকল গ্ৰাহকে আগধন পঠাইছিল তেখেতসকললৈ সেই ধন ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ এই অনিচ্ছাকৃত অসমৰ্থতাৰ বাবে এজেণ্ট, পাঠক আৰু শুভাকাংক্ষী বাইজৰ ওচৰত ক্ষমা মাগিছোঁ।

হীৰেন গোহাঁই
প্ৰকাশক, সম্পাদক, 'পদাতিক'
গুৱাহাটী-৩



OKDISCD

# ৰূপতীৰ্থৰ 'নতুন পলস'

'আধুনিক অস্ত্ৰ বনাম সঁচা আদৰ্শ'—এয়াই আছিল ৰূপতীৰ্থ নিবেদিত নাট 'নতুন পলস'ৰ উপজীব্য। ঘৃণ্য সাম্ৰাজ্যবাদীৰ জনগণবিৰোধী আধুনিক অস্ত্ৰৰ অনিবাৰ্য পতন ৰূপায়িত কৰি, শ্ৰমিক-কৃষক, প্ৰগতিশীল যুৱ-ছাত্ৰ, বুদ্ধিজীৱীৰ ঐক্যৰ সঁচা আদৰ্শক তুলি ধৰাটোৱেই হ'ল ইৰ্‌উইন্ শ্ব'ৰ বিখ্যাত নাটক Bury the deadৰ অবলম্বনত পবিত্ৰ কুমাৰ ডেকা ৰচিত নাট 'নতুন পলস'ৰ উদ্দেশ্য।

পুঁজিপতিৰ স্বাৰ্থত, বজাৰ দখলৰ স্বাৰ্থত, ঔপনিবেশিক শাসন-শোষণ টিকাই ৰখাৰ প্ৰয়োজনত আধুনিক সভ্যতাৰ মুখা পিন্ধা যুদ্ধবাজ সাম্ৰাজ্যবাদী দেশে যুদ্ধত অৱতীৰ্ণ হয়, দেশে দেশে যুদ্ধ বিয়পায়। যুদ্ধ অবিহনে সাম্ৰাজ্যবাদ টিকি থকা অসম্ভৱ। সেয়ে 'মহান দেশৰ মৰ্যদা'ৰ দোহাই দি 'জনগণৰ কল্যাণ'ৰ নামত সাম্ৰাজ্যবাদী আৰু তেওঁলোকৰ প্ৰতিনিধি দেশীয় দালাল অথবা পুতলা চৰকাৰে যুদ্ধৰ আদৰ্শক তুলি ধৰি নিৰীহ জনগণক যুদ্ধৰ বাবে উদ্বুদ্ধ কৰোৱাৰ চেষ্টা কৰে। মাতৃৰ বুকুৰ পৰা কাঢ়ি নিয়ে পুত্ৰ, পত্নীৰ কাষৰ পৰা কাঢ়ি নিয়ে স্বামী। যুদ্ধক্ষেত্ৰলৈ কাৰখানাৰ পৰা টানি নিয়ে শ্ৰমিক, পথাৰৰ পৰা কৃষক। আৰু যুদ্ধত নিহত সৈনিকৰ মাতৃ, স্ত্ৰীক দিয়া হয় 'দেশৰ স্বাৰ্থত' পুত্ৰ, স্বামীক বিসৰ্জন দিয়া গৰিয়সী মাতৃ, স্ত্ৰীৰ সন্মান, 'জাতিৰ স্বাৰ্থত' প্ৰাণ বলি দিয়া সৈনিকৰ 'শ্বহীদ স্তম্ভ'ৰ কাষত দেশৰ নেতা হৈ পৰে ম্ৰিয়মান। আধুনিক পৃথিৱীত ইমান ডাঙৰ জঘন্য অপৰাধ জনগণৰ সন্মুখত এতিয়ালৈকে সম্পূৰ্ণকৈ উন্মোচিত হোৱা নাই। কিন্তু বিশ্বৰ একাংশ মানুহ আজি এই জঘণ্য যুদ্ধ-নীতৰ বিৰুদ্ধে সজাগ-সচেতন। সেয়ে যুদ্ধবিৰোধী অন্যতম শিল্পকৰ্ম Bury the dead ত ভিয়েটনামত অন্যায় যুদ্ধত অৱতীৰ্ণ বিশ্বৰ 'সুসভ্য দেশ' আমেৰিকা চৰকাৰৰ যুদ্ধনীতিৰ বিৰুদ্ধে আমেৰিকাৰ সৈনিকে কবৰৰ পৰা থিয় হৈ চিঞৰে 'আমি কবৰলৈ নাযাওঁ'। মেজৰে 'দেশৰ সন্মানৰ্থে', 'জাতিৰ মংগলৰ বাবে' তেওঁলোকক শান্তিত কবৰত শুই থাকিবলৈ উপদেশ দিয়াত তেওঁলোকে প্ৰতিবাদ কৰি চিঞৰি উঠে 'আমি কবৰলৈ যাব জ... 'দেশ আৰু জাতিৰ মহান মৰ্যদা'ৰ দোহাই, 'নাৰীৰ ত্যাগ, আদৰ্শ, মহানতা'ৰ দোহাই দিয়া মেজৰৰ হাজাৰ বুজনিয়েও টলাব নোৱাৰে প্ৰতিবাদকামী সৈনিকৰ আত্মীয়স্বজন, পৰিবাৰ আৰু মাতৃৰ হৃদয়। পুঁজিপতি, সাম্ৰাজ্য-বাদীৰ স্বাৰ্থত ব্যৱহৃত সংবাদপত্ৰৰ কলুষতাৰ পৰা মুক্ত হৈ প্ৰতিবাদ কৰে বিবেকবান সাংবাদিকে। প্ৰতিবাদমুখৰ হৈ উঠে আমেৰিকাৰ বিবেকবান যুৱক-যুৱতীৰ দল আৰু অধিকসংখ্যক জীৱিত সৈনিক। অসহায় হৈ পৰে ধৰ্মযাজক। অসহায় হয় যুদ্ধকালীন অৱস্থাৰ গইনাত গজগজীয়া হোৱা লাভ-খোৰ ব্যৱসায়ী। বিপৰ্যস্ত হয় সাম্ৰাজ্যবাদীৰ অস্ত্ৰ।

ফেন্টাচী, মেল'ড্ৰামা আৰু ব্যংগৰ সফল সমন্বয়েৰে ইৰউইন্ শ্ব'ৰ Bury the dead প্ৰকাশক্ষম এখন সাৰ্থক যুদ্ধ বিৰোধী নাটক। এই নাট-কৰ আলমতেই ৰচিত 'নতুন পলস'ত সাম্ৰাজ্যবাদীৰ অনিবাৰ্য অন্যায় যুদ্ধৰ বিৰুদ্ধে ন্যায় যুদ্ধৰ অনিবাৰ্যতাৰ ইংগিত দিয়াত (নাটকৰ শেষ দৃশ্যত সৈনিক সকলৰ দ্বাৰা কৰোৱা মাৰ্চপাষ্ট) 'নতুন পলস' এখন অধিক বলীষ্ঠ আৰু পৈণত বক্তব্যৰ নাটত পৰিণত হৈছে। আৰু ইয়াতেই 'নতুন পলস'ৰ সাৰ্থকতা। কিন্তু এনে বলীষ্ঠ আৰু পৈণত বক্তব্য দৰ্শকৰ মাজলৈ কঢ়িয়াই নিয়াত (communicate) যোৱা ১০ আৰু ১১ জুলাইত গুৱাহাটী ৰবীন্দ্ৰ ভৱনত 'ৰূপতীৰ্থ'ৰ কিছু ব্যৰ্থতাই পৰিলক্ষিত হ'ল। এই ক্ষেত্ৰত নাটকখনৰো কিছু সাল-সলনিৰ প্ৰয়োজন বোধ হয়।

আচলতে আমাৰ দৰ্শক সামাজিক অন্যায়-শোষণ আৰু সহজ ছেণ্টিমেণ্টৰ লগত যেনেদৰে পৰিচিত, আমাৰ দেশীয় বাতাবৰণ, আমাৰ প্ৰতিষ্ঠিত কিছু সাহিত্যিকৰ কৃতী (!) আৰু নানান কাৰণত তেনেদৰে এনে আদৰ্শ আৰু বক্তব্যৰ সতে পৰিচিত নহয়। এনে অভিজ্ঞতা দৰ্শক-সাধাৰণৰ বাবে সম্পূৰ্ণ নতুন হৈ পৰে। সেয়ে এনে ধৰণৰ নাট ৰচনা আৰু উপস্থাপনাত নাট্যকাৰ আৰু নাট্যদল অধিক সচেষ্ট হোৱাৰ প্ৰযোজন হয়।

উপস্থাপনাৰ বিভিন্ন দিশৰ ভাৰসাম্যহীনতাই 'ৰূপতীৰ্থ'ৰ প্ৰযোজনাৰ প্ৰধান দুৰ্বলতা হৈ পৰিল। নাটকৰ পৰিচালক আৰু প্ৰযোজনাৰ সতে জড়িত বিভিন্ন কলাকুশলীসকলে নাটকৰ মূল মেজাজক সঠিকভাবে অনুধাবন কৰিব নোৱাৰাৰ বাবেই হয়তো উপস্থাপনাত এনে ভাৰসাম্যহীনতাই দেখা দিলে। অভিনয়ত মেজৰৰ চৰিত্ৰত অনিল দাসে সাম্ৰাজ্যবাদীৰ জনকল্যাণ-কামী মুখাক লগতে সামাজ্যবাদীৰ যুদ্ধনীতিৰ প্ৰতিনিধি এজন মেজৰক সফলভাবে ব্যংগ (mock) কৰিছে। ইয়াংকী দলৰ যুদ্ধনীতিৰ বলি হোৱা ... সাধাৰণ সৈনিকৰ ৰূপত (জীৱিত দ্বিতীয় সৈনিক) অৱতীৰ্ণ হৈ ৰমেশ

## ৰূপতীৰ্থৰ 'নতুন পলস'

'আধুনিক অস্ত্ৰ বনাম সঁচা আদৰ্শ'—এয়াই আছিল ৰূপতীৰ্থ নিবেদিত নাট 'নতুন পলস'ৰ উপজীব্য। ঘৃণ্য সাম্ৰাজ্যবাদীৰ জনগণবিৰোধী আধুনিক অস্ত্ৰৰ অনিবাৰ্য পতন ৰূপায়িত কৰি, শ্ৰমিক-কৃষক, প্ৰগতিশীল যুৱ-ছাত্ৰ, বুদ্ধিজীৱীৰ ঐক্যৰ সঁচা আদৰ্শক তুলি ধৰাটোৱেই হ'ল ইৰ্‌উইন্‌ শ্ব'ৰ বিখ্যাত নাটক Bury the deadৰ অৱলম্বনত পবিত্ৰ কুমাৰ ডেকা ৰচিত নাট 'নতুন পলস'ৰ উদ্দেশ্য।

পুঁজিপতিৰ স্বাৰ্থত, বজাৰ দখলৰ স্বাৰ্থত, ঔপনিবেশিক শাসন-শোষণ টিকাই ৰখাৰ প্ৰয়োজনত আধুনিক সভ্যতাৰ মুখা পিন্ধা যুদ্ধবাজ সাম্ৰাজ্যবাদী দেশে যুদ্ধত অৱতীৰ্ণ হয়, দেশে দেশে যুদ্ধ বিয়পায়। যুদ্ধ অবিহনে সাম্ৰাজ্যবাদ টিকি থকা অসম্ভৱ। সেয়ে 'মহান দেশৰ মৰ্যদা'ৰ দোহাই দি 'জনগণৰ কল্যাণ'ৰ নামত সাম্ৰাজ্যবাদী আৰু তেওঁলোকৰ প্ৰতিনিধি দেশীয় দালাল অথবা পুতলা চৰকাৰে যুদ্ধৰ আদৰ্শক তুলি ধৰি নিৰীহ জনগণক যুদ্ধৰ বাবে উদ্বুদ্ধ কৰোৱাৰ চেষ্টা কৰে। মাতৃৰ বুকুৰ পৰা কাঢ়ি নিয়ে পুত্ৰ, পত্নীৰ কাষৰ পৰা কাঢ়ি নিয়ে স্বামী। যুদ্ধক্ষেত্ৰলৈ কাৰখানাৰ পৰা টানি নিয়ে শ্ৰমিক, পথাৰৰ পৰা কৃষক। আৰু যুদ্ধত নিহত সৈনিকৰ মাতৃ, স্ত্ৰীক দিয়া হয় 'দেশৰ স্বাৰ্থত' পুত্ৰ, স্বামীক বিসৰ্জন দিয়া গৰিয়সী মাতৃ, স্ত্ৰীৰ সন্মান, 'জাতিৰ স্বাৰ্থত' প্ৰাণ বলি দিয়া সৈনিকৰ 'শ্বহীদ স্তম্ভ'ৰ কাষত দেশৰ নেতা হৈ পৰে ম্ৰিয়মান। আধুনিক পৃথিৱীত ইমান ডাঙৰ জঘন্য অপৰাধ জনগণৰ সমুখত এতিয়ালৈকে সম্পূৰ্ণকৈ উন্মোচিত হোৱা নাই। কিন্তু বিশ্বৰ একাংশ মানুহ আজি এই জঘণ্য যুদ্ধ-নীতৰ বিৰুদ্ধে সজাগ-সচেতন। সেয়ে যুদ্ধবিৰোধী অন্যতম শিল্পকৰ্ম Bury the dead ত ভিয়েটনামত অন্যায় যুদ্ধত অৱতীৰ্ণ বিশ্বৰ 'সুসভ্য দেশ' আমেৰিকা চৰকাৰৰ যুদ্ধনীতিৰ বিৰুদ্ধে আমেৰিকাৰ সৈনিকে কবৰৰ পৰা থিয় হৈ চিঞৰে 'আম কবৰলৈ নাযাওঁ'। মেজৰে 'দেশৰ সন্মানৰ্থে', 'জাতিৰ মংগলৰ বাবে' তেওঁলোকক শান্তিত কবৰত শুই থাকিবলৈ উপদেশ দিয়াত তেওঁলোকে প্ৰতিবাদ কৰি চিঞৰি উঠে 'আমি কবৰলৈ যাব জা...



'দেশ আৰু জাতিৰ মহান মৰ্যদা'ৰ দোহাই, 'নাৰীৰ ত্যাগ, আদৰ্শ, মহানতা'ৰ দোহাই দিয়া মেজৰৰ হাজাৰ বুজনিয়েও টলাব নোৱাৰে প্ৰতিবাদকামী সৈনিকৰ আত্মীয়স্বজন, পৰিবাৰ আৰু মাতৃৰ হৃদয়। পুঁজিপতি, সাম্ৰাজ্য-বাদীৰ স্বাৰ্থত ব্যৱহৃত সংবাদপত্ৰৰ কলুষতাৰ পৰা মুক্ত হৈ প্ৰতিবাদ কৰে বিবেকবান সাংবাদিকে। প্ৰতিবাদমুখৰ হৈ উঠে আমেৰিকাৰ বিবেকবান যুৱক-যুৱতীৰ দল আৰু অধিকসংখ্যক জীৱিত সৈনিক। অসহায় হৈ পৰে ধৰ্মযাজক। অসহায় হয় যুদ্ধকালীন অৱস্থাৰ গতিনাত গজগজীয়া হোৱা লাভ-খোৰ ব্যৱসায়ী। বিপৰ্যস্ত হয় সাম্ৰাজ্যবাদীৰ অস্ত্ৰ।

ফেণ্টাচী, মেল'ড্ৰামা আৰু ব্যংগৰ সফল সমন্বয়েৰে ইৰউইন্‌ শ্ব'ৰ Bury the dead প্ৰকাশক্ষম এখন সাৰ্থক যুদ্ধ বিৰোধী নাটক। এই নাটকৰ আলমতেই ৰচিত 'নতুন পলস' ত সাম্ৰাজ্যবাদীৰ অনিবাৰ্য অন্যায় যুদ্ধৰ বিৰুদ্ধে ন্যায় যুদ্ধৰ অনিবাৰ্যতাৰ ইংগিত দিয়াত (নাটকৰ শেষ দৃশ্যত সৈনিক সকলৰ দ্বাৰা কৰোৱা মাৰ্চপাষ্ট) 'নতুন পলস' এখন অধিক বলীষ্ঠ আৰু পৈণত বক্তব্যৰ নাটত পৰিণত হৈছে। আৰু ইয়াতেই 'নতুন পলস'ৰ সাৰ্থকতা। কিন্তু এনে বলীষ্ঠ আৰু পৈণত বক্তব্য দৰ্শকৰ মাজলৈ কঢ়িয়াই নিয়াত (communicate) যোৱা ১০ আৰু ১১ জুলাইত গুৱাহাটী ৰবীন্দ্ৰ ভৱনত 'ৰূপতীৰ্থ'ৰ কিছু ব্যৰ্থতাই পৰিলক্ষিত হ'ল। এই ক্ষেত্ৰত নাটকখনৰো কিছু সাল-সলনিৰ প্ৰয়োজন বোধ হয়।

আচলতে আমাৰ দৰ্শক সামাজিক অন্যায়-শোষণ আৰু সহজ ছেণ্টিমেণ্টৰ লগত যেনেদৰে পৰিচিত, আমাৰ দেশীয় বাতাবৰণ, আমাৰ প্ৰতিষ্ঠিত কিছু সাহিত্যিকৰ কৃতী (!) আৰু নানান কাৰণত তেনেদৰে এনে আদৰ্শ আৰু বক্তব্যৰ সতে পৰিচিত নহয়। এনে অভিজ্ঞতা দৰ্শক-সাধাৰণৰ বাবে সম্পূৰ্ণ নতুন হৈ পৰে। সেয়ে এনে ধৰণৰ নাট ৰচনা আৰু উপস্থাপনাত নাট্যকাৰ আৰু নাট্যদল অধিক সচেষ্ট হোৱাৰ প্ৰযোজন হয়।

উপস্থাপনাৰ বিভিন্ন দিশৰ ভাৰসাম্যহীনতাই 'ৰূপতীৰ্থ'ৰ প্ৰযোজনাৰ প্ৰধান দুৰ্বলতা হৈ পৰিল। নাটকৰ পৰিচালক আৰু প্ৰযোজনাৰ সতে জড়িত বিভিন্ন কলাকুশলীসকলে নাটকৰ মূল মেজাজক সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰাৰ বাবেই হয়তো উপস্থাপনাত এনে ভাৰসাম্যহীনতাই দেখা দিলে। অভিনয়ত মেজৰৰ চৰিত্ৰত অনিল দাসে সাম্ৰাজ্যবাদীৰ জনকল্যাণ-কামী মুখাক লগতে সামাজ্যবাদীৰ যুদ্ধনীতিৰ প্ৰতিনিধি এজন মেজৰক সফলভাৱে ব্যংগ (mock) কৰিছে। ইয়াংকী দলৰ যুদ্ধনীতিৰ বলি হোৱা ... সাধাৰণ সৈনিকৰ ৰূপত (জীৱিত দ্বিতীয় সৈনিক) অৱতীৰ্ণ হৈ ৰমেশ



OKDISCD

কন্দলীয়ে ইয়াংকী যুদ্ধনীতিৰ বীভৎসতাৰ উপলব্ধি সুন্দৰভাবে প্ৰকাশ কৰিছে। সাম্ৰাজ্যবাদীৰ যুদ্ধনীতিত পিষ্ট এগৰাকী মাতৃৰ হৃদয়ৰ বেদনা মূৰ্ত কৰি তুলিছে কল্যাণী ভূঞাই। কিন্তু সহযোগী অভিনেতাই তেওঁলোকৰ লগত সকলো সময়তে সমন্বয় ৰক্ষা কৰি চলিব পৰা নাই। আলোক সম্পাতত মাজে মাজে কলা কুশলতাৰ পৰিচয় পোৱা গলেও সামগ্ৰিক আলোক নিয়ন্ত্ৰণত যথেষ্ট ত্ৰুটি পৰিলক্ষিত হ'ল। আধুনিক নাটকত বহু ব্যৱহৃত Zonal lighting ইয়াত কিয় ইচ্ছাকৃতভাবেই অসফলকৈ প্ৰয়োগ কৰা হ'ল বুজা নগ'ল, যাৰ ফলত নাটকীয় সংহতি বহুখিনি ক্ষতিগ্ৰস্ত হ'ল। নাটকৰ অন্যতম সম্পদ সংগীতাংশ ইয়াত চূড়ান্ত ব্যৰ্থতাত পৰ্য্যবসিত। কবৰখনাৰ দৃশ্যটি প্ৰয়োজনীয় church music ৰে গধুৰ কৰি তুলিব নোৱাৰিলে, মৃত সৈনিক-সকল জাগি উঠা দৃশ্যটিত প্ৰয়োজনীয় Resurrectionৰ লগতে ৰোমাণ্টিক পপ্ Never on a Sunday ব্যৱহাৰ কৰি দৃশ্যটিৰ গভীৰতা হ্ৰাস কৰিলে। তেনেদৰেই অসময়ত Zorba the Greek প্ৰয়োগ কৰিলে আৰু অৱশেষত বক্তব্য প্ৰকাশৰ ক্ষেত্ৰতো মাৰ্চ পাষ্টৰ দৃশ্যটি উপযুক্ত সংগীতেৰে বাঙ্ময় কৰি তুলিব নোৱাৰিলে। 'We shall overcome someday...' গানৰ দৃশ্য পৰিকল্পনাটি নাটকৰ প্ৰয়োজনীয়তাত বৰ্ণনাত্মক (telly) হোৱাৰ পৰিবৰ্তে অতিপাত অংগী-ভংগীময় (extravagant gesture) হোৱাৰ ফলত ই এটা একক দৃশ্যত পৰিণত হ'ল। মূল নাটকৰ পাৰিপাৰ্শ্বিকতাৰ লগত ই কোনো সংগতি ৰক্ষা কৰিব নোৱাৰিলে। এই নাটকৰ সংগীত পৰিচালকে Filler ৰ (দৃশ্যান্তৰৰ পৰা দৃশ্যৰ মাজৰ বিৰতিত ব্যৱহৃত হোৱা সংগীত) গুৰুত্বপূৰ্ণ ভূমিকাক অস্বীকাৰ কৰি এনে আজগুবি সংগীত প্ৰয়োগ কৰিলে, তাত যি কোনো নাট্যপ্ৰিয় মানুহ ক্ষুব্ধ হোৱাটো খুব স্বাভাৱিক। প্ৰসংগক্ৰমে ১৯৭৪ চনৰ অক্টোবৰ মাহত 'নক্সা নাট্য পৰিষদ'ৰ দ্বাৰা আমন্ত্ৰিত 'ক্যালকাটা পিপল্‌ছ আৰ্ট থিয়েটাৰ'ৰ দ্বাৰা পৰিবেশিত 'মৃত্যুহীন প্ৰাণ' আৰু '১৭৯৯' ৰ গণশিল্পী হেমাংগ বিশ্বাসৰ দ্বাৰা নিৰ্দেশিত সংগীতৰ কথা উল্লেখ কৰিব পাৰি। যি নাটকত দৰ্শকে উপলব্ধি কৰে, নাটকৰ পৰিবেশ মূৰ্ত কৰাত, নাটকৰ বক্তব্য বাঙ্ময় কৰি তোলাত সংগীতৰ ভূমিকা আৰু নাটকৰ সংগীতৰ মূল প্ৰবাহ ৰক্ষা কৰাৰ লগতে পৰৱৰ্তী দৃশ্যৰ পূৰ্বভাস দিয়াত Filler ৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ আৰু প্ৰাণস্পৰ্শী; যি নাটকৰ সংগীত আজিও আমাৰ বাবে জীৱন্ত স্মৃতি।

শেষাংশ ১০১ পৃঃ ত



# পৰিধিলৈ/সুশীল গোস্বামী

—হেই, হেই ঘুৰ, ঘুৰ ৰঙা, অস্...অস্...ঘুৰ বুলিছো, ঘুৰ। চিঞৰটো মালতীৰ কাণত এখন কাঁহৰ শব্দ হৈ বাজি উঠিল। তাই চক্‌খাই উঠি বহিল। বাঁহৰ চাঙৰ বিচনাখনে কেৰ কেৰ শব্দ কৰিলে। বেৰৰ জলঙা আৰু চালৰ ফুটাৰে সোমোৱা পোহৰৰ পৰা ৰাতিপুৱাৰৰ কিমান সময় হ'ল তাই অনুমান কৰিব নোৱাৰিলে। দেখিলে সিকাষৰ বিচনাখনত সোণ তেতিয়াওঁ গভীৰ টোপনীত লালকাল। সিটো কোঠাত মাক দেউতাকৰ সাৰ-শব্দ কিবা পায় নেকি তাই কাণ পাতিলে। নাই। বোধহয় শুইছে। ৰাতি প্ৰায়ে তাই সাৰ পায়। যেতিয়াই সাৰ পায় তেতিয়াই মাকৰ বাত-বিষৰ কেকনি আৰু দেউতাকৰ বুকু আঁজুৰি মৰা কাহৰ শব্দ একেলগে শুনিবলৈ পায়। যোৱা ৰাতি কিন্তু তাই এবাৰো সাৰ নাপালে। পৰহি মণ্ডলৰ ঘৰত সেই কেইটিন ধান বনাৰ ভাগৰে কিজানি তাইক কালিলৈকে এৰা নাছিল। গাটো এঙামূৰি দি তাই নামিবলৈ সাজু হ'ল। আঠুৱাখন দাঙিবলৈ গৈ দেখিলে নোদোকা মহ কেইটামানে চুকত চোপ লৈ আছে। তেতিয়াহে তাই মন কৰিলে যে ৰাতি টোপনীতে তাইৰ ভৰি লাগি ফিচিকি যোৱা তাপলিভৰা আঠুৱাখনৰ আৰু এঠাইত ফাঁট মেলিছে। দুপৰীয়াকৈ তাপলি এটা মাৰিব বুলি থিৰ কৰি চাই হাতৰ তলুৱাত মহ-কেইটা মাৰিলে আৰু সাৱধানে বিচনাৰ পৰা নামিল। লৰালৰিকৈ নামিবলৈ গৈ চচলিৰ আগত লাগি আগতে দুবাৰো তাইৰ মেখেলা ফাটিছে।

কোঠাটোৰ একমাত্ৰ খিৰিকিখন তাই খুলি দিলে। বাটলৈ চকু গ'ল। সিহঁতৰ ঘৰৰ প্ৰায় গাতে লগা বাটটো। কিছু আগলৈ সোঁফালে এজোপা কঠালগছ আছে। তাই দেখিলে তাৰ গুৰিতে নাঙলটো আঙুজাই থৈ মুহীধৰ ককাইটিয়ে ৰঙা বলদটোক টানি আঁজুৰি যুৱঁলীত সাঙুৰিছে। এজাক মৃদু বতাহ বলিছে। গাছ জোপাৰ আগটোত খোপনি ল'ব খোজা বেলিৰ প্ৰথম পোহৰ এজাকক পাতবোৰে লৰি চৰি আমনি কৰিছে। সেমেকা বতাহৰ স্পৰ্শ এইবাৰ তাই গালে মুখে অনুভৱ কৰিলে। এক পুলক অনুভূতিত লাহে লাহে চকুহাল মুদি দিলে। কিন্তু পিচ মুহূৰ্ততে তাই ...াগ হৈ উঠিল। সেমেকা বতাহৰ স্পৰ্শই তাইক ৰাতিৰ বৰষুণজাকৰ ... মনত পেলাই দিলে। ঘুৰি লৈ পোন চাতেই মজিয়াখনলৈ চকু দিলে। ...নত পানী পৰি ভেকুৰি আছে।



OKDISCD

বাঢ়নীটাৰ বিচাৰি লৈ আগচোতাল তাই পালেগৈ। ঘৰৰপিনৰ পৰা চোতালখন সাৰি সাৰি নি নঙলামুখ পাইছেগৈ, তেতিয়া এটা দৃশ্য দেখি তাই হঠাৎ কৌতুক অনুভৱ কৰিলে। কঠাল জোপাৰ গুৰিতে বাটছোৱা বেচ বোকা হৈছে। পথাৰ উপচি সেইপিনে এসোঁতা পানী বাগৰি গৈছিল। পথৰুৱা গৰু মানুহে খচি খচি বোকা কৰিলে। তাই দেখিলে কান্ধত এটা বেগ আৰু হাতত এটা ছুটকেছ লৈ এজন ডেকা মানুহ বোকাখিনিলৈ চাই বিমোৰ হৈ থিয় দি আছে। নতুনকৈ অহা মানুহ। পাৰ হ'বৰ বাবে মাজে মাজে ইফালে সিফালে দোপ দি চাইছে। কিন্তু যোৱাৰ উপায় নেদেখি আকৌ পিছুৱাই আহিছে। এবাৰ বেগ ছুটকেছ ৰাস্তাতে নমাই থৈ কঠালৰ গুৰিতে বহি ছিগাৰেট খালে। এটা সময়ত তাই বাঢ়নীটাৰ হাতৰ পৰা নমাই থ'লে। নঙলাদালত বুকুৰে হেচা দি থিয় হৈ ল'লে। মানুহজনে তাইক দেখা নাই। তাই একান্তমনে চাই ৰ'ল। ক'বনোৱাৰা-কৈয়ে এবাৰ মৃদু শব্দ কৰি হাঁহি দিলে। এনেতে সোণে ভিতৰৰ পৰা চিঞৰিলে। সোণৰ মাতত হঠাতে এটা কথা তাইৰ মনত পৰি গ'ল—। চাউল নাই। ন বজাত সোণ স্কুললৈ যাব লাগিব। বাঢ়নীটাৰ তুলি লৈ তাই কোবাকুবিকৈ ভিতৰলৈ গ'ল।

আবেলি বাহিৰৰ বাৰান্দাতে মূঢ়া এটাত বহি মালতীয়ে আঠুৱাখনৰ তাপলি মাৰি আছে। এনেতে শুনিলে সোণে তাইক চিঞৰি মাতিছে। মূৰ তুলি দেখিলে নঙলাদাল খুলি সি দৌৰি আহিছে। তাই বুজিলে কিবা এটা বিশেষ খবৰ আছে। সোণৰ এইটো স্বভাৱ। স্কুলত কিবা উত্তেজনাপূৰ্ণ খবৰ শুনিলেই সি দৌৰি দৌৰি আহি তাইক জনাবহি। সোণে ফোঁপাই জোপাই আহি কিতাপবহীখিনি বায়েকৰ কোলাত জাপি দিলে আৰু মাটিতে বহি পৰি ক'বলৈ ধৰিলে,— জান বাইদেউ, আমাৰ স্কুললৈ আজি নতুন ছাৰ আহিছে। এম, এ, পাছ। ক্লাছ টেইনৰ নৰেনদাদাই কৈছে নতুন ছাৰ হেনো আজিৰাতিপুৱা সৌ কঠালৰ গুৰিতে বোকাত পৰিছিল।

নতুন ছাৰ যে কোন মালতীয়ে বুজিব পাৰিলে। ৰাতিপুৱাৰ দৃশ্যটো মনত পৰি তাইৰ হাঁহি উঠিল। সুধিলে,— কি নাম অ' সোণ ?

—অজিত বৰা।

নতুন ছাৰে খুউব ভাল পঢ়ুৱায় বুলি স্কুলৰ লৰা-ছোৱালী কোৱাকুই কৰিছে। বিশেষকৈ ক্লাছ নাইনৰ লৰা-ছোৱালীখিনি ফুৰিছে। আজি প্ৰথম অজিত বৰাই টেনৰ ক্লাছ ল'ব। গতি



টেনৰ ল'ৰাছোৱালীখিনিয়ে ছেকেণ্ড পিৰিয়ডৰ ঘণ্টা পৰালৈ আগ্ৰহেৰে বাট চাই আছে। যথা সময়ত গহীন গহীন খোজেৰে অজিত বৰা টেনৰ ক্লাছ ৰুমলৈ সোমাই আহিল। চকীখন টান মাৰি লৈ সি ৰেজিষ্টাৰ বহীখন মেলি ল'লে। পেনটো খুলি লৈ 'ৰোল নাম্বাৰ ওৱান' বুলি কৈয়েই তেওঁ থতমত খাই ৰৈ গ'ল। ৰোল নাম্বাৰ ওৱানৰ বিপৰীতে কাৰো নাম নাই। উপস্থিতিৰ চিনো নাই। কথাটো কি জানিব বিচাৰিলে। প্ৰথম বেঞ্চৰ মুখতে বহা ল'ৰাটোৰ পৰা গম পালে যে নাইনৰ পৰা প্ৰথমহৈ প্ৰমোচন পাইছিল মালতী দাসে। কিন্তু ফিজ দিব নোৱাৰে বাবে তাই পঢ়িবলৈ নাহিল।

পিৰিয়ডটো শেষ হোৱাৰ লগে লগে তেওঁ হেডমাষ্টৰৰ ৰুমলৈ গ'ল। মালতী সম্পৰ্কে জানিব বিচাৰিলে। হেডমাষ্টৰে জনালে যে মালতী ছোৱালী— জনী পঢ়াশুনাত বৰ ভাল আছিল। ক্লাছ ছেভেনলৈকে পঢ়াৰ পিছতে বাপেক হাপানীত শয্যাশায়ী হৈ পৰে। আধি খেতি কৰি খাইছিল। খোৱামুঠিৰ টনাটনি হ'ল। গতিকে তাইৰো পঢ়াশুনা বন্ধ হ'ল। পিচত যতীন মাষ্টৰে এদিন জোৰ কৰি আনি ক্লাছ এইটত নাম লগাই দিয়ে। যতীন মাষ্টৰ এতিয়া ৰিটায়াৰ্ড হৈ গ'ল। যোৱা দুবছৰ তাই শ্ৰেণীত প্ৰথম হৈছিল। মাকে ইঘৰ সিঘৰত কাম কৰি খৰচ উলিয়াইছিল। এতিয়া হেনো মাকৰো বাত বেমাৰ হৈছে। গতিকে আকৌ তাই অহাটো বন্ধ হ'ল। তথাপি তেওঁ খবৰ এটা পঠিয়াইছে। পাৰে যদি এতিয়াও তাই আহক। ছেছন অৱশ্যে আধাআধি গলেই। তথাপিও চোকা ছোৱালী যেতিয়া তাই পাৰিব। তেওঁতো ভাবে অলপ চেষ্টা কৰিলেই মেট্ৰিকত তাই ভাল ৰিজাল্ট কৰিব। হেডমাষ্টৰৰ পৰা গোটেইখিনি কথা শুনি তেওঁ ছোৱালীজনীৰ প্ৰতি গভীৰ সহানুভূতি অনুভৱ কৰিলে। অৱশ্যে খেতিয়কৰ

৯৮ পৃঃৰ পিচৰ পৰা

উপস্থাপনাৰ নানান ত্ৰুটিৰে 'ৰূপতীৰ্থ'ই এই 'নতুন পলস' নাট নিবেদনৰ যোগেদি অসমৰ চালুকীয়া প্ৰগতিশীল নাট্য আন্দোলনত এক বিশেষ অৰিহণা যোগালে। অহা অক্টোবৰ মাহত ঐক্যতান' নামৰ এক নবগঠিত সাংস্কৃতিক অনুষ্ঠানে এই নাট নতুন ৰূপত পুনৰ মঞ্চস্থ কৰিববলৈ ৱাটো অসমৰ প্ৰগতিশীল নাট্য আন্দোলনৰ বাবে আশাৰ বাতৰি। বিশ্বত সাম্ৰাজ্যবাদী শক্তি ক্ৰমশঃ বিপৰ্যস্ত হোৱাৰ সময়ত, তৃতীয় বিভিন্ন দেশৰ ঐক্যৰ প্ৰচেষ্টাৰ সময়ত এনে নাট প্ৰযোজনা খুবেই ৰ্ণ। +++ —হেমন্ত কুমাৰ দাস



OKDISCD

পৰিয়াল বুলিলেই তাৰ সহানুভূতি আছে। গাঁৱলৈ চাকৰি লৈ আহোতেই সি ভাবি আহিছে গাঁৱৰ উপকাৰৰ বাবে কিবাকিবি কৰিব। অৱশ্যে কি যে কৰিব এতিয়াও সঠিক নাজানে। সি স্থিৰ কৰি পেলালে যে ছোৱালী জনীক যেনেতেনে পঢ়ুৱাবই লাগিব। হেডমাষ্টৰক ক'লে— মই মালতীক এবাৰ লগ পাব খোজোঁ। ঘৰটো কোনখিনিত ?

—তাইৰ ভায়েকটোৱে আমাৰ ইয়াতে পঢ়ে ফাইভত। আপুনি তাক লগত লৈয়েই যাব পাৰিব।

স্কুল ছুটীৰ ঘণ্টা বজাৰ লগে লগে অজিতে চকীদাৰৰ হতুৱাই সোণক মতাই আনিলে আৰু সিহঁতৰ ঘৰলৈ খোজ ললে। সোণে ভয়ে ভয়ে নতুন ছাৰৰ কাষে কাষে যাবলৈ ধৰিলে। নতুন ছাৰ বাৰু সিহঁতৰ ঘৰলৈ কিয় আহিছে ? তাৰ বৰ জানিবলৈ মন গৈছে। কিন্তু সুধিবলৈ ভয় লাগিছে। অজিতে মাজতে সোণৰ পঢ়া শুনাৰ খবৰ ল'লে। বাকীখিনি সময় মনে মনে আহি থাকিল। এটা সময়ত সিহঁত কঠালগছ জোপাৰ ওচৰ পালেহি। অজিতে দেখিলে টান ৰ'দত বোকাডৰা ইতিমধ্যে শুকাইছে! ঘৰৰ ওচৰ পোৱাৰ লগে লগে ক'বনোৱাৰাকৈয়ে সোণৰ খোজৰ বেগ বাঢ়িল। ছাৰ কেইখোজমান পাচ পৰা বুলি গম পালেই কিন্তু সি লাজ পাই ৰৈ যায়। ঘৰৰ আগ পাই সি আৰু ৰব নোৱাৰিলে। ছাৰক বাটতে এৰি উত্তেজনাত 'বাইদেউ' বুলি চিঞৰ এটা মাৰি দৌৰ ধৰিলে।

নঙলাদালত হাত দিয়েই অজিতে দেখিলে মজলীয়া ওখ আৰু মিঠা বৰণৰ ছোৱালীজনী আগবাঢ়ি আহিছে। গাত সাধাৰণ কপাহী চাদৰ এখন। ব্লাউজটোত এসময়ত কিবা এটা ৰং আছিল। ওচৰ পোৱাৰ লগে লগে তাক হাঁহি অভ্যৰ্থনা জনালে,— আহক ছাৰ। সি লক্ষ্য কৰিলে তাইৰ হাঁহিটো বৰ কোমল।

—তুমিয়েই মালতী ?

—হয়।

ঘৰৰ একমাত্ৰ কাঠৰ চকীখন বাৰান্দাতে আছিল। মালতীয়ে আগ বঢ়াই দিলে। বহি বহি অজিতে সুধিলে,— পঢ়িবলৈ তোমাৰ ইচ্ছা আছে নে নাই মালতী ?

—কিয় ন'হব ছাৰ ? আছে। মইতো ঘৰত পঢ়ি থাকো।

চকীখনৰ লৰি থকা খুটাটোলৈ সাৱধানে লক্ষ্য কৰি অজিত লৰিচৰি ... লৈ

মালতী ভিতৰ সোমাই গ'ল আৰু তামোলৰ বটা এটা হ... 



গুলাই আহিল। তামোলখন লৈ অজিতে মালতাক বহিবলৈ ক'লে।

—হ'ব ছাৰ।

বেৰখনতে আউজি তাই থিয় হৈ থাকিল। বিশেষ একো ভূমিকা নকৰি অজিত আচল কথালৈ আহিল।

—মালতী, মই তোমাৰ বিষয়ে সকলো জানিছোঁ। তুমি পঢ়াশুনা এৰিব নোৱাৰা। অহাকালিৰ পৰা স্কুললৈ যাবা।

মালতী মনে মনে ৰ'ল। সি তাইলৈ চালে। কিন্তু মনোভাব বুজিব নোৱাৰিলে। আকৌ ক'লে,— অ' যাবা। কাইলৈ তোমাক মই ক্লাছত দেখিব লাগিব।

—যাব নোৱাৰো ছাৰ।

মাতটোত থকা আড়ষ্টতা অজিতৰ কাণ এৰাই ন'গল। সুধলে, কিয় ?

—আপুনি দেখোন কৈছেই মোৰ বিষয়ে সকলো জানিছে।

—শুনা, টকা পইচাৰ অভাৱত তোমাৰ পঢ়া বন্ধ হ'ব নোৱাৰে।

—টকা ক'ত পাম ছাৰ ?

—মই দিম। কৈ উঠি সি একপ্ৰকাৰ তৃপ্তি অনুভৱ কৰিলে। নিশ্চিন্ত আৰামত চকীখনত গা এৰি দিলে আৰু পেকেটটো উলিয়াই ছিগাৰেট এটা জ্বলালে। মালতী পোন হৈ থিয় দিলে! তালৈ চাই কঠোৰ সুৰত কলে,— আপুনি ? আপুনি কিয় দিব ?

ছিগাৰেটটোত হোপা এটা মাৰিব খুজিও সি ৰৈ গ'ল। আহতবোধ কৰিলে। অলপ সময় মনে মনে থাকি কিবা এটা কোৱাটো প্ৰয়োজন বুলি ভাবি চকীখনত পোন হৈ বহি ল'লে। কিন্তু কি ক'ব একো ভাবি নাপালে। পুনৰ আউজি নীৰৱে ছিগাৰেট হুপিবলৈ ধৰিলে। ছাৰৰ মুখখন দেখি সোণে গম পালে যে ছাৰে বেয়া পাইছে। তাক আটাইতকৈ আচৰিত কৰিছে বাইদেউকজনীয়ে! কেনেকৈ কথা কৈছে ছাৰক। অবাক হৈ সি তাইৰ মুখৰ পিনে চাই ৰ'ল। অজিতযে খুউব অসন্তুষ্ট হৈছে মালতীয়ে বুজিলে। কিন্তু তাৰবাবে তাইৰ অকণো অনুশোচনা ন'হল। তাই কঠোৰ হৈছে হয়। কিন্তু নিজে ইচ্ছা কৰি হোৱা নাই! অৱস্থাই বাধ্য কৰিছে। তাই পুতৌৰ পাত্ৰী হ'ব নোখোজে। তেনে অৱস্থাক তাই ঘিন কৰিবলৈ শিকিছে। কেইবাটাও ঘটনাৰ পৰা তাই এই শিক্ষা লাভ কৰিছে। অৱশেষত অজিতে নীৰৱতা ভংগ কৰিলে। বুজনি দিয়াৰ সুৰত ... — চোৱা মালতী, মোক তোমাৰ এজন শুভকাংক্ষী হিচাপে লোৱা।



OKDISCD

—কাৰো দান লৈ মই পঢ়িব নোখোজো।

মালতীৰ মাতত একেই কঠোৰ সুৰ। অজিতে কিছু উত্তেজিত হৈ কিবা এটা ক'বলৈ মুখ মেলিছেহে মাথোন এনেতে দেখিলে ভিতৰৰ পৰা অতিপাত শেঁতা বুঢ়া মানুহ এজন লাহে লাহে খোজ দি ওলাই আহিছে। সি মনে মনে ৰ'ল। মানুহজনে টানি টানি উশাহ লৈছে আৰু লগে লগে ঘৰ্ ঘৰ্ শব্দ এটা হৈছে। আটাইবোৰ হাড় লেখিব পাৰি। বুকুৰ সোতোৰা পৰা চালখন হাড়বোৰৰ ওপৰেদি ঘনাই উঠা নমা কৰি আছে। চকু দুটা মৰা মাছৰ চকুৰ দৰে ঘোলা।

—দেউতা আহ।

মালতী আগবাঢ়ি গৈ হাত এখনত ধৰিলে। অজিতে বহাৰ পৰা উঠি দিলে।

—বহা, বোপা, বহা!

মালতীয়ে দেউতাকক মূঢ়াটোও বহুৱাই দি ভিতৰ সোমাই গ'ল। লগে লগে সোণো গ'ল। দীঘলকৈ উশাহ এটা লৈ মালতীৰ দেউতাকে ক'লে,— বোপা, তোমালোকৰ কথাবতৰাখিনি মোৰ কাণত পৰিল। এযাৰ কথা কওঁ বুলি ওলাই আহিলোঁ। বেয়া নোপোৱাতো॥

—নাই, নাই কিয় বেয়া পাম? কওঁক। অজিতে বিনয়েৰে ক'লে। মালতীৰ দেউতাকে আৰু এটা দীঘল উশাহ লৈ ক'লে— মালতীক পঢ়ুৱাবৰ মোৰ বৰ ইচ্ছা আছিল। অৱস্থাই নুকুলালে। তুমিও বিচাৰিছা তাই স্কুললৈ যাওঁক। খৰচো বহন কৰিবলৈ গাত লৈছা। তোমাৰ অন্তৰ আছে। দেখি সন্তোষ পাইছো। কিন্তু বোপা, এটা এটা কথা নহয় ?

—কওঁক!

—আমাৰ এই গাওঁখনতে মালতীৰ দৰে বহুত ল'ৰাছোৱালীয়ে স্কুল এৰি দিছে! তুমি গোটেইবোৰকে পঢ়ুৱাব পাৰিবা জানো? এনেকুৱা এটা প্ৰশ্ন শুনিব বুলি অজিতে আশা কৰা নাছিল। কি উত্তৰ দিব? তা ওচৰত উত্তৰ নাই। অলপ পৰ মনে মনে বহি থাকিল। তাৰ পিছত খপহকৈ উঠি গুচি আহিল।

সি আৰু উভতি নাচালে। কোবাকোবিকৈ আধামাইলমান বাট অহাৰ পিচত অনুভৱ কৰিলে তাৰ ভাগৰ লাগিছে। এটা জানৰ ওপৰত থকা কাঠৰ দলঙৰ ৰেলিঙত আঁউজি ৰ'ল। ছিগাৰেট এটা জ্বলালে। মৰা মাছৰ চকুৰ দৰে ঘোলা চকুৰে মালতীৰ দেউতাকৰ শেঁতা মুখখন তাৰ চকুৰ আগত ভাঁহি-উঠিল। মানুহজনে গাঁৱৰ আনবোৰ দুখীয়া পৰিয়ালৰ কথাও ভাৱিছে। কিন্তু সি তেনেকৈ ভাবিব নাজানে। মালতীৰ কথাকেইটা তাৰ মনত পৰিল। দাৰিদ্ৰ্যৰ সন্মুখত তাইৰ দৃঢ়তাইও তাৰ মনত পলক জগাব নোৱাৰিলে। মালতীহঁত আজি তাৰ অচিনাকি।+ +।+

OKDISCD

SAMPRATIK SAMAYIKEE
Volume 1. Collection III

OCT. '76 ISSUE
Price Rs. 2.50

স্কুল-কলেজৰ আলোচনী

ৰাইটিং পেড

ৰচিদ বহী, কেছমেমো

ৰঙীন ছপাকাম :

কিতাপ-আলোচনীৰ ক'ভাৰ

লেবেল আদি

সকলো ধৰণৰ ছপাকামৰ বাবে

# বিস্ময় প্ৰিণ্টাৰ্ছ

হেদায়েৎপুৰ ॥ গুৱাহাটী—৭৮১০০৩
ফোন : ৭০২৩

OKDISCD